# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ০৭/০২/২০১৯ বৃহস্পতিবাৰ

**আজি ইংৰাজী ০৭-০২-২০১৯ তাৰিখে ৰাতিপুৱা ০৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত বিধান সভাৰ বাজেট অধিবেশন কাৰ্যসূচী আৰম্ভ হয় ঃ**

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্যন নং-৯৪ , দিলীপ কুমাৰ পাল

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দিলীপ কুমাৰ পাল :-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তর দিয়েছে। আমি পেয়েছি। কিন্তু কিছু উত্তর স্পষ্ট হয় নি। আমার দুই নম্বর প্রশ্নের উত্তরে এএসটিসি র জমির হিসাব পেয়েছি। কিন্তু দেখা গেল ৮টি জায়গায় জমি বেদখল হয়ে আছে। রংজুলি, হরভোগ,গৌরিপুর, শিপাঝার,লালুক, দগলাছড়া, বদরপুর এবং করিমগঞ্জ। কিন্তু এই জমিগুলোর পরিমাণ যথেষ্ঠ। করিমগঞ্জ পাঁচ বিঘা, বদরপুর পাঁচ বিঘা পাঁচ কাটা। কারা দখল করে আছে তাদের নাম নেই । আমি জানতে চেয়েছিলাম। এটা পুনরুদ্ধারের ব্যবস্থা কেন করা হল না ? সেটার উত্তর নেই। আরেকটা কথা, শিলচরে এএসটিসি ফ্লেগ স্টেশনে এক বিঘা জমি আছে এএসটিসির। খুব মুল্যবান জমি টাউনেৰ ওপর। এখানে মাননীয় মন্ত্রী মহোদয় বললেন যে কনস্ট্রাকশন চলছে। আমরা দেখেছি ঠিকই কাজ চলছে।

স্যার, শিলচর খুব বড় শহর নয়। পুরোনো শহর। প্রায় পনেরো স্কোয়ার কিমি জায়গা। তিন লক্ষ মানুষ বসবাস করেএখানে। ইন্টারেস্টিংলি ৯০ হাজার যানবাহন চলাচল করছে শিলচর শহরে। ৯০ হাজার যানবাহন মানে, ৮ হাজার অটো, সাড়ে তিন হাজার ই-রিক্সা, তিন হাজার রিক্সা, ঠেলা, প্রায় ৫২ হাজার স্কুটার বাইক ২০ হাজার প্রাইভেট কার, ৭ হাজার কমার্সিয়েল যানবাহন চলাচল করছে শিলচরে রোজ। শিলচর শহরে খুব যানযট হয় প্রত্যেক দিন। কিন্তু পার্কিং-এর কোন সুব্যবস্থা নেই। জামাইরাজার দলের বদান্বতায় শিলচর শহরের সমস্ত জায়গা ৩০ বছরে সব সরকারি জমি বিতরণ করা হয়ে গিয়েছে। দান করা হয়ে গিয়েছে যাকে তাকে। কোন টয়লেট বানানোর জায়গা নেই আজ শিলচর শহরে। পার্কিং- এর কোন জায়গা নেই। একটা ভালো জায়গা ছিল পার্কিং-এর। এএসটিসির ১ বিঘা জমি। আমি একটা প্রশ্ন করেছিলাম যে আগের সরকারের সময়। এখানে একটা মাল্টি স্টোরেজ পার্কিং ব্যবস্থার একটা সিদ্ধান্ত হয়েছিল। কিন্তু যে কোন কারণেই হোক সেটা হয়নি। এই এএসটিসি র জায়গাটার লিস্ট দেওয়া হল কনস্ট্রাকসনের জন্য দুটো কম্পানিকে। এখানে মাল্টি স্টোরেজ পার্কিং করার ব্যবস্থা করা হোক। যদিও উত্তর পেয়েছি যে মাল্টি স্টোরেজ পার্কিং এর জন্য পেছন দিকে কিছুটা জায়গা রাখা হয়েছে, ওয়ান থার্ড এরিয়া। আমার প্রশ্নটা হচ্ছে যে কনস্ট্রাকশন হোক , মার্কেট কমপ্লেক্স হোক, কোন অসুবিধা নেই। কিন্তু আণ্ডার গ্রাউনড পার্কি ং এর জন্য অন্তত তিনটি প্লট করা যায় কি না ? করলে শিলচরের বহুত সমস্যার সমাধান হবে। এখানে পার্কিং এর যে ডিপিআর মাননীয় মন্ত্রী মহোদয়ে দিয়েছেন সেটাতে সেই বিল্ডিংএ পার্কিং এর কোন ব্যবস্থা নেই। তাই এখানে যাতে একটা আণ্ডার গ্রাউণ্ড পার্কিং এর ব্যবস্থা করা হয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয় মাননীয় সদস্যগৰাকীয়ে যিটো প্ৰশ্ন কৰিছে।

তাতে ১ বিঘা আমাৰ মাটি আছে। তাত আমি Multi Level Car Parking ৰ বাবে মাটি ৰাখিছো। লগতে তাত যিটো Transpot Plaza আছে তাত আমি ৪ কঠা মাটি দিছো। মাল্টিলেভেল কাৰ পাৰ্কিঙৰ বাবে আমি ১ কঠা ১০ লেচা মাটি ৰাখিছো যাতে আমি Vertically বনাই যাব পাৰো। অধ্যক্ষ ডাঙৰীয়া আপুনি নিশ্চয় দেখিছে আমাৰ পল্টন বজাৰত যিটো হেড কোৰ্য়াটাৰ তাতো এটা মাল্টিলেভেল কাৰ পাৰ্কিঙ আছে। সেইটো ১ কঠা মাটিৰ ভিতৰতে আছে। গতিকে মাননীয় সদস্যজনে যিটো শংকা প্ৰকাশ কৰিছে, সেইটো নহয়। Plaza টো কৰা উদ্দেশ হ'ল যাতে শিলচৰৰ নিবনুৱা যুৱক যুৱতীখিনিয়ে কৰ্মসংস্থান পায়। Car Parking ৰ বাবে তাত মাটি ৰখা হৈছে এইটো আমি পৰৱৰ্ত্তী সময়ত ব্যৱস্থা গ্ৰহণ কৰিম।

**দিলীপ কুমার পালঃ**— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বললেন যে মাল্টি পার্কিং এর ব্যবস্থা রা হয়েছে। সেটা অনেক কম। মেইন বিল্ডিং যেটা আছে সেটার বেসমেন্টে তো পার্কিং এর ব্যবস্থা রাখা উচিৎ ছিল। মেইন বিল্ডিংটি পাঁচ মহলা বিল্ডিং। আমি অনুরোধ করব, আমি জানতে চাইব যে এই মেইন বিল্ডিং এর আণ্ডার গ্রাউণ্ড বেসমেন্ট সহ পার্কিং এর ব্যবস্থা করা আমার প্রস্তাব ছিল আগে। আমি দুবছর আগে প্রস্তাব দিয়েছিলাম কিন্তু মানা হয় নি আমার প্রস্তাব। জানি না কেন? আমাকে তখন একজন অফিসার বলেছিলেন যে এগুলি পিপিপি মডেলে করতে গেলে কেবিনেট অনুমোদন লাগে। আমি জানি না। কিন্তু এখনও পিপিপি মডেলে দুটো কম্পানিকে দেওয়া হল কাজ। আমার প্রস্তাব না মেনে পিপিপি মডেলে দেওয়া হল এটা কেবিনেট মিটিং এ পাস হয়েছে কি না? আমি জানতে চাই।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ASTC এটা Corporation । মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে- মই অকল শিলচৰৰ কথাটো কোৱা নাছিলো। মই কৈছিলো অসমৰ ভাল ঠাইত যিখিনি মাটি আছে সেইখিনি পৰিবহণ বিভাগৰ। গতিকে সকলো এ এচ টি চিৰ মাটি কি ধৰণে ব্যৱহাৰ কৰিব পৰা যাব। সেই সম্পৰ্কে Cabinet ত আলোচনা কৰিব লাগিব বুলি মাননীয় সদস্য গৰাকীক কৈছিলো। Assam State Transport Corporation তেওঁলোকৰ এখন নিজৰ কমিটি আছে। এতিয়া তাত যি ১ কঠা মাটি আছে তাত Multi Storied Vehicle কৰিব পাৰিম । তাৰ কাৰণে ১ কঠা মাটি চাফিচিয়েন্ট। শিলচৰৰ অন্য স্থানত্তে আমাৰ মাটি আছে, আমি তাতো কৰিব পাৰিম। তেখেতে encroachment ৰ কথাও কৈছে - বদৰপুৰত আমাৰ প্ৰায় ৪ কঠা ২ লেচা মাটি বেদখল কৰিছে। এইটো নবিন চন্দ্ৰ কলেজ অথোৰিটিয়ে বেদখল কৰিছে। এই কলেজখনক আমি ইতিমধ্যে জনাইছো যাতে মাটিখিনি এৰি দিয়ে। কৰিমগঞ্জতো প্ৰায় ১৫ লেচা মাটি আমাৰ বেদখল হৈ আছে আৰু তাতে আমাৰ Notice নোটিছ দিয়াৰ পিছত High Court কৰিছে। High Court ৰ Petition 229 of 2011 - এই কথাখিনি আমাৰ হাইকোৰ্টৰ বিচৰাধীন হৈছে। য'ত য'ত মাটি বেদখল হৈছে আমি মুকলি কৰাৰ বাবে চেষ্টা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে সুধিছে তাত multi Level Car Parking ৰ সুবিধা আছে নেকি? এই Transport Plaza টোত আমাৰ নিবনুৱা যিখিনি লৰা-ছোৱালী আছে তেওঁলোকৰ সুবিধা হ'ব ইয়াত। তেওঁলোকে কাম পাব ইয়াত আৰু কাম কৰিব পাৰিব। মইটো কৈছোৱে তাত মাটি আমি ১ কঠা ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** তেখেতৰ প্ৰশ্নটো Multi level Car parking কৰাৰ সুবিধা আছে নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** আছে, আছে। এইটোত অসুবিধা আছে এইকাৰণে।

**মাননীয় অধ্যক্ষ ঃ** Already কাম আৰম্ভ কৰিলে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** কাম আৰম্ভ হৈছে ইতিমধ্যে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, বুজি পালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** তেখেতৰ সেই কথাখিনি লৈ আমি Multi level Car parking কৰাৰ ঠাই ৰাখিছো আৰু তাত আমি Car parking কৰিব পাৰিম। কিন্তু কথা হ'ল এতিয়া আমাৰ সুবিধা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী দিলীপ কুমাৰ পল ঃ** মাননীয় অধ্যক্ষ মহোয়।

**মাননীয় অধ্যক্ষ ঃ** মই দিব নালাগে, তথাপি কি আছে কওঁক।

**শ্ৰী দিলীপ কুমাৰ পাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাল্টি পাৰ্কিং ৰ যি জাগা ৰখা হয়েছে। সেটা অনেক কম। সৰু জাগা, এক কঠা।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মন্ত্ৰীক এবাৰ মাতি দিয়ক শিলচৰলৈ চাবৰ কাৰণে, ভাল হ'ব, সমস্যা সমধান হ'ব।

**শ্ৰী দিলীপ পল ঃ** কিন্তু এটা কথা, মই ক'ব বিচাৰিছো আজি কালি যিমান Multi Stories Building, High Rise Building হয় Basement Parking is must.

**মাননীয় অধ্যক্ষ ঃ** সেইটো হয়।

**শ্ৰী দিলীপ পল ঃ** এইটো যে Building দেখিলো তাত Basement Parking নাই।

**মাননীয় অধ্যক্ষ ঃ** কাম আৰম্ভ হোৱা বুলি কৈছে।

**শ্ৰী দিলীপ পল ঃ** বন্ধ আছিল কাম ইমান দিন।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়াই এইটো চাই দিব।

**শ্ৰী দিলীপ পল ঃ** এইটো একেবাৰে primary stage ত আছে। সেইটো সলনি কৰি অলপ মাটিৰ তলত Multi Car Stories ৰ দুই তিনিটা মহলা, সেইটো কৰিলে আমাৰ ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আৰু নক'ব সময় বহুত গৈছে। এতিয়া এজন এজনকৈ প্ৰথমে ৰাজদ্বীপ গোৱালা, Short কৈ কব।

**শ্ৰী ৰাজদ্বীপ গোৱালা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপনার মাধ্যমে মন্ত্ৰী মহোদয়ের কাছে এই বিষয়ে আমার প্ৰশ্নটি হল এই এএসটিসির মাটি পাৰ্কিং এর জন্যই ছিল।মেক্সিমাম গাড়ি পাৰ্ক হত এখানে। শিলচর শহরে এখন সবথেকে বড় সমস্যা হল ট্ৰাফিক সমস্যা।

**মাননীয় অধ্যক্ষ ঃ** এইটো কৈছে। আপোনাৰ Supplementary টো কওঁক।

**শ্ৰী ৰাজদ্বীপ গোৱালা ঃ** তারজন্য এই টোটেল ল্যাণ্ডের উপরে যদি মাল্টি লেভেল পাৰ্কিং হয় তখনই এই সমস্যার সমাধান হবে।

**মাননীয় অধ্যক্ষ ঃ** ভাল হয়। ঠিক আছে, মই বুজি পাইছো। কমলাক্ষ্য দে পুৰকায়স্থ আপুনি কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয় Powerful মন্ত্ৰী। সেইটোৰ কাৰণে মোৰ এটা অনুৰোধ আছিল যে আমাৰ ১৫ লেচা মাটিটো উদ্ধাৰ কৰি এটা Multi Stories Parking কৰিমগঞ্জত কৰা কিবা পৰিকল্পনা আছে নেকি? অলপতে এখন Volvo Bus দিলে ভাল পাও কাৰণ মন্ত্ৰী মহোদয় Powerful হয়, এইটোৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া তেখেতৰ কথাটো আপুনি নোট কৰি ল'ব আৰু একেলগে উত্তৰ দিব। এতিয়া গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস ঃ** অধ্যক্ষ মহোদয়, মই কেৱল এটা কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো আমাৰ মঙ্গলদৈত প্ৰায় ১৯ বিঘা ৪ কঠা ১৩ মাটি আছে, তিনিটা প্লটত আৰু মঙ্গলদৈ চহৰৰ মাজত মাটিখিনি এতিয়া পৰিত্যক্ত বিভিন্ন বেদখল কৰা দেখা গৈছে, কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ? এখনো বাছ তাত নোসোমাই।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, উত্তৰ কেইটা দিয়ক। সময়টোৰ কাৰণে মই একেলগে কৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কথাটো ভালকৈ বুজাব পৰা নাই নে আমাৰ মাননীয় সদস্যসকলে বুজা নাই মই নাজানো। মই কৈছো যে এটাই প্লট, তাৰে এটা পাৰ্টত কৰা হৈছে এই প্লাজা আৰু প্লাজাটোৰে তাৰ নিবনুৱা যুৱক-যুৱতী সকলৰ কাৰণে সংস্থাপনৰ ব্যৱস্থা আছে। Adjacent যিখিনি ঠাই আছে, সেই এটাই প্লট, তাতে যিখিনি ১ কঠা আৰু যিখিনি মাটি ৰখা আছে তাৰে Car parking কাৰণে ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** দুই নম্বৰ কথা অধ্যক্ষ ডাঙৰীয়া, শিলচৰত আমাৰ আৰু অন্য মাটি আছে। আমি তাতে অলপ ভালকৈ Multi level Car parking কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এবাৰ যাওঁক শিলচৰলৈ, সকলোৰে মাতি আছে, গৈ আহোক গৈ, চাই আহোক গৈ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** শিলচৰ মই গৈছো।

**মাননীয় অধ্যক্ষ ঃ** এইটোৰ কাৰণে যাওঁক, সকলোৰে ভাল পাব। আপুনি লগত লৈ গ'লে ময়ো যাম আৰু গুৰুজ্যোতি দাসৰ উত্তৰটো আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** গতিকে মই কিন্তু এবাৰ বৰাকৰ তিনি গৰাকী মাননীয় সদস্যই যিখিনি প্ৰশ্ন কৰিছে, মই সেইখিনি কথা তেখেত সকলক আস্বস্ত কৰিলো যে এই প্লাজাটোৰে নিবনুৱা সমস্যা সমাধান কৰিব। লগত Adjacent যিটো প্লট সেই প্লটটোত Multi level Car parking ৰ কাৰণে ৰাখিছো। অধ্যক্ষ মহোদয়, মই এই ৰাতিপুৱা উঠি আৰু প্ৰথম প্ৰশ্নটোতে কাকো Criticise কৰিব নিবিচাৰো।

**মাননীয় অধ্যক্ষ ঃ** ১৫ লেচাটো কি হ'ব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** ১৫ লেচাটো উদ্ধাৰ হ'বই সেইটো চিন্তা কৰিব নালাগে। গতিকে এতিয়া কথাটো হ'ল যে আমাৰ এই ৰাতিপুৱাই প্ৰথম প্ৰশ্নটোতে কাৰোবাক Criticise কৰো বুলিয়া দেখা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** নকৰিব, আজি বৃহস্পতিবাৰ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** নকৰো, নকৰো। কিন্তু কথাটো হ'ল Multi level Car parking ৰ ব্যৱস্থাটো কেতিয়া আহিছিল, কোন চনত আহিছিল, কোনে কৰিব বিচাৰিছিল, কোনে তাতে আধাৰশিলা স্থাপন কৰিছিল সেইবিলাক নকওঁ আৰু।

**মাননীয় অধ্যক্ষ ঃ** নালাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** গতিকে আমাৰ এতিয়া কথাটো হ'ল যে প্লাজাটোও হওঁক আৰু Multi level Car parking টো হওঁক। সেইটোহে কথা।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আৰু গুৰুজ্যোতি দাসৰ টো আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** গুৰুজ্যোতি দাস ডাঙৰীয়াই যিটো কথা কৈছে, সেই মঙ্গলদৈৰ কথাটো আমাৰ দৃষ্টিগোচৰ হৈ আছে। আমি সেইটোও এই মডেলত লৈ যাব পাৰিনেকি চাওঁ।

আপোনাৰ যোগেদি এটা কথা কবলৈ বিচাৰিছো।

**শ্ৰী দিলীপ পল ঃ** অধ্যক্ষ মহোয়, Plaza ৰ Basement Parking টো হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো নহ'ব বুলি কৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, সেইটো নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** মই বুজিলো, মই বাকী প্ৰশ্নলৈও যাব লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, এটা কথা আছে। কথাটো হৈছে এইটো যে Transport বিভাগটো এটা lost corporation, আপুনিও জানে অধ্যক্ষ ডাঙৰীয়া। ৪০০-৫০০ কোটি টকা lostত এটা corporation চলি আছে। আমাৰটো নিজস্ব পইচা নাই, আমাৰ সম্পদ মাটি খিনিয়ে। গতিকে মাটিখিনি যদি আমি RFT Plot কৰিছো, RFT Plot কৰাৰ লগে লগে first কাম, first chance আৰু rate. গতিকে সেইহিচাপে তেনেকৈ আহিছে আৰু প্লাজাটো আমি তেনেকৈহে বনাম। সেই হিচাপত আমি যদি আমাৰ সদস্যই যিটো কৈছে তলত, এইটো নালাগে Adjacent plot এটা প্লটৰে আধাত এইটো আৰু আধাত Multi level Car parking. গতিকে তাতে অসুবিধা কি আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, হ'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, এটা কথা ৰৈ গ'ল, কথাটো হ'ল আমাৰ এইখিনি কথা মাননীয় সদনক জনাব বিচাৰিছো যে আমাৰ ৰূপনগৰতে ৫৮ বিঘা মাটি এতিয়া পৰি আছে, আপুনি দেখিছে অধ্যক্ষ মহোদয়, তাত একো নাই। ঠিক তেনেদৰে আমাৰ উলুবাৰীত এটা ডাঙৰ প্লট পৰি আছে। ঠিক তেনেধৰণে গুৰুজ্যোতি দাসে কোৱাৰ নিচিনা মঙ্গলদৈত এটা ডাঙৰ প্লট পৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, বেছি দীঘল নকৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** সেই কাৰণে আমি কৈছো ডিব্ৰুগড়ত এটা এনেকুৱা মডেলত এটা কাম আৰম্ভ কৰিছো, গতিকে এনেকুৱা ধৰণৰ যদি আমি PPP Modeত যদি এইবিলাক কৰিব পাৰো, তেতিয়াহ'লে মোৰ মতে আমাৰ এইবিলাক মাটিৰ সৎ ব্যৱহাৰ হ'ব আৰু ৰাইজৰ উপকাৰ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৯৫, সুমন হৰিপ্ৰিয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া ঃ** অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো কৰিবলৈ গৈ যথেষ্ট দুখ ও লাগিছে কাৰণ অবৈধ মদে আমাৰ ঘৰত যিধৰণে অশান্তি আনিছে সেইটো ভুক্তভোগীয়েহে ক'ব পাৰিব। মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে মই সম্পূৰ্ণ সন্তুষ্ট এই কাৰণে হোৱা নাই, যদিও ইয়াতে কৈছে যে আমি অভিযান চলাইছো, বিশেষকৈ মদ আমি জব্দ কৰিছো ১২০০০ কিমান লিটাৰ। তথাপিতো আমি এইটো বন্ধ কৰিব পৰা নাই অবৈধ মদৰ প্ৰচলন। এনেকুৱা অঞ্চলৰ এনেকুৱা ঠাইত অবৈধ মদ পায যে শুনিলে আচৰিত হ'ব। স্কুল-কলেজৰ ওচৰত পানদোকানটো পোৱা যায়। তাৰ ফলত কি হৈছে Accident হৈছে, যিমান সৰু সৰু লৰা বিলাকৰ বাইকৰ দুৰ্ঘটনা, আপোনালোকে যদি চাই দেখা পাব বহুত ক্ষেত্ৰত অবৈধ মদো ইয়াৰ বাবে দায়ী বুলি মই ভাৱো। তাৰ লগত Criminal activity বাঢ়িছে। হয়তো আৰকাৰী বিষয়া সকলৰ বা পুলিচৰো নজৰ ইয়াত আছে যে ক'ত ক'ত পোৱা যায় অবৈধ মদ, তাৰপিছতো আমি বন্ধ কৰিব পৰা নাই। কিয় পৰা নাই সেইটো সমাজৰ কাৰণে এটা চিন্তনীয় কথা। আমাৰ চৰকাৰৰ ফালৰ পৰা আমি অসমত ইমান উন্নয়ন আনিছো, ৰাস্তা-ঘাটৰ পৰা আৰম্ভ কৰি স্বাস্থ্য বিভাগৰ পৰা হওক, প্ৰশাসনৰ ব্যৱস্থাই হওঁক। কিন্তু তাৰ পিছতো যদি এখন ঘৰত

মদক লৈ অশান্তি হয়, আমাৰ হাজোতে চাওঁক কৃষি জীৱি মানুহে খেতি কৰে, খেতিৰ পৰা আহি যি কেইটা পইচা পাই সেইকেইটা যদি মদত উৰাই দিয়ে তেতিয়াহলে ঘৰখনত কেনেকুৰা ধৰণৰ শান্তি আহিব ? গতিকে মই চৰকাৰক সুধিব বিচাৰিছো যে আমাৰ যিসকল আৰকাৰী বিষয়া আছে তেওঁলোকৰ, যিহেতু বন্ধ হোৱা নাই, মই হাজোৰ ক্ষেত্ৰতে কৈছো, বন্ধ হোৱা নাই যিহেতু যে তেওঁলোকক আৰু তেনেকুৰা ধৰণৰ প্ৰশিক্ষণ দিয়া হ'ব পাৰে বা তেওঁলোকক কেনেকুৰা নিৰ্দেশ দিয়া হ'ব, যিহেতু Raid মাৰিলে আকৌ আগৰ ঠাইতে পোৱা যায়। মই Raid নাইমৰা বুলি কোৱা নাই। আহে বিষয়া সকল, কিন্তু কেনেকুৰা ধৰণৰ কি আছে মই নাজানো nackous টো বা ক'বলৈও খোজা নাই। মোৰ হাতত তথ্য নাই ক'বলৈ, কিন্তু বন্ধটো আমি কৰিব পৰা নাই। যিটো জিলা আৰকাৰী বিষয়া তেওঁলোকক আমি অলপ সষ্টম কৰি দিব পৰা নাই নেকি ? যে ভালকে ঘুৰি ভালকৈ Raid মাৰক বা তেওঁলোকক arrest কৰক বা আপুনি সেই বিষয়ে জনাব পাৰিব নে এইযে কিবা নতুন পদক্ষেপ লৈছে নেকি এইবিষয়ে বন্ধ কৰিবৰ কাৰণে ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Minister Please.

**শ্ৰী পৰিমল শুক্লবৈদ্য (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মদৰ কথাটো চাৰ এনেকুৰা যে এইটো কি কম মদ প্ৰকৃতাৰ্থত আমাৰ অসমত ৩ ধৰণৰ মদ আছে। পৰাম্পৰাগত ভাৱে আমাৰ কিছুমান মানুহে মদ বনাই থাকে আৰু এবিধ মদ হৈছে, Country spirit আৰু এই ধৰণৰ মদটো আমাৰ ইয়াতে বনোৱা হয়। আৰু এবিধ মদ হৈছে IMFL মানে Indian Made Foregin Liquar । এতিয়া অবৈধ বুলি কোৱাতে এই IMFL যি বিলাকে আমাক কৰ দিয়ে সেইটো বৈধ হয়। অবৈধ মানে হ'ল যি বিলাক Non-duty paid. সেই ধৰণে Country spirit ৰ ক্ষেত্ৰত আগতে কিছমান খেলি-মেলি আছিল, কিন্তু এতিয়া Country sprit টো কিছু পৰিমাণে স্বাস্থ্য সন্মত ভাৱে বনোৱা হয়; যাতে তেওঁলোকে কৰ দিয়ে আৰু নিয়ন্ত্ৰিত উপায়েৰে যাতে চলে তাৰ কাৰণে আমি এখন নতুন আইন প্ৰণয়ন কৰি এই বিষয়ত আমি কাম কৰি আছো। ঠিক তেনেকৈ Heritage Liquor ৰ ক্ষেত্ৰটো আমি নতুন আইন প্ৰণয়ন কৰিছো যাতে এইবোৰ স্বাস্থ্য সন্মত ভাৱে বনোৱা হয়। প্ৰকৃতাৰ্থত অবৈধ মানে হ'ল যাক আমি চুলাই মদ বুলি কওঁ। বিভিন্ন ঠাইত চুলাই মদ বনোৱা হয় য'ত স্বাস্থ্য সন্মত ভাৱে বনোৱাৰ কোনো ব্যৱস্থা নাই। আৰু অবৈধ বুলি কওঁতে এই কথাটো আহিব পাৰে যে কিছুমান ঠাইত এই মদবোৰ Non duty paid হব পাৰে বা চুলাই মদ হব পাৰে। এই কথাটো সঁচা যে আমাৰ বিভাগৰ ফালৰ পৰা আমি প্ৰয়াস কৰি আছো যে আৰু এই বিষয়ে মই উত্তৰত উল্লেখ কৰিছো যে কোন জিলাত আমি কিমান মদ জব্দ কৰিছো। আমি প্ৰতিখন জিলাত ইতিমধ্যে প্ৰায় ১২ হাজাৰ ১২৬ লিটাৰ মদ জব্দ কৰিছো আৰু লগতে আপুনি দেখিব যে এই Country spirit বা চুলাই মদখাই বহু মানুহ মৰিছিল বা ক্ষতিগ্ৰস্ত হৈছিল। কিন্তু এতিয়া এইটো বহু পৰিমাণে কমিছে। আৰু আমাৰ সদস্য গৰাকীয়ে কোৱাৰ দৰে যি Criminal Activities হয় মদ খোৱাৰ পিছত, মানুহে নিয়ন্ত্ৰণ যেতিয়া হেৰুৱাই তেতিয়া Criminal Activities বহুত ত হয়। কিন্তু বৰ্তমানৰ সময়ত আমাৰ চৰকাৰ অহাৰ পিছৰে পৰা যদি আপুনি লক্ষ্য কৰে তেতিয়া দেখিব যে মদ খোৱাৰ পিছত যি Criminal Activities হয় সেইটো বহু পৰিমাণে কমিছে, মদখাই দুৰ্ঘটনাত মৃত্যু হোৱাৰ হাৰ বহু পৰিমাণে কমিছে। যোৱা বিহুত, পূজাত এই দুৰ্ঘটনাৰ পৰিমাণটো বহু পৰিমাণে কমিছে, আগতে হ'লে মেডিকেল কলেজ পূৰ্ণ হৈ গৈছিল এই মদ খাই দুৰ্ঘটনাগ্ৰস্ত হোৱা মানুহৰ দ্বাৰা। আজিৰ দিনত Medical College বিলাকক যদি সোধে তেতিয়া দেখিব যে বৰ্তমান এই মদ্যপানৰ ফলত হোৱা দুৰ্ঘটনাৰ পৰিমাণ বহু পৰিমাণে কমিছে, এই ক্ষেত্ৰত আমি এটা নিয়ন্ত্ৰিত উপায় আনিবলৈ আমি সক্ষম হৈছো।

মই আপোনাৰ কথাত একমত যে সম্পূৰ্ণ ভাৱে এই মদ্যপানৰ ব্যৱস্থাটো আমি বন্ধ কৰিব পৰা নাই। সম্পূৰ্ণৰূপে বন্ধ কৰাৰ ক্ষেত্ৰত মই আপোনালোকৰ সহযোগ কামনা কৰিছো, যাতে আমি সকলোৱে মিলি মদ খোৱাটো যে ভাল কাম নহয় সেইটো মানুহক বুজাব পাৰো। কিন্তু মহাশয়, কোনোৱাই যদি ভাবে যে আমি মদটো, ৰাজহৰ বাবে কৰিছো কিন্তু এইটো আমি ৰাজহৰ কাৰণে কৰা নাই। বহুত ঠাইত এনেকুৱা কথা কোৱা যায় যে চৰকাৰে ৰাজহৰ কাৰণে মদটো চলাই আছে। মদটো নিয়ন্ত্ৰণ কৰাৰ কাৰণে আমি চেষ্টা কৰি আছো আৰু মই ভাবো যে আমি সকলোৱে মিলি যদি এই ক্ষেত্ৰত আগবাঢ়ি যাওঁ তেতিয়া হলে আমি নিশ্চয় সফল হম। আৰু ইয়াৰ বাবে আমি নতুন আইন প্ৰণয়ন কৰিছো যাৰ অধীনত আমি ৫ হাজাৰ টকা লৈকে জৰিমণাৰ ব্যৱস্থা কৰিছো আৰু আমি Arrest কৰি Court ত পঠোৱাব পাৰো এনেকুবা নিয়মৰ অধীনত আমি বহুত কেছ হাতত লৈছো।

**মাননীয় অধ্যক্ষ** ঃ Thank you, have you any supplementary ?

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (মাননীয় সদস্যা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় প্ৰশ্ন টো হল যে যিখিনি আমাৰ দেশীয় মদ আহে, এই ক্ষেত্ৰত আমি সকলোৱে জানো বা মই নিজেও দেখা পাইছো যে যি বিলাক গাড়ীৰ Tube সেই বিলাকত মদবোৰ আহে। প্ৰথমতে মই দেখা পাই আচৰিত হৈ গৈছিলো গতিকে এই ক্ষেত্ৰত মই এইটো জানিব বিচাৰিছো যে এইবোৰ কেনেকৈ সৰবৰাহ হয়? আৰু তাৰ কাৰণে ৰাইজক সজাগ কৰিছে আৰু এই ক্ষেত্ৰত ৰাইজ সজাগ নোহোৱা নহয় কিন্তু চৰকাৰৰ ফালৰ পৰা কিমান ব্যৱস্থা লোৱা হৈছে এই ক্ষেত্ৰত মই বিষয়ে বিতং কৈ জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিছো। মই আমাৰ হাজোত দেখা পাইছো যে মহিলা সকলে সজাগত সভা পাতিছে, আমাৰ চৰাবড়ী কালি মন্দিৰৰ মহিলা সকলে, নামপাৰা, ৰামদিয়া আৰু কুলহাতী আদিত এই সঁজাগতা সভা হোৱা দেখা পাইছো। আৰু এই ক্ষেত্ৰত অভিযানটো মহিলা সকলে নিজে আৰম্ভ কৰি দিছে। এতিয়া প্ৰশ্নটো হল যে আমি এই মদৰ ব্যৱসায়টো বন্ধ কৰিব পৰা নাই এই কাৰণে যে তেওঁলোকক আমি Alternative একো জীৱিকাৰ উপাই দিব পৰা নাই, তেওঁলোকে কেনেকৈ চলিব। গতিকে যদিওঁ আমি মদ ভাঙি পেলালেও বা জব্দ কৰো কিন্তু সেই মদখিনি আকৌ তেওঁলোকে গৈ Black ত কিনি আনে অৱশ্য এই ক্ষেত্ৰত মই প্ৰকৃত তথ্য পোৱা নাই আৰু এই ক্ষেত্ৰত বহুতে কয় যে দেখাত জব্দ কৰে কিন্তু জব্দ কৰা মদখিনি কলৈ যায় বা নষ্ট কৰি পেলাই দিয়াও মই দেখা নাই। গতিকে এতিয়া কথাটো হ'ল যে মহিলা সকলে এই মদবোৰ ভাঙে বা আৱকাৰী বিষয়া সকলেও এই মদবোৰ জব্দ কৰে, কিন্তু এই ক্ষেত্ৰত আমি যদি সেই চুলাই মদৰ ব্যৱসায় সকলক মাতি পেলাই এটা অন্য উপাৰ্জনৰ ৰাস্তা দিয়া হয় তেতিয়া হলে নিশ্চয় এই মদৰ কাৰবাৰটো বন্ধ হব।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো কৰক।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (মাননীয় সদস্যা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে বহুটো কাম কৰিছে, কিন্তু মদৰ ক্ষেত্ৰত যদি যিবোৰ চুলাই মদৰ ব্যবসায় আছে, তেওঁলোকক মাতি আনি আমি যদি কিবা বেলেগ উপাৰ্জনৰ পথ দিওঁ তেতিয়া হলে তেওঁলোকে নিশ্চয় মান্তি হব। মই ভাবো এইটো এটা ভাল পদক্ষেপ হব আৰু এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক ধন্যবাদ দিওঁ যে এইবাৰ Excise ৰ ক্ষেত্ৰত আমি Highest পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিছো। গতিকে তাৰ পৰা এটা CSR fund উলিয়াই সেই ব্যৱসায় সকলক এটা বিকল্প উপাৰ্জনৰ পথ দিব লাগে বুলি মই চৰকাৰক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, Alternative কিবা এটা সেই ব্যৱসায় সকলক দিলে তেখেতে মদটো বন্ধ হব বুলি কৈছে, এনেকুৱা কিবা চৰকাৰৰ কিবা Policy আছে নেকি?

**শ্ৰী পৰিমল শুক্লবৈদ্য (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এই মদ বন্ধ কৰাৰ ক্ষেত্ৰত

আমি Prohibition Council বনাইছো ।

**মাননীয় অধ্যক্ষ** ঃ তেখেতৰ প্ৰশ্নটো এইটো নহয়, তেখেতৰ প্ৰশ্নটো আছিল যে সেই মদৰ ব্যৱসায়ী সকলক বিকল্প কিবা এটা যদি Income source যদি দিব পৰা যায় তেতিয়া হলে ভাল হয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো শেষৰ ফালে আছে, তাৰ আগত তেখেতে অন্য কেইটামান কথা কৈছে। এতিয়া কথা হ'ল যে এই Prohibition Council বনাই আগতে কোনেও এনেকুৱা ধৰণৰ চেষ্টা কৰা নাছিল। আৰু আমি চেষ্টা কৰিছো যে এনেকুৱা ধৰণৰ স্থিতি নহয় যে মহিলা সকলে ধৰিব লগীয়া হয়। গতিকে আমি Prohibition Council ৰ জৰিয়তে চেষ্টা কৰিছো যাতে মানুহ বিলাক সঁজাগ হয়। লগতে আমি নিছামুক্তি (De-Addiction ) কেন্দ্ৰ স্থাপন কৰিছো আৰু আগতে এই কেন্দ্ৰ দুটা আছিল বৰ্তমান ইয়াক ৬টালৈ বৃদ্ধি কৰা হৈছে যাতে মানুহে নিচাৰ পৰা মুক্ত হব পাৰে। ঠিক তেনেকৈ Prohibition Council ৰ শক্তি বৃদ্ধি কৰাৰ কাৰণে আমি চেষ্টা কৰি আছো আৰু New Country Sprit আনিছো। আৰু আমি আমাৰ বিভাগটো কিছু শক্তিশালী কৰাৰ কাৰণে গাড়ীৰ পৰা আদি কৰি বহুত বস্তুৰ ব্যৱস্থা কৰিছো যাতে আমাৰ বিষয়া সকলে যি কোনো সময়তে গৈ অপৰাধীক ধৰিব পাৰে, এইখিনি কাম আমি কৰিছো। আৰু আমাৰ মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে মহিলা সকলেও ধৰে কিন্তু যেতিয়া আমাৰ বিভাগৰ ফালৰ পৰা ধৰা হয়, তেতিয়া আমি দেখা পাও যে বহু ঠাইত মহিলা সকলে এই মদ বনাই থাকে, বিভিন্ন ঠাইত আমি এনেকুৱা অৱস্থা দেখা পাইছো। গতিকে মই এই কথাটো কব পাৰো যে আমাৰ মাননীয় সদস্য গৰাকীয়ে কৰোৱ দৰে মদৰ লগত জড়িত ব্যৱসায়ী সকলক কিবা যদি বিকল্প ব্যৱস্থা কৰি দিব পাৰো সেইটো ভাল হয়। কিন্তু আমাৰ হাতত আজিৰ তাৰিখত এনেকুৱা ধৰণৰ কোনো আঁচনি নাই। যি আঁচনিৰ জৰিয়তে আমি তেওঁলোকক ধৰি আনি কিবা বিকল্প ব্যৱসায়ৰ ব্যৱস্থা কৰিব পাৰো বা কৰ্ম সংস্থাপন ব্যৱস্থা কৰিব পাৰো। গতিকে মই আপোনাৰ কথাটো ভালদৰে চিন্তা কৰি অদূৰ ভৱিষ্যতে যাতে এইটো কৰিব পৰা যায় তাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিম।।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, চুলাই মদ গুৱাহাটীৰ বিভিন্ন ঠাইত মুকলি ভাৱেই পোৱা যায়। মোৰ সমষ্টিৰ ফটাশিলৰ (দুখন কলেজৰ ওচৰত) ভুতনাথ, লংকেশ্বৰ, সাত মাইল আদি ঠাইতো সহজে উপলব্ধ আৰু মই উচ্ছেদৰ কথা কৈয়ো আজিলৈকে উচ্ছেদ কৰিব পৰা নাই। মোৰ কথা হল যে এই চুলাই মদবোৰ যে সহজ ভাবে বিক্ৰী কৰিবলৈ ক্ষমতা পাইছে, তাৰ মূল কাৰণ হ'ল আবকাৰী বিভাগৰ শিথিলতা। মন্ত্ৰী মহোদয় দৃষ্টিগোচৰ হয়তো নহব পাৰে সেইবাবে এই কথাখিনি কলো তাৰ বাবে মন্ত্ৰী মহোদয়ে বেয়া পাব নালাগে। মই ভাবো এই বিভগটোৰে কোনোবাই হয়েতো চুলাই মদৰ ব্যৱসায়ী সকলক আগতিয়াকৈ জনাই দিয়ে যে আজি সেই অঞ্চলত তালাচি চলোৱা হ'ব, সেইকাৰণে সিহঁত আগতীয়াকৈ সাবধান হৈ যায় আৰু দ্বিতীয় কথাটো হ'ল- যদিও বিভাগৰ ফালৰ পৰা তালাচী কৰি ধৰা হয় বা জব্দ হয় তেতিয়া তেওঁলোকে আমাক দেখুৱাই কেইদিনমানৰ কাৰণে বন্ধ কৰি পাচত পুনৰ আৰম্ভ কৰে।

আজিকালি গুৱাহাটীত বহুতো অপৰাধ মূলক কাৰ্য সঘনাই সংঘটিত হোৱা দেখা যায় আৰু তাৰ মূল কাৰণটো হ'ল এই "চুলাই মদ"। এতিয়া মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে যিহেতুকে ৰাজহ যথেষ্ট পৰিমানে সংগ্ৰহ কৰিব পাৰিছে, তেতিয়া হ'লে তেখেত সকলে এটা বেলেগ উইংছৰ সৃষ্টিৰে "ফ্লাইং স্কোৱাদ" গঠন কৰি সেই চুলাই মদ বিলাক ধ্বংস কৰাৰ ব্যৱস্থা কৰিলে ভাল হয় আৰু এই প্ৰক্ৰিয়াটো মাজে মাজে চলাই থাকিব লাগিব। কেৱল ৰাইজ বা

মহিলা সকলে এইবোৰৰ ক্ষেত্ৰত যে সজাগ হৈ উচ্ছেদ কাৰ্য চলালে নহ'ব, কাৰণ সদায় তেখেত সকলেও এই উচ্ছেদ কাৰ্য চলাবলৈ সক্ষম নহ'ব, গতিকে এই কাৰ্যত আবকাৰী বিভাগৰ সম্পূৰ্ণ সহযোগীতা লাগিব। আবকাৰী বিভাগৰ কিছু সংখ্যকে কিন্তু তালাচী কৰিব বুলি আগতীয়াকৈ তালাচী সম্পৰ্কে চুলাই মদৰ ব্যৱসায়ী সকলক জনাই অবৈধ ভাবে পুঁজি সংগ্ৰহ কৰে আৰু এই ব্যৱস্থাৰ দ্বাৰা তেখেত সকলে এই চুলাই মদৰ ব্যৱসায়টো নিয়মিয়াকৈ চলাই যাবলৈ সক্ষম হৈছে। গতিকে চৰকাৰ যিমানেই কঠোৰ আইন প্ৰনয়ণ নকৰক কিয়, যদি এই আবকাৰী বিভাগৰ কৰ্মচাৰী সকল সৎ নহয় তেন্তে এই চুলাই মদৰ ব্যৱসায়টোও বন্ধ কৰিব নোৱাৰিব।

সেইবাবে আপোনাৰ জড়িয়তে মোৰ আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়লৈ পৰামৰ্শ থাকিল যে তেখেতে যেন "ফ্লাইং স্কোৱাদ" কেইখন মান গঠন কৰাৰ লগতে মাজে মাজে তালাচী কৰি চুলাই মদৰ ব্যৱসায় ৰোধ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰে। তেতিয়াহে এই ক্ষেত্ৰত সফলতা লাভ কৰিব পৰা যাব বুলি মই ভাবো। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিছু কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব নে নাই সেইটো জনালে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ, মদৰ প্ৰচলন যিমানেই হ্ৰাস হয় সিমানেই ভাল হয়। যিহেতুকে আমি এখন গ্ৰীষ্ম প্ৰধান অঞ্চল এটাত বাস কৰো গতিকে এই মদে আমাৰ শৰীৰৰ কিছু ক্ষতিও কৰিছে, গতিকে আমি এই ক্ষেত্ৰত সাবধান হোৱা উচিত। মন্ত্ৰী মহোদয়ে মূল মূল কথা কেইটাৰ লগতে কলিতা ডাঙৰীয়াই "ফ্লাইং স্কোৱাদ" গঠন কৰাৰ যি পৰামৰ্শ আগবঢ়াইছে সেই টো লিখি ৰাখিব। চুলাই মদৰ ব্যৱসায় সংক্ৰন্তত বহুতে প্ৰশ্ন কৰিব বিচাৰিছে, সেয়েহে মই এই বিষয়টোত অলপ সময় দিব বিচাৰিছো। আপোনালোকে বিশদ বৰ্ণনা নকৰি কেৱল মূল প্ৰশ্নটো কৰিব বা পৰামৰ্শটো আগবঢ়াব, কাৰণ মদে আমাৰ শৰীৰত কি ক্ষতি কৰে সেইটো আমি সকলোৱেই জানো।

এতিয়া, শ্ৰী মানুন ইমদাদুল হক, আপুনি আপোনাৰ বক্তব্যটো সদনৰ মজিয়াত ৰাখক।

**শ্ৰী মানুন ইমদাদুল হক, চৌধুৰী, বিধায়ক ঃ**- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গাঁৱলীয়া ভাষাত এষাৰ কথা আছে যে - "মানুহে মদ খায়, কিন্তু মদে মানুহক খায়"। চাৰ, চৰকাৰৰ মদৰ ব্যৱসায়ৰ জৰিয়তে ৰাজহ সংগ্ৰহ কৰাৰ যিটো ব্যৱস্থা, সেইটো কিন্তু মোৰ বোধেৰে এটা ভুল পদ্ধতি গ্ৰহণ কৰিছে। যি চৰকাৰেই নহঁওত কিয় মদৰ ব্যৱসায়ৰ দ্বাৰা ৰাজহ সংগ্ৰহ কৰাৰ ব্যৱস্থাটো এটা অশুদ্ধ পদ্ধতি। কিয়নো মদে আমাৰ নৱপ্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি লৈ গৈ আছে।

মই এইখিনিতে এটা কথা বিশেষভাৱে উল্লেখ কৰিব বিচাৰিছো যে - আমাৰ আসমত যিটো দলে (বি, জে, পি) চৰকাৰ গঠন কৰিছে, সেইটো দলেই বিহাৰত জে, ডি, ইউৰ লগত মিলি চৰকাৰ চলাই আছে আৰু দুয়োটা দলে মিলি তাত মদৰ প্ৰচলন বন্ধ কৰিছে। সেয়েহে, ময়ো চৰকাৰলৈ এটা অনুৰোধ কৰিব বিচাৰিছো যে ইয়াতো পৰ্যায়ক্ৰমে মদৰ প্ৰচলনটো বন্ধ কৰিব লাগে আৰু অসম খনক এখন "মদ মুক্ত প্ৰদেশ" হিচাপে ঘোষণা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ**- ইয়াৰ পিচৰ প্ৰশ্নটো কৰিব শ্ৰী ৰূপক শৰ্মাই। মই আৰু বেছি প্ৰশ্ন নলওঁ, মাত্ৰ এটাহে ল'ম।

**শ্ৰী ৰূপক শৰ্মা, বিধায়কঃ**- মাননীয় আধ্যক্ষ মহোদয়, আমাৰ চুবুৰীয়া ৰাজ্য অৰুণাচলৰ পৰা অবৈধ ভাবে অসমলৈ চোৰাংকৈ মদৰ যি সৰবৰাহ হয়, যাৰ বাবে আমাৰ চৰকাৰে বৃহৎ সংখ্যক ৰাজহ সংগ্ৰহ কৰাৰ পৰা বঞ্চিত হ'ব লগা হৈছে, এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

**মাননীয় অধ্যক্ষ ঃ**- মই অৱশ্যে মন্ত্ৰী মহোদয়ক গাড়ীৰে মদৰ বটল ভঙা দৃশ্য দূৰদৰ্শনত দেখিবলৈ

পাইছো। ইয়াৰ পিচৰ প্ৰশ্নকৰ্তা হল শ্ৰী নাৰায়ণ ডেকা।

**শ্ৰী নাৰায়ণ ডেকা, বিধায়ক** ঃ- মাননীয় আধ্যক্ষ মহোদয়, অবৈধ মদৰ ব্যৱসায় বন্ধ কৰাৰ কাৰণে আমাৰ মন্ত্ৰী মহোদয়ে যি ব্যৱস্থা গ্ৰহণ কৰিছে, সেইটো নিশ্চয় প্ৰশংসনীয়। আমাৰ আগৰ আইন খনত বহুতো সুৰুঙা আছিল, যাৰ কাৰণে এই অবৈধ ব্যৱসায় কৰি ধৰা পৰিলেও ধৰা পৰা মানুহজনে সহজে আইনৰ সুৰুঙাৰে থানাৰ বাহিৰ হৈ আহিবলৈ সক্ষম হৈছিল। বৰ্তমান মন্ত্ৰী মহোদয়ে আইনখন সংশোধন কৰি যি নতুন আইন প্ৰনয়ণ কৰিছে তাৰ বাবে তেখেতৰ ধন্যবাদ জ্ঞাপন কৰিছো লগতে এটা কথা (পৰামৰ্শ) উল্লেখ কৰিব বিচাৰিছো যে আমাৰ গ্ৰাম্যাঞ্চলত যেতিয়া উচ্ছেদ অভিযান চলোৱা হয় তেতিয়া তাৰ ব্যৱসায়ী সকলে কাষৰীয়া গাওঁ সমূহলৈ গৈ তাত ব্যৱসায় কৰে, গতিকে এই ক্ষেত্ৰত এটা "স্পেচিয়েল ড্ৰাইভ" হ'ব লাগে যাতে সকলো ঠাইতে একে সময়তে অভিযান চলোৱা হয়।

**মাননীয় অধ্যক্ষ** ঃ- এইবাৰৰ প্ৰশ্নকৰ্তা শ্ৰী প্ৰশান্ত ফুকন।

**শ্ৰী প্ৰশান্ত ফুকন, বিধায়ক** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে প্ৰথমতে এটা কথা জানিব বিচাৰিছো যে আমাৰ যি "হলগ্ৰাম" ব্যৱস্থা আছে, এই "হলগ্ৰাম" ব্যৱস্থাটো আমি কিমান দিনৰ ভিতৰত প্ৰযোজ্য কৰিব পাৰিম আৰু দ্বিতীয়তে কাষৰীয়া অৰুণাচল প্ৰদেশৰ পৰা অবৈধ ভাৱে মদৰ যি সৰবৰাহ কৰা হয়, সেইবিলাক আগতে সৰু সৰু নাৱেৰে আহিছিল। কিন্তু এতিয়া বগীবিল দলঙেৰে সেই মদৰ সৰবৰাহ কৰা হ'ব পাৰে বুলি আশংকা কৰা হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই বগীবিল দলঙৰ ওপৰত আবকাৰী বিভগৰ ফালৰ পৰা এখন "চেক গেট" ৰ ব্যৱস্থা কৰিব নেকি আৰু দ্বিতীয়তে আবকাৰী বিভাগটোত কৰ্মচাৰীৰ যথেষ্ট অভাৱ দেখা যায় আৰু এই অভাৱ পূৰণ কৰাৰ কাৰণে কিবা ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, এই বিষয়টোৰ ওপৰত আৰু বেছি আলোচনা কৰিবলৈ দিয়া নহ'ব। যদি আপোনালোকৰ কিবা সুধিব লগা থাকে তেতিয়া মই "স্পেচিয়েল ডিছকাচন"ত এই বিষয়ে সুধিবলৈ দিম। আমাৰ সদস্য সকলে সদনত "বিকল্প কৰ্মসংস্থাপন" ৰ কথা কলে, "ফ্লাইং স্কোৱাদ" আৰু "মদ মুক্ত প্ৰদেশ" হিচপে ঘোষণা, "বাহিৰৰ ৰাজ্যৰ পৰা অবৈধ মদৰ সৰবৰাহ বন্ধ কৰা", "হলগ্ৰাম" ব্যৱস্থাটো কেতিয়া হ'ব, আৰু বগীবিল দলঙৰ ওপৰত "চেক গেট" কৰাৰ কথা বিলাক ক'লে, আজি আৰু আলোচনা হ'ব নালাগে। আপোনালোক মোক "স্পেয়িয়েল ডিছকাচন" ৰ বাবে লিখিব তেতিয়া মই আলোচনা কৰাৰ বাবে সুবিধাটো দিম। এতিয়া মন্ত্ৰীয়ে উত্তৰটো দিব।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী আৰকাৰী বিভাগ** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক ইমদাদুল হকে অবৈধ মদ সৰবৰাহৰ যোগেদি যি ৰাজহ সংগ্ৰহৰ কথা কৈছে সেই ক্ষেত্ৰত জনাব বিচাৰো যে অবৈধ মদ সৰবৰাহৰ পৰা আমাৰ হাতলৈ শূণ্য শতাংশহে ৰাজহ আহে।

আজিৰ আলোচনাৰ মূল প্ৰশ্নটো হল অবৈধ মদৰ ব্যৱসায়টো কেনেকৈ বন্ধ কৰিব পৰা যায়। অবৈধ মদৰ ব্যৱসায়টো বন্ধ কৰাৰ কাৰণে প্ৰথমে আমি "কান্ট্ৰি স্পিৰিট" টো আপগ্ৰেড কৰিলো। আগতে ম'লাচিছ দি "কান্ট্ৰি স্পিৰিট" টো আৰু "চুলাই" টো কৰা হৈছিল। এতিয়া আমি নতুন আইনৰ জড়িয়তে "গ্ৰেইন" মিক্স কৰিলো যাতে স্বাস্থ্য সন্মত হয় আৰু এই অবৈধ মদটো বন্ধ হয়। এতিয়া "ফ্লাইং স্কোৱাদ" ৰ কথা কোৱা হৈছে। এইটো আমি সদায় চেষ্টা কৰি আছো যাতে আমি ভিজিলেঞ্চটো বঢ়াব পাৰো। আমি আমাৰ নতুন একচাইজ পলিচি মতে পুলিচক সম্পূৰ্ণ কৰ্তৃত্ব দিছো আৰু একচাইজ ইউটিলাইজেচন ব্যুৰো বিলাককো একচন লোৱাৰ বাবে তেওঁলোকৰ কৰ্তব্য পালন কৰি আছে। এই কথাটো সঁচা যে আমি সম্পূৰ্ণ ৰূপে বন্ধ কৰিব পৰা নাই। আমাৰ সুমন

হৰিপ্ৰিয়া ডাঙৰীয়ানীয়ে কোৱাৰ দৰে অকল টিউবৰ ভিতৰতে নহয়, ডাব নাৰিকলৰ ভিতৰত সোমায়ো অবৈধ মদৰ ব্যৱসায়টো চলাই আছে আৰু একচাইজ বিভাগে ইয়াৰ পাচে পাচে ঘূৰি আছে। আমি চাৰ এইটো বন্ধ কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছো। ১৬৪ কোটি টকাৰ আমি চৰকাৰৰ ফালৰ পৰা ৰেভিনিউ বিচৰা নাই, আমি মাত্ৰ স্বাস্থ্য যাতে ভালকৈ ৰাখিব পাৰো তাৰেই চেষ্টা কৰি আছো। চাৰ, আপোনালোকে শুনি আচৰিত হ'ব যে এতিয়া সমাজৰ মানুহৰ এনেকুৱা পৰিস্থিতি হৈছে যে মদ খাই তেওঁলোকৰ বুদ্ধি বাঢ়িছে। আমি প্ৰক্ৰিয়া চলাই আছো আৰু চেষ্টা কৰি আছো। আমি একেলগে ১৬৪ কোটি টকাৰ মদ **spread** কৰিলো চাৰ। আমাৰ চৰকাৰৰ ফালৰ পৰা আমি এইটো বিচৰা নাই যে আমি ৰেভিনিউ অৰ্জন কৰিলো। আমি স্বাস্থ্য ভালদৰে ৰখাৰ কাৰণে চেষ্টা কৰি আছো। ঠিক তেনেকৈ ৰূপক শৰ্মা ডাঙৰীয়া, নাৰায়ণ ডেকা ডাঙৰীয়া, প্ৰশান্ত ফুকন ডাঙৰীয়াই হল'গ্ৰামৰ বিষয়ে এটা গুৰুত্বপূৰ্ণ কথা কৈছে। হল'গ্ৰাম যদি আমি লগাব পাৰো তেন্তে ৰেভিনিউৰ ক্ষেত্ৰত আমি কিছু নিয়ন্ত্ৰণত আনিব পাৰো। এই ক্ষেত্ৰত আমি দুবাৰ টেণ্ডাৰ কৰিছো আৰু বিভিন্ন কাৰণত টেণ্ডাৰ দুবাৰ কেঞ্চেল হৈছে। কাৰণ হল'গ্ৰাম বনোৱাটো বেছ কষ্ট সাধ্য বেপাৰ আৰু ইয়াত বিভিন্ন ধৰণৰ নেক্সাচ জড়িত হৈ আছে। এইটো অনলাইন প্ৰচেছত আছে আৰু যাতে আমি সোনকালে কৰিব পাৰো, তাৰ কাৰণে আমাৰ চৰকাৰে চেষ্টা চলাই আছে। সুমন হৰিপ্ৰিয়া বাইদেউৰ প্ৰশ্নৰ উত্তৰত আমি লিখি দিছো আৰু চেকগেটৰ ক্ষেত্ৰত আমি চেকগেট উঠাই দিলো। প্ৰত্যেকটো ক্ষেত্ৰ তে চেলটেক্স গেট, এক্সাইজ গেট, ফৰেষ্ট গেট এই বিলাক উঠোৱা হৈছে। চেকগেট নহ'লেও আমাৰ ফালৰ পৰা যিমানখিনি পাৰো আমি চেষ্টা চলাই যাম যাতে অৰুণাচলী মদ বিলাক জব্দ কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী ৰাজদ্বীপ গোৱালা। আব্দুল খালেকৰ হৈ আপোনাক দিছিলে। মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**রাজদীপ গোয়ালা:-** মাননীয় অধ্যক্ষ মহোদয়, এই প্রশ্নের জবাবে দেখা গিয়েছে যে এ্যাডভান্টেজ অসম প্রোগ্রামে ৪১ কোটি ৬৫ লক্ষ ৬০ হাজার ৭৬৭ টাকা খরচ হয়েছে। এবং দেখা গিয়েছে একটাই ফরেন এগ্রিমেন্ট Sakhalin Region রাসিয়ান ফেডারেশনের সঙ্গে হয়েছে। আরেকটি এগ্রিমেন্ট হয়েছে Foreign agreement বিআর সেট্টি গ্রুপের সঙ্গে। কিন্তু এই প্রশ্নের জবাবে দেখা গেছে অনেক ইনভেস্টমেন্ট যেটা আমরা দেখেছি ground that other than MoU Annexure-I, এখানে ৩ লক্ষ টাকাব একটা M/S HD Enterprise, M/S DC Steel Furniture ৩ লক্ষ টাকা, M/S Aqua Merrin 7 lakh, it is a very small amount এইগুলি ৩ লক্ষ টাকা দিয়ে কি ইনভেস্টমেন্ট হবে এবং কি কাজ হবে সেটা বোঝা যাচ্ছে না। এবং আরেকটি কথা আমি এই প্রশ্নের মাধ্যমে জানতে চাই এই যে ইনভেস্টমেন্টগুলি এসেছে sector wise কত ইনভেস্ট হয়েছে? education sector এ কত এসেছে? road infrastructure কত এসেছে? বা infrastructuer মানে,building project, real estate sector, sector wise যদি allocation দেওয়া হত তাহলে ভালো হবেন।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Advantage Assam ৰ আমাৰ ৪১ কোটি ৬০ হাজাৰ ৭৬৭ টকা খৰচ হৈছে। ঠিকেই আছে। পৃথিৱীৰ বিভিন্ন দেশে ইয়াত অংশগ্ৰহণ কৰিছে। অধ্যক্ষ ডাঙৰীয়া মই এটা কথা কওঁ যে স্বাধীনতাৰ আগতে আমাৰ ৰাজ্যখনৰ পাৰকেপিটা ইনকাম হাইয়েষ্ট আছিল আৰু ৰাজ্যখন ধনী আছিল আৰু স্বাধীনতাৰ পিছত ৰাজ্যখন ভাৰতবৰ্ষৰ একেবাৰে তললৈ গুছি গ'লো। স্বাধীনতাৰ আগতে ধনী হোৱাৰ কাৰণ আছিল যে আমাৰ ইয়াত

ৰাটাৰ ৰোদ আছিল, চিটাগ'ম পৰ্টলৈকে এক্সেচ আছিল আৰু সেয়ে ইয়াৰ পৰা তেল, কয়লা, চাহপাত আৰু কাঠ বৰাক আৰু ব্ৰহ্মপুত্ৰৰে চিটাগ'ম পৰ্টলৈকে গৈ সাগৰ পাইছিলো আৰু সাগৰ পোৱাৰ পিছত গোটেই বিশ্বতে আমাৰ বেপাৰ আৰম্ভ হৈছিল। কিন্তু ১৯৫৭ ত যি কাৰণেতে নহওঁক চিটাগ'ম পৰ্টলৈকে আমাৰ এক্সেচ বন্ধ হ'ল। কিন্তু এইবাৰ চিটাগ'ম পৰ্টলৈকে প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াৰ নেতৃত্বত ভাৰত চৰকাৰে চিটাগ'ম পৰ্টলৈকে বাংলাদেশ চৰকাৰৰ লগত কেবিনেটত সিদ্ধান্ত লয় আৰু আমাক এক্সেচ দিছে। গতিকে অসমৰ কাৰণে এটা নতুন সুবিধা। দ্বিতীয় কথাটো হ'ল Advantage Assam ত আমাৰ ৪১ কোটি টকা খৰচ হৈছে এইটো কথা সঁচা। কিন্তু এইটো কথাও ঠিক যে Assam is also a destination for investment আৰু আজি বিশ্বত স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ কাৰণে এখন Global investor summit চৰকাৰে কৰিলে আৰু এই Global investor summit ত কেইটামান dimension আৰু এইকেইটা আমি সকলোৱে চাব লাগিব। কাৰণ without connectivity development হ'ব নোৱাৰে। কাৰণ connectivity টোৱে হৈছে মেইন। connectivity ৰ ক্ষেত্ৰত আমি বহুত পিছপৰি আছিলো। আপুনিও এটা সময়ত অপজিশ্যন, ৰুলিং, মন্ত্ৰী আছিল। সেই সময়ত ৰাস্তা-ঘাটৰ অৱস্থা কি আছিল। গতিকে প্ৰথম বাৰৰ কাৰণে connectivity ৰ ক্ষেত্ৰত ভাৰতবৰ্ষত এই ফ'ৰ লেন East to West corridoor অটল বিহাৰী বাজপেয়ী দেৱৰ নেতৃত্বত ভাৰতবৰ্ষত এই connectivity ৰ কামখিনি আৰম্ভ হ'ল আৰু আৰম্ভ হোৱাৰ পিছত এতিয়া অসমত Road connectivity বাঢ়িল, ৰাটাৰ connectivity বঢ়াৰ কাৰণে সম্পূৰ্ণ ৰূপে dredging হৈ গ'ল। বৰাকৰ মাননীয় সদস্য গৰাকীয়ে এই বিষয়ে সম্পূৰ্ণ জানে। এতিয়া ব্ৰহ্মপুত্ৰও আমি dredging কৰি আছো। ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ যিটো অংশ বাংলাদেশত পৰে তাৰবাবে Asian Development Bank ৰ জৰিয়তে ২৫০ কোটি টকা বাংলাদেশত দিয়া হৈছে আৰু বাংলাদেশে এই ভাগটো dredging কৰি আছে। এতিয়া মই সদনক এটা কথাই জনাওঁ যে ১৯৫৭ ৰ পিছত প্ৰথম বাৰৰ বাবে আজি ২ মাহ আগত বিহাৰৰ পৰা ফ্লাইয়াৰ্চ লৈ গংগা নদী, বংগোপ সাগৰ হৈ বাংলাদেশৰ মাজেৰে প্ৰথমখন ডাঙৰ জাহাজ পাণ্ডু আহি পাইছেহি। গতিকে উদ্যোগিক দিশত টো যাত্ৰা আৰম্ভ হৈছে। দ্বিতীয়তে, অসমত বৰ্তমান চাৰিটা ডাঙৰ ৰিফাইনেৰী গেছত চলে। বি চি পি এল, নামৰূপ সাৰ কাৰখানা, টি-কম্পেনী ইত্যাদি বিলাক গেছত চলে। গতিকে এতিয়া সকলো উদ্যোগ গেছ বেচ হৈছে। অধ্যক্ষ ডাঙৰীয়া বৰ্তমান অসমত গেছ বহুত কম আছে। যোৱা কালি বিত্তমন্ত্ৰীয়ে বাজেটত কৈছে যে তেল আগতে অসম- বাৰাউনী পাইপ লাইনেৰে বাহিৰলৈ গৈছিল। কিন্তু আজি তেল বাহিৰৰ পৰা অসমলৈ আহিব লাগে। সেয়েহে নুমলীগড় ৰিফাইনেৰীৰ আজিৰ দিনটোত নাইন মিলিয়ন টনলৈকে যে বাঢ়িল এইবিলাক হৈছে Advantage Assam ৰ ফল আৰু বঢ়াৰ ফলত এতিয়া পাৰাৰ দীপৰ পৰা এডাল পাইপ লাইন নুমলীগড়লৈকে আহিব। তদুপৰি আজিৰ দিনটোত নুমলীগড় ৰিফাইনেৰীয়ে তেওঁলোকৰ তিনি মিলিয়ন টন কেপাচিটীৰে ম্যানমাৰ আৰু বাংলাদেশলৈকে তেল লৈ গৈছে। এতিয়া নুমলীগড় ৰিফাইনেৰীয়ে নুমলীগড়ৰ পৰা বাংলাদেশলৈ এডাল পাইপ লাইন বঢ়োৱাৰ সিদ্ধান্ত লৈছে আৰু বাইৰোড তেওঁলোকে ম্যানমাৰ লৈকে তেল ৰপ্তানি কৰাৰ এটা সিদ্ধান্ত লৈছে। এই গেছৰ পাইপ লাইনক লৈ মই ৫ খন চিঠি ইতিমধ্যে ধৰ্মেন্দ্ৰ প্ৰধানজীক দিছো আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰধানমন্ত্ৰী লৈকে চিঠি লিখিছে। অধ্যক্ষ ডাঙৰীয়া অসমত দুবছৰৰ ভিতৰত এই গেছ পাইপ লাইনডাল National Grid ৰ লগত কানেকশ্যন হৈ বাৰউনীৰ পৰা গেছ পাইপ লাইন ইয়ালৈ আহিব আৰু যিদিনাই এই গেছ পাইপ লাইন গুৱাহাটী পাবহি তেতিয়া গুৱাহাটীৰ পৰা ইন্দ্ৰধনু প্ৰজেক্টৰ জৰিয়তে

৭ খন ৰাজ্যলৈকে এই গেছ পাইপ লাইন যাব। এই গেছ পাইপ লাইন ডাল যিদিনাই অসমত আহিব সেইদিনা অসমৰ উদ্যোগ জগতখন পোহৰাই তুলিব আৰু অসমৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈও সক্ষম হ'ব। গতিকে মই শেষত এটা কথা কওঁ আমাৰ মাননীয় সদস্য গৰাকী তেখেত পি এ চি কমিটিৰ চেয়াৰমেনো গতিকে মই এটা কথা কওঁ যে Advantage Assam ত আমাৰ কিমান টকা খৰচ হ'ল, কিয় খৰচ হ'ল, ক'ত খৰচ হ'ল এইবিলাক সুধিলে মইও কেতিয়াবা এইবিলাক কথাত অকনমান লাজ পাওঁ Investor Summit Vibrant Gujrat ত এতিয়ালৈকে ১২ বাৰ মান হ'ল। তাত তেওঁলোকৰ মিনিমাম বাজেট ২০০ কোটিৰ ওপৰত হয়। মই নিজে তাত অংশ গ্ৰহণ কৰিছো। বৰ্তমান সময়ত বেঙ্গালুৰু, কৰ্ণাটক আদি ৰাজ্যবোৰ বহুতো চহকী হৈ গৈছে। বহুতো আন্তঃৰাষ্ট্ৰীয় কোম্পানী তাত আহিছে। তেওঁলোকে তাত এইধৰণৰ Global Summit কৰিছে। পশ্চিমবঙ্গ, উত্তৰ প্ৰদেশ আদি ৰাজ্যবোৰতো বহু উদ্যোগ থকাৰ পিছতো তেওঁলোকে Global Summit কৰি আছে। অন্য ৰাজ্যবোৰে ২০০ কোটি ৩০০ কোটি টকা এইবোৰৰ বাবে খৰছ কৰি আহিছে। কিন্তু এইটো ডাঙৰ বিষয় হোৱা নাই। আমি ৪০ কোটি টকা খৰছ কৰিছো আৰু মাননীয় অধ্যক্ষ মহোদয়, আপুনি শুনি ভাল পাব যে তাৰ বিপৰীতে ৫১,৬০৪.১৩ কোটি আজিৰ দিনটোত Landed হৈছে। এইটো অসমৰ History ত এটা পোন-প্ৰথম বাৰৰ বাবে হৈছে। মই আৰু এটা কথা জনাব বিচাৰিছো যে আজি পৃথিৱীৰ ভিতৰত পঞ্চম আৰু গোটেই ভাৰতবৰ্ষৰ ভিতৰত সৰ্ববৃহৎ কোম্পানী Sun Pharma. আমাৰ অসমত যেতিয়া মই আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ উদ্বোধন কৰিলো। যোৱাবাৰ আপুনি আমাৰ বিধায়কসকলক সেই কোম্পানীৰ পৰিদৰ্শন কৰিবলৈ পঠিয়াইছিল। তেওঁলোকে তাৰ পৰা আহি কি মতামত দিছিল, সেইটো আপুনি আৰু মই ভালকৈ জানো। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে তাৰ স্বত্তাধিকাৰী দিলীপ চাংভি ডাঙৰীয়াক সুধিছিল যে আপুনি ইমান ডাঙৰ কোম্পানী এটা বনাইছে, ইয়াৰ ঔষধ কোন কোন ৰাজ্যলৈ যায়। তেতিয়া তেওঁ উত্তৰ দিছিল যে এইবোৰ ঔষধ বাহিৰৰ ৰাজ্যলৈ নাযায়, বৰঞ্চ আমেৰিকা, ইউৰোপ আদি বিদেশী ৰাষ্ট্ৰলৈও যায়। আমাৰ সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰৰ তত্বাৰধানত আমাৰ ছয়গাওঁত বনোৱা ঔষধ বাহিৰৰ ৰাষ্ট্ৰ আমেৰিকা, ইউৰোপ আদি দেশত বিক্ৰী কৰা হয়। মই যেতিয়া যোৱাবাৰ ৰাছিয়ালৈ গৈছিলো মই নিজে দেখি আহিছো যে আমাৰ মাননীয় মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম ডাঙৰীয়াৰ সমষ্টিত থকা ইমামী কোম্পানীৰ বস্তু ৰাছিয়াত বিক্ৰী কৰা হয়। এই পৰ্য্যায়লৈকে Advantage Assam য়ে লৈ গৈছে। তাৰ পিছতো যদি আপোনালোকে প্ৰশ্ন কৰে Advantage Assam ত কিমান টকা খৰছ হৈছে, সেই কথাটো ঠিক নহয়। এইটোৰ লগত আমাৰ অসমৰ নিবনুৱা সমস্যাটো জড়িত হৈ আছে। মই Advantage Assam ৰ ক্ষেত্ৰত আমাৰ সকলো মাননীয় সদস্যৰ সহযোগিতা বিচাৰিছো আৰু তেওঁলোকৰ যদি বাহিৰৰ কোনো কোম্পানীৰ লগত চিনাকী আছে, তেওঁলোকক যাতে অসমত বিনিয়োগ কৰিবলৈ অনুৰোধ কৰে। কাৰণ অসমখন South-East Asia ৰ Gateway হয়। And this is the best destination as on to day to exploit South-East Asian population market.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰাজদ্বীপ গোৱালা ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰাজদীপ গোয়ালা, বিধায়ক (লক্ষীপুৰ) ঃ** মাননীয় মন্ত্ৰী মহোদয়কে আমি ধন্যবাদ জানাই একটা ইনিটিয়েটিভ নেওয়ার জন্য।.To bring intiative from out side the state.কিন্তু মন্ত্ৰী মহোদয় নিজে বলেছেন ইনভেস্টমেন্ট আনার জন্য, ইণ্ডাস্ট্ৰি বাড়ানোর জন্য connectivity is important. Connectivity সাথে সাথে Law and Order of the State also

very important. There should be good Law and Order in the state.এবং আজকে দেখা গিয়েছে বরাকে যে টি-ইণ্ডাস্ট্রি, ওরা ফেস করছে.power crisis. They are not getting adequate power even adequate power should be supply. কিন্তু আরেকটি কথা হল . exisiting industries.গুলোকেও save করার জন্য পদক্ষেপ নিতে হবে। বাইরে থেকে ইনভেস্টমেন্ট আসুক কিন্তু আমাদের exisiting industries.স্টেটে আছে এই ইণ্ডাস্ট্রিও বাঁচানোর জন্য আমাদের পদক্ষেপ নিতে হবে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এটা বেলেগ পৰামৰ্শ আগবঢ়াইছে। এইটো Advantage Assam ৰ লগত সম্পৰ্ক নাই। এতিয়া হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই কওঁক।

**হাফিজ বছিৰ আহমেদ, বিধায়ক (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় বিধায়ক আব্দুল খালেক ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই জনাইছে যে ৪০ কোটি টকা খৰছ হৈছে। ইমান ডাঙৰকৈ Summit খন পতাৰ পিছত যিধৰণে তাৰ প্ৰচাৰ চলোৱা হ'ল, কিন্তু এতিয়ালৈকে মাত্ৰ দুটা বিদেশী কোম্পানী আৰু under MOU ত ১২ টা কোম্পানীহে ইয়াত sign কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** It is a good beginning, atleast you must admit that.

**হাফিজ বছিৰ আহমেদ, বিধায়ক (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইটো হয়। Out of MOU মাত্ৰ ৪৩ টা। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এতিয়ালৈকে ডাঙৰ কোনো Multi National Company য়ে MOU কৰিছে আৰু কিমানটা কোম্পানী অহাৰ অনুমতি পাইছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা হ'ল যে Connectivity আৰু Law and Order Situation লাগিব। গতিকে Connectivity ৰ ক্ষেত্ৰত মই কৈছোৱেই যে আমাৰ স্থলপথ আৰু জলপথ উন্নত হৈছে আৰু Airport ৰ ক্ষেত্ৰত ক'ব বিচাৰিছো যে আগতে য'ত গুৱাহাটী আৰ্ন্তজাতি লোকপ্ৰিয় গোপীনাথ বৰদলৈ Airport ত ৪০ খন বিমান নাছিল, তাত বৰ্তমান ১২৫ খন বিমান যায় আৰু ৬০ লাখ যাত্ৰী প্ৰত্যেক বছৰে যায়। নতুনকৈ এটা দিল্লীৰ T-Three ৰ নিচিনা Terminel এটা গুৱাহাটী বিমান বন্দৰত হ'ব। এইটো বৰ্তমান Under Construction হৈ আছে। গতিকে Air Connectivity টো হৈছে। Law and Order Situation ৰ ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে এইটো আমি সকলোৱে মিলি কৰিব লাগিব। আমাৰ মাননীয় সদস্য ৰাজদীপ গোৱালা ডাঙৰীয়াই ঠিক কথা কৈছে যে Law and Order Situation ঠিক হ'ব লাগিব। বৰ্তমান বহুত কোম্পানীয়ে মোৰ লগত কথা পাতিছে আৰু আহিবলৈ সাজু হৈ আছে। কিন্তু বৰ্তমান অসমত যিটো আন্দোলনৰ পৰিৱেশৰ সৃষ্টি হৈ আছে, সেইটোৱে বহুতো বাধাৰ সৃষ্টি কৰিছে। আজি মই সদনত এই কথাটো ৰেজিষ্টাৰ কৰি থৈ দিলো। অসমৰ নিবনুৱা সকলৰ স্বাৰ্থত মই সদনৰ সকলো মাননীয় সদস্যক অনুৰোধ কৰিছো যে অসমত যি এক আন্দোলনৰ বাতাবৰণ গঢ়ি উঠিছে, এই আন্দোলনৰ বাতাবৰণটো আমি নাইকীয়া কৰিব লাগিব। নহ'লে আমাৰ ইয়াত বিনিয়োগকাৰী কেতিয়াও নাহে বা অহাত অসুবিধা হ'ব। দ্বিতীয় কথাটো হৈছে যে আমাৰ মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে আমাৰ দুখন ৰাষ্ট্ৰৰ লগত MOU হৈছিল আৰু বাকী ৰাষ্ট্ৰত অহা নাই সেইটো নহয়। উদাহৰণস্বৰূপে মই কৈছো যে আমি এখন ছয়গাওঁৰ ওচৰতTea-Park বনাই আছো। Tea-Park খনৰ লগত আমি ডুবাইৰ যিটো Tea হাব তেওঁলোকৰ লগত আমি Partner হিচাপে ল'ব বিচাৰিছো। মই MOU খন

চহী কৰি কামখিনি কৰা নাই বাবে উত্তৰত লিখিতভাৱে জনোৱা নাই। গতিকে ডুবাইৰ যিটো Tea-হাব বা Tea-Park that is the best in the World আৰু তাৰোপৰিও আমাৰ লুলু গ্ৰুপ যিটো UAE ৰ আটাইতকৈ ডাঙৰ গ্ৰুপ। গতিকে লুলু গ্ৰুপৰ লগত আমাৰ ইতিমধ্যে আলোচনা হৈছে। তেওঁলোকে ইয়াত investment কৰিব। তেওঁলোকৰ গ্ৰুপ যোৱা সপ্তাহত আহিছে। যোৱা সপ্তাহত নেদাৰলেণ্ডৰ এটা টীম আহিছে। নেদাৰলেণ্ডে ইয়াত invest কৰিব। তাৰ আগতে ফীনলেণ্ডৰ পৰা এটা টীম আহিছে। তেওঁলোকেও ইয়াত invest কৰিব বিচাৰিছে। তাৰোপৰিও লণ্ডনৰ পৰা Food Proccessing ৰ কাৰণে এটা ডাঙৰ প্ৰজেক্ট কৰিব বিচাৰিছে। সেইটো মই বৰাকভেলীত কৰিবলৈ অনুৰোধ কৰিছো। কাৰণ বৰাক ভেলীত কৰিলে South-East Asia ৰ বজাৰখন ল'ব পাৰে। তাৰ পিছত মই বৰাকভেলীৰ মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যে বৰাকৰ বিমান বন্দৰটো ডাঙৰকৈ নিৰ্ম্মাণ কৰিবৰ বাবে মাটি দিয়ক আৰু এইটো গুৱাহাটীৰ নিচিনা ডাঙৰকৈ বনাবৰ বাবে অসম চৰকাৰে ব্যৱস্থা কৰিব। সেয়ে এই শিলচৰৰ বিমান বন্দৰটোৱে South-East Asia ৰ সংযোগ স্থাপন কৰিব। আপোনালোকে যিদিনাখনে মাটি দিব তাৰ পিছতে ভাৰত চৰকাৰে এইটো বনোৱাৰ বাবে ধন দিব আৰু আমি ইয়াৰ ব্যৱস্থা কৰি দিম। তাৰোপৰি যিটো সুধিছে যে Multinational Company আহিছে নে নাই? এই ক্ষেত্ৰত মই কওঁ যে, Pepsi, ITC, Hindustan Unilever, Britannia, Havells, Dabur, Patanjali, Sun Pharmaceutical, Ajanta Pharmaceutical আদিকে ধৰি ইতিমধ্যে কেইবাটাও Multinational Company ইয়াত আহিছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, দেৱব্ৰত শইকীয়া আপুনি কিবা ক'ব বিচাৰিছে, ২৫ ছেকেণ্ড মান সময় আছে, চমুকৈ ক'ব।

**মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়াঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিখিনি তথ্য দিলে তাত দুটামান তথ্যৰ বিভ্ৰান্তি আছে সেইখিনি মই জনাব বিচাৰিছো। মহোদয়ে কৈছে যে গেছৰ পাইপ লাইনটো Advantage Assam ৰ পিছত হৈছে, প্ৰকৃততে, ২০০৬ চনত যেতিয়া Mani Shankar Aiyar ডাঙৰীয়া পেট্ৰ'লিয়াম মন্ত্ৰী আছিল, তেতিয়া বেইজিঙত এখন conference হওঁতে তেখেতে বাংলাদেশ, ভাৰত আৰু ম্যানমাৰৰ কাৰণে ৬,৯০০ কিঃমিঃ দৈৰ্ঘ্যৰ French India Pipeline এটাৰ কথা কৈছিল । তাৰ পৰৱৰ্তী সময়ত তেখেতে DONER Minister থাকোতে Act East ৰ কথা কৈছিল, সেইখিনি সময়ৰ পৰাহে এইখিনি আৰম্ভ হৈছে যাৰ ফলস্বৰূপে আমি এইখিনি পাইছো বুলি তথ্য খিনি দিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** Now, Point of Order.

**মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, Starred Question No. 97 ৰ পিছৰ প্ৰশ্নটো মোৰ আছিল, কিন্তু ইয়াত প্ৰশ্নটো নাহিলে। এতিয়াটো উপায় নাই। আপুনি বহুত চেষ্টা কৰাৰ পিছতো প্ৰশ্নটো নাহিল। মোৰ প্ৰশ্নটো আছিল যে, Advantage Assam ত কিমান বুজা-বুজি চুক্তি হ'ল? পিছত, ২০৭ খন চুক্তি হোৱা বুলি গম পাই মই ভাল পাইছো। অধ্যক্ষ মহোদয়, তাৰোপৰি, সুধিছিলো যে কিমান কোম্পানীয়ে বিনিয়োগ কৰিলে? ইয়াৰ উত্তৰত মোক জনালে যে, Advantage Assam অনুষ্ঠিত হোৱাৰ পিছত ৰাজ্যখনত আৰ্থিক উন্নতি হ'ব বুলি ক'ব পৰা নাই । মোৰ প্ৰশ্নটো আছিল বেলেগ, তাৰ উত্তৰ পালো বেলেগ । গতিকে মই সোধা প্ৰশ্নটোৰ লগত উত্তৰৰ কোনো মিল নাই। আজি যিহেতু মন্ত্ৰী সদনত উপস্থিত গতিকে মই এটা প্ৰশ্ন কৰিব বিচাৰিছো যে, Advantage Assam মানে পাঁচগ্ৰাম পেপাৰ মিল

আৰু কাছাৰ পেপাৰ মিল বন্ধ হোৱাটো বুজায় নেকি? কাৰণ আমাৰ থলুৱা উদ্যোগবোৰ যদি বন্ধ হৈয়ে যায়, তেন্তে Advantage Assam ৰ অৰ্থ কি থাকিল?

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, এইটো বেলেগ এটা বিষয়। এতিয়া ৰূপজ্যোতি কুৰ্মী।

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Unstarred Question No. 195 ত মই সুধিছিলো যে, মৰিয়নীত ASTC বাছ আস্থানৰ বাবে চৰকাৰৰ ফালৰ পৰা টকাৰ sanction হৈছিল নেকি? ইয়াৰ উত্তৰত মই জানিবলৈ পালো যে, ১ কোটি ৪ লাখ ২০ হাজাৰ টকা sanction হৈছিল। কিন্তু অধ্যক্ষ মহোদয়, এতিয়ালৈ ইয়াৰে ৫ লাখ টকাহে contractorএ পাইছে, বাকীখিনি টকা কেতিয়া দিব সেই ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষঃ** বাছ আস্থানটো বনোৱা হৈ গৈছে নেকি?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** নাই হোৱা অধ্যক্ষ মহোদয়। অকল ভেটিটোহে হৈছে, তাৰ বাহিৰে একো নাই।

দ্বিতীয়তে, মই Unstarred Question No. 201 ত সুধিছিলো যে, Assam Tea Corporation ৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে? তাৰ উত্তৰটো মই পালো। এই বিষয়টোত মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক লৈ এখন Sub-Committee গঠন কৰা হৈছিল যাৰ সদস্য মইও আছিলো। কিন্তু ইয়াৰ কোনো সভা আজিলৈকে হোৱা নাই। গতিকে এই ক্ষেত্ৰত এখন সভা হ'ব লাগে বুলি মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

তৃতীয়তে, Unstarred Question No. 175 ত মই Greater Seleng পানী যোগান আঁচনিৰ বিষয়ে সুধিছিলো । এইটো বিষয়ত মই যোৱা বছৰো এটা প্ৰশ্ন উত্থাপন কৰিছিলো যাৰ উত্তৰত মোক জনাইছিল যে ২০১৯ চনৰ মাৰ্চ মাহৰ ভিতৰত এই আঁচনিৰ ১০০% কাম হৈ যাব। কিন্তু, এই বছৰ যেতিয়া মই এই বিষয়ে প্ৰশ্ন কৰিলো তাৰ উত্তৰত জানিব পাৰিলো যে এই আঁচনিৰ মাত্ৰ ৫০% কামহে হৈছে। যিহেতু আৰু দুমাহহে বাকী আছে গতিকে এই দুমাহৰ ভিতৰত কেনেকৈ সম্পূৰ্ণ কৰিব মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

মোৰ শেষ বিষয়টো আছিল যে মোৰ মৰিয়নী সমষ্টিৰ Mogroi BOP ৰ বাবে চৰকাৰে টকা sanction কৰিছিল।

**মাননীয় অধ্যক্ষঃ** Question টো ইয়াত আছে নে?

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** Question টো ইয়াত নাই যদিও বিষয়টো অতি গুৰুত্বপূৰ্ণ। মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই হাতী মানুহৰ সংঘাতৰ ক্ষেত্ৰত মানুহ এজন ঢুকোৱা বুলি কৈছিল। এইটো Law & Order situation ৰ লগত জড়িত বাবে মই ক'বলৈ বাধ্য। অধ্যক্ষ মহোদয়, আপুনি যদি অনুমতি দিয়ে মই এই বিষয়টো দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, কওঁক।

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** অধ্যক্ষ মহোদয়, Mogroi BOP ত নাগালেণ্ডৰ DGP ক দিয়া হৈছে আৰু তাত নিশ্চয়কৈ সংঘাত আৰম্ভ হ'ব। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী তথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে নাগালেণ্ড চৰকাৰৰ লগত কথা পাতি অসমৰ মাটিত BOP টো স্থাপনৰ ক্ষেত্ৰত যাতে পদক্ষেপ গ্ৰহণ কৰে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, এতিয়া শ্বেৰমান আলী আহমেদ ডাঙৰীয়া।

**মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Unstarred Question No. 186 ত মই সুধিছিলো যে, How many families are yet to be provided with the low cost sanitary latrine? মন্ত্ৰীয়ে ইয়াত উত্তৰ দিছে যে, As per baseline survey, there is no family left to be provided with latrine. Govt. of India has given top most priority to provide every household with a low cost sanitary latrine. মাননীয় অধ্যক্ষ মহোদয়, মই এজন বিধায়ক হিচাপে এই পৱিত্ৰ সদনত authority সহকাৰে কৈছো যে, মোৰ সমষ্টিৰ ৪০% লেট্ৰিন এতিয়াও construct হোৱা নাই। তেনে ক্ষেত্ৰত, ২৮ ফেব্ৰুৱাৰী হ'ল তেওঁলোকৰ dead line, গতিকে মন্ত্ৰী মহোদয়ে কেনেকৈ উত্তৰত দিলে যে কোনো পৰিয়ালে বাদ পৰা নাই। অধ্যক্ষ মহোদয়, this is a serious issue. আৰু আপুনি এটা enquiry দিয়ক। এইটো সমস্যা অকল মোৰ সমষ্টিৰে নহয়, অন্য সমষ্টিতো এই সমস্যাবোৰ আছে।

দ্বিতীয়তে, মাননীয় মন্ত্ৰী মহোদয়ে maintenance at this ৰ বাবে প্ৰতিটো সমষ্টিত ৫০ লাখকৈ টকা দিয়া বুলি ঘোষণা কৰিছিল কিন্তু এতিয়ালৈ মোৰ proposal কিয় অহা নাই? মই নিজেই বিধায়ক হৈ দহ বাৰ ফোন কৰি maintenance ৰ proposal গ'ল নে নাই সেই বিষয়ে সুধিছিলো। কাৰণ proposal নগ'লে টকা lapse হৈ যাব। গতিকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে বিষয়া সকলৰ হেমাহিৰ বিৰুদ্ধে ব্যৱস্থা ল'ব নে নাই?

তৃতীয়তে, বৰপেটা জিলাত ১২৯ টা পঞ্চায়ত আছে আৰু প্ৰতিটো পঞ্চায়তত এটাকৈ toilet block দিব লাগে। এতিয়ালৈকে ৫০ টা toilet block sanction হোৱা বুলি কৈছে। মোৰ block ত ২৭টা পঞ্চায়ত আছে য'ত মাত্ৰ ৫ টা toilet block দিছে আৰু তাৰে ৩ টাৰ কাম ongoing বুলি কৈছে, ২ টাৰ কাম এতিয়ালৈকে আৰম্ভ হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, তাত যিটো Construction Committee আছে, তেওঁলোকে তিনি মাহ ধৰি বিভাগৰ J.E. ক design দিয়াৰ বাবে ফোন কৰি আছে কিন্তু J.E. জনেও ফোন নধৰে আৰু তেওঁৰ যাবলৈও সময় নাই। আনহাতে, এই toilet block সমূহ কোন স্থানত বহুৱাব লাগে তাৰ বাবে Committee এখনে decide কৰিব লাগে। কিন্তু তেওঁলোকে বিধায়কৰ লগত কোনো আলোচনা নকৰি কিছুমান দালালৰ সৈতে at the vested interest of Executive Engineer and others, নিজৰ মতে toilet block বোৰ বনায় যাৰ quality যথেষ্ট বেয়া হয়। This is a serious issue and I, again request you. This is the priority of the Government of India.

**মাননীয় অধ্যক্ষঃ** I am taking the matter very seriously. কিন্তু, মন্ত্ৰী ডাঙৰীয়া এই মূহুৰ্তত নাই । মই মন্ত্ৰীক মোৰ কাৰ্যালয়ত মাতিম আৰু এই সম্পৰ্কত আলোচনা কৰিম। তাৰ পিছত আপোনাক জনাম।

এতিয়া, আজিজ আহমেদ খাঁন।

**মাননীয় সদস্য শ্ৰী আজিজ আহমেদ খাঁন (দক্ষিণ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, আমরা Starred Question No. 100. আমরা প্ৰথমে নতুন বিধায়ক। আর Question আওয়ারে রোজ ৩টি বা ৪টি Question করা সম্ভব হয়। তাই আমরা Question করতে পারিনা। কিন্তু, আমি

অত্যন্ত দুঃখিত যে প্ৰশ্নটোৰ উত্তৰত হছে যে, উপায়ুক্ত মহোদয়ে verbally দিয়েছেল, গণ্ডগোল হতে পারে যার জন্য আমরা block টা হয়ে নেই। এই verbally শব্দটো লিখি মন্ত্ৰী মহোদয়ে যিটো দিছে এই ক্ষেত্ৰত মই অত্যন্ত দুঃখিত।

**মাননীয় অধ্যক্ষঃ** আপুনি Members Hour তো এই কথাটো উলিয়াইছিল নেকি ?

**মাননীয় সদস্য শ্ৰী আজিজ আহমেদ খাঁন (দক্ষিণ কৰিমগঞ্জ)ঃ** হয় অধ্যক্ষ মহোদয়, উলিয়াইছিলো। কিন্তু, আজিৰ তাৰিখলৈ আমাৰ block টো হোৱা নাই। অসমৰ ১২৬ টা সমষ্টিৰ প্ৰতিটো সমষ্টিতে block আছে কিন্তু মোৰ সমষ্টিত এটাও block নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মই এই বিষয়ে চাম। মন্ত্ৰী ডাঙৰীয়াৰ লগত মই এই বিষয়ে কথা হৈ আপোনাক জনাম।

মই এতিয়া Zero Hour লৈ আহিব বিচাৰিছো। প্ৰথমতে, মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াক তেওঁৰ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (বৰহমপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, “গুৰুজনাৰ অপূৰ্ব সৃষ্টি ঃ নামঘৰ।” নামঘৰৰ জৰিয়তে গুৰুজনাৰ একশৰণ হৰিনামধৰ্মৰ প্ৰচাৰ আৰু সংৰক্ষণ হ'ল। গুৰু, দেৱ, নাম, ভকত চাৰি বস্তুৰে চাৰিখুটি মাৰি ভকতৰ ধৰ্ম, অৰ্থ, কাম, মুখ্য নাম শ্ৰৱন কীৰ্তন কৰি এক ঈশ্বৰত কায়বাক্যমনে সুদৃঢ় বিশ্বাসে শৰণ গ্ৰহণ কৰি ঈশ্বৰক ভক্তি কৰাৰ স্বৰ্ণপদ নামঘৰত উদয় হ'ল। গুৰু আসনৰ সন্মুখত নামপাঠ প্ৰসঙ্গ কৰি হৰিনামত শৰণ লৈ হৰিভজনা কৰাৰ উত্তম পন্থা পালে। নামঘৰ কেন্দ্ৰিক সমাজে নৱবিধা ভক্তিৰ জৰিয়তে ঈশ্বৰৰ সন্ধান পালে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, সকলো ধৰ্মৰে মূল আধ্যাত্মিক বিষয়ৰ চিন্তা-চৰ্চাৰ অবিহনে কোনো ধৰ্মৰ লোক আগবাঢ়িব নোৱাৰে বুলি এটা বিশ্বাস আছে আৰু সেইকাৰণে যেতিয়া অসমত অৰাজকতা হৈছিলে, আধ্যাত্মিক চিন্তা-চৰ্চাৰ অভাৱ ঘটিছিল তেতিয়া মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱে এক নৱ বৈষ্ণৱ আন্দোলনৰ ইয়াত সূত্ৰপাত কৰিছিল সকলোকে একলগ কৰি।

গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, কাৰ্বিৰ বলাই, জয়হৰি, কছাৰীৰ ৰাম, মিচিংৰ পৰমানন্দ, ভোটৰ দামোদৰ, মুছলমানৰ চান্দসাই, আহোমৰ নৰহৰি, কৈৱৰ্তৰ পুৰ্ণানন্দ,জয়ন্তীৰ মধাই, বনিয়াৰ হৰিদাস, কোচৰ মুৰাৰি, ব্ৰাহ্মণৰ মহেন্দ্ৰ কন্দলি, অনন্ত কন্দলি, ভুএগ কায়স্থৰ বুঢ়াখাকে মুখ্য কৰি নামঘৰত একেলগে একেশাৰী আসনত বহি হৰিনাম গাই, একেমুঠি প্ৰসাদ খাই সমবিতৰণ কৰি সাম্যবাদী সমাজ গঠণ কৰিছিল। উচ্চ -নীচ , ধনী-দুখীয়া, সাক্ষৰ-নিৰক্ষৰ, সৰু -বৰ, স্ত্ৰী-পুৰুষ, বাল্য-বৃদ্ধ, জাতি-বৰ্ণ ভেদাভেদ নাৰাখি ঐক্য সংহতি ভ্ৰাতৃত্বৰ সমন্বয়ত গঢ়ি উঠিল সু-বৃহৎ, সু-শৃংখলিত মানব সমাজ। মহাপুৰুষ জনাই বিভিন্ন জাতি-জনগোষ্ঠীৰ স্বকীয় জাতীয় বৈশিষ্ট কলা কৃষ্টি, কৰ্ম আদৰ্শ জাতীয় সভ্যতা সংস্কৃতিৰ উপাদান সমূহ সংগ্ৰহ কৰি গঠণ কৰিছিল নামঘৰ কেন্দ্ৰিক সংস্কৃতি, যাৰ দ্বাৰা উত্তৰ পূৱ ভাৰতৰ জাতীয় জীৱনৰ সুন্দৰ চিত্ৰ প্ৰতিফলিত হৈছে। গুৰুবাদ্য, খোল-তাল, দবা, কাঁহ, শংখ, বীণ, নাগাৰা, টোকাৰী, বংশী মুৰুলী, মৃদং আদি জাতি জনগোষ্ঠীৰ মাজত ব্যৱহাৰ হোৱা ন- ন বাদ্যযন্ত্ৰ, বিভিন্ন জনগোষ্ঠীৰ লোকসঙ্গীতৰ সুৰ তাল, ৰাগ নৃত্যৰ মুদ্ৰা, বৰগীত, অংকীয়া নাট, ঝুমুৰাৰ নাট্যৰসে নামঘৰ কেন্দ্ৰিক অসমীয়া সমাজখন সমৃদ্ধ কৰিলে।

অধ্যক্ষ ডাঙৰীয়া, মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱৰ বৰগীত আৰু আজান ফকিৰৰ সুৰীয়া জিকিৰে অসমৰ হিন্দু মুছলমানৰ সমাজখন ঐক্যবদ্ধ কৰি ৰাখিছিল। বাহিৰৰ মানুহে বুজিবলৈ টান পাব। ১৯২১ চনত মহাত্মা গান্ধীয়ে যেতিয়া কংগ্ৰেছ অধিবেশনত যোগদান কৰিবলৈ অসমৰ শুৱালকুছিলৈ আহিছিলে, তেওঁ অসমৰ বিভিন্ন ঠাইলৈ গৈছিল আৰু দেখি আচৰিত হৈছিলে যে,

অসমত নামঘৰটো অকল প্ৰাৰ্থণা গৃহ হিচাপেই ব্যৱহাৰ নহয়, ইয়াক এখন স্থানীয় আদালত বুলিয়েই ক'ব পাৰি। কাৰণ গাওঁ অঞ্চলৰ সৰু-সুৰা বিচাৰ সমূহ নামঘৰৰ প্ৰাঙ্গনতে বহি সকলোৱে কৰিছিল আৰু সমস্যা সমাধান কৰাত আগভাগ লৈছিল। এতিয়া দেখা গৈছে যে, পিছৰ পৰ্য্যায়ত ই সংকুচিত হৈছে আৰু সেইকাৰণে নামঘৰৰ কলা কৃষ্টি সংৰক্ষণ কৰাই নহয়, ই মানুহক আধ্যাত্মিক চিন্তা- চৰ্চাৰে আগবঢ়াই লৈ যাব পাৰিছে। আজি অৰুণাচলৰ টাঙাংত যিটো নামঘৰ আছে, তাত Deputy Comissioner Chairman তাত এখন কমিটি আছে। কিন্তু এতিয়া তাত নামঘৰ চলাবলৈ মানুহ নাই। অথচ তেওঁলোক অত্যন্ত আগ্ৰহী। ঠিক তেনেদৰে পাচিঘাটত নামঘৰ প্ৰায় বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। অৱশ্যে আউনিআটি সত্ৰই এটা উল্লেখযোগ্য কাম কৰিছে যে, অলপতে অসম অৰুণাচল সীমান্তৰ বান্দৰ দেৱাত নামঘৰ প্ৰতিষ্ঠা কৰি জনসাধাৰণৰ কাৰণে মুকলি কৰি দিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসমৰ সংস্কৃতি নামঘৰৰ সংস্কৃতিৰ বাহিৰে বেলেগত বিচাৰি পোৱা টান। অসম চুক্তিৰ clause 6 মতে অসমৰ গাওঁ আৰু য'ত য'ত প্ৰয়োজন তাত সংৰক্ষণৰ ব্যৱস্থা কৰাৰ কাৰণে আগবাঢ়ি আহিবলৈ মই অনুৰোধ জনাইছো। মই বিবেকানন্দৰ এটা কথা ক'ব বিচাৰিছো। বিবেকানন্দই লণ্ডনত এটা হলত বক্তৃতা দি থাকোতে তেওঁ বুজাইছিলে যে, living being মানে হ'ল এটা ঈশ্বৰৰ অংশ। খ্ৰীষ্টান সকলে God বুলি কৈছে, ইছলামসকলে আল্লা বুলি কৈছে আৰু আমি ভগবান বুলি কওঁ। তেতিয়া এজন ব্ৰীটিছ চাহাবে শুধিছিল আপুনি যিটো কৈছে যে প্ৰতিটো জীৱতে ভগৱান থাকে তেতিয়াহলে আমাৰ কি প্ৰয়োজন মন্দিৰ, মছজিদ বা গিৰ্জালৈ যোৱাৰ। তেতিয়া তাত অলপ গৰম পৰিছিল। বিবেকানন্দই তেতিয়া তেওঁক শুধিলে তুমি গৰম অনুভৱ কৰিছা নেকি ? তেওঁ কলে হয়, মই অনুভৱ কৰিছো। বিবেকানন্দই কলে যে ভগবানো ঠিক তেনেকুৱা ধৰণৰ অনুভৱ কৰাৰে কথা। তেওঁ যেতিয়া ফেনখন চলাই দিলে তেওঁক শুধিলে যে, তুমি ঠাণ্ডা অনুভৱ কৰিছানে নাই ? তেতিয়া তেওঁ কলে হয় অনুভৱ কৰিছো। তেতিয়া বিবেকানন্দই ক'লে যে সেইকাৰণে মন্দিৰ মছজিদ বা গীৰ্জাৰ প্ৰয়োজন য'ত মানুহে আধ্যাত্মিক দিশৰ চিন্তা-চৰ্চাৰে সংযোগ স্থাপন কৰিব পাৰে। গতিকে গুৰুজনাৰ এই অপূৰ্ব সৃষ্টি নামঘৰে যেতিয়াৰ পৰা এক বলিষ্ঠ পদক্ষেপ লৈ আহিছে তেতিয়াৰ পৰাই বৰদা শইকীয়াৰ এই প্ৰবন্ধটোত ইয়াৰ বিভিন্ন দিশ উত্থাপিত হৈছিল। আমাৰ বিভিন্ন শাস্ত্ৰ সমূহত এইটো ব্যাখ্যা আছে যে সত্য যুগত ধ্যান, ত্ৰেতা যুগত যজ্ঞ আৰু দ্বাপৰ যুগত পূজা আৰু কলিত হৰিনাম। এই হৰিনাম লোৱাটোৰ এক সংস্কৃতি আনি দিছিল নামঘৰে। গতিকে এই নামঘৰ সংস্কৃতি শক্তিশালী কৰি তুলিবৰ কাৰণে, লগতে অসম চুক্তিৰ আধাৰত অসমৰ জাতীয় জীৱনৰ যিবিলাক পুৰণা এনেধৰণৰ অনুষ্ঠান আছে যিবিলাকে অসমৰ জাতীয় জীৱনত অৰিহণা আগবঢ়াইছে সেইবিলাক সংৰক্ষণৰ কাৰণে গুৰুত্ব দিবলৈ চৰকাৰক মই আহ্বান জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই উত্থাপন কৰা অসমীয়া দৈনিক কাকতৰ ৬ ফেব্ৰুৱাৰী ২০১৯তাৰিখৰ "আমাৰ অসম" বাতৰিকাকতৰ "গুৰুজনাৰ অপূৰ্ব সৃষ্টি নামঘৰ" শীৰ্ষক বাতৰিটো আমাৰ চৰকাৰৰ সাংস্কৃতিক পৰিকল্পনা বিভাগৰ দৃষ্টিগোচৰ হৈছে। বৈপ্লৱিক চিন্তা দৰ্শনেৰে শ্ৰীমন্ত শংকৰদেৱে সমাজৰ পৰা কু-সংস্কাৰ, অন্ধ বিশ্বাস সমূহ আতৰ কৰিবলৈ সকলো শ্ৰেণীৰ লোকৰ সৈতে মত বিনিময় কৰি আধ্যাত্মিক গুনেৰে সৎ পন্থাৰে জীৱন যাপন কৰি সুস্থ সমাজ প্ৰতিষ্ঠা কৰিবলৈ নামঘৰ সমূহ প্ৰতিষ্ঠা কৰিছিল। শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন জাতি জনগোষ্ঠীৰ, পাহাৰ ভৈয়ামৰ লোক সকলে একশৰণ নামধৰ্ম গ্ৰহণ কৰি এক বৃহৎ সমন্বয়ৰ বাৰ্তা দিছিল। বৰ্তমান শতিকাতো

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা নামঘৰ সমূহ অসমৰ প্ৰতিখন গাওঁ আৰু নগৰ চহৰত সমাজিক আৰু সাংস্কৃতিক উন্নয়নৰ এক পবিত্ৰ স্থান। সমাজ গঠণৰ আৰু সমাজ পৰিচালনাত নামঘৰৰ অৱদান অনস্বীকাৰ্য্য। কিন্তু নামঘৰ সমূহৰ উন্নয়ন আৰু বিকাশৰ কাৰণে বৰ্তমান কোনো ধৰণৰ নিৰ্দিষ্ট আচঁনি গ্ৰহণ কৰা হোৱা নাই। মাননীয় সদস্য গৰাকীয়ে যি পৰামৰ্শ আগবঢ়াইছে এই পৰামৰ্শ আমি গ্ৰহণ কৰিছো। আমি অসম চুক্তিৰ ৬ নং দফা অনুসৰি সত্ৰ সমূহৰ লগতে নামঘৰ সমূহ সংৰক্ষণৰ বাবে আমি ভাৰত চৰকাৰলৈ ইয়াৰ প্ৰস্তাৱ প্ৰেৰণ কৰিববৰ বা বে বিবেচনা কৰিব পাৰি আৰু পৰবৰ্তী দিনত আমি বিত্ত অনুমোদনৰ কাৰণে ব্যৱস্থা গ্ৰ হণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (ধিং ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা অতি গুৰুত্বপূৰ্ণ sensitive বিষয় উত্থাপন কৰিব বিচাৰিছো। মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো যে সদ্যহতে আমি দেখা পাইছো যে অসমত এটা দুষ্ট সমাজ বিৰোধী চক্ৰই বিভিন্ন ক্ষেত্ৰত কিছুমান এনেকুৱা সামাজিক সমস্যা বা সংঘাত সৃষ্টি কৰিব বিচাৰিছে। এটা সংঘাতময় পৰিবেশ সৃষ্টি কৰি হয়তো কাৰোবাৰ ৰাজনৈতিক মুনাফা লাভ কৰিবলৈ চেষ্টা কৰিব পাৰে। এনেধৰণৰ বহু অসুবিধা আমি দেখা পাইছো। বিশেষকে মোৰ সমষ্টি আৰু বটদ্ৰৱা সমষ্টি এই দুয়োটা সমষ্টিৰ মাজত এই ধিং নগৰখন। ধিং টাউনখন আধা বটদ্ৰৱা সমষ্টিত আৰু আধা ধিং সমষ্টিত। আমি বহুত দিন ধৰি এটা চেষ্টা চলাই আছো যে বৃহত্তৰ ধিং অঞ্চলত যাতে কোনো সাম্প্ৰদায়িক সংঘাট নহয়। কিন্তু তাৰ পিছতো দেখা যায় ইয়াত একাংশ লোকে উদ্দেশ্য প্ৰণোদিত ভাৱে প্ৰায়ে ই এটা সংঘাট সৃষ্টি কৰিব বিচাৰি আছে। কিছুদিন পূৰ্বে এটা ঘটনা হৈছিল ধিং শনি মন্দিৰত। মাংস পেলাই থোৱা বুলি অপ-প্ৰচাৰ চলাই তাত এটা সংঘাট সৃষ্টি কৰিব বিছৰা হৈছিল। পিছত গৈ আৰক্ষীয়ে প্ৰমান কৰি পালে যে খাচীৰ মাংস পেলাইছে, আকৌ অপ-প্ৰচাৰ চলাইছে বেলেগ। ইয়াৰ প্ৰায়েই এনেকুৱা ঘটনা হয়। কেইদিনমান পূৰ্বে এনেকুৱা ঘটনা হ'ল যে ইয়াৰ পৰা কেইজনমান ল'ৰা চৰৰ ভিতৰত গৈছে, চৰত গৈ তাতে তেওঁলোকে পিক্‌নিক খাইছে, আৰু মদ্যপান কৰি চিঞৰ বাখৰ কৰিছে আৰু স্থানীয় অধিবাসী সকলক তেওঁলোকে গালি-গালাজ কৰিছে, যে মিঞা সকলক খেদিম, কাটিম,মাৰিম এনে ধৰনৰ কিছুমান কথা কৈছিল। স্থানীয় ৰাইজক আমি ধন্যবাদ দিছো যে তেওঁলোকে যথেষ্ট সংযম ধৈৰ্য্য ৰক্ষা কৰিছে। তেওঁলোকে কোনেও একো কৰা নাই। তেওঁলোকে বুজি পাই গৈছে যে ল'ৰা কেইজনে অপ্ৰীতিকৰ এটা পৰিস্থিতি সৃষ্টি কৰিবলৈ ইয়াত আহি গালি-গালাজ পাৰি আছে। তাৰ পিছত তেওঁলোক ঘুৰি অহাৰ পিছত পিছদিনা ৰাতিপুৱা মোৰ সমষ্টিৰ দুজন ল'ৰা এজন ছবিকুল আৰু আইজুল তেওঁলোক ভাই ককাই । তেওঁলোকে শাক-পাচলি বিক্ৰী কৰে। ৰাতিপুৱা চাইকেলত তেওঁলোকে শাক-পাচলি লৈ আহি আছে। সেই ল'ৰা কেইটাই যি কেইটা আগদিলা গৈ চৰৰ ভিতৰত হুলস্থুল কৰিছিল যে তহঁতক মাৰিম কাটিম বুলি কৈছিল কোনেও তেওঁলোকক স্পৰ্শ কৰা নাই। এই ল'ৰাকেইটাই আকৌ লাঠি লৈ বহিআছে। তেওঁলোকক চাইকেলৰ পৰা নমাই মাৰপিট কৰি তেওঁলোকক হাত-ভৰি ভাঙি দিলে। এই এটা গোচৰ ৰুজু কৰিছে কিন্তু এতিয়ালৈকে থানাৰ পৰা কোনো একশ্যন লোৱা নাই। মই অ,চি কো এচ,পি কো কৈছো যে নিৰপেক্ষ তদন্ত কৰক। কিন্তু আমি চিন্তিত হৈ আছো এই কাৰণে, যে বৃহত্তৰ ধিং অঞ্চলৰ য'ত কেইবাটাও জনগোষ্ঠীৰ লোক একেলগে বসবাস কৰে আৰু আমি দেখা পাই আছো বিগত ২-৩ বছৰ ধৰি ইয়াত মাত্ৰ কেইজন মান যুৱক আৰু এই যুৱক কেইজনে সদায় প্ৰত্যেকটো অপকৰ্মত জৰিত। মন্দিৰত কিবা পেলোৱা হওঁক বা কেতিয়াবা কোনোবা ব্যৱসায়িক আক্ৰমণ কৰা, কেতিয়াবা কোনো মহিলাক গাড়ীত উঠোতে কাপোৰত ধৰি

টনা বিভিন্ন এনেকুৱা ঘটনা কৰি আছে। তেওঁলোকৰ টাৰ্গেটো হ'ল চহৰখনত এটা সাম্প্ৰদায়িক সংঘাট সৃষ্টি কৰা। যি ধিং টাউনত হিন্দু মুছলমান, ইয়াত ট্ৰাইবেল লোকো আছে। আৰু এই ক্ষেত্ৰত আমি বহুবাৰ শান্তি সমিতি গঠন কৰিছো। Dhing Circle Officer ক লৈ আৰু তাৰ লগতে থানা অ,চি ক লৈ শান্তি সমিতি গঠন কৰি এটা চেষ্টা চলাই আছো যাতে ধিংত কোনেও বিছৰা ধৰণে সংঘাট যাতে সষ্টি কৰিব নোৱাৰে আৰু অধ্যক্ষ মহোদয়, ধিং টাউনত প্ৰায়ে আমি যাওঁ। ইয়াৰ যিটো বটদ্ৰৱা সমষ্টি আছে । তাতো এটা কথা শুনি আপুনি ভাল পাব যে বটদ্ৰৱা সমষ্টিত যিমান ৰাস উৎসৱ হয়, বিহু উৎসৱ হয় প্ৰায়ে মুখ্য অতিথি হিচাপে মোক বিছাৰে মই যাওঁ। অসমৰ বিহুক কেনেকৈ বিশ্বৰ দৰবাৰত লৈ যাম, বৃহত্তৰ অসমীয়া জাতি গঠনত সৰ্বাত্মক ভাৱে কেনেকে সহায় কৰিব পাৰো। এই কথাবিলাকত তেওঁলোকে গুৰুত্ব দিয়ে। ধিংত যদি কেতিয়াবা ৰাস উৎসৱ হয়, বা বিহু উৎসৱ হয়, ধিংৰ যি সকল মানুহ যোৰহাট ডিব্ৰুগড় বা বাহিৰত চাকৰিও কৰে তেওঁলোকক যদি স্থানীয় উদ্যমী যুৱক সকলে যোগাযোগ কৰে যে আপোনালোকে আমাৰ প্ৰগ্ৰেমটোত আহঁক। তেতিয়া তেওঁলোকে সোধে যে ধিংৰ বিধায়ক থাকিব নেকি? যদি থাকে তেনেহ'লে আমি আহিম। তেওঁৰ ভাষন বিলাক আমি শুনিব বিছাৰো, তেওঁ যিটো অসমীয়া জাতিক বা বিহুক বিশ্বদৰবাৰলৈ লৈ যোৱা যিটো পৰামৰ্শ দিয়ে আমাৰ ভাল লাগে। গতিকে আমিও বিছাৰো ধিংত এটা সমন্বয়ৰ বাৰ্তাৰে বৃহত্তৰ ধিং অঞ্চলত সদায় শান্তি সম্প্ৰীতি ঐক্য বজাই ৰাখিব পাৰো। কিন্তু তাৰ মাজতে মাত্ৰ ৮-১০ জন ল'ৰাই এনেকুৱা অপকাণ্ড মাত্ৰ ২-৪ দিন পিছে পিছে কৰি থাকে যিটোৱে সাম্প্ৰদায়িক সংঘাটৰ পৰিবেশ সৃষ্টি কৰিব বিছাৰে। কিন্তু মই ধন্যবাদ দিম যে আমি চাৰ্কোল অফিচাৰ বা অ,চি ক লগত লৈ সদায় চেষ্টাটো চলাই আছো, যাতে এই সাম্প্ৰদায়িক চক্ৰটো সফল হ'ব নোৱাৰে। এতিয়ালৈকে কিন্তু তেওঁলোক সফল হ'ব পৰা নাই কিন্তু কোন মুহুৰ্তত কোন দিনা আৰু এটা ঘটনা কৰিব ঠিক নাই। এনকুৱা সংঘাট সৃষ্টি কৰি দিয়াৰ পাছত হয়টো ফিৰঙতিৰ পৰা খাণ্ডবদাহ এটা পৰ্য্যায় আহি যাব পাৰে। সেয়েহে মই আপোনাৰ জৰিয়তে আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী আছে, তেখেতৰ জৰিয়তে এইটো আবেদন জনাম যে মুখ্য মন্ত্ৰী বা চৰকাৰে বিশেষ দৃষ্টি দিয়ে সেই সীমিত সংখ্যক যি কেইজন যুৱকে তাত সংঘাট সৃষ্টি কৰিব বিছাৰিছে, প্ৰত্যেকটো ঘটনাত তেওঁলোকে জৰিত যাতে তেওঁলোকে কঠোৰ পদক্ষেপ গ্ৰহণ কৰে, যাতে ধিঙত সাতাম পুৰুষীয়া যিটো আমাৰ ঐক্য সম্প্ৰীতিৰ বান্ধোন আছে তাক যাতে বিনষ্ট কৰিব নোৱাৰে এই বিষয়ে চৰকাৰে এটা পদক্ষেপ ল'ব বুলি অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** মাননীয় অধ্যক্ষ মহোদয় আমাৰ মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু তেখেতৰ কথাখিনি মই বৰ ভাল পাইছো। যিখিনি কথা তেখেতে কৈছে যে ধিং অঞ্চলত বা তেখেতৰ সমষ্টিৰ এই বিলাক অঞ্চলত আমি সকলোৱেই জাতি-ধৰ্ম নিৰ্বিশেষে আমি যি বিহু, ৰাস উৎসৱ, ঈদ যিয়ে নহওঁক সকলো উৎসৱত যে আমি সকলোৱে মিলাপ্ৰীতিৰে কাম কৰি আছো, সেইটো বৰ ভাল কথা। এই কথাটো এই কাৰণেই সম্ভৱ হৈছে যে মহাপুৰুষ শংকৰদেৱৰ ইয়াতেই জন্ম হৈছিল, এই স্থানত। গতিকে অসমীয়া জাতিৰ যিটো ঐতিহাসিক পৰম্পৰা সেই পৰম্পৰাটো ধিংত ৰক্ষা হৈছে, আমি ভাল পাইছো। তাত বৰদোৱা থান আছে তাত। সেইটো আমাৰ আগন্তুক দিনৰ কাৰণে বহুত ভাল কথা। আৰু অসমীয়া জাতি গঠনৰ যিটো কথা কৈছে, মই ভাল পাইছো আপুনি খুবধুনীয়াকৈ কৈছে। তেনেকুৱা ধৰণে আগবাঢ়িলে আমাৰ ৰাজ্যখন ভাল হ'ব। গতিকে অধ্যক্ষ ডাঙৰীয়া আমাৰ জাতি

গঠন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই যিখিনি কথা কৈছে আমি ভাল পাইছো। আমি সকলোৱে যদি এনেকুৱা পজিটিভ দৃষ্টিভংগীৰে যাওঁ তেতিয়া আমাৰ গণ্ডোগোল ক'ত আছে? কিন্তু এটা কথা মই হাউচত স্পষ্টভাৱে কওঁ অসম চৰকাৰৰ গৃহ বিভাগ কঠোৰ , কোনোবাই যদি সাম্প্ৰদায়িক বীজ সিচি অসমত যদি শান্তি বিনষ্ট কৰে, তাক আৰু বিয়পি যাবলৈ দিয়া ন'হব এইটো স্পষ্টভাৱে এই বিধান সভাত কৈ গলো। whoever he is? সেই দিনা আমাৰ AIUDF ৰ Leader তেখেতে খুব ধুনীয়া বক্তৃতা এটা দিছিল। অসমৰ ইতিহাসৰ পৰম্পৰা, কোন চনত কেনেকৈ আহিছিল? কাছাৰ কৰিমগঞ্জ কোন জিলাত আছিল, বখতিয়াৰ খিলিজিয়ে ১২০৬ চনৰ পৰা ১৭৩৭ চনলৈকে আমাৰ অসমৰ পৰিস্থিতি কি আছিল খুব ধুনীয়া বক্তৃতা দিছিল মই আনকি এনেকে কৈছো যে আপোনাৰ details খিনি মোক দিবচোন I was very impressed.আৰু তেখেতে যিখিনি কথা কৈছিল সেইকাৰণে মোৰ কথা হ'ল শান্তি সম্প্ৰীতি বজাই ৰখাটো আমাৰ সকলোৰে এটা প্ৰধান কৰ্ত্তব্য। AIUDF ৰ Leader তেখেতে এটা কথা কৈছিল, বাবৰী মজিদ ৰাম মন্দিৰৰ যেতিয়া issue ভাৰতবৰ্ষত হৈছিল তেতিয়া কিন্তু অসমত হোৱা নাই। আৰু অসমত কেতিয়াও হিন্দু মুছলমানৰ হাঙ্গামা হোৱা নাই। এইটো ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত হ'ব পাৰে, পৃথিবীত হ'ব পাৰে কিন্তু অসমত কেতিয়াও হোৱা নাই। আৰু কেতিয়াও এইটো আমি হ'ব দিব নোৱাৰো। এইটো কথা একেবাৰে স্পষ্ট যে অসমত হোৱা নাই আৰু নহয়ো। কিয় নহয় কাৰণ অসমৰ এই মাটিত অসমৰ এই পৱিত্ৰ আধ্যাত্মিক মাটি, শংকৰ- মাধৱ দেৱ আজানপীৰৰ এক পৱিত্ৰ আধ্যাত্মিক তীৰ্থভূমি সেই অসমৰ মাটি। গতিকে এই অসমৰ মাটিত গুণাগুণে এখন ধুনীয়া সমাজ নিৰ্মাণৰ কাৰণে এটা পৰিৱেশ গঢ়ি তুলিছে, সেই মানসিকতা আছে। যিটো ঘটনা সম্পৰ্কত কৈছে যে, সেই সম্পৰ্কত মই গৃহ বিভাগৰ পৰা পোৱা তথ্য অনুসৰি মই কথা এটা ক'ব বিচাৰিছো যে যোৱা ইংৰাজী ২৯-০১-২০১৯ তাৰিখে গোচৰীয়া মঃ ছবিকুল ইছলাম, পিতা মঃ আব্দুল হাই গাওঁ খৈৰামাৰী, থানা ধিং জিলা নগাওঁ, অসমে এখন এজাহাৰ দাখিল কৰে। ২৭-০১-২০১৯ তাৰিখে আবেলি ৮ মান বজাত, তেখেতৰ ভায়েক মঃমৈজুল ইছলামৰ লগত ধিঙৰ দৈনন্দিন বজাৰলৈ পাচলি আৰু ভটুৱা শাক বিক্ৰি কৰিবলৈ আহি থাকোতে আচামী ক্ৰমে ৰাজু পিতা মতি, ধিং বজাৰ। ২ নম্বৰ আচামী মপান্না, পিতা মতি, ৩ নম্বৰ আচামী গুদু, পিতা মদন। তিনিজন লোকে চপন গোলাৰ ওচৰত আগভেটি ধৰি ৰদ আৰু লাঠিৰে আক্ৰমণ কৰে। নগদ ৩ হাজাৰ টকাও কাঢ়ি লৈ যায়। এই সন্দৰ্ভত ধিং থানাত 31/2019 ভাৰতীয় দণ্ডবিধি আইনৰ ৩৪১ ধাৰা, ২৯৪ ধাৰা, ৩৭৯, ৩২৫ আৰু ৩৪ ধাৰাত গোচৰ ৰুজু কৰা হয়। উপ পৰিদৰ্শক দিলীপ কুমাৰ বৰাক তদন্ত কৰিবলৈ দায়িত্ব দিয়া হৈছে। তদন্তকালত, তদন্তকাৰী বিষয়াই গোচৰীয়া আৰু সাক্ষীৰ সোধ পোচ কৰি ফৌজদাৰী বিধিৰ আইনৰ ১৬১ ধাৰাত জবানন্দী লিপিবদ্ধ কৰে। তদন্তকাৰী বিষয়াই গোচৰীয়া ধিং FRU চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা কৰায় যদিও মেডিকেল ৰিপোৰ্টত সংশ্লিষ্ট চিকিৎসালয়ৰ পৰা এতিয়ালৈকে পোৱা নাই। তদন্ত কালত, তদন্তকাৰী বিষয়াই ঘটনাস্থলীত পৰিদৰ্শন কৰি এখন থূল-মূল মানচিত্ৰ অংকন কৰিছে। ইয়াৰ উপৰিও তদন্ত কালত স্থায়ী সাক্ষীজনক সোধপোচ কৰা হৈছিল, যদিও স্বপন গোলাৰৰ ওচৰত সংঘটিত হোৱা ঘটনা সন্দৰ্ভত কোনো ধৰণৰ স্বীকাৰোক্তি দিব নোৱাৰে। এই তদন্তৰ বাবে পদকীয়া সকলো সোধপোচ অব্যাহত ৰখা হৈছে আৰু মেডিকেল ৰিপোৰ্ট সংগ্ৰহ কৰি থকাৰ চেষ্টা চলাই থকা হৈছে। এইক্ষেত্ৰত যুক্তি সংগত মতামতৰ বাবে এজন ৰাজপত্ৰিত বিষয়াক চোৱা-চিতা কৰিবলৈ দিয়া হৈছে। এই পৰিপ্ৰেক্ষিতত কোনো ধৰণৰ সাম্প্ৰদায়িক সংঘৰ্ষ, কাজিয়া ধিং থানাৰ এলেকাত হোৱা শংকা এতিয়ালৈকে পুলিচৰ হাতত নাই আৰু এনেধৰণৰ পৰিস্থিতি ৰোধ কৰিবলৈ উপযুক্ত সাৱধানতা

অৱলম্বন কৰি থকা হৈছে আৰু গৃহ বিভাগে এই গোটেই বিষয়টোত এটা vigilance ৰাখি আছে, strict vigilance ৰাখি আছে, আৰু এইক্ষেত্ৰত মাননীয় সদস্যগৰাকীক মই অনুৰোধ কৰিম, যদি আপোনাৰ তেনেকুৰা ধৰণৰ কিবা তথ্য থাকে, য'ত ঘটনা সংঘটিত হৈছে, আপুনি ধিঙৰ বিধায়ক হিচাপে আপুনি পুলিচৰ লগত চেয়াৰ কৰিলে আমি ভাবো যে, এই গোটেই ঘটনাবিলাক আমি লাহে লাহে কমাই আনিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী কমলাক্ষ দে পুৰকায়স্থ। Another sensative issue.

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ, বিধায়ক উত্তৰ কৰিমগঞ্জ:-** মাননীয় অধ্যক্ষ মহোদয়, এই গুরুত্বপূর্ণ বিষয়টি সদনে উত্থাপন করার সুযোগ দেওয়ার জন্য আমি ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয়, গত ৩১ জানুয়ারি ২০১৯,দৈনিক যুগশঙ্খ পত্রিকায় "প্রকাশিত বরাকের বাঙ্গালি গুয়াহাটির চরম হেনস্থার শিকার হয়ে ফিরতে হল শিলচরের চার উঠতি ক্রিকেটারকে।"অধ্যক্ষ মহোদয় ব্যপারটা সেন্সিটিভ। বিগত কিছু দিন থেকে রিলায়েন্স ট্রেণ্ডস বা কয়েকটা জায়গায় যে বিক্ষিপ্ত ঘটনা ঘটেছে। এটাকে আমরা বড় ঘটনা বলতে পারি না। বিক্ষিপ্ত ঘটনা বলতে পারি। সেই ব্যপারটা আমরা সসিয়েল মিডিয়ায় দেখতে পাই। অধ্যক্ষ মহোদয়, দেশ স্বাধীন হল আমরা ভারতবর্ষের একজন নাগরিক। আমাদের লজ্জা হয় যখন এরকম একটা ঘটনা দেখি। অধ্যক্ষ মহোদয়, আমি মন্ত্রী মহোদয়ের কাছে জানতে পারলাম যে এই ব্যপারে সরকার তৎপর। আমরা টিভিতেও দেখছি, আমরা মুখ্যমন্ত্রী বলেছেন, পুলিশ কর্তারা বলেছেন যে এই ব্যপারে সরকার কঠোর হাতে দমন করবে। সেটাতে আমাদের কোন আপত্তি নাই। সরকারকে আমরা ধন্যবাদ জানাই। কিন্তু অধ্যক্ষ মহোদয়, এই মানসিকতা কেন তৈরি হচ্ছে?

অধ্যক্ষ মহোদয়, Citizenship Ammendment bill 2016, সেখানে কিছু ভূল বোঝাবুঝির সৃষ্টি হয়েছে। অধ্যক্ষ মহোদয়, আমি কয়েকদিন থেকে অনেকের সাথে আলোচনা করছি বিলটি নিয়ে। এই বিলের কোথাও citizenship শব্দ লেখা নেই। অধ্যক্ষ মহোদয়, আমি একজন হিন্দু বাঙ্গালি। যদি কেউ রিলিজিয়াস পার্সিকিউয়াসে এসে সে যদি নাগরিকত্ব পায় তাতে আমার কোন আপত্তি নেই। কিন্তু যেহেতু এটা ভারতবর্ষ, সিকুলার কান্ট্রি সেখানে সেকশন ১৪ এ ক্লিয়ারলি আছে যে ধর্মের ভিত্তিতে কিছু করা যাবে না। অতএব ইকিউলিটির কথা লেখা আছে। সেকশন ২৫,২৬,২৭ এ সেই কথাগুলি লেখা আছে। ধর্মের ভিত্তিতে ভাগ করে আমরা কোন আইন বানাতে পারব না। আমরা কোন বিল আনতে পারব না।

**মাননীয় অধ্যক্ষ ঃ** সেই কথাতো কিয় উলিয়ইছে। মই কৈছো যে, আমি যিটো কথা পাতিছো যে sensative issue, এটা অসমীয়া আৰু বঙালীৰ মাজত সম্প্ৰীতি থাকিব লাগে, হিন্দু মুছলমানৰ মাজত সম্প্ৰীতি থাকিব লাগে। সেইকাৰণে মই কৈছে যে, sensative কথাটো, সেইটোত গুৰুত্ব দিয়ক বাকীখিনি কথা ক'বলৈ সুবিধা পাব পিছত। এতিয়া বাজেট বক্তৃতাও আছে, তাতো ক'ব পাৰিব। অসমীয়া আৰু বঙালীৰ মাজত যাতে সংঘাত নহয়।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ ঃ** অধ্যক্ষ মহোদয়, সরকার এই ব্যপারে তৎপর আমি প্রথমেই বলেছি। এই যে বিক্ষিপ্ত ঘটনা যেগুলো ঘটছে সেগুলো কঠোর হাতে যাতে দমন করা হয়। আমাদের মধ্যে যাতে ভূল বোঝাবোঝি না হয়, আমাদের মধ্যে অবিশ্বাসের বাতাবরণ যাতে সৃষ্টি না হয়। সেই ব্যপারে যেগুলো ঘটনা হয়,ছোট হোক বা বড়, সরকার যাতে কঠোর হাতে দমন করে। বিশেষ করে আমরা যেহেতু একজন প্রতিনিধি আমাদের কেও কথাগুলি বলতে হবে। আমাদের সমষ্টির জিজ্ঞেস

করে যে আপনার স্ট্রেংথটা কি ? তাই আমরা চাই সে ব্যপারে বিষদ ভাবে একটা আলোচনা হয় এবং যে ঘটনাগুলো ঘটেছে, রিলায়েন্স ট্রেণ্ডসই হোক বা উঠতি ক্রিকেটারদের সাথে যে ব্যবহার করা হয়েছে সেগুলোর যদি কোন জাস্টিফিকেশন থাকে সেগুলো কঠোর হাতে দমন করা হোক। ভবিষ্যতে অসমিয়া বাঙ্গালিদের মধ্যে যাতে কোন অবিশ্বাস্য বাতাবরণ সৃষ্টি না হয়ে ভাতৃত্ব ভাব গড়ে ওঠে। সরকার এবং মন্ত্রী মহোদয়ের কাছে এটাই আমার অনুরোধ রইল।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদ পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ আগৰ মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াৰ প্ৰশ্ন উত্তৰত ক'লো যে চৰকাৰ এইক্ষেত্ৰত একেবাৰে confirm আৰু তাৰ উপৰিও এইবাৰ মাননীয় মহামান্য ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰশ্নৰ উত্তৰত, মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই তেখেতৰ বক্তব্য দাঙি ধৰিছে আৰু তেখেতেও এই কথাখিনি অতি স্পষ্টভাৱে সদনত কৈছে। গতিকে চৰকাৰ এইক্ষেত্ৰত confirm ইয়াতে হিন্দু মুছমানেই হওঁক, বঙালী অসমীয়াই হওঁক, হিন্দীভাষী অসমীয়াই হওঁক, এনেকুৱা কোনো জাতি-জনগোষ্ঠীৰ মাজত যাতে কোনো সাম্প্ৰদায়িক ইয়াতে বীজ সিচিব নোৱাৰে, এই কথাটোত আমি চৰকাৰ vigilance ত আছে, পুলিচেও এই সম্পৰ্কত সম্পূৰ্ণ ধৰণৰ নেটৱৰ্কত কাম কৰিছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদায় এটা কথা কয়, তেওঁ প্ৰত্যেক মিটিঙত, অসমত যিমান মিটিং হৈছে ইয়াৰ উপৰিও National Level ৰ Executive meeting ত তেখেতে বক্তব্য দিয়ে তাতো তেখেত কয়, বৰাক বহ্মপুত্ৰ পাহাৰ-ভৈয়াম, He is the Chief Minister, যিজনে প্ৰতিটো বক্তব্যত মুখ্যমন্ত্ৰী হোৱাৰ পৰা এটা কথা ৰাখি আছে আৰু তেওঁ ব্ৰহ্মপুত্ৰ উপত্যকাত যিমান visit কৰিছে বৰাকত তেওঁ সমানে visit কৰিছে, পাহাৰ অঞ্চলতো সমানে visit কৰিছে। গতিকে তেখেতৰ Tagline টো হ'ল সেইটো যে, বৰাক বহ্মপুত্ৰ পাহাৰ-ভৈয়াম। গতিকে ইয়াত সেই কাৰণ কোনো জাতিগত ধৰ্মীয়, আইন শৃংখলা যাতে বিনষ্ট কৰিব নোৱাৰে -সেইটো অকল আপোনালোকে চৰকাৰকে এৰি দিব নালাগে । আমি সকলোৱে Public Representative ।সেই সম্পৰ্কে আমাৰো এটা মৌলিক দায়িত্ব আছে । আমাৰ সমাজখন সুস্থ কৰি ৰখাটো আমাৰো কৰ্ত্তব্য। গতিকে আমি Public Representative হিচাপে আমি কেনেকৈ সমাজখন আগবঢ়াই লৈ যাম , সমাজখন কেনেকৈ আমি নিৰ্মান কৰিম সেই বিষয়ে আমি দায়িত্বসহকাৰে চিন্তা কৰিব লাগিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো Team Assam ৰ কথা কৈছে - টীম আচাম মানে - বিজেপি আৰু অকল ইয়াৰ মিত্ৰ দলৰ সদস্যই নহয় , কংগ্ৰেছ দল বা এ ই আই ডি এফৰ সদস্য সকলো হয়। এ জি পিতো আমাৰ মিত্ৰ দলতেই আছে যদিও বা কোনো বিষয়ত আমাৰ মতান্তৰ আছে সেইটো বেলেগ কথা গতিকে ইয়াত সকলো include আছে। এটা inclusive affort. আমাৰ কমেলেখ্য দে পুৰকায়স্থ ডাঙৰীয়া যথেষ্ট স্মাৰ্ট, তেখেতে জানে। গতিকে বৰাক ভেলীৰ আটাইবোৰ সদস্য মিলিজুলি কেনেকৈ বৰাকভেলী বনাব পাৰি আপোনালোকে চিন্তা কৰক। অলপ আগতে মই কৈছো এফোৰ্ডৰ কথাটো কৈছো- আপোনালোকে মাটি দিয়ক- আমি ভাৰত চৰকাৰৰ পৰা approve অনাই দিম। ইংলেণ্ডৰ যিটো ডাঙৰ কোম্পানী মোৰ লগত কথা পাতিছে মই বৰাক ভেলীত কৰাৰ কথা কৈছো। গতিকে চাউথ ইষ্ট এচিয়াৰ বৰাক এটা বিজিনেছ হাব হিচাপে আমি কৰিব বিচাৰিছো। গতিকে তাতে আপোনালোকে সকলোৱে যি দলৰে নহওক কিয় মিলিব লাগিব যিহেতু আপোনালোকে ৰাইজৰ প্ৰতিনিধি। আমি নমামি বহ্মপুত্ৰ - নমামি বৰাক কৰিছো, এইটোতো উৎসৱ নহয়। Globally গ্ল'বেলী আমি জনাব বিচাৰিছো যে, আমাৰো ৰাটাৰ

ৰুট এটা আছে। আমিও সাগৰ পাব পাৰো। আমি চিটাগঙ পোৰ্টৰ লগত কানেকশ্যন আমাৰ মোদী ডাঙৰীয়াৰ চৰকাৰৰ আমোলত হৈছে। আজি আমাৰ Water Route হ'ল Cheapest Transportation of the World চিপেষ্ট ট্ৰেন্সপোৰ্টেশ্যন অফ দি ৱৰ্ল্ড। বাই ৰোড ১০ টন সামগ্ৰী বৰাকলৈ কঢ়িয়ালে ৪০০ টকা পৰিব। বাই ট্ৰেইন ল'লে ৩৫০ টকা পৰিব । বাই এয়াৰ ল'লে- ৩০০০ টকা পৰিব। কিন্তু বাই ৱাটাৰ আমি যদি লৈ যাও সেইটো ৩০ টকা পৰিব। সেই কাৰণে আমি Borak River Dradging কৰি দিছো। গতিকে আমি সকলোৱে মিলিজুলি কৰিলে ভাল হয়। কামবোৰ সফল হ'ব। এই ক্ষেত্ৰত মই এ আই ইউ ডি এফক ধন্যবাদ দিছো তেওলোকৰ সকলো সদস্যই ইয়াত যোগদান কৰিছে তাৰ বাবে মই আজি সদনত তেওলোকক ধন্যবাদ দিছো। কংগ্ৰেছ দলে ব্যক্তিগত ভাবে মোৰ লগত কথা পাতিছে কিন্তু তেওলোকে যোগদান নকৰিলে। কিন্তু কৰিব লাগিছিল কাৰণ এইটো উৎসৱ নাছিল। আমি দেখুৱাইছিলো যে আমাৰো জলপথ আছে আমি চিটাগঙলৈ কানেকশ্যন কৰিব পাৰো। দ্বিতীয় কথাটো ক'লো যে আজিকালি চোচিয়েল মিডিয়াত যথেষ্ট viral কৰি দিয়ে যি কোনো কথা। সেই কাৰণে আমাৰ পুলিছ বিভাগে এটা চাইবাৰ চেল কৰিছে। পুলিছে এই কথাবোৰ চোৱা চিতা কৰি আছে। পুলিছে ধৰিবই। কিন্তু পুলিছে ধৰিলে হস্তক্ষেপ কৰিব নালাগে যে মোৰ পাৰ্টিৰ মানুহ, মোৰ সমষ্টিৰ মানুহ এইবিলাক কথা আনিব নালাগে। যি পাৰ্টিৰ মানুহে নহওক। Social Media চোচিয়েল ৰ জৰিয়তে সামাজিক বাতাবৰণ বিনষ্ট কৰিব বিচাৰিছে ,আইন , শৃংখলা বিনষ্ট কৰিব খুজিছে। গতিকে তাৰ ওপৰত ব্যৱস্থা নিশ্চয় কৰা হ'ব। মাননীয় সদস্য গৰাকীয়ে "দৈনিক যুগসংখ"ত ৩১-১-২০১৯ তাৰিখে যিটো বাতৰি- গুৱাহাটীতে চৰম চিকাৰ হয়ে ফিৰতে হয়ে শিলচৰৰ চাৰ ক্ৰিকেটাৰকে বৰাকেৰ বাঙালি " এই বাতৰিটো সৰ্ম্পকে আমাৰ দৃষ্টিগোচৰ হৈছে। এই সৰ্ম্পকত পুলিছে তদন্ত আৰম্ভ কৰিছে। তদন্তৰ কথা খিনি মই জনাই দিছো। যিখিনি facts চৰকাৰৰ গৃহ বিবাগৰ পৰা। ইংৰাজী-৩১-১-২০১৯ তাৰিখে যুগসংখ বাতৰি কাকতত প্ৰকাশিত বাতৰিটোৰ বিষয়বস্তুৰ সম্পৰ্কত কাছাৰ জিলাৰ কোনো আৰক্ষী থানাত খৱৰ পোৱা নাই এতিয়ালৈকে । এই সম্পৰ্কত বাতৰি কাকতখনত প্ৰকাশ কৰা নিহাৰেন্দু দেব , অভিযেক দেব নামৰ খেলুৱৈ দুইজনৰ পিতৃক আৰক্ষী থানাৰ ফালৰ পৰা যোগাযোগ কৰা হৈছে। তেখেতসকলে উল্লেখ কৰে যে- তেওৰ পুত্ৰৰ লগতে আনজন খেলুৱৈক উক্ত শিবিৰৰ বাবে বাছনি কৰা নাছিল। সেই বাবে তেওলোকে ওভতি আহিছে। এই সম্পৰ্কত জিলা গোটৰ সমন্বয়ক সুজয় দত্ত ৰয়, জিলাৰ যিজন Sports Coordinator of Cachar. আৰু স্কুল ক্ৰীড়া প্ৰচাৰ , শিলচৰকো এই ক্ষেত্ৰত যোগাযোগ কৰা হৈছিল । তেখেতসকলে উক্ত বিষয়ে জনায় যে তেনেকুৱা কোনো ঘটনা সংঘটিত হোৱা নাই। যুগসংখ কাকতৰ বাতৰিটো তেওলোকে ভিত্তিহীন বুলি তেওলোকে জনায়। এই সন্দৰ্ভত গুৱাহাটী আৰক্ষী আয়ুক্তৰ অধীনত কোনো ধৰণৰ গোচৰ ৰজু হোৱা নাই। কাহিলিপাৰাস্থিত বিশেষ শাখাতো কোনো গোচৰ ৰজু হোৱা নাই। অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ পৰা জনায় যে এই সম্পৰ্কত কোনো তথ্য চৰকাৰৰ হাতত নাই। গতিকে অধ্যক্ষ ডাঙৰীয়া এই বাতৰি সম্পৰ্কে যিটো বাতৰি সেইটো ভিত্তিহীন। খেলুৱৈ দুজনে selection পোৱা নাছিল। সেই কাৰণে তেওলোকে Camp ৰ পৰা ওভতি গৈছিল। এইখিনি কথা জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিচতে মই কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদনটো পাঠ কৰি দিছো । আমাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যৱলী ২৩০ নিয়মৰ অধীনত অসম বিধান স ভাৰ চলিত বাজেট অধিবেশনত ২০১৯-২০ চনৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনা কৰিবলৈ যোৱা ০৬ ফেব্ৰুৱাৰী তাৰিখে

অধিবেশনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে মোৰ কাৰ্য্যালয়ত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হৈছিল আমি সকলোৰে আলোচনা কৰি আবন্টিত সময় দিয়াৰ সিদ্ধান্ত কৰো প্ৰত্যেক দলকে। মুঠ সময় ধাৰ্য্য কৰা হৈছে ৩৬০ মিনিট। ভাৰতীয় জনতা পাৰ্টিৰ কাৰণে ১৭০ মিনিট বিত্ত মন্ত্ৰীৰ উত্তৰসহ, ভাৰতীয় জাতীয় কংগ্ৰেছৰ কাৰনে ৭০মিনিট , অসম গণ পৰিষদৰ কাৰণে ৩৯ মিনিট। এ আই ইউ ডি এফৰ কাৰনে৩৭ মিনিট, বি পি এফৰ কাৰনে -২৪ মিনিট আৰু নিৰ্দ্দলীয়ই- ৫ মিনিট পাব। ইয়াৰ ওপৰিও ফেব্ৰুৱাৰী ৯ তাৰিখে বাজেটৰ ওপৰত হ'ব লগা সাধাৰণ আলোচনা আমি বাতিল কৰি তাৰ পৰিৱৰ্ত্তে ৭ফেব্ৰুৱাৰী  তাৰিখে অৰ্থাৎ আজি সদন দুই বেলা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লওঁ। দুই বেলা কওতে আমি ৩ বজাৰ পৰা ৫ বজালৈ কৈছিলো কিন্তু  যিহেতু ২ টা বজালৈ চলিব সেই কাৰণে সকলোৰে সুবিধাৰ বাবে  ৩.৩০ ৰ পৰা ৫ .৩০ লৈ কৰিব খুজিছো। আজি সদন পিছবেলাও ৩.৩০ ৰ পৰা ৫ .৩০ লৈ অনুষ্ঠিত হ'ব। শনিবাৰে আমাৰ বন্ধৰ দিন আছিল কিন্তু এইবাৰ আমি খোলা ৰাখিব খুজিছিলো  । কিন্তু কালি আমি আলোচনা কৰি আজিয়ে ২ ঘন্টা দিয়াৰ কথা ঠিক কৰিলো।  আশা কৰো এই প্ৰতিবেদনত সদনৰ অনুমোদন   আছে।

এতিয়া মই কাৰ্য্যসূচী ৩ ত পবিন্দ্ৰ ডেকা ডাঙৰীয়াক তেখেতৰ যিটো বিষয়, সেই বিষয়টো আমাৰ কাৰ্যসূচী পৰিচালনা নিয়মাৱলী ৫৪ ৰ অধীনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো আৰু শিক্ষামন্ত্ৰীয়ে তেখেতৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰী পবিন্দ্ৰ ডেকা, পাটাছাৰকুছি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সদনত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনা নিয়মাৱলী ৫৪ ৰ আধাৰত ৰাজ্যখনৰ এক উদ্বেগজনক আৰু অসমবাসীৰ বাবে এক অতি উদ্বেগজনক বিষয় মই উত্থাপন কৰিব খুজিছো। এই বিষয়টো যোৱা ১৪ জানুৱাৰী তাৰিখে আমাৰ অসম কাকতত প্ৰাকাশিত হৈছে। প্ৰকাশিত বিষয় এটা উত্থাপন কৰিব খুজিছো। বিষয়টো হ'ল তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু শিলচৰৰ অসম বিশ্ববিদ্যালয়ত নাই অসমীয়া বিভাগ। অসম চুক্তিৰ ফচল দুয়োখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়তে দূখিত অসমীয়া ভাষা। অধ্যক্ষ মহোদয়, ১৯৮৫ চনত ৬ বছৰীয়া অসম আন্দোলনৰ অন্তত ১৪ আগষ্টৰ মাজনিশা যিখন চুক্তি হৈছিল, যিখন চুক্তিৰ বিষয় ইয়াত সদায় আলোচনা হৈ আহিছে বিস্তৃতভাৱে, সেই চুক্তিৰ আধাৰত আমাৰ ইয়াত দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় দিয়াৰ কাৰণে চুক্তিত উল্লেখ আছে। সেই অনুসৰি ১৯৯৪ চনত তেজপুৰত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু বৰাকভেলিত অসম বিশ্ববিদ্যালয় নামেৰে দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় ইয়াত স্থাপন হৈছিল। কিন্তু এই কেন্দ্ৰীয় বিশ্ববিদ্যালয় দুখনত আজিলৈকে, বাতৰিত উল্লেখ কৰা মতে অসমীয়া এই ভাষাৰ বিভাগটো আজিলৈকে খোলা হোৱা নাই। সভাপতি মহোদয়, সেই কাৰণে মই উল্লেখ কৰিব খুজিছো যে আধুনিক ভাৰতৰ প্ৰথম বিশ্ববিদ্যালয় খন ১৮৪৯ চনত কলিকতাত হৈছিল। যিখন কলিকতা বিশ্ববিদ্যালয় নামেৰে পৰিচিত। তাত এমুঠিমান অসমৰ ছাত্ৰই, হাতৰ আঙুলিত লিখিব পৰা ছাত্ৰই তাত অধ্যয়ন কৰিছিল আৰু তাত অসমীয়া বিভাগ তেতিয়াই ভাৰতীয় ভাষা হিচাপে অসমীয়া ভাষা তাত প্ৰচলিত হৈছিল। আমাৰ অসমৰ ছাত্ৰই তাত অসমীয়া ভাষা পঢ়ি অসমীয়াত MA passed কৰিব পাৰিছে। গুৱাহাটী বিশ্ববিদ্যালয় আমাৰ ১০০ বছৰ পিছত ১৯৪৮ চনত হৈছে। তাতো অসমীয়া ভাষা আমাৰ গোটেই কথাটো আছে। কোকৰাঝাৰ বিশ্ববিদ্যালয়তো আছে আৰু যিদুখন বিশ্ববিদ্যালয় অসম চুক্তিৰ আধাৰত হৈছিল, যি অসম চুক্তিৰ অসমৰ ভাষা সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি নিয়ন্ত্ৰণ কৰাৰ কাৰণেআইন প্ৰনয়ন কৰাৰ কথা আছিল ৬ নং দফাত, সেইটো সম্পূৰ্ণ উলংঘা কৰা হৈছে আৰু তেজপুৰ বিশ্ববিদ্যালয়ত মাজতে আৰম্ভ কৰাৰ কথা আছিল, তাৰ EC (Executive Council) ত, যি কাৰ্য্যপৰিচালনা সমিতি

আছে, সেই কাউন্সিলটো বাৰে বাৰে বোলে আলোচনা হৈছিল, বাতৰিতটোত উল্লেখ কৰামতে, কিন্তু সেইটো হৈ নুঠিল। অসম বিশ্ববিদ্যালয়তো আজিলৈকে হোৱা নাই। গতিকে বিষয়টো অতি উদ্বেগজনক। ভাৰতৰ সংবিধানৰ অষ্টম অনুসূচীত লাভ কৰা অসমীয়া ভাষা ভাৰতৰ এটা অন্যতম উল্লেখযোগ্য ভাষা, এই ভাষাটোৰ বিভাগ নোহোৱা কথাটো অতি উদ্বেগজনক আৰু চিন্তাৰ বিষয়। এই বিষয়ে মই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু যদি কথাটো সত্য, মই পৰীক্ষা কৰা নাই, সোধা নাই কৰ্তৃপক্ষক, যদি সত্য তেতিয়াহলেহে। মই আশা কৰিম আমাৰ শিক্ষা বিভাগে অনতিপলমে উক্ত বিশ্ব বিদ্যালয় দুখনত আলোচনা কৰি তাত অসমীয়া ভাষাৰ বিভাগটো সোনকালে খোলাৰ এটা ব্যৱস্থা কৰিব বুলি মই আশা কৰিলো আৰু অনুৰোধো জনালো, ধন্যবাদ।

**সভাপতি (শ্ৰী বৃন্দাবন গোস্বামী)ঃ** মাননীয় শিক্ষমন্ত্ৰী।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মন্ত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় বিধায়ক শ্ৰীপবিন্দ্ৰ ডেকা ডাঙৰীয়াই আমাৰ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং ৰ নিয়ম অনুসৰি যি প্ৰসংগটো উত্থাপন কৰিছে, সেই প্ৰসংগত চৰকাৰৰ আমি বিশ্ববিদ্যালয় দুয়োখনৰ লগত আমি যোগাযোগ কৰিছিলো আৰু যিখিনি তথ্য পাইছিলো মই আপোনাৰ মাধ্যমেৰে আমাৰ মাননীয় বিধায়ক ডাঙৰীয়াক জ্ঞাত কৰিব খুজিছো, সদনৰ মজিয়াত দাখিল কৰিব বিচাৰিছো। অসম বিশ্ববিদ্যালৰ অন্তৰ্ভূক্ত মহাবিদ্যালয় সমূহত স্নাতক পৰ্য্যায়ত অসমীয়া বিভাগটো MIL শিতানত অন্তৰ্ভূক্ত হৈ আছে। এই বিশ্ববিদ্যালয়ৰ ডিফু চৌহদত স্নাতোকত্তৰ শাখা অসমীয়া বিষয়টো পাঠ্যক্ৰম MA in Assamese চলাই থকা হৈছে। এই বিভাগটোৱে স্কুলত ইণ্ডিয়ান ভাষাৰ দ্বাৰা নিয়োজিত আৰু প্ৰফেচাৰ প্ৰৰ্যায়ত দীন এজনৰ তত্ববধায়নত চলি আছে। তাৰমানে যিখন আমাৰ অসম বিশ্ববিদ্যালয় আছে, সেইখনৰ দুটা কেমপাচ আছে। এটা শিলচৰত আছে আৰু এটা দিফুত আছে। শিলচৰত আমাৰ অসমীয়া বিভাগটো নাই। কিন্তু এই বিশ্ববিদ্যালয়খনৰে অন্তৰ্ভূক্ত ডিফুত, মই যিখিনি তথ্য কলো ডাঙৰীয়া, তাত সেই বিভাগটো সেইদৰে চলি আছে। দ্বিতীয়তে, তেজপুৰ বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত আমি সকলোৱে জানো যে তেজপুৰ বিশ্ববিদ্যালয়খন এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰা আমি যিখিনি তথ্য পাইছো সেইমতে অসমীয়া বিভাগটো তেজপুৰ বিশ্ববিদ্যালয়ত বৰ্তমান নাই। কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ নিয়ম অনুসৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা অনুমতি পালেহে এটা বিষয়ত বিভাগ এটা খুলিব পৰা যায়। তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে অসমীয়া বিভাগ খোলাৰ বাবে বিশ্ববিদ্যালয়ৰ দ্বাদশ পৰিকল্পনা অধীনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছিল, কিন্তু সেইটো গৃহীত নহ'ল। বৰ্ত্তমান তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত অসমীয়া ভাষা অধ্যয়ন কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হৈছে আৰু শ্ৰীমন্ত শংকৰ দেৱৰ নামত এখন সুকীয়া আসন সংৰক্ষিত কৰিছে। য'ত উচ্চমানৰ গৱেষণাৰ লগতে বক্তৃতা, অধ্যয়ন চক্ৰ আৰু আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি আহিছে। ইয়াৰ উপৰি তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় ত দুৰসংযোগী মাধ্যমত, Distance Learning ৰ যিটো তেখেত সকলৰ প্ৰছেচ আছে, অসমীয়া ভাষাৰ প্ৰাঠ্যক্ৰম বিগত বৰ্ষৰ পৰাই আৰম্ভ কৰা হৈছে। মই মহোদয়, আপোনাৰ মাধ্যমেৰে মাননীয় বিধায়ক গৰাকীক জনাব খোজো যে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত আমি অসম চৰকাৰৰ পৰা পুনৰ বাৰ তেখেতসকললৈ এটা অনুৰোধ আমি প্ৰেৰণ কৰিম যাতে তেখেতসকলে দ্বাদশ পৰিকল্পনা আয়োগৰ যিটো UGC, UGC ৰ পৰা তেখেত সকলে sanction নোপোৱাৰ বাবে খুলিব পৰা নাই বুলি কৈছে, দ্বাদশৰ পিছত আৰু অন্যান্য কেইবাটাও তেনেকুৱা অনুদান আয়োগ আহিছে আৰু বৰ্তমানে তেখেত সকলে যাতে পুনৰবাৰ, যিহেতু এটা গুৰুত্বপূৰ্ণ বিষয়, অসমত যদি অসমীয়া ভাষা

এটা বিভাগ নাথাকে, তেতিয়াহলে এইটো এটা সচাই চিন্তানীয় বিষয়। মই মাননীয় বিধায়ক ডাঙৰীয়াৰ ও চৰত কৃতজ্ঞ যে তেখেতে এই বিষয়টো উত্থাপন কৰি আজি আমাৰ সকলোৰে দৃষ্টিগোচৰ কৰিলে। মই তেখেতক ব্যক্তিগত ভাৱে আশ্বস্ত কৰিছো যে মই নিজেই ব্যক্তিগতভাৱে এই ক্ষেত্ৰত উদ্যোগ লম আৰু মই বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষকো অনুৰোধ কৰিম যাতে তেখেত সকলে এই ক্ষেত্ৰত UGC লৈ পুনৰবাৰ এটা প্ৰস্তাৱ প্ৰেৰণ কৰে আৰু প্ৰস্তাৱ প্ৰেৰণ কৰাই নহয়, এই প্ৰস্তাৱটো যাতে গৃহীত হয় তাৰবাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিম।

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** সভাপতি ডাঙৰীয়া, মাত্ৰ এটা অনুৰোধ কৰিছো, অসম বিশ্ববিদ্যালয়ৰ ডিফু কেম্পাচত আছে, সেইটো মইও জানো। কিন্তু শিলচৰ বিশ্ববিদ্যালয়খন কেম্পাচ আছে, যেনেকৈ এখময়ত আমাৰ কেম্পাচ আছিল কোকৰাঝাৰ, এতিয়া কোকৰাঝাৰ বিশ্ববিদ্যালয়খন সুকীয়া হ'ল, স্বকীয়াকৈ হ'ল। গতিকে তাতো যাতে অসমীয়া ভাষাটো প্ৰচলন কৰিব পৰা যায় এইটো কথা।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (মাননীয় মন্ত্ৰী)** ঃ মাননীয় সভাপতি মহোদয়, এই ক্ষেত্ৰত আমি আকৌ এবাৰ তেখেত সকলৰ বিশ্ববদ্যালয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি এইটো যাতে হয় সেই ক্ষেত্ৰত আমি পদক্ষেপ লম।

**সভাপতি মহোদয়** ঃ এতিয়া কাৰ্য্যসূচী নং ৪, মাননীয় সদস্য শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলী ৩০১ Special Mention ৰ অধীনত দক্ষতা বিকাশৰ জৰিয়তে নিয়োগৰ সম্ভৱনাৰ সৃষ্টি কৰিব লাগে। শীৰ্ষক বাতৰিটো দক্ষতা বিকাশ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী (মাননীয় সদস্য)** ঃ মাননীয় সভাপতি মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচলনাৰ নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়মৰ অধীনত দক্ষতা বিকাশৰ জৰিয়তে নিয়োগৰ সম্ভাৱনা সৃষ্টি কৰিব লাগে। এই বিষয়টো ছাৰ উত্থাপন কৰিবলৈ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। আজিৰ তাৰিখলৈ যদি অসমৰ নিবনুৱা সমস্যাৰ বিষয়ে চাওঁ অসমৰ নিৰনুৱাৰ সমস্যা এটা ভয়াৱহ সমস্যা। প্ৰায় প্ৰতি ঘৰৰে উচ্চ শিক্ষিত ডেকা, গাভৰু qualified ভৰি আছে, কিন্তু তেওঁলোকৰ প্ৰয়োজনীয় Employment নাই, নিয়োগ নাই স্থাপন নাই। বৰ্তমান যিখন কেন্দ্ৰত চৰকাৰ আছে, সেই দলটোৰ চৰকাৰ আমাৰ অসমতো আছে, তেখেত সকলে চৰকাৰ অহাৰ আগত কৈছিল যে প্ৰত্যক বছৰ ২ কোটি নিৰনুৱা যুৱক-যুৱতীক সংস্থাপন দিয়া হব। তেতিয়া গোটেই ভাৰতবৰ্ষৰ তথা অসমৰ মানুহে শুনি খুব ভাল পাইছিল, কেন্দ্ৰীয় চৰকাৰৰ কাৰ্য্যকালটো আৰু দেৰ দুমাহ পিছত যাব। যদি আমি State wise ভাগ কৰো যে ২ কোটিৰ আমাৰ Population ratio হিচাপত আমি কিমান পাওঁ, বহুত লাখ নিৰনুৱা যুৱক-যুৱতীৰ ইতিমধ্যে সংস্থাপন আমাৰ অসমত হৈ যাব লাগিছিল। ২০১৮ চনৰ ছেপ্তম্বৰ মাহলৈকে অসমত ২০লাখ ৩৬ হাজাৰ ১১৮ জন পঞ্জীয়নকৃত নিবনুৱা আছে। যি সকল লৰা-ছোৱালী উচ্চ শিক্ষিত হয়, বা উচ্চ শিক্ষিত নহয় যেনিবা সকলো লৰা ছোৱালী কিন্তু চাৰ Employment exchange ত নিয়োজকে নিবনুৱা হিচাপে Registration কৰিবলৈ নাযায়। ইয়াত যিটো চৰকাৰী তথ্য আছে, এই তথ্যটো কিন্তু আপোনাৰ চৰকাৰী Employment exchange য়ে প্ৰদান কৰা তথ্য যি হেতুকে অধিকাংশ যুৱক-যুৱতীয়ে Employment exchange ত নাযায় আমি এটা অনুমান কৰি লব পাৰো যে এই Figure টো double হব। এই Figure টো চৰকাৰৰ হাততো নাথাকিব কাৰো হাতত নাথাকিব যিহেতু Maximum মানুহে Registration ৰ কাৰণে নাযায়। সেই হিচাবত আমি আনুমানিক যদি অনুমান কৰি লওঁ তেনে হলে দেখা যাব প্ৰায় ৪০/৪৫ লাখ নিবনুৱা যুৱক-যুৱতী বৰ্তমান অসমত আছে। এতিয়া

কথাটো হল যি কোনো এখন চৰকাৰে প্ৰত্যকজন মানুহকে চাকৰি দিয়াটো সম্ভৱ নহয়। এই কথাটো মানি লোৱাটো ভাল। সিদিনাখন ছিকিম চৰকাৰে এটা Policy আনিছে, যে One family one post তাৰ মানে প্ৰত্যখন ঘৰত এটা এটা চাকৰি দিব ছিকিম এখন সৰু ৰাজ্য আমাৰ এজন জিলাৰ সমান। গতিকে ছিকিমত এইটো Implement হব পাৰে, কিন্তু অসমত চাৰ এইটো সম্ভৱ নহয়। গতিকে চৰকাৰে যে সকলোকে চাকৰি দিব পৰা নাই এই কাৰণে মই চৰকাৰক দোষাৰোপ কৰিব নিবিচাৰো। কিন্তু এই মানুহখিনকটো সংস্থাপন কৰিব কাৰণে এটা Alternative way বিকল্প পথও চৰকাৰে বাচি উলিয়াব লাগিব, এই লৰা-ছোৱালী খিনি আমাৰ সম্পদ আমাৰ যিটো শিক্ষা ব্যৱস্থাটোত আমাৰ ল'ৰা ছোৱালী বিলাকে ভাবে যে B.A. M.A. Pass কৰি চাকৰিত সোমাম। এইটো এটা অবাস্তাৱ ধাৰণা, শিক্ষা বিভাগত ধৰক টেট আছে, Higher Education SLET/ NET আছে এই বিলাকত কিমান ল'ৰা-ছোৱালী সংস্থাপিত হব, Maximum নহয়। গতিকে আমি স্কুল পৰ্য্যায়ৰ পৰা এনেকুৱা এটা Systm ত আনিব লাগে। আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ Mind set ত সোমাই দিব লাগে যে চাকৰি মানে সংস্থাপন নহয়, সংস্থাপনৰ বিকল্প ব্যৱস্থা চৰকাৰে কৰিব লাগে অসম চৰকাৰৰ অধীনত আমি যদি চাওঁ Skill Development ত অকল মই কথাখিনি আৱদ্ধ ৰাখো তেতিয়া হলে দেখা পাম যে প্ৰায় ১৫ টা মান আঁচনি অসম চৰকাৰৰ অধীনত আছে, Skill Development ৰ জৰিয়তে নিয়োগ সৃষ্টি কৰিব কাৰণে। গোটেই কেইটা আঁচনিৰ নাম পঢ়িলে সময় লাগিব চাৰ মোৰ তাত আছে মই নপঢ়ো তাৰে উল্লেখযোগ্য আঁচনি হল Skill Development Mission, Converting of Employment Exchange to Career Centre, Job mela চৰকাৰ এইটোৰ ওপৰত পাতে Set up of new mini ITI in each block for development of skill in various Trade তাৰ পিছত চাৰ Setting up of Driving School, one Setting up of ITI and Setting up of Special ITI for দিবাংগ্য এনেকৈ প্ৰায় ১৫ টা মান আঁচনি আছে, আঁচনিখন ভাল। এতিয়া কথা হ'ল আঁচনিখনৰ যদি আমি বাজেট Allocation চাওঁ ২০১৬-১৭ ত Skill Development ৰ অধীনত চৰকাৰখনে বাজেট ধৰিছিল ২০ কোটি ৯৩ লাখ টকা, আৰু Same year ত ২০১৬-১৭ ত প্ৰশিক্ষণ শাখাত চৰকাৰে বাজেট ধৰিছিলে ৩০ কোটি টকা, মুঠ ৫০ কোটি ৯৩ লাখ টকা তাৰ মানে ১.৫০ কোটি টকা আছিল । এইটো চৰকাৰে ০০১৭-১৮ চনত দুগুণ কৰিছে তাৰ কাৰণে আমি চৰকাৰক ধন্যবাদ দিছো। ২০১৭-১৮ ৰ নতুন শাখাত আছিলে, ৬১ কোটি, ৫৪ লাখ কাৰিকৰী প্ৰশিক্ষণৰ শাখাত আছিল ৬২ কোটি ৮৩ লাখ মুঠ আছিলে, ১২৪ কোটি ৪৮ লাখ টকা, Skill Development ৰ কাৰণে চৰকাৰে বাজেট Allocation কৰিছে। এতিয়া যদি আমি Implement চাওঁ বাজেটৰ সময়তটো বহুত হাত-টালি পৰে এইটো বাজেটৰ সময়ত কম, কিন্তু আমি যদি এই টকাখিনি যদি বাস্তৱত আমি চাওঁ কি হৈছে, চৰকাৰে Skill Development ৰ অধীনত দিনদয়াল উপাধ্যায় গ্ৰামীন কৌষল যোজনা বুলি এটা আঁচনি খুলিছিল তাত PPP Mode ত চৰকাৰ খনে কেইটামান আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে প্ৰজেক্ট Implementing Agency ৰ জৰিয়তে যি কৰিছে সেইটো মই দেখুৱাইছো। ২০১৫-১৬ ত Financial year ত চৰকাৰ খনৰ এই যে প্ৰজেক্ট Implementing Agency ৰ জৰিয়তে চৰকাৰখনে ৪হাজাৰ ২৫৮ গৰাকী নিৰনুৱা যুৱক-যুৱতীক প্ৰশিক্ষণ দিবলৈ সক্ষম হৈছে। তাৰে চৰকাৰখনে নিয়োগ পত্ৰ প্ৰদান কৰিছিল ৩ হাজাৰ ২২ গৰাকী নিবনুৱা যুৱক-যুৱতীয়ে। চাকৰি আৰু সংস্থাপন বেলেগ বস্তু সংস্থাপিত হল মাত্ৰ ১হাজাৰ ২৬৫জন ট্ৰেনিং দিলে চৰকাৰে ৪হাজাৰ ২৫৮ নিয়োগ পত্ৰ দিলে ৩ হাজাৰ ২২জনক আৰু সংস্থাপিত

হল মাত্ৰ ১হাজাৰ ২৬৫জন। তাৰ মানে যি সকল নিবনুৱা যুৱক-যুৱতীক চৰকাৰে নিয়োগ পত্ৰ দিছে ,তাৰ আধাতকৈ যুৱক-যুৱতীয়ে নিয়োগ পত্ৰ লোৱা নাই। এইটো চাৰ বিধান সভাৰ তথ্য, আৰু Unstarred Question No.197. 07-02-2019 ৰ তথ্য এইটো। ২০১৬-১৭ ৰ Financial year ত প্ৰশিক্ষণ প্ৰাপ্ত যুৱক-যুৱতীৰ সংখ্যা আছিলে, ৮ হাজাৰ ২০০। নিয়োগ পত্ৰ প্ৰদান কৰা যুৱক-যুৱতীৰ সংখ্যা আছিলে, ৫হাজাৰ ৭১৮, সংস্থাপিত নিৰনুৱা সংখ্যাৰ আছিলে ১হাজাৰ ৪৭৯, ২০১৮-১৯ ডিচেম্বৰ মাহলৈকে চাৰ। যোৱা ডিচেম্বৰ মাহলৈকে প্ৰশিক্ষণ প্ৰাপ্ত যুৱক যুৱতীৰ সংখ্যা আছিল ১২হাজাৰ ৬৫৯। নিয়োগ পত্ৰ প্ৰদান কৰা যুৱক-যুৱতীৰ সংখ্যা আছিলে ১১হাজাৰ ৫৭৪ আৰু সংস্থাপিত নিবনুৱাৰ সংখ্যা আছিলে, ৬জাহাৰ ২৩৬ জন ২০১৫-১৬, ২০১৬-১৭, ২০১৭-১৮, ২০১৮-১৯ up to December ৩৫ হাজাৰ ৪৪ জন যুৱক-যুৱতীক চৰকাৰখনে এই দীনদয়াল উপাধ্যায় গ্ৰামীন কৌষল যোজনাৰ অধীনত প্ৰশিক্ষণ দিবলৈ সক্ষম হৈছে। তাৰে চৰকাৰে নিয়োগ পত্ৰ প্ৰদান কৰিছিল ২৬ হাজাৰ ৭২১ জন যুৱক-যুৱতীক কিন্তু আচৰিত কথা মাত্ৰ ১২হাজাৰ ৪৪২জন যুৱক -যুৱতী হে সংস্থাপিত হ'ল, অধিকাংশ যুৱক-যুৱতীয়ে চৰকাৰৰ পৰা নিয়োগ পত্ৰ পোৱাৰ পিছতো সংস্থাপনৰ যিটো নিযুক্তি পত্ৰ সেইটো নল'লে। তাৰ পৰা প্ৰমান হয় তেওঁলোকৰ Satisfactory Job এই বিলাক নাছিল, আৰু এটা Data মই দিব বিচাৰিছো, গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠা ইয়াৰ জৰিয়তেও চৰকাৰে নিৰনুৱা যুৱক-যুৱতীক সংস্থাপন ৰ ব্যৱস্থা কৰে। ২০১৫-১৬ চনত এই আঁচনি খনৰ জৰিয়তে চৰকাৰে নিৰনুৱা যুৱক-যুৱতীক প্ৰশিক্ষণ দিছিল, ১৪হাজাৰ ৫৫৬ গৰাকী । আৰু স্ব-নিয়োজিত হৈছিল, ৯হাজাৰ ৬৯৩ গৰাকী, ২০১৬-১৭ত ১৫হাজাৰ ৫৭ গৰাকীক প্ৰশিক্ষণ দিয়া হৈছিল তাৰ ভিতৰত নিয়োজিত হৈছিল ১০ হাজাৰ ২৫৩ গৰাকী। ২০১৭-১৮ ত প্ৰশিক্ষণ দিয়া হৈছিল ১৪ হাজাৰ ২৬২ জন গৰাকীক আৰু ইয়াৰ ভিতৰত নিয়োজিত হৈছিল ৯হাজাৰ ৪০৮ গৰাকী। ২০১৮-১৯ চনৰ ৰ যিটো বিত্তীয় বৰ্ষ তাৰ যোৱা ডিচেম্বৰ মাহলৈকে মোৰ হাতত তথ্য আছে যে ৯হাজাৰ ৩৯জন যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়া হৈছিল। আৰু তাৰ ভিতৰত নিয়োজিত হৈছিল ৪হাজাৰ ১৩১৩জন । এতিয়া কথাটো হ'ল কি এই যে Budget Allocation ট্ৰেইনিং , নিয়োগপত্ৰ প্ৰদান আৰু প্ৰকৃতাৰ্থত সংস্থাপন আদিৰ আমি চাৰ ৰেৰ্কড বিলাক ইটোৰ লগত সিটো মিলাই চাওঁ , অসমৰ নিবনুৱা সমস্যা এটা ভয়ংকৰ ৰূপত আছে । চৰকাৰে যিমান কোটি টকা খৰচ কৰিছে তাৰে নিবনুৱা যুৱক যুৱতী সকলক সন্তুষ্ট কৰিব পৰাকৈ চাকৰি দিব পৰা নাই। মই আগতেই কৈছো যে প্ৰত্যেকজন নিবনুৱা যুৱক যুৱতীক চৰকাৰখনে চাকৰি দিব নোৱাৰে । কিয়নো ২০১১ চনৰ চেনচাচ্ মতে ইয়াত ৩ কোটি ১২ লাখ মানুহ আছো । চৰকাৰখনে Skill Development ক অত্যাধিক গুৰুত্ব দিব লাগে আৰু সেইকাৰণে মই এই বিষয়টো আনিছো । আমাৰ গোটেই অসমখন Agree -base economy ৰ ওপৰত নিৰ্ভৰ কৰে । কেই শতাংশ মানুহে চাকৰি কৰে খুউব বেছি ৩ /৪ শতাংশ । অৰ্থেন্টিক ডাতা মোৰ হাতত নাই । শতকৰা তিনি চাৰি ভাগ মানুহে চাকৰি কৰে। ইয়াৰ ওপৰত নহব । বেছিভাগ মানুহ আমাৰ Rural Economy ৰ ওপৰত নিৰ্ভ্ৰ কৰে । এতিয়া Skill Development Department য়ে Rural economy grow কৰি আমাৰ গাৱঁলীয়া নিবনুৱা যুৱক যুৱতীক সংস্থাপনৰ কাৰণে কি প্ৰক্ৰিয়া আৰম্ভ কৰিছে । চৰকাৰৰ নিদিষ্ট কোনো পলিচি নাই । যোৱা বছৰ অসম বিধান সভাত মই চৰকাৰক অনুৰোধ কৰিছলো যে একে প্ৰচেচত চৰকাৰে এটা মিল্ক পলিচি বনাব লাগে। আমাৰ মীন মন্ত্ৰী মহোদয় ইয়াত বহি আছে , তেখেতৰ এটা " নীল বিপ্লৱ " বুলি এটা পলিচি আছে । ঠিক তেনেকৈ চৰকাৰে আমাৰ গাখীৰৰ বাবে এটা পলিচি বনাব লাগে । গোটেই ভাৰত বৰ্ষৰ ভিতৰত মাত্ৰ ০.৫৭ পাৰচেন্ট

অসমত গাখীৰ প্ৰডাকশ্যন হয় , ইমান বেয়া অৱস্থা । যদি গাখীৰৰ প্ৰডাকশ্যনৰ কাৰণে এই বিভাগে কিবা ব্যৱস্থা লয়, নিবনুৱা যুৱক যুৱতীৰ সংস্থাপন হব । বাজেটত পালো যে “ ঘৰে ঘৰে পুখুৰী ” এইটো ভাল আঁচনি । আমাৰ প্ৰাক্তন অধ্যক্ষ, ৰঞ্জিত দাস ডাঙৰীয়াই যোৱা বছৰৰ বাজেটৰ ওপৰত হোৱা আলোচনাত এটা ভাল পৰামৰ্শ তেখেতে আগবঢ়াইছিল যে -লোকেল মুৰ্গী আৰু লোকেল কণীৰ প্ৰডাকশ্যনৰ ক্ষেত্ৰত । এই কথাতো বহুত গুৰুত্বপূৰ্ণ । লোকেল মুৰ্গী - কণীৰ বজাৰত যিটো চাহিদা সেই অনুপাতে উৎপাদন নহয় । খুব কম টকা ইয়াত ইনভেষ্ট হয় । আমি যদি ল'ৰা-ছোৱালী বিলাকক ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰি, বেংকৰ লগত যদি এটা এগ্ৰিমেণ্ট চৰকাৰে কৰি দিয়ে ( চৰকাৰে পইচা দিব নালাগে ) তেতিয়া বহুত নিবনুৱা যুৱক-যুৱতী উপকৃত হ'ব বুলি মোৰ বিশ্বাস আছে ।

মই যোৱা বছৰ বৰাকভেলিত কিবা কামত যাওঁতে এজন খেতিয়কক লগ পালো । এক ক'ঠা মাটিত তেওঁ মধুৰী আমৰ খেতি কৰি বছৰি ৬০ হাজাৰ টকা লাভ কৰে । এক ক'ঠা মাটিত যদি ৬০ হাজাৰ টকা বছৰি পায়, তেতিয়াহ'লে মাত্ৰ এক বিঘা মাটিত যদি আমি সুবিধাখিনিৰ ব্যৱস্থা কৰি দিব পাৰো (তেওঁলোকৰ নিজৰ নিজৰ মাটি) তেতিয়াহ'লে অৰ্থনৈতিক ভাৱে কিমান লাভবান হ'ব ভাৰি চাওঁক । সেইদিনাখন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে য বৰাকৰ অমিতা ফ্লাইটত নি ডুবাইত বিক্ৰী কৰে । গতিকে অমিতা খেতিৰ ক্ষেত্ৰতো আমাৰ গুৰুত্ব দিয়া উচিত । ইউ পি বা বিহাৰত গ'লে দেখিব প্ৰচুৰ আমৰ বাগান আৰু লিচুৰ বাগান। কিন্তু আমাৰ ইয়াত গ্ৰাম্য অৰ্থনীতি এতিয়ালৈকে ধানখেতিত আৱদ্ধ হৈ আছে । লিচু আৰু আমৰ খেত্ৰটোও আমি যদি সৃষ্টি কৰিব পাৰো বহুত কৰ্ম সংস্থাপন ইয়াত হ'ব আৰু চৰকাৰৰ ইমান খৰচো নহ'ব ।

মাননীয় সভাপতি মহোদয়, মোৰ নিজৰ সমষ্টিৰ এটা উদাহৰণ দিও । মানুহে চাহ-বাগান কৰাৰ দৰে মোৰ সমষ্টিত বহুত নেমুৰ বাগান আছে । বেংক, চৰকাৰৰ সহায় নোলোৱাকৈ তেওঁলোকে নেমুৰ খেতি কৰি ইমানেই উৎপাদন কৰিছে যে বিভিন্ন কোম্পানীয়ে গৈ ট্ৰাকে ট্ৰাকে তাৰ পৰা নেমু আনি চৰ্বত, আচাৰ আদি বনায় । এইটো প'লিচি চাৰ চৰকাৰে লব পাৰে । ইয়াৰোপৰি আমাৰ অসমত টু'ৰিজিমৰ বহুত স্কোপ আছে । অকল প্ৰিয়ংকা চোপ্ৰাক ‘বেণ্ড এম্বেচাদৰ বনাই দিলে, দুই তিনি দিন আহি কোটি কোটি টকা লুটি লৈ গ'ল , এইটো চাৰ Skill Development নহয় । আমাৰ ইয়াত ৱাইল্ড লাইফ ট'ৰিজিম, নেছা ট'ৰিজিম, ‘টি’ ট'ৰিজিম,, ইক’ ট'ৰিজিম কালচাৰেল ট'ৰিজিম আছে আৰু আটাইতকৈ গুৰুত্বপূৰ্ণটো হ'ল ধৰ্মীয় ট'ৰিজিম আছে আমাৰ ইয়াত । গতিকে এই বিষয় বিলাক যদি চৰকাৰে Skill Development ৰ জৰিয়তে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰে , মই ভাল হ'ব বুলি ভাবো । তেওঁলোকক ট্ৰেইনিং দিয়াৰ পিছত যি কোনো বেংকৰ লগত চৰকাৰে এগ্ৰিমেণ্ট কৰি দিব আৰু পিচত লৰা-ছোৱালীয়ে নিজৰ পইচা নিজেই ঘূৰাব । গতিকে এনেকুৱা যদি এটা চিষ্টেম চৰকাৰখনে বনাব পাৰে মই ভাবো আমাৰ ভৱিষ্যত প্ৰজন্মৰ কাৰণে খুউব ভাল হ'ব । অসমৰ বৰ্তমান মাননীয় মুখ্যমন্ত্ৰী চেণ্ট্ৰেলত Skill Development ৰ Minister আছিল। গতিকে তেখেতৰ এই বিষয়টো ভালদৰে অৱগত, যিহেতু এইটো বিভাগে সমগ্ৰ দেশজুৰি চলাই আছে । গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে নিৰ্বাচনৰ সময়ত নিবনুৱা যুৱক-যুৱতী সকলক চাকৰি দিয়াৰ আস্বাস দিয়া হয় । কিন্তু এইটো অবাস্তৱ কথা । কোনো চৰকাৰে প্ৰত্যেকজন মানুহক চাকৰি দিব নোৱাৰে । গতিকে আপোনালোকে যদি Skill Development ৰ জৰিয়তে আমাৰ নিবনুৱা সমস্যা সমাধানৰ প্ৰয়াস কৰে, অসমৰ ভৱিষ্যত প্ৰজন্মৰ কাৰণে ভাল হ'ব আৰু ইয়াৰ বাবে যাতে এটা নিৰ্দিষ্ট প'লিচি আপোনালোকে বনাই তাৰ প্ৰতি অনুৰোধ ৰাখি মোৰ বক্তব্য শেষ কৰিছো । ধন্যবাদ ।

**মাননীয় সভাপতি ঃ** এতিয়া মন্ত্ৰীয়ে উত্তৰ দিব ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী; সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** আমাৰ মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই যিটো বিষয় ইয়াত আনিছে, এই বিষয়টো মইভাল পাইছো আৰু এটা পজিটিভ দিশত তেখেতে যিখিনি পৰামৰ্শ আগবঢ়াইছে মই সন্তোষ প্ৰকাশ কৰিছো । তেখেতে কৈছে য অসমত ৰেজিষ্টাড্ হোৱা ২০ লাখ যুৱক-যুৱতী আছে কিন্তু তেওঁলোকক আজি নিযুক্তি দিব পৰা নাই , নিবনুৱা হৈ আছে । সভাপতি ডাঙৰীয়া , এই Skill Development জৰিয়তে নিবনুৱা সমস্যাটো সমাধান কৰিব লাগে বুলি তেখেতে পৰামৰ্শ ডাঙি ধৰিছে । তেখেতে কোৱা কথাটো সত্য । সত্য এই কাৰণেই যে আজি যদি সকলোৰে Skill হয়, তেতিয়া আমাৰ ল'ৰা-ছোৱালী বিলাকৰ চলিবলৈ অসুবিধা নহয় । এই Skill Development টো অসমত সম্পূৰ্ণ নতুন ডিপাৰ্টমেণ্ট । এই Skill Development ৰ জৰিয়তে এটা 'মিছন ' কৰা হৈছে । এই মিছনৰ জৰিয়তে আমি এইবাৰ গোটেই অসমত এই এপ্ৰিলৰ ৩০ তাৰিখৰ ভিতৰত ১ লাখ যুৱক - যুৱতীক Skill ট্ৰেইনিং চাৰ্টিফিকেট দিম । ইয়াত Skill ট্ৰেইনিং চাৰ্টিফিকেট দিয়াটোৱেই অকল নহয়, আমি ট্ৰেইনিং প্ৰভাইদাৰ লৈছো । জৰ ৰোʼল আছে মুঠ ১৭৯ আৰু মুঠ চেক্টৰ আছে ৩৫ টা । ইয়াৰোপৰি আমাৰ মিছনত ২০০ ট্ৰেইনিং পাৰ্টনাৰ আছে । ২০০ টা ট্ৰেইনিং পাৰ্টনাৰে অসমৰ বিভিন্ন ঠাইত ট্ৰেইনিং চেন্টাৰ আছে তাতে ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিছে । সভাপতি ডাঙৰীয়া মই আগতেই কৈছো যে এইটো এটা সম্পূৰ্ণ নতুন ডিপাৰ্টমেণ্ট । আমাৰ মাননীয় বিধায়কজনে কেইবাটাও গুৰুত্বপূৰ্ণ পৰামৰ্শ দিছে । ইয়াৰ উপৰিও আৰু কিছুমান কথা আছে যিবিলাক আমি আগবঢ়াই নিব লাগিব । কোনো চৰকাৰে ২২ লাখ নিবনুৱাক চাকৰি দিব নোৱাৰে । চৰকাৰৰ চিষ্টেমটো হৈছে আন্তঃগাঁথনি গঢ়িব লাগিব । কেপিটেল expenditure হʼব লাগিব । ৰেভিনিউ expenditure কমিব লাগিব । এইটো এফ, আই , বি, এম , এক্ট, ২০০৫ ত কোৱা হৈছে । গতিকে চৰকাৰৰ তৰফৰ পৰা আজিৰ দিনত ইমান চাকৰি দিব পৰাটো সম্ভৱ নহয় । লʼৰা-ছোৱালী বিলাক যদি স্কীল হয়, তওঁলোকে নিজৰ ভৰিত নিজে থিয় দিব পাৰিব । আমাৰ লʼৰা-ছোৱালী বিলাকৰ যদি স্কিল থাকে তেন্তে তেওঁলোকে নিজৰ ভৰিত নিজে থিয় দিব পাৰিব। আমাৰ বৰ্তমান যিটো মিচন সেই মিচনৰ ভিতৰত placement link skill training programme চলি আছে আৰু আমি ট্ৰেইনিং প্ৰভাইদাৰক লৈছো। তেওঁলোকৰ লগত আমাৰ চুক্তি হৈছে যে যিমান লʼৰা-ছোৱালীক ট্ৰেইনিং দিব ট্ৰেইনিং দিয়াৰ পিছত কিন্তু ৮০ শতাংশ লʼৰা-ছোৱালীক নিযুক্তি দিব লাগিব। সভাপতি ডাঙৰীয়া placement টো এনেকুৱা নহয় যে কোনোবা কোম্পানী বা অন্যান্য কৰবাত চাকৰি পাব। কোনোবাই যদি চুইয়িং মেচিন শিকিলে বা কোনোবাই যদি মেকানিকেল ট্ৰেডটো শিকিলে যদি ট্ৰেইনিং প্ৰভাইদাৰে তেওঁক বেংকৰ লগত লিংকেজ কৰি বেংক লোন দিয়াৰ ব্যৱস্থাটো কৰে তেন্তে তেওঁ চিলাই স্কুল বা টেইলৰিঙ বা গাৰমেণ্ট ফেক্টৰী যদি বনায় তেন্তে এইখিনি placement ৰ ভিতৰতে অন্তৰ্ভুক্ত হʼব। অকল যে চাকৰিয়েই হʼব লাগিব তেনে কোনো কথা নাই মুঠতে ৮০ শতাংশ placement তেওঁলোকে দিবই লাগিব। গতিকে আমি ১ লাখ লʼৰা-ছোৱালীক এই বছৰটোত ট্ৰেইনিং দিম, চাৰ্টিফিকেট দিম। কিন্তু এতিয়া এমাহ সময় আমি বেছিকৈ লৈছো কাৰণ এই চাৰ্টিফিকেট বিলাক ভাৰত চৰকাৰৰ পৰা আহে। এটা এঞ্জেঞ্চী আছে। গতিকে তাৰভিতৰত ১ লাখে চাৰ্টিফিকেট পাব আৰু যি ২০ হাজাৰ বাচি যাব সেই ২০ হাজাৰ লʼৰা-ছোৱালীয়ে তেওঁলোকে নিজেই যিটো ট্ৰেড শিকিলে সেই ট্ৰেডটোৰ ওপৰত তেওঁলোকে নিজেই ব্যৱস্থা কৰিব লাগিব। অধ্যক্ষ মহোদয়, গতিকে আমাৰ এইটো এটা প্ৰগ্ৰেম আছেই। তাৰ উপৰিও আমাৰ "প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা" বুলি

আৰু এটা প্ৰগ্ৰেম আছে। তাৰ জৰিয়তে আমি গোটেই অসমতে আমি এই ১ লাখৰ উপৰিও অন্যান্য ট্ৰেইনিং চলি আছে। ইয়াৰ উপৰিও আমাৰ আৰু কেইটামান প্ৰগ্ৰেম আছে। যেনে যিসকল মিলিটেণ্টে এতিয়া চাৰেণ্ডাৰ কৰিলে আৰু এতিয়া কেম্পত আছে সেইসকলৰ বিষয়ে পুলিছ বিভাগে স্কিল ডেভেলপমেণ্টৰ লগত কথা পাতিছে আৰু আমিও তেওঁলোকক স্কিল ডেভেলপমেণ্ট ট্ৰেইনিং দিয়াৰ বাবে সিদ্ধান্ত লৈছো যাতে তেওঁলোক সংস্থাপিত হ'ব পাৰে আৰু extremism টো যাতে তেওঁলোকৰ মনলৈ নাহে। এইকথা কালি বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বাজেট ভাষণত কৈছে। ইতিমধ্যে আমি ১৮ হাজাৰ ল'ৰাক তেনেকুৱা ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিছো আৰু এটা প্ৰগ্ৰেম আছে "কাৰাগাৰ টু কাৰিকৰ"। যিবিলাক মানুহৰ ইতিমধ্যে জেলত শাস্তি হৈ গ'ল। কাৰণ জেলত থাকিলে মানুহৰ মানসিকতা কিমান বেয়া হ'ব পাৰে আপোনালোকে জানেই। অসম আন্দোলনৰ সময়ত বহুদিন ধৰি জেলত থাকি অনুভৱ কৰিব পাৰো যে জেলত থকাটো কিমান কষ্টকৰ। সেয়েহে বৰ্তমান জেলৰ ভিতৰত যিখিনি লোক আছে তেওঁলোকক আমি কেন, বেম্ব' আৰু দুই তিনিটামান ট্ৰেডৰ স্কিল ডেভেলপমেণ্টৰ প্ৰগ্ৰেম আৰম্ভ কৰিছো। তাৰোপৰি যিখিনি Aspirational District আছে যেনে বাক্সা, বৰপেটা, দৰং, ধুবুৰী, গোৱালপাৰা, ওডালগুৰিত আমি বিশেষ গুৰুত্ব আৰোপ কৰিছো যাতে এই জিলাখিনি ওপৰলৈ আহিব পাৰে। তাত আমি skill development ৰ যোগেদি special drive দিছো। আচঁলতে আমাৰ ল'ৰা-ছোৱালী বিলাকো এই skill development ৰ ট্ৰেইনিং ল'বলৈ আগবাঢ়ি আহিব লাগে আৰু যদি আহে তেওঁলোকে কাম কৰিব পাৰিব। তাৰোপৰি North East skill centre আমি কৰিছো। অধ্যক্ষ ডাঙৰীয়া আপুনি শুনি সুখ পাব যে, আমি এতিয়া চিংগাপুৰ চৰকাৰৰ লগত যিখন এতিয়া পৃথিৱীৰ শ্ৰেষ্ঠ দেশ আমাৰ অসম চৰকাৰে চুক্তি কৰিছো, এম ও ইউ কৰি তেওঁলোকৰ পৰা ৰিটেইল, হস্পিটেলিটী, বিউটি, ওৱেলনেচ ইত্যাদি ধৰণৰ কেইটামান ট্ৰেড আমি তেওঁলোকৰ পৰা লোৱাৰ কথা ভাৱিছো। আমি এখন ইণ্টাৰনেশ্যনেল স্কিল চিটী কৰিম আৰু এইখন মংগলদৈত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। যোৱাকালি ভাৰত চৰকাৰৰ পৰা প্ৰাইমাৰী চেংচন হোৱা বুলি গম পাইছো। গতিকে এইখন এখন Eastern India ত নোহোৱা এখন Mega City হ'ব। ইতিমধ্যে প্ৰয়োজন হোৱা ১০০-১৫০ বিঘা মাটি ডি চি য়ে দিব পাৰিম বুলি কৈছে আৰু এখন ফাৰমাৰ হাব ছিপাঝাৰত হ'ব। গতিকে দৰং জিলাখন যদি আমি লিংকেজ কৰিব পাৰো তেতিয়াহ'লে লখিমপুৰ আৰু জোনাই লৈকে ইণ্ডাষ্ট্ৰী আগবঢ়াই লৈ যাব পাৰো। ইতিমধ্যে আমিনগাওঁৰ পৰা টিহুলৈকে দুইকাষে ইণ্ডাষ্ট্ৰীয়েল কৰিডৰ হৈছেই। গোৱালপাৰাটো ইতিমধ্যে ইণ্ডাষ্ট্ৰী গঢ় লৈ উঠিছেই। ইতিমধ্যে যোগীঘোপাত অশোক কাগজ কল খোলাৰ লগতে তাত transportation ৰ যিবিলাক multy model hub কৰিবলৈ লৈছো আৰু যিখিনি পোৰ্ট বনাবলৈ লৈছো সেই যোগীঘোপা য'ত অশোক মিল বন্ধ হৈ যোৱাৰ পিছত তাত লাইট নুমাই গৈছিল, এতিয়া সেই যোগীঘোপা অসমৰ one of the important place হিচাপে স্থান দখল কৰিবলৈ সক্ষম হ'ব আমি তাত যিখন মাল্টি মডেল হিচাপে কৰিবলৈ লৈছো, লজিষ্টিক হাব A I WAহিচাপে কৰিবলৈ লৈছো তাত প্ৰায় ৪০০ কোটি টকা খৰছ হ'ব। যিখন পোৰ্ট কৰিব বিচাৰিছে, তাত প্ৰায় ৪০০ কোটি খৰছ হ'ব। সেইটো এটা মেগা প্ৰজেক্ট হ'ব। গতিকে সেইটোও এটা কথা আছে। তাৰোপৰিও আমাৰ Advance Skill Training ৰ দৰে বহুতো প্ৰজেক্ট লোৱা হৈছে। নিবনুৱা সমস্যা সমাধান কৰিবলৈ হ'লে অসমত Skill Development আৰু উদ্যোগীকৰণ কৰিব লাগিব। কৃষিৰ ক্ষেত্ৰতো আধুনিকীকৰণ হ'ব লাগিব। আজিলৈকে আমাৰ কৃষিৰ ক্ষেত্ৰত পুৰণি খেতিয়কসকলে খেতি কৰি আছে। আজি এম এ পাছ কৰা ল'ৰা এজনৰ

খেতি কৰাৰ লক্ষ্য নাথাকে। এইটোত তেওঁৰ দোষ নাথাকে। কাৰণ আমি এটা ন-পুৰণি পদ্ধতিৰে কৃষি ক্ষেত্ৰটো লৈ গৈছো। দ্বিতীয়তে আমাৰ কৃষি উৎপাদনৰ লগত মাৰ্কেট লিঙ্কেজটো নোহোৱা হৈ গৈছে। আমাৰ থলুৱা বজাৰ যেনেকৈ খাৰুপেটীয়া, দলগাওঁ, বৰপেটা ৰোডৰ যিমান খেতি হয়, তাত কেতিয়াবা ২৫ পইচা প্ৰতি কিলোতো বিলাহী বিক্ৰী নোহোৱা অৱস্থালৈও যায়। এতিয়া আমি এই মাৰ্কেট লিংক্েজটো আনিব লাগিব, Buy back policy এটা হ'ব লাগিব। তেতিয়াহে আমাৰ নৱ প্ৰজন্মক খেতিৰ বাবে আগ্ৰহী হ'ব। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমবাৰৰ বাবে আমি ভাৰত চৰকাৰৰ লগত আলোচনা কৰি আমি Custom ৰ Office এটা গুৱাহাটীত স্থাপন কৰা হ'ল। বহুত চেষ্টা কৰি Civil Aviation ৰ লগত লগত কথা পাতি আৰু স্পাইজ জেটৰ লগত বহুত বাৰ আলোচনা কৰাৰ পিছত আমাৰ লিংকেজটো স্থাপন হোৱাৰ পিছত অসমৰ সতেজ ফল-মূল আৰু শাক-পাচলি যেনে আদা, হালধি, ঔ-টেঙা আৰু ৰবাব টেঙা বৰ্তমান অসমৰ পৰা প্ৰতি দিনে স্পাইজ জেটৰ দ্বাৰা গুৱাহাটীৰ পৰা ডুবাই, লণ্ডন, হংকং আদিলৈ লৈ যোৱা হয়। তেওঁলোকক সুবিধা দিয়াৰ বাবে এটা ওৱেৰ হাউচৰ আধাৰশিলা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্থাপন কৰিছে আৰু অসমৰ বিভিন্ন ঠাইৰ পৰা যাতে সংগ্ৰহ কৰিব পৰা যায়, খেতিয়কসকলে যাতে তেওঁলোকৰ উৎপাদনৰ সঠিক মূল্য পায় আৰু কোনখিনি বস্তু ক'ত পঠোৱা যাব তাৰ নিৰ্ণয় কৰিবলৈ অসমৰ ছয় খন স্থানত ছয় টা চেণ্টাৰ উদ্যোগ বিভাগৰ ফালৰ পৰা স্থাপন কৰা হৈছে আৰু বিমানবন্দৰতো এটা ব্যৱস্থা কৰা হৈছে। গতিকে অসমৰ যিটো নিবনুৱা সমস্যাৰ বাবে আপুনি শংকিত হৈছে, সেইটো সমাধান কৰিবলৈ হ'লে আমাৰ Skill Development ত নিবনুৱাসকলে অংশ গ্ৰহণ কৰিব লাগিব আৰু অসমত উদ্যোগ গঢ়ি তুলিব লাগিব আৰু কৃষিৰ ক্ষেত্ৰত আধুনিকীকৰণ কৰিব লাগিব। আমাৰ উৎপাদন হোৱা সামগ্ৰীসমূহ অন্য বজাৰৰ লগত লিংকেজ কৰিব লাগিব যাতে তেওঁলোকে এটা মিনিমাম চাপোৰ্ট প্ৰাইজত বস্তুখিনি বিক্ৰী পাৰে। আজি মই থুল-মূলকৈ মোৰ কথাখিনি ক'লো কিন্তু উদ্যোগীকৰণ Skill Development ওপৰত ভালকৈ অসম বিধান সভাত আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী, আজি আপুনি মোৰ মনৰ কথা এটা ক'লে। আজি মইয়ো ভাৱিছিলো যে Speakers Initiative ত এনেকুৱা এটা বিষয়- দক্ষতা বিকাশ ল'ব লাগে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা এটা বিষয় আলোচনা কৰিলে ভাল হয়। কাৰণ আমাৰ যুৱ-প্ৰজন্মলৈ সদনৰ ফালৰ পৰা এটা বাৰ্তা যাব লাগে যে আমাৰ বিধায়ক সকলক নিৰ্বাচিত কৰি পঠিয়াইছে তেওঁলোকে নতুন প্ৰজন্মৰ কথা চিন্তা কৰিছে। মই মাননীয় সদস্য মামুন ইমদাদুল হক চৌধুৰীৰ প্ৰশ্ন সম্পৰ্কীয় উত্তৰখিনি সদনত পাঠ কৰি দিলো — অসমৰ নিবনুৱা সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে কিন্তু চৰকাৰে সকলোকে চাকৰি দিয়াটো সম্ভৱ নহয়। সেয়ে দক্ষতা বিকাশৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত নিয়োগৰ সম্ভাৱনা সৃষ্টি কৰিব লাগে। ২০০৮ চনৰ চেপ্তেম্বৰ মাহলৈকে ২০,৩৬,১১৮ জন নিবনুৱা প্ৰাৰ্থীয়ে অসমৰ বিভিন্ন নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন কৰিছে। ইয়াৰে ১৪,২২,২৮৭ জন পুৰুষ আৰু ৬,১৩,৮৩১ গৰাকী মহিলা। নিয়োগ বিনিময় কেন্দ্ৰ ভিত্তিত লাইভ ৰেজিষ্টাৰৰ পৰিসংখ্যা পৰিশিষ্ট- ১ ত সংলগ্ন কৰা হ'ল।

এইটো কথা সঁচা যে চৰকাৰে সকলোকে চাকৰি দিয়াতো সম্ভৱ নহয়, বিশেষকৈ চৰকাৰী বিভিন্ন বিভাগৰ অধীনত থকা কাৰ্যালয় সমূহত নিয়োগ কৰাতো অসম্ভৱ এই বিষয়টো চৰকাৰে বাৰুকৈয়ে অনুভৱ কৰি আহিছে আৰু নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত প্ৰতিদিনে চিন্তা-চৰ্চা কৰি পৰিণতিত ভাৰত চৰকাৰে ভাৰতবৰ্ষৰ লগতে অসমতো দক্ষতা বিকাশৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছে,

যাতে আমাৰ দেশৰ, ৰাজ্যৰ যুৱক-যুৱতীসকলে বিভিন্ন ক্ষেত্ৰত নিজকে দক্ষ কৰি তুলিব পাৰে আৰু দক্ষতা বিকাশেৰে নিজেই নিজ নিজ দক্ষতাৰে স্বাৱলম্বী হব পাৰে। সেইকাৰণে অসম চৰকাৰে দক্ষতা নিয়োগ আৰু উদ্যমিতা নামাকৰণেৰে ২০১৬ চনৰ পৰা এটি নতুন বিভাগ মুকলি কৰিছে। দক্ষতা বিকাশৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত নিবনুৱাসকলক প্ৰশিক্ষণ দি সংস্থাপনৰ ব্যৱস্থা কৰিব পৰা যায়। অসমৰ যুৱক-যুৱতীসকলক উপযুক্ত অৰ্হতা সম্পন্ন কাৰিকৰী প্ৰশিক্ষণ দিবৰ বাবে আই টি আই সমূহত National Council for Vocational Training (NCVT/State Council for Vocational Training (SCVT) পাঠ্যক্ৰমৰ অধীনত দীৰ্ঘম্যাদী প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই পাঠ্যক্ৰম সমূহ সময়ে সময়ে বৰ্তমান পৰিস্থিতিৰ লগত খাপ খুৱাব পৰাকৈ কেন্দ্ৰীয় চৰকাৰে উন্নীতকৰণ কৰি থাকে। ইয়াৰ উপৰিও বিভিন্ন বিভাগত চাহিদা অনুযায়ী হ্ৰস্বম্যাদী প্ৰশিক্ষণ প্ৰদান কৰাৰ ব্যৱস্থা আছে। বৰ্তমান National Career Service (NCS) ৰ অধীনত নিয়োগ বিনিময় কেন্দ্ৰ গুৱাহাটী, যোৰহাট, শিলচৰ, হাফলং আৰু নগাঁওত Model Career Centre স্থাপন কৰা হৈছে। এই Model Career Centre ৰ জৰিয়তে চাকৰি প্ৰাৰ্থীসকলে অনলাইন যোগে নাম পঞ্জীয়ন কৰিব পাৰিব আৰু বৃত্তি সম্পৰ্কীয় নিৰ্দেশনা লাভ কৰিব পাৰিব। ইয়াৰ উপৰিও নিয়োগ বিনিময় কেন্দ্ৰ সমূহত নিয়মিত ভাৱে বৃত্তি নিৰ্দেশনা আৰু পেশা সম্পৰ্কীয় উপদেশৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতীসকলক কৰ্ম সংস্থাপনৰ উপদেশ দিয়া হয়। ইয়াৰ উপৰিও ভাৰত চৰকাৰৰ প্ৰত্যক্ষ আঁচনি Enhancement Skill Development Infrastructure in North Eastern State and Sikkim (ESDI) চলি আছে। এই আঁচনিৰ যোগেদি শোণিতপুৰ জিলাৰ ৰঙাপাৰাত নতুন আই টি আই প্ৰতিষ্ঠা কৰাৰ পদক্ষেপ লোৱাৰ উপৰিও ইতিমেধ্য চলি থকা আই টি আই সমূহৰ আন্তঃগাঁঠনিৰ উন্নিতকৰণ কৰি থকা হৈছে। ঠিক সেইদৰে যোৰহাট উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানক ভাৰত চৰকাৰৰ আঁচনিৰ যোগেদি মডেল আই টি আই হিচাবে উন্নিত কৰণৰ ব্যৱস্থা লোৱা হৈছে।

এই সঞ্চালকৰ জৰিয়তে ২৯ খন চৰকাৰী ঔদ্যোদিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত নিয়মীয়া পাঠ্যক্ৰমৰ উপৰিও বিভিন্ন বিষয়ত হ্ৰস্বম্যাদী প্ৰশিক্ষণৰ যোগেদি নিবনুৱা যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ বাট মুকলি কৰি দিয়াৰ ব্যৱস্থা ৰখা হৈছে। অসমত বৰ্তমানে চৰকাৰী আই টি আই সমূহত ইঞ্জিনিয়াৰিং ট্ৰেড ২৭ টা আৰু অ ইঞ্জিনিয়াৰিং ট্ৰেড ১৫ টা মুঠ আসনৰ সংখ্যা ৯৮৫২ বৰ্তমান সময়ৰ লগত খাপখুৱাই নতুনকৈ ৪ টা নতুত ট্ৰেড (SCVT) সন্নিৱিষ্ট কৰা হৈছে। যেনে চাইল টেষ্টিং এণ্ড কৰ্প টেকনিচিয়ান, ফ্ৰণ্ট অফিচ এচিষ্টেণ্ট, মালমিদিয়া এনিমেচন এণ্ড স্পেচিয়েল এফেক্ট, ওল্ড এড কেয়াৰ।

(১) গুৱাহাটী উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত Samsung Electronics India Ltd. ৰ সহযোগত Samsung Technical School স্থাপন কৰা হৈছে। ইয়াত বিভিন্ন ইলেকট্ৰনিক সৰঞ্জামৰ মেৰামতিৰ হ্ৰস্বকালীন প্ৰশিক্ষণ দি থকা হৈছে। যেনে- ম'বাইল ফোন, ৰেফ্ৰিজাৰেটৰ, টিভি, ইয়াৰ কনডিচন মেচিন মেৰামতি।

(২) মীন সঞ্চালকালয়ৰ সহযোগত এক হ্ৰস্বকালীন মৎস্যপালন প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

(৩) নুমলীগড় শোধনাগাৰৰ সহযোগত গোলাঘাট উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত আনলাইন নামভৰ্ত্তিৰ যোগেদি চলিত বৰ্ষত প্ৰশিক্ষণ আৰম্ভ কৰা হৈছে।

(৪) গুৱাহাটী তেল শোধনাগাৰৰ সহযোগত গুৱাহাটী আৰু গুৱাহাটী (মহিলা) উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত গাড়ী চালনাৰ প্ৰশিক্ষণ, উদ্যোগিক চিলাই মেচিন প্ৰশিক্ষণৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(৫) অ.এন.জি.চি শিলচৰৰ সহযোগত শ্ৰীকোনা উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত ডিজিটেল শ্ৰেণীকোঠা নিৰ্মাণ কৰা হৈছে। বিভিন্ন প্ৰতিষ্ঠানৰ সহযোগত যেনে- হেভেল ইণ্ডিয়া লিমিটেডৰ লগত নগাঁও, মাৰুতী চুজুকি লিমিটেডৰ লগত তেজপুৰ উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত ক্ৰমে ইলেকট্ৰিচিয়ান আৰু মেকানিক মটৰ ভেহিকেল ট্ৰেডৰ কাৰখানা উন্নিতকৰণৰ কাম কৰা হৈছে তাৰোপৰি এতিয়ালৈ আই.অ.চি.এল গুৱাহাটী তেল শোধনাগাৰৰ লগত গুৱাহাটী উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণৰ আই.অ.চি.এল বঙাইগাঁও তেল শোধনাগাৰৰ সহায়ত বঙাইগাঁও উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উন্নিতকৰণৰ পদক্ষেপ লোৱা হৈছে।

(৬) এই সকলো প্ৰশিক্ষণৰ যোগেদি বিভিন্ন দিশত ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বৃদ্ধিৰ বাবে ব্যৱস্থা কৰা হৈছে।

(৭) যোৰহাট উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ যোগেদি যোৰহাটৰ কাৰাগাৰৰ অচ্ছুক বাসিন্দাক 'কাৰাগাৰৰ পৰা কাৰিকৰ' শিৰোনামাৰে Domestic Electrician আৰু Repairing of Home Appliances এক হ্ৰস্বকালীন প্ৰশিক্ষণ পহিলা জানুৱাৰী ২০১৮ ৰ পৰা মৰিগাঁও উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ যোগেদি মৰিগাঁও জিলাৰ কাৰাগাৰত Basic Electrical পাঠ্যক্ৰমত ২৬-০১-২০১৮ চনৰ পৰা প্ৰশিক্ষণ দি থকা হৈছে আৰু ৰাজ্যৰ অন্যান্য কাৰাগাৰ সমূহতো কাৰাবাস খাতি থকা মহিলা আৰু পুৰুষ উভয়কে হ্ৰস্বকালীন দক্ষতা বিকাশ প্ৰশিক্ষণৰ প্ৰসাৰৰ প্ৰস্তাৱ ৰখা হৈছে। চৰকাৰে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ সহযোগ আৰু সম্পদৰ সহায়ত বিশেষ অনগ্ৰসৰ যুৱক-যুৱতীৰ বাবে দক্ষতা উন্নতিৰ বাবে প্ৰদান কৰিবলগীয়া কাৰিকৰী প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

(৮) ডিব্ৰুগড়ত দিব্যাংগসকলৰ বাবে এখন আই.টি.আই স্থাপনৰ ব্যৱস্থা কৰা হৈছে। ইয়াত ভাৰত চৰকাৰৰ দক্ষতা বিকাশ বিভাগৰ দ্বাৰা অনুমোদিত Basic Cosmetology, Sewing Technology, Computer Operator and Programming Assistant ট্ৰেড/বিষয়ত প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ লোৱাৰ ব্যৱস্থা থাকিব। গড়কাপ্তানী বিভাগে এই সংক্ৰান্তত নিৰ্মাণৰ কাম-কাজ আৰম্ভ কৰিছে।

(৯) ইয়াৰ উপৰিও বিশ্ব বেংকৰ সহযোগত ভাৰত চৰকাৰৰ দ্বাৰা অনুমোদিত Skills Strengthening for Industrial Value Enhancement (STRIVE) অধীনত অসমত ৬ খন চৰকাৰী আই.টি.আইক সামৰি লোৱাৰ পৰিকল্পনা কৰা হৈছে। Industry Cluster ৰ জৰিয়তে Apprenticeship ৰ পৰিসৰ সম্প্ৰসাৰিত কৰাৰ পদক্ষেপ লোৱা হব। আনকি অসমৰ প্ৰতিখন আই.টি.আইত একোটাকৈ নিয়োগ কোষ (placement cell) আছে, যি নিয়োগ কোষৰ জৰিয়তে থিতাতে বিভিন্ন বেচৰকাৰী প্ৰতিষ্ঠান/ কোম্পানীত ইতিমধ্যে সময়ে সময়ে প্ৰাক্তন প্ৰশিক্ষাৰ্থীয়ে নিযুক্তি লাভ কৰি আহিছে।

(১০) আনহাতে, যুগৰ খাপ খোৱাকৈ ভিন্ন-ভিন্ন কাৰিকৰী প্ৰশিক্ষণ লাভ কৰিব পাৰিলে নিবনুৱা সকলে নিজাববীয়াকৈ বা ব্যক্তিগত অনুষ্ঠান আৰু বহুজাতিক কোম্পানীসমূহত নিয়োজিত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰে। নিবনুৱা সমস্যা আংশিকভাৱে হ'লেও প্ৰশমিত কৰিবলৈ অসম চৰকাৰে দক্ষতা, নিয়োগ আৰু উদ্যমিতা নামেৰে এটা নতুন বিকাশ কৰি ইয়াৰ অধীনত 'অসম দক্ষতা বিকাশ অভিযান' নামেৰে মিছন স্থাপন কৰিছে। এই মিছনে ব্যক্তিগত অনুষ্ঠান, চৰকাৰী অনুষ্ঠান, বে-চৰকাৰী অনুষ্ঠান, বহুজাতিক কোম্পানী ইত্যাদি নিবিদাৰ যোগেদি নিয়োগ কৰি নিবনুৱা যুৱক-যুৱতীক হ্ৰস্বকালীন দক্ষতা প্ৰশিক্ষণ প্ৰদান কৰি স্বনিয়োজন বা নিয়োগ লাভৰ বাট মুকলি কৰাইছে। সমগ্ৰ ৰাজ্যতেই

দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰৰ যোগেদি ১৪২ টা বিষয়ত প্ৰশিক্ষণ দি থকা হৈছে। দক্ষতাৰ বিকাশৰ বাবে অসম দক্ষতা বিকাশ অভিযানে ২৩৯ টা Training Partner ৰ অধীনত ৫৭৬ টা দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰৰ যোগেদি বৰ্তমান নিম্নোক্ত বিষয় সমূহত জিলা ভিত্তিত দক্ষতাৰ প্ৰশিক্ষণ দি থকা হৈছে।

আজি অসমত এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি কৰিব লাগে যে Instead of job maker হ'ব লাগিব। Enterprenenurship টো Develop কৰিব লাগিব। কাৰণ আপুনি শুনি আচৰিত হ'ব যে Ola, Uber আদিৰ গাড়ী লণ্ডনৰ বাহিৰে পৃথিৱীৰ সকলো দেশতে আছে। লণ্ডনত Black Cab আছে। মই নিজে নিউয়ৰ্কত Uber ৰ অফিচত গৈ দেখিছো যে Uber য়ে নিজে এখনো গাড়ী কিনা নাই বা ড্ৰাইভাৰৰ নিযুক্তিও দিয়া নাই। Uber মাত্ৰ এটা Apps হয়, যাৰ জৰিয়তে গোটেই বিশ্বতে লাখ লাখ টকা উপাৰ্জন কৰিছে। তাৰ মানে Uber job Creator হ'ল। গোটেই বিশ্বতে job Create কৰিছো। ঠিক তেনেকৈ Apple, I-Phone Google আদি Apps হয়। যাৰ জৰিয়তে তেওঁলোকে গোটেই বিশ্বতে টকা উপাৰ্জন কৰি আছে। গতিকে আজিৰ অসমত আমি Instead of job seeker we must make ourselve job creator. বৰ্তমান যুগটো বিজ্ঞান প্ৰযুক্তিৰ ক্ষেত্ৰত বহুত্খিনি আগবাঢ়ি গৈছে আমাৰ দিনৰ তুলনাত। নৱ-প্ৰযুক্তিৰ বাবে আজি আজাৰাত বহি ইণ্টাৰনেটৰ যোগেদি অক্সফৰ্ড ইউনিভাৰচিটিৰ কিতাপ পঢ়িব পৰা হৈছে। বৰ্তমান সময়ৰ আহ্বান হৈছে যে আমি নিজে Innovasion ত যাব লাগে। আমি যদি Innovative হব নোৱাৰো তেতিয়াহ'লে অসুবিধা হ'ব। মই এই ক্ষেত্ৰত এটা Inspirational কথা ক'ব বিচাৰিছো। মই মাজতে নিউয়ৰ্ক চহৰত যাওঁতে অসমীয়া মানুহখিনিক লগ পাইছিলো আৰু তেওঁলোকক মই খানা দিছিলো। তাত এজন শদিয়াৰ কলিতা বুলি মানুহ এজন বহি আছিল আৰু নিজকে শদিয়াৰ কলিতা বুলি পৰিচয় দিছিল। খানা দিয়াৰ পিছত মই বাহিৰলৈ ওলাই আহিছিলো। তেতিয়া আমাৰ কেইজনমান ডাক্তৰ আৰু ইঞ্জিনিয়াৰো বাহিৰলৈ ওলাই আহি মোক ধন্যবাদ দিছিল। কাৰণ এই কলিতা বোলা মানুহজন কেতিয়াও নাহে আমাৰ এনেকুৱা উৎসৱত। আজি আপুনি অহা কাৰণে আহিছে। কলিতা শদিয়াৰ এনেকুৱা এটা পৰিয়াল, য'ত শদিয়াৰ দুখন এম্বেছেডৰ আছিল। তাৰে এখন তেওঁলোকৰ আছিল আৰু এখন SDO (civil) ৰ আছিল। তেখেতক যেতিয়াই আমাৰ অনুষ্ঠান সমূহত আমন্ত্ৰণ কৰা হয়, তেওঁ কেতিয়াওঁ নাহে। কেৱল বৰঙণি আগবঢ়াই। তেতিয়া কলিতা কোন হয় বুলি সুধিছিলো। তেতিয়া তেওঁলোকে কৈছিল যে তেওঁ অতি ডাঙৰ ব্যক্তি। যি মানহাটানত টাৰ্মচ বিল্ডিং আছে, টাৰ্মচ টাৱাৰ আছে, এশ মহলীয়াৰ তলত কোনো বিল্ডিং নাই। ইয়াত কোনো অসমীয়া মানুহে আগতে তিনিটা ফ্ল'ৰলৈ অফিচ অথবা দুটা ফ্ল'ৰ লৈ থকা ঘৰো কৰিব পৰা নাছিল আৰু ভৱিষ্যতেও নোৱাৰে। কিন্তু এই কলিতা বোলা ব্যক্তি গৰাকীয়ে কৰিব পাৰিছে। তাত মোৰ লগত কেশৱ মহন্ত ডাঙৰীয়াও আছিল। এই কলিতাৰ পত্নীয়ে তেওঁৰ পুত্ৰৰ লগত মোক চিনাকী কৰি দিছিল আৰু মই আৰ্শীবাদ দিছিলো। গম পালো যে তেওঁৰ পুত্ৰৰ Business Start-up আছে। গতিকে কোনো অসমীয়া মানুহে আগতে Manhattanত তিনিটা floor ৰ অফিচ কৰাও নাছিল আৰু দুটা floor ত তেওঁলোকে থকা ঘৰো কৰিব পৰা নাছিল আৰু ভৱিষ্যতেও কৰিব নোৱাৰে। কিন্তু কলিতাহঁতে পাৰিছে। যেতিয়া মই প্ৰশ্ন কৰিছিলো তেতিয়া, মাকজনীয়ে মোক তেওঁৰ ল'ৰাটোক আশীৰ্বাদ দিয়াৰ বাবে কৈছিল আৰু মই তেওঁৰ ল'ৰাটোক মূৰত ধৰি ভাল হ'ব বুলি আশীৰ্বাদ দিছিলো কিন্তু কিয় আশীৰ্বাদ দিব দিলে তাৰ কাৰণটো সোধাত ক'লে যে, Start up কৰিম। তেতিয়া সি মোক Start up ৰ বিষয়ে বুজাই দিলে। তাৰ পিছত মই তাক সুধিছিলো, Start up কৰাৰ পিছত কি কৰিলা? তাৰ উত্তৰত সি কৈছিল, সেই

App টোত মই ৬ মাহ মান business কৰিছিলো আৰু তাৰ পিছত ২৫০ মিলিয়ন ডলাৰত Google ক বিক্ৰী কৰি দিলো। That is job creator, that is startup, that is innovation. সেয়েহে অধ্যক্ষ মহোদয়, আজিৰ যুগটো হ'ল start up আৰু Artificial Intelligence ৰ। মোডী ডাঙৰীয়াই সেয়েহে start up India ৰ কথা কৈছে।

**মাননীয় অধ্যক্ষঃ** হয়। আপুনি যিকেইটা কথা ক'লে, কেশৱ মহন্ত ডাঙৰীয়াই সাক্ষী দিছে কাৰণে গ্ৰহণ কৰিবই লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** হয় অধ্যক্ষ মহোদয়। অসমৰ বুৰঞ্জীত প্ৰথম বা ৰৰ বাবে অসমৰ গুৱাহাটীৰ আমবাৰীত ৬ মহলীয়া বিল্ডিঙত এটা start up Hub, উদ্যোগ বিভাগৰ তৰফৰ পৰা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মুকলি কৰিছে। এই start up Hub টোৰ নাম দিয়া হৈছে- ‘NEST’-only sky is above. আপোনালোকে দেখি ভাল পাব যে, ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ বহুত intelligent ল'ৰা আহি তাত আছে। San Francisco ত ‘TIE’ বুলি এটা অনুষ্ঠান আছে আৰু এই অনুষ্ঠানটো start up ৰ ক্ষেত্ৰত World leader . তাত তিনিটা অসমীয়া ল'ৰা আছে। সিহঁতৰ লগত আমি কথা পাতোতে শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াও মোৰ লগত আছিল। সিহঁতৰ লগত আমি ইংৰাজীত কথা পাতি আছিলো, তেতিয়া শেষত এজন ল'ৰাই কৈছিল, আপোনাৰ অসম আন্দোলনৰ বক্তৃতা শুনিবলৈ মই বহু দূৰলৈ গৈছিলো। মই তেতিয়া ল'ৰাটোক সুধিছিলো, তুমি অসমীয়া নেকি? তেতিয়া সি ক'লে যে, আমি তিনিওজন অসমীয়া। গতিকে অধ্যক্ষ মহোদয়, অসমীয়া ল'ৰা হৈ তেওঁলোক কিমান ডাঙৰ post ত আছে আৰু তেওঁলোকৰ জ্ঞান কিমান ওপৰত গৈছে। কেতিয়াবা মই নিজেই ভাৱো যে পৃথিৱীখন ক'ত ঘূৰি আছে আৰু আমিবোৰ ক'ত গৈ আছো। অধ্যক্ষ মহোদয়, আজিৰ যুগটো হ'ল- Artificia Intelligence ৰ যুগ। মই অলপতে চীনৰ Xinjiang ত এটা industry ত দেখিবলৈ পাইছিলো যে তাত ২০০০ কোটি টকা invest কৰা হৈছে কিন্তু তাত কাম কৰা কৰ্মচাৰীৰ সংখ্যা মাত্ৰ ৬০ জন। তাত জাৱৰৰ পৰা পানী উলিয়াই সেই পানীখিনি পৰিষ্কাৰ কৰি ৰাস্তা বনোৱা কামত আৰু ফুলত পানী দিয়া কামত ব্যৱহাৰ কৰে আৰু সেইখিনিৰে power ও generate কৰে। বৈ যোৱা জাৱৰ খিনিৰে তেওঁলোকে ৰাস্তাত block ইটা হিচাপে ব্যৱহাৰ কৰিছে। এই ‘Waste to Energy’ project টোত Artificial Intelligence এ এনেধৰণে কাম কৰিছে যাৰ ফলত এই গোটেই কোম্পানীটো মাত্ৰ ৬০ জন মানুহেৰে চলি আছে। এটা সময়ত এনেকুৱা দিনো আহিব য'ত অন্য কোম্পানীত ১০০০ মানুহে কাম কৰিব কিন্তু তাত কেৱল দুজন মানুহে কাম কৰিব। Artificial Intelligence এ যেতিয়া এনে যুগ এটা আনিছে, তেন্তে ভৱিষ্যতৰ যুগটোৰ কি হ'ব? সেই যুগটোৰ কাৰণেও আমি চিন্তা কৰিব লাগিব। গতিকে অধ্যক্ষ মহোদয়, আমি সেইবাবে ‘NEST’ ৰ ব্যৱস্থা কৰিছো আৰু আমাৰ যিসকল ল'ৰা-ছোৱালী বাহিৰত গৈছে তেওঁলোকে খুব ভাল কৰিছে আৰু নামো কৰিছে। কিন্তু আমাৰ ল'ৰা-ছোৱালী সকল এতিয়া ৰাজ্যৰ বাহিৰত যাব নলগাকৈ ইয়াৰ start up Hub ত innovate কৰি Job Creator হ'বলৈ আহ্বান কৰিছো। অধ্যক্ষ মহোদয়, আপুনি যিমানখিনি সময় মোক দিছিল সেইখিনি ভিতৰতে থাকি শেষত, ৫০০০ বছৰ আগতে ভাৰতীয় দৰ্শনে Skill সম্পৰ্কত কোৱা সংস্কৃতৰ শ্লোক এটা উল্লেখ কৰি মোৰ বক্তৃতা সামৰিব বিচাৰিছো-

"কেউৰা ন বিভূষয়ন্তি পুৰুষং
হাৰা না চন্দ্ৰোৎজ্জ্বলা
না স্নানং ন কুসুমানং নালাংকৃত মুধোজ্জা
বান্যেকা সমলং কৰোতি পুৰুষং
এয়া সংস্কৃতাং ধ্যায়ন্তে
খলন্তু ভূষণানি শততং বাক্‌ভূষনম ভূষনম।"

ইয়াৰ অৰ্থ হ'ল- হাতত ধুনীয়া সোণৰ খাৰু পিন্ধিলেই এজন মানুহক ধুনীয়া নেদেখি; আকাশত জ্বলি থকা চন্দ্ৰটোৰ নিচিনাকৈ বহুত চন্দ্ৰ লগ লগাই এডাল হাৰ বনাই পিন্ধি ল'লেও ধুনীয়া নেদেখি; সুন্দৰকৈ গোলাপজল লগাই গা ধুই সুগন্ধি লগালেও ধুনীয়া নেদেখি; পৃথিৱীৰ সকলো ধুনীয়া ফুল আনি সুন্দৰকৈ নিজৰ গাত সজাই ল'লেও ধুনীয়া নেদেখি; পৃথিৱীৰ আটাইতকৈ ধুনীয়া হীৰা-মুকুতা অলংকাৰ ৰূপে পিন্ধি ল'লেও ধুনীয়া নেদেখি, হাতত পিন্ধা খাৰু ক্ষয় হৈ শেষ হৈ যায় কিন্তু আহৰণ কৰা গুণটোৱেহে মানুহক সুন্দৰ কৰি তুলিব। গুণৰ অধিকাৰীজনে অনন্ত কালৰ বাবে গোটেই জীৱনটোৰ বাবে উজ্জ্বল হৈ থাকে। সেইকাৰণে Skill is the best and it is said in the Indian Philosophy 5000 years back. এনেধৰণে আলোচনাবোৰ হ'লে ভাল কাৰণ আমাৰ নতুন প্ৰজন্মক ই সদায় অনুপ্ৰেৰিত কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ:** ধন্যবাদ।

**মাননীয় সদস্য শ্ৰী গুৰুজ্যোতি দাস, (মংগলদৈ)ঃ** অধ্যক্ষ মহোদয়, মংগলদৈত যিখন Skill city স্থাপন কৰিবলৈ গৈ আছে তাৰ বাবে মংগলদৈবাসী হিচাপে আপোনাৰ জৰিয়তে মই অসমৰ মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ**এতিয়া বাজেটৰ ওপৰত সাধাৰণ আলোচনা হ'ব।

**মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** অধ্যক্ষ মহোদয়, Point of order এটা আছিল। চৰকাৰে যিখন বাজেট দাখিল কৰিলে সেইখন ঠিকেই আছে। কিন্তু এটা কথা অধ্যক্ষ মহোদয়, এই বাজেটখনৰ লগতে আমাৰ যিটো Annual Financial Statement, এই Statement টো ইয়াত দাখিল কৰিব লাগিছিল আৰু ভাৰতীয় সংবিধানৰ Article 202 ত কোৱা হৈছে যে, The Governor shall in respect of every financial year cause to be laid before the House or Houses of the Legislature of the State a statement of the estimated receipts and expenditure of the State for that year, in this part referred to as the annual financial statement.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, যোৱাকালিৰ বাজেট সম্পৰ্কত মানে ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই ভাৰতীয় সংবিধানৰ Article 202 মতে যিটো কথা কৈছে, সেইটো সত্য আৰু বাজেট যেতিয়া উত্থাপন কৰে তেতিয়া Financial Statement lay কৰিব লাগে। আমাৰ চৰকাৰে সেইটো নিদিয়াকৈ থকা নাই। বাজেটৰ শেষৰ ফালে brief এটা দিয়া হৈছে আৰু এইবাৰ আপুনি আমাক যি pendrive দিছে তাতো e-budget খন দিয়া হৈছে আৰু তাৰ ১০০টা hard copy চপাই বিধান সভাত জমা দিয়া হৈছে।

সেইটো আপোনাৰ তত্বাৱধানত আছে সেইটো সন্মানীয় বিধায়কসকলে যদি ইচ্ছা কৰে তেতিয়াহলে

চাব পাৰে। গতিকে আমি Article 202 violate কৰা নাই। সেইখিনি House ৰেই property.

**माननीय অধ্যক্ষ ঃ** ঠিক আছে মই এইটো চাই দিম।

**শ্ৰী ৰকিবুল হুছেইন (ৰহা ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো অতি গুৰুত্বপূৰ্ণ কথা। এইটো বিধানসভাত দিয়াটো এটা পৰম্পৰা। গতিকে এইটো দিব লাগে। সেইকাৰণে এইখন এখন incomplete budget হৈছে। এই বাজেটখন দিয়াৰ পিছত আমি যেতিয়া বাহিৰত expert ৰ লগত কথা পাতিছো, তেওঁলোকে কৈছে যে ইয়াৰ লগত receipt expenditure টো দিব লাগিছিলে। এইখি নি নোহোৱাকৈ এইটো এটা বক্তৃতাহে হ'ল। যোৱাকালি যিটো লিখিতভাৱে দিয়া বাজেটৰ কপিখন বা আমাক গোটেই বাজেটখনৰ যিটো মোনা দিছে তাত এই বস্তুটো নাই। যদি লিখিত কপি এটাও এই মোনাটোত থাকিলেহয়, তেতিয়া আজিৰ এই কথাবোৰ নাহিলেহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এই বাজেটখন ই-বাজেট আছিল আৰু বাজেটখন place কৰাৰ আগদিনাখন সকলোকে আপুনি বাজেটখনৰ এটা pen drive দিছেই। আপোনালোক সকলোৱে দেখিছিলে যে, বিত্ত মন্ত্ৰী গৰাকীয়ে তেখেতৰ টেবলেটৰ পৰাহে এই বাজেটখন পঢ়ি দি আছিল। তাত গোটেইখিনি details আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, এইটো incomplete budget এই কাৰণে নহয়, কাৰণ আপোনাৰ বিত্ত বিভাগে সদনত ১০০ কপি দিছেই। that is the property of the House and the Members. গতিকে এই কথাটো সত্য নহয়।

**শ্ৰী ৰকিবুল হুছেইন (ৰহা ) ঃ** অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী গৰাকীয়ে টেবলেটৰ পৰা পঢ়ি দিছিল যদিও আমাক hard copy এখন সকলোকে দিছিলে। আমি তৰ্ক কৰিব খোজা নাই। মাত্ৰ ক'ব বিচাৰিছো

receipt expenditure খন নিদিয়াৰ কাৰণে এই বাজেটখন incomplete হৈ আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো হয় যে ই-বাজেট দাখিল কৰিছে। কিন্তু মোৰ প্ৰশ্নটো হৈছে যে আমাৰ print budget দিছেনে নাই? আমাক print budget টো দিছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল যিটো print budget দিয়া হৈছে, এই যিটো receipt expenditure সেইটো বেলেগকৈ দিব লাগে বুলি costitution তে আছে। গতিকে এইটো lay কৰিব লাগে। ই-বাজেট যে দিছে, প্ৰকৃতাৰ্থত costitution ত ই-বাজেট দিয়া এই ব্যৱস্থাটো আছেনে নাই? যদি আছে তেতিয়াহলে costitution amendment কৰিছে নে নাই? যিহেতু print budget দিছে এই যিটো Annual financial statement, এই statement টো কিয় print ৰ জৰিয়তে নিদিলে?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এইটো ই-বাজেট হৈছে আৰু যিটো নতুন বিধানসভা হৈ আছে তাতো আপুনি এই paperless কামটো আৰম্ভ কৰাৰ সিদ্ধান্ত কৰিছে। এই financial statement খন যিহেতুকে ই-বাজেটত দিয়া হৈছিল গতিকে hard copy ত দিয়া হোৱা নাই।

**শ্ৰী ৰকিবুল হুছেইন (ৰহা) ঃ** মাননীয় অধ্যক্ষ, এইটো এটা নিয়ম।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে কথাটো বেলেগফালে লৈ গৈছে। আপোনালোকক যিটো pen drive দিয়া হৈছিলে তাত গোটেইখিনি আছে। এইবাৰ বিত্তবিভাগে hard copy দিব বিচৰা

নাছিল কিন্তু মই তেওঁলোকক request কৰাত তেওঁলোকে ২০০ কপি আমাক দিলে। আমাৰ কিছুমান এনেকুৱা পুৰণা সদস্য আছে যিসকলে এই নতুন tablet device টোৰ সৈতে accustom নহয়। তেওঁলোকৰ কাৰণে এইটো অসুবিধা হ'ব পাৰে বুলি ভাৱিলো যে এটা এটা hard copy হলে ভাল। সেইকাৰণেতেওঁলোকে ২০০ কপি আমাক দিলে। হিমাচল প্ৰদেশত printing নকৰি ই-বাজেট কৰাৰ কাৰণে তেখেত সকলৰ ৭ কোটি টকা ৰাহি হৈছে। এইটো এটা খুৱ progressive step. এটা কথা ঠিক যে, আপোনালোকক যিহেতু বাজেটৰ মোনাটো দিয়া হৈছিলে তাত যদি এইকেইটা কপিও সোমাই দিয়া হলহেঁতেন তেতিয়া কোনেও বেয়া পাবলগা নহলহেঁতেন। গতিকে তেখেতসকলে যিটো ই-বাজেট বুলি ক'লে , তেখেতসকলে সেইটো আমাক দি বাকীখিনি থোৱাটো হয়। এতিয়া মই গোটেইখিনি check কৰিলো। যদি pen drive ত গোটেইখিনি কথা সোমাই নাথাকিলে হয়, definitely it would have been a mistake. আমাৰ communication ত হয়তো এটা gap হৈছে। বেগটোত কি আছে সেইটো মইও ভালকৈ চোৱা নাছিলো। চালে হয়তো মই সেই ক পিকেইটাও ভৰাই দিবলৈ কলোহেতেন।

নতুন বিধানসভা খনক আমি সম্পূৰ্ণৰূপে ই-বিধান হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছো। হিমাচল প্ৰদেশত এইটো আৰম্ভ হৈছে। গতিকে আপোনাকে যদি বিচাৰে আমি এটা team তালৈ পঠিয়াব বিচাৰো আৰু এই পইচাখিনি অন্য ভাল কামত খৰছ হোৱাটো মই বিচাৰো। গতিকে মই এতিয়া এই কথাটো ইমানতে শেষ কৰিছো। মই পাৰিলে গোটেইখিনি কপি আজিয়েই বিলাই দিবলৈ চেষ্টা কৰিম।

এতিয়া মই শ্ৰী দেৱব্ৰত শইকীয়াক আৰম্ভ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী দে ৱব্ৰত শই কীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি বিত্তমন্ত্ৰী ডাঙৰীয়াই place কৰা বাজেটৰ ওপৰত যি আলোচনা, তাত অংশগ্ৰহণ কৰাৰ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। যোৱাকালি অসম বিধান সভাৰ মজিয়াত ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ২০১৯-২০২০ যি বাজেট, সেইখনৰ লগত যদি কেন্দ্ৰীয় চৰকাৰে দিয়া যিটো বাজেট এই দুয়োখনকে যদি চাওঁ উদ্দেশ্য প্ৰায় একেই যেন লাগে। এই বাজেটখন দেখিলে লাগে যেন আগন্তুক লোকসভা নিৰ্ব্বাচনৰ ভোট বুটলাৰ ৰাজনৈতিক ইস্তাহাৰ। তেখেতে বিগত সময়ৰ বাজেট ভাষণত এবাৰ এটা চীনা প্ৰবাদৰ কথা কৈছিল যে মানুহক মাছ খাবলৈ শিকোৱাৰ আগতে মাছ ধৰিবলৈ শিকাব লাগে কিন্তু এই ২০১৯-২০২০ চনৰ বাজেটখনলৈ চালে মোৰ ধাৰণা হয় যে বি ত্ত মন্ত্ৰী ডাঙৰীয়া গৰাকীয়ে সদনত যি কথা কৈছিল তেওঁ নিজে পাহৰি গৈছে। শ্ৰমিক, মহিলা, কৃষক আদিৰ বাবে লোকসভা নিৰ্ব্বাচনৰ আগমূহুৰ্তত বিভিন্ন বিত্তীয় অনুদানৰ ঘোষণা সেই বাজেটত কৰা হৈছে। তেখেতে সততাই আঁওৰাই থাকে যে আমি এটা কৰ্মঠ জাতি হ'ব লাগে তাৰ পৰিবৰ্তে যেন আমাৰ যুৱ সমাজক আৰু সাধাৰণ মানুহখিনিক যেন তেওঁলোক এটা চৰকাৰী হিতাধিকাৰী বনোৱাৰ এটা প্ৰচেষ্টাহে হাতত লৈছে এনে ধাৰণা হয়। বিত্ত মন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিছে যে যোৱা ৩ বছৰত বাজেটৰ আয়ৰ ৰাশি ক্ৰমান্বয়ে বৃদ্ধি হৈ এতিয়া প্ৰায়১ লাখ কোটি টকাৰ ওচৰ চাপিছে। কিন্তু উন্নয়ন মূলক তথা জনকল্যাণ মূলক কামত যদি এই পুঁজি সময় মতে খৰচ কৰিব পৰা নাযায় তেনেহলে আমাৰ যি সাধাৰণ জনগন তেওঁলোকৰ কেতিয়াও এনেধৰণৰ বাজেটৰ পৰা উন্নয়ণ আমি আশা কৰিব নোৱাৰো। বিত্ত মন্ত্ৰী গৰাকীয়ে দুদিনৰ আগতে সদনত উত্থাপন কৰা এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে ২০১৮-১৯ ৰ বাজেটৰ এই পৰ্য্যন্ত আমাৰ বিত্তীয় বৰ্ষ শেষ হ'বলৈ দু মাহতকৈ কম সময় থকাৰ অৱস্থাত মাত্ৰ ৫০ শতাংশ হে ব্যয় কৰিবলৈ চৰকাৰ সক্ষম হৈছে। দৈনিক অসমত

প্ৰকাশিত এটা বাতৰি অনুসৰি ২০১৫-১৬ চনত বাজেটৰ ব্যয় ৫৫ শতাংশ হৈছিল। ২০১৬-১৭ চনত ৬৯ শতাংশ, ২০১৭-১৮ চনত ৭০ শতাংশ হৈছিল আৰু বৰ্তমান সময়ত প্ৰায় ৫০ শতাংশহে আমি কৰিবলৈ সক্ষম হলো। আৰু এনেকৈয়ে যদি আমি ইমানখিনি সম্পূৰ্ণ পইচা খৰচ কৰিবলগীয়া হয়, তেনেহ'লে নিশ্চয় এইটো ২ মাহত সম্ভৱ নহয় আৰু কামৰ Quality ও Definitely ভাল নহ'ব। যিহেতু খৰতকীয়াকৈ কাম কৰিব গৈ যি মানদণ্ড ৰাখিব লাগে সেই মানদণ্ড ৰখা নহ'ব। বিশেষকৈ শিক্ষা, জলসিঞ্চন, দুৰ্য্যোগ ব্যৱস্থাপনা, কৃষি, স্বাস্থ্য, জনস্বাস্থ্যকাৰিকৰী আদি ক্ষেত্ৰত কাগজত সন্নিবিষ্ঠ আঁচনি ৰুপায়ণ কৰিব নোৱাৰিলে অসমৰ জনসাধাৰণৰ প্ৰকৃত লাভ ন'হব। উদাহৰণ স্বৰূপে দুদিন আগতে বাতৰি কাকত জনভূমিত ওলাইছিল পুঁজিৰ অভাৱত নিষ্কৰ্মা জলসিঞ্চন বিভাগ। ২০১৮-১৯ বিত্তীয় বৰ্ষটোত জলসিঞ্চনৰ নতুন পকল্পৰ কোনো কামেই চৰকাৰে আৰম্ভ কৰিব নোৱাৰিলে। বিগত বৰ্ষত কৰা কামৰ ব্যৱহাৰিক প্ৰমান পত্ৰ দিব নোৱাৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে নতুন বছৰটোৰ বাবে পুঁজি আৱন্টন নকৰিলে আৰু এতিয়া তেওঁলোকে নিজাববীয়া পুঁজিৰ অভাৱত মাত্ৰ ৪ খন আঁচনিহে ৰূপায়ণ কৰিবলৈ সক্ষম হ'ল আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই সদনত কৈ আছে যে আমি নিজস্ব পুঁজি যথেষ্ট কৰিছো আৰু নিজস্ব পুঁজিৰে বিভিন্ন কাম কৰিছো। কিন্তু যি স্থায়ী কাম যি Capital Creation ৰ কাম সেই বিলাকত যদি পুঁজি ব্যয় কৰা নহয়। তেতিয়া হলে আমাৰ ৰাজ্যখনৰ উন্নতি কেনেকৈ হ'ব? কথাটো আমি ইয়াতে গ্ৰহণ কৰিবলৈ নিশ্চয় অসুবিধা হ'ব যোৱা সময়ত দেখা গৈছে যে এই বাজেটত স্বাস্থ্য বিভাগত পূৰ্বৰ ২০১৮-১৯ চনৰ ৰিভাইজ যি বাজেট এষ্টিমেটতকৈ ৩ শতাংশ কম ধাৰ্য্য কৰা হৈছে। ৰাষ্টা আৰু দলংৰ ক্ষেত্ৰত ২০ শতাংশ কম পুঁজি ধাৰ্য্য কৰা হৈছে। তেনেকৈ Water Suply, Sanitation ৰ ক্ষেত্ৰত ২৯ শতাংশ পুঁজি ধাৰ্য্য কৰা হৈছে ঠিক তেনেকৈ আমাৰ যি কৃষকৰ লগত জড়িত আমাৰ সাধাৰণ মানুহৰ সদায় অসুবিধা হয়, জলসম্পদ বিভাগৰ বিভিন্ন বান গড়াখহনীয়া অথবা জলসিঞ্চনৰ পুঁজি কৰ্ত্তন কৰি ৩৬২১ কোটি টকা যিটো Revised Estimate আছিল ২০১৮-১৯ত তাৰ পৰিবৰ্তে এই বাৰ বাজেটত ৩৬ শতাংশ কমাই ২৩১৭ শতাংশ কৰা হৈছে। ঠিক তেনেকৈ বিভিন্ন জাতি জনগোষ্ঠী সকলক উৎসাহ যোগাবৰ বাবে বিভিন্ন আঁচনিৰ কথা ইয়াত উল্লেখ কৰা হৈছে। তথাপিতো অনুসূচীত জাতি জনজাতি বা অবিচি সকলৰ পুঁজিও ২০ শতাংশ হ্ৰাস কৰা হৈছে। ঠিক তেনেকৈ Total Capital Creation ৰ ক্ষেত্ৰত ২৩ শতাংশ পুঁজি কম কৰা হ'ল। আৰু তাৰ পৰিবৰ্তে বহুখিনি হ্ৰস্বম্যাদি Populist আঁচনি দিয়া হৈছে যি খিনিয়ে ৰাজনৈতিক মুনাফা দিব ঠিকেই, কিন্তু ৰাজ্যৰ অৰ্থনীতিত কেতিয়াওঁ উন্নতি আশা কৰিব নোৱাৰো। এইবাৰ পূৰ্বৰ নিচিনাকৈ অৰ্থনৈতিক সমীক্ষা যি দাঙি ধৰিব লাগে, সেইটো দাঙি ধৰা হোৱা নাই তাৰ ফলত আমি ৰাজ্যৰ Primary Sector,Secondary Sector বা অন্যান্য Sector ত কেনেধৰণৰ প্ৰগতি হৈছে সেই কথা আমি জানিব নোৱাৰো। ঠিক তেনেকৈ পুঁজি ক'ৰ পৰা আহিব, এই কাৰ্য্য সমূহ ৰূপায়ণ কৰিবলৈ। সেই বিষয়ৰ বজেটখনত তথ্য তেনেধৰণে ধৰা নাই। কিছুদিন আগলৈকে প্ৰধান মন্ত্ৰী অৰ্থনৈতিক উপদ্ৰেষ্টা হৈ থকা ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদৰ সদস্য বিশিষ্ট অৰ্থ নীতিবিদ শ্ৰী সুৰজিৎ ভাল্লায়ে কোৱা এটা কথা উনুকিয়াব বিচাৰিছো। তেওঁ কৈছিল যে এখন দায়িত্বশীল চৰকাৰে ৰাস্তা নিৰ্মাণ, পানী যোগান, শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ উন্নতিকৰণত গুৰুত্ব দিব লাগে, ৰাজনৈতিক মুনাফাৰ বাবে দুখীয়া ৰাইজক টোপ দিয়া নহয় আমাৰ চৰকাৰখনে পৰিবৰ্তন কৰিম বুলি কৈছিল। সেয়েহে আমিও পৰিবৰ্তন আশা কৰিছিলো, যে আমাৰ যাতে সৰ্ব সাধাৰণৰ সুবিধা হয়। তাৰ বাবে কিছু স্থায়ী সমস্যা যি সমূহ নিবনুৱা সমস্যা বা অন্যান্য কৃষকৰ সমস্যা তাৰ ক্ষেত্ৰত চৰকাৰে অধিক পুঁজি ব্যয় কৰিব। কিন্তু এই বাজেট খনে আমাক এই ক্ষেত্ৰত

হতাশ কৰিছে। বিশ্ব বেংকৰ এটা ৰিপোৰ্টি আছিল য'ত আৰ্জেন্টিনা আৰু ফিলিপাইনচৰ দৰে দেশত চলোৱা সমীক্ষাটো কোৱা হৈছিল যে  যদিহে ব্যক্তিগত হিতাধিকাৰীৰ অথবা ভোট কেন্দ্ৰিক জন কল্যাণমুলক আঁচনি সমুহ লোৱা হয়, এই বিলাকে আমাৰ দৰিদ্ৰতা হ্ৰাস নকৰে । কেৱল সাময়িক ভাৱেহে উপশম কৰে। এনে নীতি অৱলম্বন কৰা দেশ সমুহত স্বাস্থ্য, শিক্ষা আদিত বুনিয়াদী সেৱা নিম্নগামী হয়। সেয়েহে ২০১৯-২০ চনৰ বাজেটখনক বহুত ক্ষেত্ৰত মই Misplaced Priorities ৰোগত আক্ৰান্ত বুলি ক'ব বিচাৰো। কেইটামান উদাহৰণ হৈছে কৃষিৰ ক্ষেত্ৰত যি টেক্টৰ - টিলাৰ আদি ব্যয়বহুল আঁচনিৰ কথা কোৱা হ'ল। কিন্তু জলসিঞ্চনত বা উন্নত মানৰ বীজ যোগানত গুৰুত্ব দিয়া হোৱা নাই। ঠিক তেনেকৈয়ে বান পানী যি সকল খেতিয়কৰ ফচল নষ্ট কৰে তেখেত সকলক পৰ্য্যাপ্ত ক্ষতি পুৰণ দিয়াৰ বাবেও ব্যৱস্থাপনা এই বাজেটত কৰা নাই। কেইটামান ভাল কথা যিকেইটা নিশ্চয় আমি শলাগিব লাগিব মহাপুৰুষ শংকৰদেৱৰ জন্ম স্থানত ১৫৫ কোটি টকাৰ প্ৰজেক্ট দিছে তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাওঁ। কিন্তু মহাপুৰুষৰ যি আদৰ্শ আছিল সকলোকে লৈ একেলগে চলাৰ সেই আদৰ্শ যাতে চৰকাৰখনে আগুৱাই নিবলৈ যত্ন কৰে, তাৰ বাবে অনুৰোধ জনাওঁ। কাৰণ বিত্ত মন্ত্ৰী ডাঙৰীয়াই অন্য কেতবোৰ সময়ত কয় যে যি সকলো ধৰ্মৰ লোককে লৈ মহাপুৰুষে যেনেকৈ চাংচাই বংশৰ মানুহক আনি বৰপেটা সত্ৰৰ লাইখুটা পুটোৱা হৈছিল আৰু সেই ক্ষেত্ৰত তেখেতে কয় যে তেখেতৰ বংশধৰ সকল অসমৰ পৰা আতৰি যাব লাগে। তেনে ধৰণৰ কিছুমান উগ্ৰ মন্তব্য দিয়ে। সেইখিনি যাতে প্ৰকৃততে নহয়, বাজেটত যেনে ধৰণে কোৱা হৈছে তেনেধৰণে যাতে হয়। ঠিক তেনেদৰে চাহ শ্ৰমিকৰ বাবে বিনামুলীয়া চাউল চেনী যোগান, পকীঘৰ নিৰ্মান তথা মেৰামতিৰ বাবে পুঁজি আদি আঁচনি ঘোষণা কৰা হৈছে। কিন্তু তেখেত সকলৰ যি প্ৰকৃত বিত্তীয় উন্নতিৰ বাবে  পূৰ্বতে যেনে ধৰণে প্ৰতিশ্ৰুতি দিয়া হৈছিল যে ৩৫০টকা দৈনিক মজুৰী বৃদ্ধি কৰা হ'ব সেই ক্ষেত্ৰত চৰকাৰে যেনে ধৰণে সদিচ্ছা থাকিব লাগে, সেয়া আমি দেখা নাই। ইয়াৰ পূৰ্বে যি চৰকাৰ আছিল তেখেত সকলে ১৮১ টকা Minimum Wage Fix কৰিছিল কিন্তু High Court ত কেচ হোৱাৰ পিছত এতিয়া Sub judice হৈ আছে। সেই গতিকে ৩০ টকাৰ Interim দি ১৬৭ কৰাতকৈ আৰু কিছু পুঁজি বঢ়াই ১৮১ ত কৈ কম ১৮০ বা ১৭০ বা ১৭৫ কৰা অৱকাশ আছিল। যিটো তেওঁলোকে কৰা নাই আৰু এই ক্ষেত্ৰত তেখেত সকলে শ্ৰমিক পক্ষৰ লগত বা মালিক পক্ষৰ লগতো যেন বুজাবুজিহে কৰিলে  এনেকুৱা এটা মোৰ ধাৰণা হয়। আনকি চৰকাৰে চলোৱা অসম চাহ নিগমৰ বাগিচা সমূহতো সদ্যহতে ঘোষণা কৰা দৈনিক ৩০ টকাৰ Interim relief বা কাছাৰত যিখিনি বাগিচা সেইখিনিত যেনে ধৰণে দিব লাগে সেইখিনি প্ৰায়ৰেটি কৰা হোৱা নাই। যোৱা কালি সদনত এই বিষয়ত আলোচনা হৈছিল। আৰু এই ক্ষেত্ৰত যোৱা সময়ত চাহ বাগিচা এলেকাত প্ৰাথমিকৰ পৰা উচ্চ শিক্ষা স্তৰলৈকে শৈক্ষিক আন্ত গাঠনি টনকীয়াল কৰাত হে গুৰুত্ব দিব লাগিছিল। ইতিমধ্যে ১০০ খন চাহ বাগিচা অঞ্চলত  হাই স্কুল কৰা কথা কৈছিল কিন্তু এই ক্ষেত্ৰত যি অগ্ৰগতি যোৱা বছৰত হ'ব লাগিছিল কিন্তু সেই খিনি দেখা নগ'ল আৰু শিক্ষকৰ অনুষ্ঠান সমুহত  ইউনিফৰ্ম দিয়াৰ কথা কৈছে, ৰাতিপুৱা জলপান দিয়াৰ কথা কৈছে। কিন্তু শিক্ষা লাভ কৰিবলৈ  শিক্ষাগুৰু লাগে। যোৱা কালি এই বিধান সভাতে আলোচনা হৈছে যে ২২০ জন ছাত্ৰ-ছাত্ৰী থকা কলীয়া পানীৰ নামৰ এখন স্কুল মৰিয়নী সমষ্টিৰ তাত আজিও  যোৱা চেপ্তেম্বৰ মাহত দাবী কৰা স্বত্তেও এতিয়ালৈকে এজনীয়া শিক্ষকে হৈ আছে। যি ক্ষেত্ৰত আমাৰ এই চৰকাৰখনে শিক্ষকৰ সমস্যা বা পদসমুহ প্ৰাদেশীকৰণ কৰা হ'ব বুলি যোৱা সময়ত ঘোষণা কৰিছিল Manifesto ত কৈছিল ৪৫ দিনত সকলো খিনি শিক্ষাবিভাগৰ সমস্যা সমাধান হ'ব। কিন্তু এই বিলাক

এতিয়াও আমি দেখা পোৱা নাই। এই বাজেটত বহুখিনি আঁচনিৰ কথা কোৱা হৈছে । এইখন যিহেতু ৪ৰ্থ বাজেট। আৰু কিছুমান আঁচনি তেখেতে নিজে উল্লেখ কৰিছে যে কিছুমান Continue কৰা হৈছে আৰু কিছুমান Replace কৰা হৈছে। কিছুমান বাদ দিয়া হৈছে। তথাপিও গুণোৎসৱৰ সময়ত যি বিলাক অসুবিধা পোৱা গৈছিল প্ৰাথমিক স্কুল বা অন্য স্কুলত তাৰ কাৰণে ৯৮০ কোটি টকা যোৱা বাজেটত ধাৰ্য্য কৰিছিল। আৰু তাত থকা একেবাৰে নিম্নতম আছিল ৪০ হাজাৰ টকা। আৰু কোনো কোনে অতিৰিক্ত শ্ৰেণীকোঠাৰ বাবে ৫ লাখ ৪০ হাজাৰ টকা আৰু শৌচাগাৰৰ বাবে ১লাখ ৯০ হাজাৰ টকাকে আদি কৰি ৯৮০ কোটি টকা কেনেকৈ কি লাগিব দেখুৱা হৈছিল । কিন্তু এতিয়ালৈকে মাত্ৰ অন্য এটা ঘোষণা যে যি সমুহে A grade পাব তেওঁলোকক ২৫ হাজাৰ টকাকৈ দিয়া হ'ব। কিন্তু তাকো সম্পূৰ্ণ কৰা হোৱা নাই। এই ৯৮০ কোটি টকা ক'ত গ'ল আমি এতিয়াওঁ নাজানো। প্ৰকৃতাৰ্থত, স্কুল সমুহত য'ত পুঁজিৰ প্ৰয়োজন আছিল, তাত এই পুঁজি গৈ পোৱা নাই, কামহোৱা নাই। এই বছৰো তেনেকৈ ৪৩৮ কোটি টকা নাবাৰ্দৰ পৰা এই কামত ধৰা হৈছে বুলি কৈছে মই আশা কৰো যে পূৰ্বৰ আৰু এইখিনি গোটেইখিনি যাতে সোনকালে মুকলি কৰা হয়। ঠিক তেনেকৈ স্বয়ম আঁচনিত যি ঘোষণা হ'ল সেই ঘোষণা পৰ্য্যায়িতে আছে। হিতাধিকাৰী নিৰ্বাচিত হ'ব লাগিছিল তেওঁলোকক নিৰ্বাচন কৰাৰ পিছত বেংকৰ অসুবিধা নে কি কাৰণত কোনো যুৱকে স্বামী বিবেকানন্দৰ এই স্বয়ম যুৱ উদ্যমি এই অনুসৰি কোনো আঁচনি ল 'ব পৰা নাই।

যোৱা সময়ত এইবাৰৰ নিচিনাকৈ যুৱক-যুৱতী, মহিলাসকলক যথেষ্ট গুৰুত্ব দিয়া হৈছিল আৰু সেই গতিকে সু-স্বাস্থ্যৰ বাবে বিনামূলীয়াকৈ চেনিটেৰী নেপকিন দিয়া হ'ব বুলি কৈছিল। ৫ লাখ ছাত্ৰ-ছাত্ৰী বা যুৱতীক, তাৰ বাবে ৩০ কোটি টকা ধাৰ্য্য কৰা হৈছিল, সেইখিনিও এতিয়া ক'ত, কোনো অঞ্চলতে সেইটো দেখা হোৱা নাই। ঠিক তেনেকৈ স্কুলৰ ডেক্স-বেঞ্চ দিবলৈ ৬০ কোটি টকা অথবা Special ছাত্ৰ বৃত্তিৰ বাবে ৪০ কোটি টকা, Special Class যিবিলাক অনগ্ৰসৰ অঞ্চল তাৰবাবে ১০ কোটি টকা এই গোটেই বিলাকৰে আঁচনি মাত্ৰ ঘোষণা আমি বাজেটৰ সময়ত সেইখিনিৰ বাবে চৰকাৰক প্ৰশংসা বা সমালোচনা তাতে ৰৈ গৈছে প্ৰকৃততে । এই কামখিনি কেনেকৈ হ'ব লাগিছিল, সেইখিনি হৈ উঠা নাই। ২৪ ডিচেম্বৰ, ২০১৬ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ডিব্ৰুগড়ত এটা জৰিপৰ বাবে আঢ়ৈ কোটি টকা প্ৰাৰম্ভিক অনুমোদনসহ চুক্তি সাক্ষৰ কৰিছিল যে, ডি পি আৰ বনোৱা হ'ব ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বাননিয়ন্ত্ৰণৰ বাবে খনন কৰাৰ লগতে দুটা Super Highway বনোৱাৰ বাবে। আজি দুবছৰতকৈ অধিক কালহৈ যোৱাৰ পিছতো এই ক্ষেত্ৰত কেনে ধৰণৰ অগ্ৰগতি হৈছে, এই বাজেটখনত তাৰবাবে নতুনকৈ পুঁজি আৱণ্টন কৰা হৈছে নেকি সেই কথাখিনি ইয়াত উল্লেখ নাই। যোৱাকালি হোষ্টেলত থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৭০০ টকাকৈ দিয়াৰ কথা কৈছে, এইটো শলাগ ল'বলগীয়া, কিন্তু বহুবিলাক মহাবিদ্যালয়ৰ স্কুলত চৰকাৰী হোষ্টেল নাই সেই গতিকে যিসকলে প্ৰাইভেট হোষ্টেলত থাকি চৰকাৰী বিদ্যালয়ত পঢ়ি আছে, তেখেত সকলকো এনে ধৰণৰ সুবিধা দিব নেকি এই কথাখিনি মই বাজেটত সন্নিবিষ্ট হলে ভাল পাম, কিবা এটা মন্তব্য আহিলে আৰু জনস্বাস্থ্য আৰু জলসিঞ্চনৰ ইতিমধ্যে মই কৈছো, যোৱা সময়ছোৱাত যিসমূহ আঁচনি ঘোষণা হৈছিল জনস্বাস্থ্যৰ তাৰ কোনো এটাই হোৱা নাই তাৰ ফলত খোৱা পানী বিভিন্ন সমস্যা হৈ আছে গাওঁ অঞ্চলত তাৰ কাৰণেও এইবাৰ পুঁজি যদি বিশেষকৈ দিব পাৰে তাৰবাবে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো আপোনাৰ যোগেদি। নতুন হস্পিতালৰ কোনো প্ৰস্তাৱ হোৱা নাই, গ্ৰাম্য অঞ্চলত এতিয়াও বিভিন্ন সময়ত মুখ্যমন্ত্ৰীৰ সমষ্টিকে আদি কৰি যি স্বাস্থ্যখণ্ডৰ দূৰৱস্থাৰ কথা দি থকা হয়, কিন্তু এতিয়ালৈকে আমি কোনো বৰ্তমানৰ সময়ত ক'তো নতুন চাব-চেণ্টাৰ বা নতুন হস্পিতালৰ

কথা ইয়াত উল্লেখ কৰা নাই, তাৰবাবে কোনো পুঁজি আৱণ্টন দেখুওৱা নাই। ২০১৮-১৯ চনত বিদেশীমুক্ত আৰু প্ৰদুষণমুক্ত অসমৰ কথা কোৱা হৈছিল, কিন্তু তাৰ পৰৱৰ্তী সময়ত আমি দেখিছো কেনেকৈ অসম চুক্তি, যদিও ইয়াত তিনিটা পেৰেগ্ৰাফত কোৱা হৈছে যে, অসম চুক্তিৰ অধীনত এখন কিতাপ উলিওৱা হ'ব, অসম Assam Accord বিভাগৰ অধীনত এটা ৰংগমঞ্চ প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হ'ব, পুৰণা ongoing scheme বিলাকৰ বাবে পুঁজি আৱণ্টন দিয়া হ'ব কিন্তু আজি দুবছৰতকৈ অধিক কাল ধৰি যি ৬৩ কিলোমিটাৰ International Border আমাৰ চিলিঙৰ কথা আছিল, তাৰ ক্ষেত্ৰত এতিয়ালৈকে অগ্ৰগতি দেখা নাই যি Foreigners Tribunal এশ টা স্থাপন কৰা হ'ল, তাৰবাবে প্ৰথম বছৰত দহ কোটি টকা বাজেটত আৱণ্টন কৰিছিল Infrastructure ৰ বাবে তাৰ পৰৱৰ্তী সময়ত কোনো পুঁজি দিয়া নাই বৰঞ্চ এখন চুক্তিৰ যোগেদি এই গোটেই প্ৰক্ৰিয়াটোকে নসাৎ কৰাৰ যি ব্যৱস্থা এই কথা অসম চুক্তি বিষয়ত তেখেতসকলৰ যি অসম চুক্তি আখৰে আখৰে letter in speed ত পালন কৰা হ'ব বুলি ২০১৪ চন, ২০১৬ চনৰ ঘোষণা, সেই ঘোষণা পৰৱৰ্তী সময়ত ইয়াত কোনো স্পষ্টতা নাই আৰু ঠিক তেনেকৈ যোৱা সময়ত যিহেতু অসমত বহু শিশু বা নাৰীৰ ওপৰত অত্যাচাৰৰ ঘটনা হৈছিল, সেইখিনি সময়ত মাননীয় মুখ্যমন্ত্ৰী মহাদয়ে ঘোষণা কৰিছিল অসমৰ বিভিন্ন জিলাত Special Court বা Fast Track Court কৰা হ'ব এনেকুৰা ধৰণৰ যিবিলাক হিংসাজনিত ঘটনা, বিশেষ ঘটনাৰ বাবে কিন্তু তাৰো কোনো প্ৰস্তাৱনা এই বাজেটত মই দেখা নাই। ঠিক তেনেকৈ যি আমাৰ বিধায়ক পুঁজি আছিল এই বিধায়ক পুঁজিসমূহৰ কথা কোৱা হৈছে যে আমি সময়মতে ইউ চি দিব পৰা নাই বাবে লৈ যোৱা হ'ব যিটো আচলতে non-lapsable fund ইতিমধ্যে লৈ গৈছে, মই স্কীম দিয়াৰ পিছতো লৈ গ'ল। এইটো অতি দুৰ্ভাগ্যজনক। কাৰণ চৰকাৰী বহুত বিভাগেও স্কীম দিব নোৱাৰাৰ বাবে, মই ইতিমধ্যে উল্লেখ কৰিলো জলসিঞ্চন বিভাগৰ ইউ চি নিদিয়াৰ কাৰণে যোৱা বছৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি পোৱা নাই। যেতিয়া বৰ্তমানৰ বিত্তমন্ত্ৰী গুৱাহাটী ডেভেলপমেণ্ট ডিপাৰ্টমেণ্টৰ মন্ত্ৰী আছিল, তেখেতৰ বিভাগতো মাত্ৰ ১৯ শতাংশহে ইউ চি দিব পাৰিছিল, আৰু আমাৰ ক্ষেত্ৰত কিয় অকল বিধায়কসকলক এনে বৈষম্যতা কৰা হৈছে, এই যি বৈষম্য কৰিলে, সেই বৈষম্য মই উঠাই ল'বলৈ আপোনাৰ যোগেদি বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। আজি ঠিক তেনেকৈ যোৱা সময়ত দুবাৰ কৈ এই বিধান সভাতো বহুবাৰ প্ৰতিশ্ৰুতি দিয়া হ'ল যে, নগাওঁ কাগজকল আৰু পঞ্চগ্ৰাম কাগজকলৰ বাবে যি পেকজ ওঠৰশ কোটি টকা প্ৰধান মন্ত্ৰীৰ পৰা আহিব বা স্পেচিয়েল পেকেজৰ কথা কোৱা হৈছে, কিন্তু এতিয়াও তাৰ আমি সুফলদেখা নাই। ঠিক তেনেকৈ যোৱা সময়ত এখন বিশ্ববিদ্যালয় , 'বেটি বচাও, বেটি পঢ়াও' এই কথা কৈ থকা হয়। কিন্তু যোৰহাটৰ কন্যাৰ যি বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল মহিলা বিশ্ববিদ্যালয়, এইখনক লৈ যি বিতৰ্ক হৈছিল, তাৰ পাছত আপোনাৰ হস্তক্ষেপত এইখন বাহাল ৰখা হ'ল, কিন্তু এইবাৰ দেখিছো বিভিন্ন উচ্চশিক্ষা অনুষ্ঠানৰ বাবে যি পুঁজি আৱণ্টন দিছে, সেই পুঁজি আৱণ্টনৰ লিষ্টত কিন্তু যোৰহাটৰ মহিলা বিশ্ববিদ্যালয়ৰ আন এক সুযোগ, কোনো পুঁজি তাত উল্লেখ কৰা হোৱা নাই। যিটো মই ভাৱো যে, আমাৰ বিধান সভাত যিটো প্ৰতিশ্ৰুতি, সেই প্ৰতিশ্ৰুতিও ভংগ কৰা হৈছে। গতিকে এই কথাসমূহ মই ভাৱো বিত্তমন্ত্ৰী মহোদয়ে যেতিয়া আলোচনাত অংশগ্ৰহণ কৰিব তেখেতে এইখিনিৰ ক্ষেত্ৰত স্পষ্টতা আগবঢ়াব আৰু বাজেটখনত যি উদ্যোগীকৰণ, শিক্ষা, স্বাস্থ্য, কৰ্মসংস্থাপন,আন্তঃগাথনি সৰলীকৰণ আদিৰ বিষয়ে কোনো সৰল দীৰ্ঘম্যাদী আঁচনি ঘোষণা কৰা হোৱা নাই। প্ৰাধান্য পাইছে বিনামূলীয়া চাউল, চেনি, সোণ যোগানৰ প্ৰতিশ্ৰুতিহে। আজি সোণৰ পৰিৱৰ্তে যদি আমি যিখিনি নিত্য ব্যৱহাৰ্য্য সামগ্ৰী ফাৰ্নিচাৰ বা অন্যান্য ৰন্ধন সামগ্ৰী বা এটা ঘৰৰ

বাবে কিছু সা-সজুলি দিয়া হ'লে কিজানি বেছি ভাল হ'ল হয় নেকি ? কথাতো মই অনুভৱ কৰো। নহ'লে এই গোটেইবাজেটখন, যিটো ইতিমধ্যে বিভিন্ন মহলত আলোচনা হৈছে যে, এইখন উন্নয়নৰ বাবে নহয় মাত্ৰ ভোটৰ বাবে কৰা এটা কৌশলগত অস্ত্ৰ আৰু তেনেহ'লে যি সদনৰ পৱিত্ৰতা সেয়া নষ্ট হ'ব। সেই গতিকে মই বাজেটৰ ওপৰত মন্তব্য আগবঢ়ায় মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী অশোক সিংহাল ।

**শ্ৰী অশোক সিংহাল, ঢেকীয়াজুলি ঃ** ধন্যবাদ, মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি অসম বিধান সভাত বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০১৯-২০ বিত্তবৰ্ষৰ বাজেট অসম বিধান সভাত উত্থাপন কৰিলে। সঁচাকৈ ক'ব গ'লে প্ৰথমে মই আপোনাক ধন্যবাদ দি লৈছো যে বাজেটৰ ওপৰত দু-ষাৰ কথা আপুনি মোক কবলৈ দিলে। কালি যেতিয়া আমি প্ৰায় তিনিঘণ্টা বাজেট শুনি আছিলো,শুনি থাকোতে এটা উপলব্ধি হ'ল বহুবাৰ পঢ়িছিলো, আলোচনা প্ৰসংগটো আহিছিল সংবিধানৰ Directive Principle of State Policy ৰ কথা। ভাবিছিলো যে, কেতিয়াবা অসমতো আমি এইবিলাক কাম কৰিব পাৰিমনে ? কেতিয়াবা চৰকাৰ এখন আহিবনে ? কোনোবাই নেতৃত্ব দিব পাৰিবনে ? য'ত বিশ্বত বহু ৰাষ্ট্ৰই United Nations Development Programme য়েই হওক, Sustainable Development Growth, Sustainable Development Programe 2030 তাত যিটো নীতি নিৰ্ধাৰণ কৰা হৈছে, কেতিয়াবা অসমেও এই কামবিলাক কৰিব পাৰিবনে সচাঁ অৰ্থত নে ৰাজনীতিৰ মেৰপেচত সদায় ভোটবেংকৰ স্বাৰ্থত অসমৰ দুখীয়া জনগণ প্ৰবঞ্চনাত ভোগী থাকিব। যোৱাকালি বাজেট স্পীচ্ শুনি আছিলো, বহু পুৰণি কথা মনত পৰিল আৰু তাৰ কাৰণো আছে মাননীয় অধ্যক্ষ মহোদয়। কালি বিত্তমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ দিলে, বহু কথাৰ কাৰণে ধন্যবাদ দিলে কিন্তু মনতো বৰ সুখী হ'ল যেতিয়া তেখেতে সুধাকণ্ঠ আমাৰ অতিকৈ শ্ৰদ্ধাৰ প্ৰাতঃস্মৰণীয় ভূপেন হাজৰিকা ডাঙৰীয়া, আমি ভূপেনদা বুলি মাতো, তেখেতক ভাৰতৰত্ন দিয়াৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বাধীন যি চৰকাৰ চলি আছে, তেতিয়া তেখেতে ধন্যবাদ দিলে। তেতিয়া এটা কথা মনত পৰিল I belongs to a philosophy in a party which not for the first time but whenever my Party was in power in Delhi they have extended not only the helping hand not only the Financial assistance but they have honourd and hired, they have appreciated and recognised the construction of State of Assam, leaders of Assam, Mahapurush of Assam in the History of Indian Independence . ইয়াৰ আগতে যেতিয়া বি জে পি চৰকাৰ হৈছিল - অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ নেতৃত্বত আজি - যিজন মহান ব্যক্তিৰ বাবে অসম ভাৰতবৰ্ষৰ অংশ হৈ আছে, যিজন মহান ব্যক্তিৰ কাৰণে অসম তেতিয়া পূব পাকিস্তানৰ লগত যোৱা নাই, এই মহান ব্যাক্তি লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়াকো ভাৰত ৰত্ন দিছিল।। মই গৰ্ব কৰো এই পাৰ্টিৰ সদস্য হিচাবে কাম কৰি আছো। অধ্যক্ষ মহোদয় চৰকাৰে ভাল কাম কৰিছে । এই কথাটো মই কোৱা নাই । গাওঁৰ সাধাৰণ মানুহে কৈছে, কৃষকে কৈছে। শ্ৰমিকে কৈছে, দুখীয়া ৰাইজে কৈছে আই মাতৃয়ে কৈছে। কিন্তু ভাল কামৰ গণনা যেতিয়া আমি কৰিবলৈ যাও- যোৱা কালি যি ই বাজেট দিয়া হ'ল মই ভাবো resurgent ৰ কথা আমি কওঁ। এই ৰিৰ্চাজেন্ট - খালি এটা শিতানত আগবাঢ়িলে নহ'ব, অকল Industrial Devl. হ'লে নহ'ব। আমাৰ চিন্তাও পৰিৱৰ্তন হ'ব লাগিব। আমাৰ কাৰ্য্যপন্থা পৰিৱৰ্ত্তন হ'ব লাগিব। আমাৰ চিষ্টেম বিলাকত পৰিৱৰ্ত্তন হ'ব লাগিব। কালি যিটো ই-

বাজেট দিলে মই মন্ত্ৰী ডাঙৰীয়াক আৰু বিত্ত বিভাগক ধন্যবাদ দিব খুজিছো যে পোন প্ৰথমবাৰৰ বাবে যোৱাবাৰো ই বাজেট এটা দিয়া হৈছিল কিন্তু Tablet ত দিয়া হৈছিল। এইবাৰ ই বাজেট এটা চীপৰ ভিতৰত দিয়া হৈছে। আমি এতিয়া বাজেট পকেটত লৈ ফুৰিব পাৰো। য'তে প্ৰয়োজন হয় আমি তাতে চাব পাৰো। এইবাৰ ই বাজেট পেন ড্ৰাইভত আৰু লিখিত Printed আকাৰে বিত্ত মন্ত্ৰী মহোদয়ে আমাক দিলে তাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয় কোৱাৰ প্ৰয়োজন নাই কিন্তু নক'লেও নহয়, এটা সময় আছিল আমি ঘৰত টি ভিত চাইছো, বাতৰি কাকতত পাইছিলো যে দুমুঠি সূতা, ব্যৱহাৰ কৰিব নোৱাৰা সূতা, কম্বল দি ভোট লোৱাৰ এটা ৰাজনীতি চলিছিল। এতিয়া এটা কথা বিৰোধীসকলে কোৱা কুই কৰিছে যে এইবাৰৰ বাজেট লোকসভা নিৰ্ব্বাচনক লক্ষ্য কৰি দিয়া হৈছে। অধ্যক্ষ মহোদয়, বিধান সভাৰ কাৰ্য্যকাল ৫ বছৰ । এই ৫ বছৰত ৩ টা নিৰ্ব্বাচন আমি সন্মূখীন হ'বলগীয়া হয়। পঞ্চায়ত নিৰ্ব্বাচন, পৌৰসভাৰ নিৰ্ব্বাচন আৰু লোক স ভাৰ নিৰ্ব্বাচন। গতিকে বাজেট যিটো দিয়ে যিকেনো এটা নিৰ্ব্বাচন থাকেই। ইলেকশ্যন নোহোৱাকৈ কোনো বছৰ নাযায়। কিন্তু কাম যেতিয়া মানুহক চকুত পৰে তেতিয়াহে চৰকাৰক ভাল পায় বা জনপ্ৰতিনিধ গৰাকীক ভাল পায়। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদায় কৈ আহিছে যে কথাৰে নহয় বন্ধু - কামেৰে পৰিচয় দিবা । এই চৰকাৰে কথাৰে পৰিচয় দিয়া নাই , কামেৰে পৰিচয় দিছে। এই কথা আজি প্ৰতিপন্ন হৈছে অধ্যক্ষ মহোদয়। মই ক'ব খুজিছো অধ্যক্ষ মহোদয়- This is a A to Z Budget. A stands for Accountablity, B stands for Bold, C stands for Care , D stands for Delivery, E stands for Effective, I stands for Inclusiveness for extention for equility and for employbility This is a grouth oriented Budget অধ্যক্ষ মহোদয়, বহুত কথাৰ মাজত এটা কথা চিন্তা কৰিব লাগিব যে, অসমক আমি কোনফালে লৈ গৈ আছো ? অসম কোনফালে যোৱা উচিত আৰু কোনে অসমক আগবঢ়াই লৈ যোৱাৰ চেষ্টা কৰি আছে। এই কথাটো আমাৰ মনত আহিব লাগিব। Directive Principal কথা ক'লো, Sustainable Development Growth ৰ কথা মই ক'লো। এতিয়া অলপ আগতে বিৰোধী দলপতিয়ে কৈ আছিল যে শিক্ষাৰ ক্ষেত্ৰত স্বাস্থ্যৰ ক্ষেত্ৰত, Rural Developmentৰ ক্ষেত্ৰত, ৰাস্তা-দলঙৰ ক্ষেত্ৰত, পুলিছ বিভাগক অধিক সক্ৰিয় কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গুৰুত্ব দিয়া নাই। অধ্যক্ষ মহোদয়, মোৰ হাতত তথ্য আছে, ডাটা আছে। ডাটা টোৱে প্ৰমাণ কৰিছে যে আমি অসমৰ জাগ্ৰত নাগৰিকহিচাপে গৌৰৱ কৰিব লাগিব যে বৰ্ত্তমানৰ চৰকাৰ ,বৰ্ত্তমান মুখ্যমন্ত্ৰীৰ নেতৃত্বত আজি অসমে শিক্ষাৰ ওপৰত ২১ শতাংশ অধিক ২০১৯-২০ বৰ্ষৰ বাজেটত খৰছ কৰিব। I would like to place the fact which is not my generation, which is not my creation which is not out of a dream but it is based on the facts and figure available on the net and this is a well recharge documents অধ্যক্ষ মহোদয়, যোৱা কালি ৰাতি ৩.৩০ বজালৈ গোটেই কথাবিলাক যেতিয়া মই চালো, কি পালো সেইবিলাক সদনত দাঙি ধৰিব বিচাৰিছো। Education, - Assam has allocated 21.5 % of its expenditure on Education in the Budget of 2019-2020. This is higher than the average expenditure allocated to Education by all other States in 2018-19. ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যই যিটো শিক্ষাৰ নামত পুঁজি দিছিল সেইখিনি ১৫ শতাংশ বা ১৬ শতাংশ। 15.9 is the exact figure I take it as a 19 % that all other States in the

Country put together. The Buget allocation to Education was in last year 16% - My State - this State this year has allocated 21.5 % to the Education Department which is based in the - which is highered by 5.6 per cent on the All India averge, again on the Health in Assam has allocated. 7.4 per cent of its expenditure ,towards Health in the Budget, 2019-20 which is higher than the overage allocation of 4.5 per cent by the all other Indian States in 2019-20 . অধ্যক্ষ মহোদয় এইটো এটা সৰু কথা হ'ব নোৱাৰে। The State of Assam under the Leadership of Hon'ble Chief Minister has made the allocation of 7.4% which is almost 3% higher than the National level. Hon'ble Speaker Sir, Assam has allocated 5.4 % of its expenditre on Rural Development in 2020 , which is again higher than the National Average. Speaker Sir, now Iam coming to a very vital point which is related to infra-structure which is lead to growth , which is make Assam resurgent which will take Assam forward, Assam as a forward looking State that is Roads and Bridges and this year State has allocated 7.1% of its Budget for expenditure on Roads and Bridges which is again highered by almost 3 % of all India average of 4.3% - অধ্যক্ষ মহোদয়, ৰাস্তাৰ ক্ষেত্ৰতো এইবাৰ বাজেট প্ৰায় ৩ শতাংশ অধিক পুঁজি ধাৰ্য্য কৰা হৈছে। পুলিচ বিভাগক Assam has allocated 6.1% of Budget for expenditure in 1920, 6.1%, the all India average, last year submitted, এই বছৰটো কোনো State ত দাতা আহা নাই। যোৱাবছৰৰ যিটো বাজেট আছে তাৰ ভিত্তিত যিটো All India average আমি চাও By all other states, it is 3.9% . The State of Assam has done by allolcation of 6.1%, which is 2.2% higher than the all other states of India. This shows, commitment by State Government education as far as for road and Bridges and for police forces, prudency of state of the Government & the Financial Department will come when the reveune goes & when expenditure goes on. It is not a financial statement only, people considered it to be a financial statement. When it is play in data, where it is put financial figures, where it is put some revenue figures, where it is put some expenditure figures. Budget actually, is a deed of road map for the economic develop-ment for the social upliftment for the political harmony and for giving equality and for the giving opportunity for the bringing Substantantiable Development and this budget has been empow-ered all the sections of the society আপোনাৰ মাধ্যমত সেই কথাখিনি মই কব বিচাৰিম। অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই যোৱাকালি যিটো বাজেট দিলে এই বাজেটৰ ভিতৰত

বহুখিনি ভাল কথাৰ ভিতৰত এটা কথা বৰ ভাল লাগিলে যে অসমে স্বাভিমানেৰে কথা কোৱা আৰু কোৱা কথাবোৰ implement কৰা আৰম্ভ কৰিছে। কালি দিয়া অৰুন্ধুতিৰ যিটো আঁচনি, সেই আঁচনিৰ আপুনি যদি চিন্তা কৰে এটা সংস্কৃত শ্লোকৰ মাধ্যেমত মই কব খুজিছো - 'জ্ঞেত্ৰ নাৰিয়তি পুজিয়তে ৰম্পে ছত্ৰ দেৰতা গত্ৰেসু না পুজিয়তে সৰ্বাসশলাগ দিয়া' তাৰ অৰ্থটো হ'ল The diviner extremely happy where women are respected and where there is all action projected for foodless. অধ্যক্ষ মহোদয়, স্ত্ৰীক সন্মান কৰা এই আমাৰ পৰম্পৰাৰ অংগিকাৰ ৰূপ। স্ত্ৰী আমাৰ সমাজত, আমাৰ পৰম্পৰাত, আমাৰ সভ্যতাত, সনাতনী চিন্তাত সদায় শ্ৰদ্ধাৰে আমি স্ত্ৰীক সন্মান জনাই আহিছো। যোৱাকালি যিটো আঁচনিৰ কথা কোৱা হ'ল যে অৰুন্ধতি আঁচনি। যে একতোলা সোণ দিয়া হ'ব। অধ্যক্ষ মহোদয়, সোণৰ মূল্যৰ কথা নহয়, Gold is not only a material. সোণ বুলি কলে মানুহে এটা security বোধ কৰে যে মোৰ ছোৱালীতোক, মোৰ ভগ্নীক মই যদি এক তোলা সোণ দি পঠাব পাৰো that means that much amount of security and financial security are giving her for future married life আৰু এই কাম কৰোতে চৰকাৰে কেৰল social security ৰ কথাকে চিন্তা কৰা নাই। বহুতে হয়তো চিন্তা নকৰিব পাৰে। মই সেইটো চিন্তা কৰি পালো। অধ্যক্ষ মহোদয়, এই আঁচনিটোৰ ভিতৰত চিন্তা আছে আমি যদি উপলব্ধি কৰো সেই চিন্তাটো হ'ল যে সমাজত ১৮ বছৰৰ কম বয়সত কোনো অঞ্চলত এতিয়াও বিবাহ প্ৰথা চলি আছে, যে ছোৱালী ১৮ বছৰ বয়সৰ কম থাকে আৰু লৰা ২১ বছৰ বয়সৰ কম থাকে। এই আঁচনি অহাৰ পিছত ১৮ বছৰ বয়সৰ তলত ছোৱালী বিয়া কৰাৰ প্ৰৱনতাটো কমি আহিব। Marriage Register হোৱা আৰম্ভ হ'ব। ইয়াত এটা কথা গুৰুত্বসহকাৰে লিখা হৈছে Benefited can be avail upon from formal registration of marriage under special marriage act, Assam rule 1954 and which will be raised the beneficiary is right time of the social marriage এই social Marriageৰ বাহিৰে এই Marriage Register কৰিব লাগিব। আৰু Register হ'ব লাগিব special marriage act, 1954 ৰ ভিত্তিত। এই যুক্তিটো কি আজি বেলেগ এক্ট যদি আছে, কিবা Marriage Act. আছে তাত যদি কোনোবাই বিয়া হয় ১৮ বছৰ, ২১ বছৰৰ কোনো কথা নাই, এই কথাটো লেখাই হোৱা নাই। কিন্তু এই Special Marriage Register Act ত যদি Registetion কৰে ১৮ বছৰৰ কমত বিয়া হ'ব নোৱাৰিব। দুটা সন্তান থাকিব লাগিব। এই গোটেই বস্তুটো Substantiable Development Growth ৰ যিটো কথা কোৱা হৈছে, মই ভাৱো যে এইটো ইয়াত ইফালে লৈ যোৱাৰ এটা চেষ্টা হৈছে। বহুবাৰ Alligatoin কৰা হয়, কিছুপৰিমানে সচাও যে মুছলিম সম্প্ৰদায়ৰ মাজত বহু বিয়া কৰাৰ প্ৰথা এটা আছে আৰু এইটো সচাও। মই ভাৱো যে এই আঁচনিৰ জৰিয়তে ইয়াৰ উপৰতো অলপ population growth ৰ ওপৰত অংক কৰাৰ এটা চেষ্টা কৰা হৈছে। দ্বিতীয়তে, বহুতবাৰ দেখা যায় অসমত অকল মুছলিম সম্প্ৰদায়ৰ মাজতে নহয় হিন্দু সম্প্ৰদায়ৰ মাজতো বিয়া কৰি ছোৱালীক এৰি দিয়াৰ চিন্তা এটা আমাৰ কেতিয়াবা কেতিয়াবা চকুত পৰে। Social Marriage হলে এই কামবিলাক হ'ব পাৰে। কিন্তু Special Marriage Act ত যেতিয়া Register হ'ব, বিয়া কৰি ছোৱালীক এৰি দিয়া, গাঁৱত বহুত ছোৱালী আমি পাওঁ, যে বিয়া হৈছে সেন্দুৰ লৈ আছে কিন্তু স্বামী ক'ত আছে নাজানে। স্বামীয়ে বাহিৰত ক'ৰবাত কাম কৰিব আৰু তাত কোনোবা ছোৱালী ভাল পালে, তাতে বিয়া কৰালে, তাতে থাকি গ'ল ইয়াত ঘুৰিয়ে নাহিল। Special Marriage

Register Act,1954 ত যেতিয়া Register হ'ব এই Crime বোৰ লাহে লাহে কাম আৰম্ভ হ'ব। Crime যেতিয়া কমিব সমাজখন ভাল হ'ব। মহিলা সন্মান কেৱল সূতা আৰু কম্বল দিলেই নহয়, মহিলাক প্ৰকৃতাৰ্থত যদি সন্মান দিব লাগে, মাহিলাৰ বাস্তৱ যিটো সমস্যা তাৰ লগত আমি যুজিব লাগিব। মহিলা সন্মানকে কওঁক, সৱলীকৰণকে কওঁক যেতিয়া আমি কওঁ Self Help Group অধ্যক্ষ মহোদয়, মই ভাৱো যে চৰকাৰে আত্মসহায়ক গোটক সহায় কৰাৰ যিটো চিন্তা কৰিছে এই চিন্তা অসমৰ ইতিহাসত এটা নতুন পৰিৱৰ্তন অনাৰ দিশ মুকলি কৰি দিছে। কাৰণটো হ'ল, মই নিজেও উপলব্ধি কৰিছিলো এটা সময়তময়ো ভাৰিছিলো যে ২০-২৫ হাজাৰ টকা দি ১০ গৰাকী মহিলাক কি পৰিবৰ্তন হ'ব পাৰে, ২৫ হাজাৰ টকাদি কি কৰিব পাৰে? তথাপিও চৰকাৰে দিছে চিন্তা কৰি দিছে ঠিকে আছে দিয়ক, কিন্তু মোৰ নিজৰ সমষ্টিত দেখিছো সৰু Self Help Group আৰু মোৰ সমষ্টিটো অতিকৈ পিছপৰা। অসমৰ আটাইতকৈ পিছপৰা সমষ্টিৰ যদি তলৰ পৰা গণনা আৰম্ভ কৰে ১২৩-১২৪ তে মোৰ নামটো আহিব, তাৰ ওপৰত আৰু নামটো নুঠে। এনেকুৱা এটা পিছপৰা সমষ্টিত, সমস্যাৰে জৰ্জৰিত এটা সমষ্টিত আৰণন বুলি এটা Self Help Group য়ে গাঁৱত উৎপাদন হোৱা শাক-পাচলিৰে আচাৰ বনাবৰ আৰম্ভ কৰিলে অধ্যক্ষ মহোদয়, এই আচাৰটো বনাই বজাৰত বিক্ৰী নকৰে, ওচৰত বনাই আৰু প্লাষ্টিকত ভৰাই ভৰাই বিক্ৰী কৰে। বটলটো নাই, লেৱেল কত বনাব নাজানে বটল কৰ পৰা কিনিব নাজানে পিছত এদিন আমি Block ত গৈ তেখেত সকলক কলো যে যিয়ে Marketing কৰিব খোজে Marketing কাৰণে মই আত্ম সহায়ক গোট অকল Not for producation but for marketing also. দুটা চাৰিটা আত্ম সহায়ক গোট আমি বিচাৰি উলিয়ালো যি সকল কথা কোৱাত পাৰ্গত ঘুৰি-ফুৰিব পাৰে কথা কব পাৰে তেনেকুৱা আত্ম সহায়ক গোট বিচাৰি আমি Marketing ত লগলো । অধ্যক্ষ মহোদয় আপুনি জানি সুখী হব যে ৬ মাহৰ ভিতৰত আজি এই গাওঁৰ ভিতৰুৱা অঞ্চল, য'ত গাড়ী নাযায় যত এতিয়ালৈকে Electricity ৰ পোহৰ যোৱা নাছিল নৰেন্দ্ৰ মোডীৰ আৰ্শীবাদত, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ চেষ্টাত যোৱা ৬মাহ আগত য'ত ৭০ বছৰ পিছত আজি বিজুলী বাতি গৈ পাইছে। তেনেকুৱা এখন গাওঁৰ পিছপৰা ১০ জন মহিলাই এই আচাৰ Marketing আত্ম সহায়ক গোটৰ জৰিয়তে তেজপুৰৰ বজাৰত বিক্ৰী কৰি আছে। This is the real empowerment বহুতে কয়, empowerment টো কি? Empowerment টো অধ্যক্ষ মহোদয়, আমাক আপুনি ১০০/২০০ টকা ৫হাজাৰ টকা পকেটৰ পৰা উলিয়াই দি দিলে চৰকাৰে ৫ হাজাৰ টকা দিলে That is not be the empowerment. Empowerment is first you have to motivate them, second you have to install faith in them, that yes, it can be done. You have to give them confidence that what their doing is in right direction and you have to create an environment where they can work, they can think and they can think of moving ahead. আত্ম সহায়ক গোটক চৰকাৰে যিটো ৫০হাজাৰ টকা দিছে মই ভাবো মহিলা সবলী কৰণৰ ক্ষেত্ৰত এটা বৈপ্লৱিক পদক্ষেপ চৰকাৰে লৈছে আৰু ইয়াৰ জৰিয়তে আপুনি দেখিব গাঁৱে-ভূঞে এতিয়া মহিলাৰ উদ্যম কি পৰিমাণে আৰম্ভ হয়। চৰকাৰে বহু আঁচনি দিলে চৰকাৰে বহুত কাম কৰিলে কিন্তু বিৰোধীয়ে যোৱা কালিৰ পৰা মই টি.ভি তো চাই আছো, আজি বিধান সভাতো চালো তেখেত সকলে কৈছে যে নিৰ্বাচন কেন্দ্ৰীক বাজেট, বাজেটত অকল ফুলজাৰীহে দিয়া হৈছে, ইয়াৰ দ্বাৰা ৰাইজ উপকৃত নহয়। এটা কথা মই চিন্তা কৰো অধ্যক্ষ মহোদয়, নতুন নতুন প্ৰযুক্তি বিদ্যা আহিছে, কিছু মাহ আগত বিদেশৰ এটা সংগ্ৰহালয়ত

যোৱাৰ এটা সুযোগ হৈছিলে, মোৰ লৰা মোৰ লগত আছিলে, এই সংগ্ৰহালয়টো 3 D সংগ্ৰাহালয় আছিল, এই সংগ্ৰহালয়ত ঘুৰিবৰ কাৰণে এটা চচমা দিয়া হয়, এইটো পিন্ধিলে হে আপুনি ভালকৈ দেখিব পাৰে লৰাটোৱে টিকট ললে আমি সংগ্ৰহালয়ত সোমাই গলো যেতিয়া ঘুৰি আছিলো অলপ ঘুৰাৰ পিছত মই চচমাটো খুলি দিলো, তেতিয়া মই ঘুৰি আছো, ঘুৰাৰ পিছত দেখিলো যে যিটো দেখুৱাই আছে, মনটো মোৰ ভাল লগা নাই, মই কলো এইটো ভাল নহয়, তুমি ক'ত লৈ আহিছা মোক কি ফটো দেখুৱাইছা মোক চকুত নপৰে দেখাত ভাল লগা নাই, মোৰ লৰাটোৱে কলে দেউতা এইটো 3 D সংগ্ৰাহালয় এই ছবি বিলাক যদি চাব লাগে চচমা পিন্ধি চাব লাগিব। বিৰোধী পাৰ্টীয়ে এই বাজেট তো যদি চাব লাগে চচমা ধুনীয়াকৈ পিন্ধি চাব লাগিব যদি চচমা যোৰ খুলি চাই এইটো নিৰ্বাচন কেন্দ্ৰিক লাগিব নে দুখীয়া কেন্দ্ৰীক নালাগে অসমৰ উন্নয়ন কেন্দ্ৰীক নালাগে, যিটো সমস্যা মোৰ হৈছিল আজি অসমৰ বিৰোধীৰো একে অৱস্থা হৈছে। মইও চচমা পিন্ধা নাছিলো, বিৰোধীয়েও চচমা পিন্ধাৰ আশা নাই  সেই কাৰণে Photo খন বেলেগ ধৰণে দেখা পাইছে। এই কাৰণে গোটেই বাজেটো নিৰ্বাচন কেন্দ্ৰীক চাই আছে।

**শ্ৰী ৰকিবুল হুছেইন (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক কথা কলে আমিও কম।

**মাননীয় অধ্যক্ষ** ঃ কথাটো হৈছে ঠাণ্ডা পৰিৱেশ চলি আছে, তেখেতে এইটোৱে কৈছে, যাতে কোনোজনে কথা কৈ থাকে সকলোৱে যাতে শান্তিপূৰ্ণ ভাৱে শুনে যিটো তেখেত সকলে কৈছে।

**শ্ৰী অশোক সিংঘাল (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয়, চৰকাৰে যোৱা বছৰ Class XII লৈকে কিতাপ দিছিলে । বহুত ৰাইজ উপকৃত হৈছে যি সকল বিধায়ক দুখীয়া সমষ্টিৰ পৰা আহে যত বে-চৰকাৰী বিদ্যালয় নাই চৰকাৰী বিদ্যালয়ত যাবলৈও লৰা-ছোৱালী অনীহা প্ৰকাশ কৰে, এই বিদ্যালয় বোৰত কিতাপ কিনিব, uniform কিনিব আৰু বিদ্যালয়ত যাব এই চিন্তা কৰাটোও কোনো অযুক্তিৰ কথা নহয়। চৰকাৰে চিন্তা কৰিলে যে দুখীয়া লৰা-ছোৱালীক Class XII লৈকে পাঠ্যপুথি দিলে অকল নহব কাৰণ এই ছাত্ৰ-ছাত্ৰী বোৰেও ভাল মানুহ হব বিচাৰে, পঢ়িব বিচাৰে আগুৱাই যাব বিচাৰে, কিবা এটা কৰিব বিচাৰে তেওঁলোকৰো এটা সপোন আছে, কিন্তু এই সপোনক কোনো বাস্তৱ কৰিব। আৰু এই সপোন বাস্তৱ কৰাৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যিটো বাজেট এইবাৰ উত্থাপন কৰিলে সেই বাজেটত চৰকাৰে প্ৰথম বাৰৰ কাৰণে বিনামূলীয়া পাঠ্যপুথিৰ যিটো ব্যৱস্থা আছে, সেইটো এইবাৰ স্নাতক পৰ্য্যায়লৈকে দিয়াৰ ব্যৱস্থা কৰিছে। যাৰ বাবে চৰকাৰক ধন্যবাদ দিব লাগিব। মই এইটো কোৱা নাই যে আগৰ চৰকাৰে কোনো কাম কৰা নাছিল। ভগবানে প্ৰত্যকজন মানুহৰ কাৰণে এটা কাৰ্য্য ধাৰ্য্য কৰি থয়, I believe in Sanatani Parampara and Philosophy. মোক ঈশ্বৰে কিবা এটা কাম কৰাৰ কাৰণে হে জন্ম দিছে এতিয়া মই ভাল কাম কৰিম নে বেয়া কাম কৰিম সেইটো হয়টো ঈশ্বৰে ঠিক কৰি দিছে। এই কামটো এইখন চৰকাৰৰ কাৰণে ঈশ্বৰে ধাৰ্য্য কৰিছিল যে, যে সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত চৰকাৰ হব আৰু দুখীয়া লৰা-ছোৱালীৰ কাৰণে স্নাতক পৰ্য্যায়লৈকে বিনামূলীয়া পাঠ্যপুথিৰ ব্যৱস্থা হব। সেয়েহে আমি ৭০বছৰ অপেক্ষা কৰিব লগীয়া হল। দুখীয়া  লৰা-ছোৱালী বিদ্যালয়ত যাবলৈ ইচ্ছা নকৰে কাৰণ কাৰোবাৰ যদি হাফপেন্ট আছে  চোলা নাই, মাক-দেউতাকে কেতিয়াবা পুজা আদিৰ সময়ত যদি চোলা এটা কিনি দিয়ে তেতিয়া লৈকে হাফপেন্ট ফাটি যায়। কাৰণ পেন্ট চাৰ্ট একেলগে কিনিবলৈ মাক-দেউতাকৰ সামৰ্থ নাই। uniform ৰ কথাটো বাদেই দিছো যিহেতু সেই লৰা-ছোৱালীৰ গাত কাপোৰ নাথাকে। তেনেকুৱা লৰা-ছোৱালীৰ কি সপোন নাই, তেনেকুৱা লৰা-

ছোৱালীয়ে কিবা ভাল চিন্তা কৰিব নোৱাৰে নেকি, তেনেকুৱা লৰা-ছোৱালীয়ে শিক্ষাৰ অধিকাৰ নাই ? কিন্তু এই ক্ষেত্ৰত চিন্তা কৰা হোৱা নাছিল অধ্যক্ষ মহোদয়, গুণোৎসৱৰ মাধ্যমত মই ভাবো যে যেতিয়া এই আচল কথা বিলাক উলিয়াব আৰম্ভ কৰিলে, যে বিদ্যালয়ত লৰা-ছোৱালী নাযায়। বিদ্যালয়ত লৰা-ছোৱালী নাযায় কিয়। দুখীয়াই uniform কিনি দিব নোৱাৰে বুলি নাযায়। শিক্ষা কৰ পৰা ভাল হব শিক্ষা ভাল হ'ব লাগে আমি ডাঙৰ ডাঙৰ কথা কৈ থাকিলো শিক্ষা কিন্তু ভাল নহল। কাৰণ বাস্তৱত প্ৰয়োজন আছিল। এই প্ৰয়োজনৰ কথাটো কোনো জ্ঞান নকৰিলে, উপলব্ধি নকৰিলে এই বাৰৰ বাজেটত চৰকাৰে uniform Class VIII লৈ নহয়, Class X লৈ যিটো ব্যৱস্থা কৰিলে মই ভাবো যে দুখীয়া ৰাইজ উপকৃত হব। প্ৰত্যেকজন ইয়াত বহি থকা বিধায়কে কলেজ পঢ়িছে অধ্যক্ষ মহোদয়, পিছপৰা অঞ্চলৰ পৰা যি সকল বিধায়ক আহিছে নিশ্চয় Mess ত পঢ়িছে। আৰু Mess ৰ জীৱন আপুনি নিজেই উপলব্ধি কৰিছে আপুনিও জানে, দেখিছে হোষ্টেলৰ জীৱন কেনেকুৱা এটা দুৰ্যোগপূৰ্ণ জীৱন হয় সহায় কৰিবলৈ মাতৃ পিতৃৰ বাহিৰে কোনো নাথাকে। কৃষকৰ পুত্ৰ যেতিয়া হোষ্টেলত আহে Mess dues দিব নোৱাৰে, নিজ চকুৰে চোৱা কথা আজি আপোনাক কবলৈ বিচাৰিছো কৰ্মাচ কলেজত পঢ়ি থকা দিনৰে এটা দুৰ্যোগপূৰ্ণ জীৱনৰ সঁচা অথচ কৰুণ কাহিনী এটা সুযোগ পাই আজি আপোনালোকক মই কবলৈ বিচাৰিছো। মোৰ এজন সহপাঠী গাওঁৰ এটা গৰীৱ পৰিয়ালৰ পৰা আহিছিল আৰু মেছত থাকি পঢ়িছিল। সেই সময়ত ৰাতিপুৱা প্ৰায় ০৭-৩০ বজাত ক্লাছ হৈছিল। সেই সময়তে ঠাণ্ডাৰ দিনত ৰাতিপুৱাতেই সেই লৰাজনে মাত্ৰ হাৱাই চেন্দেল পিন্ধি, গৰম কাপোৰ একো নিপিন্ধাকৈ ক্লাছ কৰিবলৈ আহিছিল। আমি তেতিয়া তেওঁক সুধিছিলো, তোমাৰ ঠাণ্ডা নালাগে নেকি ? তেতিয়া সি উত্তৰ দিছিল মই ঠাণ্ডা পানীৰে গা ধুই আহিছো নহয়, মোৰ ঠাণ্ডা নালাগে। (আমাৰো কোমল বয়সৰ বাবে তেতিয়া এই কথাটো গম্ভীৰ ভাৱে চিন্তা কৰিব পৰা নাছিলো।) এদিন সি মোক মেছত মাতি লৈ গল আৰু তাতে ভাত খাবলৈ জোৰ দি ধৰিলে। তাৰ মেছত গৈ মই যিটো অৱস্থা দেখা পালো সেইটো অবৰ্ণণীয় আছিল। সময়ত খাবলৈ ভাত দিলে, দালি দিলে, আচলতে দালি নাছিলে পানী আছিল। মই তেওঁক আচৰিত হৈ সুধিলো তোমালোকে এনেদৰে খোৱা-বোৱা কৰা নেকি ? তেতিয়া সি কলে এনেদৰে খাঁও কিন্তু মাজে মাজে সেইটোও খাবলৈ বৰ অসুবিধা হয়। তেতিয়া পুনৰ সুধোতে সি মোক কলে যে ৪০ টকা মেছ ডিউজ দিব লাগে আৰু সেইটোও দিবলৈ তাৰ অসুবিধা হয়। কাৰণটো সুধোতে তেওঁ জনালে যে দেউতা কেতিয়াবা আহে আৰু কাপোৰত মেৰিয়াই এটকা, দুটকাকৈ কেতিয়াবা দহ, বাৰ টকা দি আহে ফলত সি মেছ ডিউজটোওঁ ভালকৈ দিব নোৱাৰে। এনেকুৱা লৰা এজন বা দুজন নহয়, আজিও অসমৰ প্ৰায় প্ৰায় ৮০ শতাংশ কলেজত লৰা-ছোৱালীয়ে এইদৰে শিক্ষা গ্ৰহণ কৰি আছে। সেইবাবে আজি মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো যে আজি তেখেত সকলে অসমৰ কলেজত এনেদৰে পঢ়ি থকা লৰা-ছোৱালীৰ বাবে মাহে ৭০০ টকাকৈ দিবলৈ থিৰাং কৰিছে। ইয়াত কোনো ৰাজনীতিৰ কথা অহা নাই। কোনো দুখীয়া লোকক যদি আমি পইছা দিছো তেতিয়াহলে আমি তেখেত সকলক শ্ৰদ্ধা আৰু প্ৰণাম জনাইছে কিবা অলপ দিছো যে হে জনাৰ্ধন, আজি অসমৰ ৰাইজক অসমৰ চৰকাৰ খনে গৰীৱ, দুখীয়া ঘৰৰ পঢ়ি থকা লৰা-ছোৱালী বিলাকক মাহে ৭০০ টকাৰ এটা সৰু বৰঙনি দিবলৈ সক্ষম হৈছে।

কিন্তু বিৰুধীয়ে সমালোচনা কৰিবই, আমিও যেতিয়া বিৰুধী দলত আছিলো তেতিয়া চৰকাৰক সমালোচনা কৰিছিলো। সমালোচনা বা Criticism কেইবা ধৰণৰ হয়, সেইকেইটা হল - Criticism, Healthy Criticism আৰু Criticism Democracy. এই Healthy Criticism ৰ উদ্দেশ্য এটা থাকে। ই Democracy ক মজবুদ কৰে। Compalsory

Criticism কোনো উদ্দেশ্য নাথাকে, ভাল হলেও বেয়া বুলি কবই লাগিব। Healthy Criticism ক Rectify কৰিব পাৰি। Compalsory criticism is a disease. Opposition এ criticise কৰিছে কিন্তু বহু সময়ত Healthy Criticise ও কৰা দেখা যায়। যেতিয়াই Opposition এ Healthy criticise কৰিছে, তেতিয়া কিন্তু বহু সময়ত চৰকাৰে মানি আংগীকাৰো কৰিছে। যোৱাবাৰ বিৰুধীয়ে স্কুটি দিওঁতে Healthy Criticise কৰি কৈছিল দুখায়া লোকে তেল কৰ পৰা কিনিব, চৰকাৰে এইবাৰ সেই Healthy Criticism মানি E-Bike দিয়াৰ ব্যৱস্থা কৰিলে। As it was a Healthy Critism, Govt. has accepted that concept. That means this Govt. is a Sencetive Govt. This Govt. is taking all co-operational support given from all sections belonging to the Oppositions.

মাননীয় অধ্যক্ষ মহোদয়, Education Loan, এইটো ভাৰতবৰ্ষত কম যদিও বিদেশত বহুতো লৰা ছোৱালীএ এই Education Loan লৈ পঢ়িব লগা হয় আৰু এই ঋণ পৰিশোধ কৰোতে প্ৰায় ২০ বছৰ মান লাগি যায় and that is how the capitalist system is work. Probably that makes them motivated also to work because কাম নকৰিলেটো ধাৰ মাৰিব নোৱাৰিব। আজিৰ পৰা ২০ বছৰ মান আগতে Education Loan ৰ কোনো ব্যৱস্থা নাছিল। আজি কালি অৱশ্যে Higher Education ৰ বাবে বহুতো লৰা ছোৱালীএ এই Education Loan লোৱা কৰিলে কাৰণ সৎ মানুহৰ হাততটো ইমান পইছা নাথাকে যে Higher Education ৰ কাৰণে গোটেই পইছাটো Finance কৰিব পাৰিব। Education Loan লৈ পঢ়ি ওলাই আহাৰ পাচতো চাকৰি নাপালে ঋণটো পৰিশোধ কৰাত অসুবিধা হয়, সেয়েহে এইবাৰ চৰকাৰে সিদ্ধান্ত ললে যে ২০১৯-২০ বিত্তীয় বৰ্ষত যিসকলে Education Loan লব, তেওঁলোকক ৫০,০০০ টকাৰ এককালীন সহায্য দিয়া হব আৰু সেইটো Direct বেংকত জমা কৰি দিয়া হব আৰু এইটো সকলোৰে কাৰণে প্ৰযোজ্য হব। ইয়াত কোনো ভোটৰ গণিত নাই মহোদয়, "সব কা সাথ, সব কা বিকাশ" ৰ বাজেটেৰে এই ব্যৱস্থাটো কৰা হৈছে। ৫০,০০০ টকাৰ এককালীন Education Loan ত সহায্য কম কথা নহয় মহোদয়। ২,৫০,০০০ টকাৰ Education Loan ত ৫০,০০০ টকাৰ এককালীন সহায্য দি ২,০০,০০০ টকালৈ লৈ অহা হব।

এই খিনিতে এটা কথা কব বিচাৰিছো যে- যোৱাকালি মই আমাক মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক লগ কৰিব যাওঁতে দেখা পাওঁ যে তেখেতে প্ৰায় ৫০ জনমান APSC Provisional ত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীৰ লগত বহি আলোচনা কৰি আছিল। তাৰ কাৰো অঙহী -বঙহী নাছিল, অসমৰ ইমূৰৰ পৰা সিমূৰলৈ নিৰ্বাচিত হৈ আহা ছাত্ৰ-ছাত্ৰী আছিল। ইয়াত কোনো ডাঙৰ মানুহৰ লৰা-ছোৱালী নাছিল মহোদয়। এই সকলৰ মাজত ডিমাহাচাউৰ পৰা ৭ জন লৰা নিৰ্বাচিত হৈ আহিছে।

গতিকে ইয়াৰ পৰা জানিব পৰা যায় যে যেতিয়া এখন চৰকাৰে সদিচ্ছাৰে কাম কৰে তাৰ সুফল থাকিবই। সেয়েহে এই এই বাজেট খনো উদাৰ মনোভাবেৰে প্ৰস্তুত কৰি ওলোৱা হৈছে।

কোনো ডাঙৰ মানুহৰ ল'ৰা-ছোৱালী, ভতিজা-ভাগিন নাছিল অধ্যক্ষ মহোদয়। ডিমা-হাচাও এটা পিছপৰা অঞ্চলৰ পৰা এচ টি ৰ ছোৱালী যেতিয়া আহিছে তাৰ অৰ্থটো হ'ল যে চৰকাৰে বাস্তৱত পৰিৱৰ্তনৰ চিন্তা তথা কাম কৰিছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো কৈছে যে সমাজৰ অন্তিম মানুহক আমি পোহৰ দিব লাগিব। পণ্ডিত দীন দয়াল উপাধ্যায়ৰ যিটো অন্ত্যোদয়াৰ কথা কৈছিলে

সেইটো অকল ভাষণত কোৱা কথা নহয়, অকল কিতাপত পোৱা কথা নহয়, অন্ত্যোদয়াটো আমাৰ সন্মূখত হৈছে যে ডিমা-হাচাওৰ সাতজন ল'ৰা-ছোৱালীয়ে এইবাৰ এ পি এচ চিত চিলেকশ্যন পাইছে। যেতিয়া পৰিচয় দাঙি ধৰিছিলে তেতিয়া গম পোৱা গৈছিলে যে বাৰ বছৰ ভেঞ্চাৰ স্কুলত কাম কৰা ল'ৰা এটা চিলেকশ্যন হৈছে। তাৰ অৰ্থটো হৈছে যে merit has been given performance over recommendation। চাকৰি পইচা লৈ দৰদাম কৰি বিক্ৰী হোৱা নাই, merit ৰ ভিত্তিত চাকৰি পাই ডিমা-হাচাও, লখিমপুৰ, ধেমাজিৰ ল'ৰা-ছোৱালীয়ে কালি তাত বহি মুখ্যমন্ত্ৰীৰ লগত সাক্ষাৎকাৰ কৰি আছে আৰু এইটো এদিনত হোৱা পৰিৰ্বতনৰ কথা নহয় অধ্যক্ষ মহোদয়। What is human security? পুলিচ লগাই এটা পলিটিকেল চিকিউৰিটী হয়। কিন্তু আটাইতকৈ প্ৰয়োজনীয় যিটো চিকিউৰিটী সেইটো হৈছে সামাজিক চিকিউৰিটী। How the social security will come? খাবলৈ চাউল নাই, থাকিবলৈ ঘৰ নাই, বিজুলী বাতিৰ যোগান নাই, পঢ়িবলৈ কিতাপ নাই, পিন্ধিবলৈ ইউনিফৰ্ম নাই, হস্পিতালত ডাক্তৰ নাই, মেডিচিন নাই তেনেহ'লে সামাজিক চিকিউৰিটী ক'ৰ পৰা হ'ব অধ্যক্ষ মহোদয়। Hon'ble Speaker Sir, for the first time I am looking at the Budget, it is addresing to the cause of Social Security. আজি চৰকাৰে প্ৰণামজ্যোতি আঁচনি আনিছিল সেই কথাটো ঠিকেই আছে। বিধৱা সকলক এককালীন ২৫ হাজাৰ টকাৰ সহায় আৰু ৬০ বছৰ নোহোৱালৈকে ২৫০ টকা প্ৰতিমাহে দিয়াৰ যিটো আঁচনি অনা হৈছে, বহুতে ক'ব পাৰে ২৫০ টকা কম হয়। ২৫০০ টকা প্ৰত্যেক মাহে দিব পাৰিলে মই আৰু বেছি গৌৰৱ অনুভৱ কৰিম আৰু যদি কেতিয়াবা ২৫০০ টকা দিব লাগে, এই চৰকাৰে যিধৰণে কাম কৰি আছে ১০ বছৰ পিছত যিটো বাজেট আহিব হয়তো তাত ২৫০০ টকা দিয়াৰ ক্ষমতা চৰকাৰৰ হৈ যাব। এই চৰকাৰে বৃদ্ধ পেঞ্চণৰ নামত ভেকো ভাওঁনা কৰা নাই। আমি ইয়াত বহি থকা প্ৰায়খিনিয়েই নতুন বিধায়ক। বৃদ্ধ পেঞ্চনৰ কাৰণে আমাৰ ওচৰলৈ বহুত মানুহ আহে। যিজনে বৃদ্ধ পেঞ্চন দিয়ে তেওঁক এদিন মই মাতি আনিলো আৰু বৃদ্ধ পেঞ্চন দিবৰ কাৰণে কলো। তেতিয়া ক'লে যে চৰকাৰে কোটা ধাৰ্য্য কৰি দিছে আমি ৭৫ জনৰ ওপৰত দিব নোৱাৰো। তেতিয়া ক'লে যে কোনোবা এজনৰ মৃত্যু হ'লে তেখেতৰ নামটো কাটি অন্য এজনৰ নামটো ভৰাব লাগিব। এইবাৰ পাই থকা ৫ জনীৰ নাম কাটি অন্য ৫ জনীৰ নাম ভৰাব পৰা যাব। এবছৰ পিছত আকৌ পাই থকা ৫ জনীৰ নাম কাটি অন্য ৫ জনীৰ নাম ভৰাব পৰা যাব। এই বিলাক কিমান দুখ লগা কথা। দুখীয়া মহিলাক ২৫০ টকা দিয়াৰ ব্যৱস্থাও কৰিব পৰা নাই। আমি সকলোৱে আহি মুখ্যমন্ত্ৰী ডাঙৰীয়াক ক'লো। তেখেতেও কথাটো উপলব্ধি কৰিলে। তেখেতৰ এই অভিজ্ঞতা আমি কথা কোৱাৰ কাৰণে অহা নাই। অসমৰ জাতীয় জীৱনত ৩৫ বছৰ শদিয়াৰ পৰা ধুবুৰীলৈ, জোনাইৰ পৰা শিলচৰলৈ ঘূৰি, গাঁৱে গাঁৱে মানুহৰ লগত কথা পাতি ভুমিৰ লগত সম্পৰ্ক মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো অনুভৱ কৰিছিল তাৰ মাধ্যমত তেখেতে সিদ্ধান্ত ললে যে অসমৰ প্ৰত্যেকজন বৃদ্ধক যি দল, ধৰ্ম, বৰ্ণ, জাতি, অঞ্চলৰেই নহওঁক কিয় প্ৰত্যেকজন বৃদ্ধক ২৫০ টকাকৈ মাহত বৃদ্ধ পেঞ্চন দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিছে। এতিয়া কাৰোৰেই নাম কাটিব নালাগে। এতিয়া কোনোবা এজন বৃদ্ধই বৃদ্ধ পেঞ্চন পাবৰ কাৰণে অন্য এজন বৃদ্ধ মৰিব নালাগে। এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিলে। বৃদ্ধৰ কোনো এ পি এল বা বি পি এল নাই অধ্যক্ষ মহোদয়, বৃদ্ধ সদায় বৃদ্ধই। এ পি এল বা বি পি এল চাই বৃদ্ধ বৃদ্ধ নহয়। আমিও এটা সময়ত বৃদ্ধ হ'ম। তেতিয়া এ পি এল বা বি পি এল, মন্ত্ৰী বা এম এল এ চাই বৃদ্ধ নহওঁ। বৃদ্ধ অৱস্থাত যদি মানুহৰ পকেটত ২৫০ টকাও আহে, যেতিয়া এই ২৫০ টকা নিজাকৈ খৰচ কৰিব পাৰো তেতিয়া এটা

স্বাভিমান আহে। যেতিয়া নাতিৰ কাৰণে দুটা চকলেট, নিজৰ কাৰণে দুটা দৰৱ আত্ম-স্বাভিমানেৰে কিনিব পাৰে তেতিয়া ২৫০ টকা ডাঙৰ কথা নহয় আৰু গাওঁৰ দুখীয়া বৃদ্ধৰ কাৰণে এই ২৫০ টকাই ডাঙৰ। অধ্যক্ষ মহোদয়, বহুত বাৰ আমাক কোৱা হয় সবকা সাথ, সবকা বিকাশ। ক'ত সবকা সাথ হৈছে আৰু ক'ত সবকা বিকাশ হৈছে? যোৱাকালি বাজেটত সৰকা সাথ, সৰকা বিকাশ দেখিবলৈ পোৱা গৈছে। সৰকা সাথ, সৰকা বিকাশ হৈছে- সকলোকে লগত ল'ব লাগে, সকলোৰে মঙ্গল কৰিব লাগে আৰু সকলোকে নাৰায়ণ আৰু জনাৰ্দন বুলি ভাবিব লাগে আৰু এই চিন্তাৰে যোৱাকালি চৰকাৰে যি কাম কৰিলে সেই কামটো হ'ল সংখ্যালঘু অঞ্চলত থকা ভণ্টিহঁতৰ বাবে জলপানিৰ আঁচনি দিলে। মই ভাৱো পিছপৰা চৰ-চাপৰি অঞ্চলৰ আমাৰ দুখীয়া-দৰিদ্ৰ মুছলিম ভণ্টিহঁতো এতিয়া উচ্চ শিক্ষাৰ সপোন দেখিব পাৰিব। চৰকাৰে আজিকালি Creation of Development Corporation Indegenious Muslim কৰিছে। মই ভোটৰ কথা ক'ব খোজা নাই আৰু কোনেও ভুল বুজিব নালাগে, অধ্যক্ষ মহোদয়। খিলঞ্জীয়া মুছলমানৰ অৱদান আছে। কিন্তু তেখেতসকলৰ কথাটো কোৱা নহয়। ভোটৰ কথা এইকাৰণেই ক'ব খোজা নাই যে খিলঞ্জীয়া মুছলমানৰ সংখ্যা ইমানেই কম যে ভোটৰ কথা তেওঁলোকৰ লগত পাতিব নোৱাৰি। কিন্তু চৰকাৰে তেখেতসকলক লগত লৈ তেখেতসকলৰ অসমীয়া জাতীয় জীৱনত যিটো অৱদান তাৰ বাবে চৰকাৰে Development Corporation বনাই এশ কোটি টকা দিয়াৰ কথা কৈছে। সেইটোৱেই হৈছে, সৰকা সাথ, সৰকা বিকাশ। মোৰ সমষ্টিত চাহ জনগোষ্ঠীৰ সংখ্যা বহুত বেছি। চাহ জনগোষ্ঠীৰ লোকসকল সুদূৰ ঝাৰখণ্ড, তেলেংগণা, ছত্তিশগড় আদি অঞ্চলসমূহৰ পৰা তেওঁলোকক ট্ৰেইন আৰু কেজত ভৰাই আনিছিল। এই কথাটো আমি কোনোও দেখা নাই। কিন্তু আমি শুনিছো। তেখেতসকলৰ প্ৰায় ১৬০-১৭০ বছৰ হ'ল। সকলোকে এটা লাইনে চিন্তা কৰিব কম যে জেনেৰেশ্যনৰ পিছত জেনেৰেশ্যন চাহ বাগিছাত চাহ শ্ৰমিক হিচাপে কাম কৰি থাকিল। চাহ বাগিচা এটা উদ্যোগ হয়। ১৬০-১৭০ বছৰ চাহ শ্ৰমিক হৈ থকাৰ পিছতো তেওঁলোকৰ নিজৰ থাকিবলৈ এটা ঘৰ নাই। বৃটিছে বৃটিছ লাইন বনাই গৈছিল আজিও সেই বহুত বাগিচাত মানুহখিনি একেধৰণে একে ঘৰতে আছে। তেওঁলোকৰ বাবে শিক্ষা-দীক্ষা, খোৱা পানী, ৰাস্তা-ঘাট, চিকিৎসা আদিৰ কোনো ব্যৱস্থা নাই। তেওঁলোক একে অৱস্থাতে আছে। বৃটিছে আগতে তেওঁলোকক কানি খুৱাইছিল আৰু বৃটিছ যোৱাৰ পিছত যোৱাৰ সময়ত মালিকসকলক শিকাই থৈ গ'ল যে এতিয়াতো কানি খুৱাব নোৱাৰিব কাৰণ কানিটো বেগু হৈ গৈছে। সেয়েহে কানিৰ ঠাইত নিমখ খুৱাব শিকাইছিল আৰু বাগানৰ শ্ৰমিকক ৰাতিপুৱাৰ পৰা চাহৰ লগত যিমান চাহপাত দিয়ে সিমানে চাহৰ লগত নিমখ দিয়া হয়। এবাৰ মই বাগানলৈ যাওঁতে দেখিছিলো যে ট্ৰেক্টৰৰ পিচফালে ডাঙৰ ডাঙৰ ড্ৰাম লগাই দিছে আৰু তাৰ ভিতৰত প্লাষ্টিকত গৰম চাহ নিমখ আছে আৰু যিয়ে যিমান খাব খোজে তেওঁলোকক সেই হিচাপে চাহ আৰু নিমখ পানী দিয়া হয়। মই তেতিয়া সুধিছিলো আৰু গম পালো যে এনেদৰে চাহৰ লগত নিমখ পানী খুৱাই এই বাগানৰ লোকসকলৰ মস্তিষ্কটো এনেকুৱা কৰি পেলালে যে তেওঁলোকে বাগানৰ চাৰিসীমাৰ বাহিৰে অন্য কোনো কথা চিন্তা কৰিব নোৱাৰে। চেনী বোলা বস্তুটো তেওঁলোকে পাহৰি গ'ল। মইয়ো খাই চাইছিলো আৰু মুখত লৈ পেলাই দিলো। সাগৰৰ লুণীয়া পানীতকৈও বেচি নিমখীয়া পানী তেওঁলোকক খুৱাই থাকে যাতে মালিকসকলৰ বাবে বাগানত কাম কৰি থাকিব পাৰে। প্ৰথমবাৰৰ বাবে যোৱা তিনি বছৰত আমাৰ চৰকাৰে ভোটৰ স্বাৰ্থত নহয়, পৰিকল্পিতভাৱে অসমৰ সোতৰ শতাংশ লোক চাহ জনগোষ্ঠী যিটো ইয়াৰ আগতে কেতিয়াও হোৱা নাছিল। তেওঁলোকৰ উন্নয়ণৰ কথা চিন্তা কৰিছে। ইয়াৰ আগতে অসমত বসবাস কৰা চাহ জনগোষ্ঠী আৰু চাহ শ্ৰমিক সকলৰ

সকলো  দায়িত্ব চাহ মালিক সকলৰ হাতত আছিল। আগতে কৈছিল যে তেওঁলোকৰ বাবে Plantation Labour Act আছে। তাত কেৱল তেওঁলোকৰ ওৱেলফেয়াৰৰ কথা চিন্তা কৰা হ'ব। শিক্ষা-দীক্ষা, খোৱা পানী, ৰাস্তা-ঘাট, চিকিৎসা আদিৰ কোনো ব্যৱস্থা কৰা হোৱা নাছিল । কাৰণ গোটেই ব্যৱস্থাটো আগতে বৃটিছে কৰিছিল আৰু বৃটিছ যোৱাৰ পিছত কোম্পানী সমূহক গতাই দিলে যে কোম্পানীয়ে কৰিব। বাতৰিত মই পঢ়ি আহিছো যে এইবাৰ বাজেটখন ভোট কেন্দ্ৰিক বাজেট হৈছে, Election gimmick বুলি কৈছে। যদি অসমৰ পিছ পৰা প্ৰৱঞ্চিত, লুণ্ঠিত, উপেক্ষিত, চাহ জনগোষ্ঠীৰ লোকসকলক কিবা দিবৰ বাবে কোনোবাই যদি চৰকাৰক Election gimmick বুলি অপ-প্ৰচাৰ চলাই বা criticise কৰে এইটোও ভাল কথা। পোনপ্ৰথম বাৰৰ বাবে চাহ শ্ৰমিক সকলৰ ঘৰত বিজুলীৰ ব্যৱস্থা কৰা হৈছে। প্ৰত্যেকখন বাগানত এক কোটিকৈ টকা দিছে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিতো বাগান আছে আৰু আপুনি জানে। আপোনাৰ যোৰহাট জিলা এখন উন্নত জিলা। তাত থকা বেচিভাগ চাহ শ্ৰমিকৰ অৱস্থা মই উন্নত বুলি ধৰি লৈছো। কিন্তু যিসকল শ্ৰমিক নৰ্থ বেংক বা নামনি অসমত আছে, তেঁওঁলোকৰ অৱস্থা আপুনি দেখিলে গম পাব। চৰকাৰে এই কাম নিজে কৰিছে বুলি মই ক'ব বিচৰা নাই। There is a great initiative from the Hon'ble Speaker of this House. দুই দিন আপুনি ইয়াত আলোচনা কৰিবলৈ দিলে আৰু বিষয়াসকলেও গম পালে যে চাহ জনগোষ্ঠী সকলক পিচপেলাই ৰাখিব নোৱাৰো বা বন্ধক বনাই ৰাখিব নোৱাৰো। তেখেত সকলৰ উন্নয়নৰ কথা তেওঁলোকে চিন্তা কৰিব লাগিব।

.পোন প্ৰথম বাৰৰ বাবে চৰকাৰে ১০ হাজাৰ নিবনুৱা ল'ৰাক ২৫ হাজাৰ টকাৰ এককালীন সাহায্য, Skill development, school uniform, জলপানি তথা evening tea ৰ ব্যৱস্থা কৰি দিব। অধ্যক্ষ মহদোয়, বহুতে কয় যে এই পদক্ষেপবোৰ election কেন্দ্ৰীক। কিন্তু, অধ্যক্ষ মহোদয়, প্ৰতি বছৰেই election হয়, ২০১৮ চনত পঞ্চায়ত election হৈছিল, ২০১৯ চনত লোকসভাৰ election হ'ব, ২০২০ চনত Town Committee, Municipality election আৰু ২০২১ চনত বিধান সভাৰ নিৰ্বাচন হ'ব। প্ৰত্যেক বাজেটৰ আগত বা পিছত নিৰ্বাচন হ'ব। গতিকে প্ৰত্যেকখন বাজেটকে election budget বুলি ক'ব নেকি? অসমত ২০২১ চনতহে বিধান সভা নিৰ্বাচন হ'ব, তথাপিও চৰকাৰে অসমৰ ১৭% চাহ-জনগোষ্ঠী লোক অৰ্থাৎ ২০ লাখ beneficiary ক বিনামূলীয়া চাউল দিয়াৰ যিটো ব্যৱস্থা কৰিছে, মই ভাৱো এই পদক্ষেপৰ দ্বাৰা চৰকাৰে ভগবানৰ নাম লৈ দুখীয়া লোকৰ বাবে যিটো মহৎ কাম কৰিছে তাৰ বাবে মই চৰকাৰ তথা বিত্ত মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো। তাৰোপৰি এটা কথা উপলব্ধি কৰা উচিত যে, ১৭% চাহ-জনগোষ্ঠীৰ এজনো IAS আজিলৈ অসমৰ পৰা হোৱা নাই আৰু যদি হৈছেও মই নাজানিব পাৰো। কোনোবাই যদি জানে মোক ক'ব। অধ্যক্ষ মহোদয়, এই গোটেই যিটো empowerment হৈছে, This is a social empowerment, this is social justice, social inclusion, social growth and this will bring in harmony, development, prosperity and equality. তেতিয়াহে সমাজখন যে একতাৰে আছে সেইটো আমি ক'ব পাৰিম। যদি এচাম মানুহক আমি সদায় একো নিদি পিছ পেলাই দুখীয়া কৰি ৰাখো, তেওঁলোকে সদায় চাহ-পাত ছিঙি থকাটোৰেই বিচাৰি আনচামক আগবাঢ়ি যোৱাটো বিচাৰো, তেন্তে সমাজখন কেতিয়াবা ভাল হ'বনে অধ্যক্ষ মহোদয়? তাৰ বাবে আমি equality আনিবই লাগিব আৰু চৰকাৰে equality অনাৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছে এই ক্ষেত্ৰত চৰকাৰক

ধন্যবাদ দিবই লাগিব।

**माननीय অধ্যক্ষঃ** সদন ২ বজাত স্থগিত কৰা হ'ব গতিকে আপুনি ২ বজাৰ ভিতৰত যদি শেষ কৰিব বিচাৰে, তেন্তে আপুনি আপোনাৰ মূল point কেইটা কওঁক আৰু যদি ২ বজাৰ পিছতো কয় তেন্তে ক'ব পাৰে।

**শ্রী অশোক সিংহল (ঢেকিয়াজুলি) ঃ** অধ্যক্ষ মহোদয়, আজি যিহেতু সুযোগটো পাইছো, গতিকে ক'বলৈ বিচাৰিছো।

অধ্যক্ষ মহোদয়, কথা ক'লেই যদি empowerment আহিলেহেঁতেন তেন্তে ৰাজনীতিবিদতকৈ ভাল কথা কোনেও ক'ব নোৱাৰে আৰু সেয়েহে কথা ক'লে যে empowerment হ'ব তেনে নহয়। কাৰণ ৭০ বছৰ মানুহে কথা কৈ কৈ পাৰ কৰিলে কিন্তু empowerment নহ'ল। Empowerment যদি হয় তেন্তে এই বাজেটৰ মাধ্যমেৰে হ'ব। চৰকাৰে মেট্রিক পাছ কৰা প্রত্যেকজন ছাত্র-ছাত্রীক ১০ হাজাৰ টকা দিয়াৰ ঘোষণা কৰিছিল, গতিকে এয়াহে empowerment and this will empower the deprived tea garden people. এই বাজেটত কৃষকৰ বাবেও বহুত কথা কোৱা হৈছে অধ্যক্ষ মহোদয়। এই বাজেটখনৰ বিষয়ে যদি মোক এটা শাৰীত ক'ব দিয়ে তেন্তে মই ক'ম যে-এই বাজেটৰ মাধ্যমেৰে অসমৰ জাতীয় জীৱন, কলা-সংস্কৃতি, সভ্যতা, কৃষ্টি, সাহিত্য, শিক্ষা, যুৱ-প্রজন্মই নতুন প্রাণ পাব আৰু জীৱন্ত হৈ উঠিব। ইমান মহান বাজেট এখন অসম চৰকাৰৰ মুখ্যমন্ত্রীৰ নেতৃত্বত বিত্ত মন্ত্রী ডাঙৰীয়াই দাঙি ধৰিছে। ই জাতিটোক আগুৱাই লৈ যাব পাৰিব।

আহোম স্বৰ্গদেউ সকলে নির্মাণ কৰি থৈ যোৱা দেৱালয়বোৰক জীৱিত কৰি ৰখাৰ বাবে বিগত চৰকাৰৰ সময়চোৱাত কোনো ধৰণৰ কাম কৰা হোৱা নাছিল। কিন্তু এই দেৱালয়বোৰক জীৱিত ৰখাৰ বাবে পোন প্রথম বাৰৰ বাবে এইখন চৰকাৰে প্রত্যেকখন দেৱালয়লৈ ২ লাখকৈ টকা দিয়াৰ ধাৰ্য কৰিছে। ইয়াৰ দ্বাৰা অসমীয়া জাতীয় জীৱনৰ প্রাণকেন্দ্র জাগ্রত হৈ উঠিব। অধ্যক্ষ মহোদয়, আপুনি ৰাণীৰ ফালে গ'লে দেখিব তাত এখন বহুত পুৰণি দেৱালয় আছে । ৰাণী অঞ্চলত ৫০০০ বিঘা মাটি আছিল, কিন্তু সেই মাটিখিনি চৰকাৰে অধিগ্ৰহণ কৰি ল'লে। আগতে immunity ৰ নামত দেৱালয়খনলৈ ৩০০ টকা দি থকা হৈছিল, কোনো সু-ব্যৱস্থা নাছিল। এই দেৱালয়খনৰ অৱস্থা অতি জৰাজীৰ্ণ হৈ পৰিছে, কিন্তু, আজি চৰকাৰে ২ লাখ টকা ধাৰ্য্য কৰা বাবে নিশ্চিত ভাৱে ই প্রাণ পাই উঠিব।

Employment ৰ ক্ষেত্ৰত চৰকাৰে বহুত initiative লৈছে । তাৰ ভিতৰত মই দেখা আটাইতকৈ ভাল initiative টো হ'ল যে-We will give an incentive to employers to the tune of Rs. 10,000 per local youth employed on the jobs. Simply put the meaning of this scheme is that, you employ one local youth in your organization and get an incentive of Rs. 10,000 from the State Govt. অর্থাৎ direct টকা দিয়া নাই, ঘোচ দিয়া নাই বা নিবনুৱা ল'ৰাৰ হাতত টকা দিয়া নাই। ইয়াৰ দ্বাৰা বাহিৰৰ পৰা ল'ৰা-ছোৱালী আনি কাম দিয়াৰ যি প্রবঞ্চনা কৰা হয়, মই ভাৱো এই আঁচনিটো তথা এই incentive দিয়াৰ পিছত ই নিশ্চিত ভাৱে ৯০% হ্রাস হ'ব।

অধ্যক্ষ মহোদয়, ভাৰতৰ প্রধান মন্ত্রী মোডী ডাঙৰীয়াই ভাৰতৰ বাবে এটা ডাঙৰ সপোন দেখিছে আৰু ডাঙৰ কাম কৰিবলৈ হ'লে ডাঙৰ সপোন দেখিবই লাগিব। ডাঙৰ সপোন দেখিবলৈ

হ'লে সৎ সাহস, ইচ্ছা, দৃঢ়তা, কৰ্তব্যনিষ্ঠা থাকিব লাগিব। ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিলে যে ২০২২ চনৰ ভিতৰত ভাৰতত থকা প্ৰত্যেকজন মানুহক পকী ঘৰ বনাই দিয়া হ'ব আৰু এই ঘোষণা কেৱল ঘোষণাই হৈ থকা নাই, প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ নামত আজিৰ সময় ছোৱাত প্ৰতিটো জিলাত হাজাৰ হাজাৰ ঘৰ নিৰ্মাণৰ কাম চলি আছে। মধ্যবিত্ত মানুহ, দুখীয়া মানুহ, সপোন [illegible] Home Loan লৈ কৰবাত অলপমান মাটি লৈ ঘৰ কিনিছে বা কিনিব বিচাৰিছে। যি সকলে ৪০ লাখ টকালৈ Flat বা নিজৰ ঘৰ বনোৱাৰ বাবে Home Loan লৈছে, তেখেতসকলক ২.৫০ লাখ টকাৰ এককালীন সহায় চৰকাৰৰ তৰফৰ পৰা কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** এতিয়া সদন বিয়লি ৩-৩০ বজালৈ স্থগিত ৰখা হ'ল।

**মাননীয় অধ্যক্ষ ঃ এতিয়া শ্ৰী অশোক সিংহাল।**

**শ্ৰী অশোক সিংহাল (ঢেকীয়াজুলি ) ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। মই কৈ আছিলো যে ২০১৪ চনত দিল্লীত ভাতৰবাসীয়ে ৩০ বছৰৰ মুৰত single majority Government.প্ৰতিষ্ঠা হ'ল। এই চৰকাৰৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই এটা বিপ্লৱী চিন্তাৰে ভাৰতবৰ্ষৰ প্ৰত্যেকজনক ২০২২ চনৰ ভিতৰত পকীঘৰ নিৰ্মাণ কৰি দিয়াৰ এটা চিন্তা কৰিলে। সচাঁ অৰ্থত এইটো টো সপোন আছিল। ২০১৪ চনত যেতিয়া এইটো কথা কোৱা হ'ল তেতিয়া এইটো সপোন যেনেই লাগিছিল। কিন্তু লাহে-লাহে আমি দেখিলো এখনৰ পিছত আনখন গাওঁত পকীঘৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ল। তেওঁলোকে বিভিন্ন আচঁনিৰ জৰিয়তে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীন আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনা চহৰ তাৰ অন্তৰ্গত ঘৰ দুখীয়া মানুহক বনাই দিবৰ বাবে গ্ৰামীনত ১.৫ লাখ টকাকৈ আৰু ২.৫ লাখ টকা চহৰ অঞ্চলত দিয়া আৰম্ভ কৰিলে। তাৰ উপৰিও যিসকলে Flat কিনে, তেনেকুৱা economically weaker section ৰ কাৰণে সহায় হ'ল। আমি যিটো সপোন বুলি ভাৱিছিলো যোৱা চাৰে চাৰি বছৰত সেইবোৰ এতিয়া দিঠকত পৰিণত হোৱা দেখা গৈছে। ভাৰতৰ ১৮ শতাংশ গাওঁত বিজুলী নাছিল, প্ৰায় ৪০ শতাংশৰো অধিক ঘৰত ৰন্ধন গেছৰ ব্যৱস্থা নাছিল, মানুহৰ Bank Account নাছিল। এনেকুৱা ধৰণৰ বহু সৰু সৰু লাগতীয়াল কথা প্ৰধানমন্ত্ৰী ডাঙৰীয়াই চিন্তা কৰিলে। তেখেতে ভাৰতৰ দুখীয়া শ্ৰেণীৰ মানুহৰ উন্নতিৰ কথা চিন্তা কৰিলে।

অধ্যক্ষ মহোদয়, আমি যদি চাওঁ, এই বাজেট যেতিয়া পঢ়া হৈছিলে তেতিয়া মই শুনিবলৈ পাইছিলো, যিসকলে বাজেটখনক নিৰ্ব্বাচনমূখী কৈ আছে আৰু ফুলজাৰি বুলি কৈ আছে, এই বাজেটখন যেতিয়া খুলিব , তেতিয়া আপোনালোকে উপলব্ধি কৰিব যে, this budget is a budget of a sensitive Government. Sensitivity আছে এই বাজেটখনত। ইয়াৰ ভিতৰত এটা সৰু কথা মই কওঁ, বগীবিল দলং হোৱাৰ পাছত যিবিলাক নাৱৰীয়াই নিজৰ সংস্থাপন হেৰুৱালে তেওঁলোককো এটা সহায় আগবঢ়োৱাৰ কথা চিন্তা কৰা হৈছে এই বাজেটখনত। আমাৰ চৰকাৰে মানুহৰ অন্তৰখন স্পৰ্শ কৰিব পাৰিছে। ইয়াত কোনো নিৰ্ব্বচনৰ কথা নাই। This is called sensitivity.ইয়াত কাকো বাদ দিয়াৰ কথা চিন্তা কৰা নাই। হিন্দু, মুছলমান,খ্ৰীষ্টান , পাৰ্চি বা জৈন হওক কাকো বাদ দিয়াৰ কথা চিন্তা কৰা নাই। যেতিয়া অসম দৰ্শণৰ কথা আহে, অসম দৰ্শণৰ অৰ্থটো হ'ল ইতিহাস, অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথা, গুৰুজনে আগবঢ়াই নিয়া জাতীয় জীৱনৰ কথা। ইয়াৰ লগত যেতিয়া বাহিৰৰ tourist সকলৰ পৰিচয় হ'ব, তেতিয়া তেখেতসকলে উপলব্ধি কৰিব যে, আজিৰ পৰা প্ৰায় ৫৬০ বছৰ আগত মহাপুৰুষ গুৰুজনাই অসমৰ জাতি জনগোষ্ঠীক

একাকাৰ কৰি যি বৃহৎ অসমীয়া জাতিৰ নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। অকল জাতি নিৰ্মানেই নহয়, গুৰুজনে নামঘৰৰ মাধ্যমত যি ব্যৱস্থা আমাৰ মাজত দি গ'ল এই ব্যৱস্থাটোৱে আজিও গুৰুজনাৰ মহত্ব বজাই ৰাখিছে। perfectly ক'বলৈ গলে কোনোবা এজন আমেৰিকান মানুহে ইয়াত যদি ভালদৰে অধ্যয়ন কৰে, তেখেতে ক'ব যে বিশ্বত বহুত ধৰণৰ scientist হৈছে, engineer হৈছে, কিন্তু আমাৰ গুৰুজন মহাপুৰুষ শংকৰদেৱ is the best of the best scientist and social engineer who included everything under one umbrella. এই কথাটো কিন্তু অসম দৰ্শণৰ জৰিয়তে বাহিৰৰ মানুহ আহি উপলব্ধি কৰিব আৰু জানিব যে গুৰুজনে কিমান ডাঙৰ ডাঙৰ মহান কাম কৰি গৈছে।

গুৰুজনাক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰাৰ কাৰণে আমাৰ চৰকাৰে যি কাম হাতত ল'লে, আজি বটদ্ৰৱা সত্ৰই হওক বা মাজুলীৰ সত্ৰ সমূহেই হওক, এইবিলাকক আগবঢ়াই নিয়াৰ কাৰণে আৰ্থিক অনুদান এটা অবিৰল আচঁনি বুলি আমি ক'ব পাৰো। চৰকাৰে যেতিয়া মহাবীৰ লাচিত আৰু চিলাৰায় সেঁতুৰ কথা কৈছিল সকলোৱে ভাৱিছিল ক'ত ইমান দলং হ'ব? কিন্তু এতিয়া অধ্যক্ষ মহোদয়, সমষ্টিয়ে সমষ্টিয়ে প্ৰতিযোগীতা আৰম্ভ হৈছে। আমাৰ নিচিনা দুৰ্ভগীয়া বিধায়কসকলৰ তাত আগতে কাঠৰ জৰাজীৰ্ণ দলং আছিলে টাউনৰ ভিতৰত। কিন্তু এতিয়া কাঠৰ দলং বিচাৰিবৰ কাৰণে আপুনি কমিটি বনাব লগা হ'ব । সেইদিনা মোৰ সতীৰ্থ বিধায়ক কিশোৰ ডাঙৰীয়াই ক'লে যে তেখেতৰ তাত প্ৰায় ৪০ বছৰৰ পৰা এটা সেঁতু নিৰ্মাণৰ deamand চলি আছিলে। এইবাৰ চৰকাৰে দিলে আৰু যথেষ্ঠ ডাঙৰ পুল দিলে। এইটোৰ কাৰণে আমাৰ চৰকাৰে শ্ৰেষ্ঠতা পাব লাগে বুলি কোৱা নাই। চৰকাৰে কাম কৰিলে শ্ৰেষ্ঠতা পাবই। কিন্তু ইয়াৰ দ্বাৰা আমাৰ অসমে নিজৰ ভৰিত থিয় দিব পাৰিছে লাখুটি লৈ থিয় হ'বলগা হোৱা নাই। তাৰ যদি প্ৰমাণ আপোনাক লাগে, সেই প্ৰমানটো হ'ল আমি দলং বনাবলৈ সক্ষম হৈছো। মই আগতেই কৈ গৈছো যে বেলেগ ৰাজ্যই যিমান খৰছ কৰিছে, তাতকৈ আমি ৩ শতাংশ বেছি PWD Department ৰ দলং আৰু ৰাস্তা নিৰ্মাণত খৰছ কৰি আছো।

Cancer care য়েই কওক বা Hospital ৰ কথাই কওক, এই চৰকাৰ অহাৰ আগলৈকে ইয়াতমাত্ৰ ৬ খন Medical College আছিল। মোৰ তথ্য ভুল হ'ব পাৰে , মন্ত্ৰী ডাঙৰীয়া যিহেতু ইয়াত আছে তেখেতে শোধৰাই ল'ব পাৰিব। এই চৰকাৰ অহাৰ পাছত দুবছৰ আঠ মাহৰ ভিতৰত সাত খন নতুন Medical College ৰ আধাৰশিলা কৰা হ'ল। ১৯৪৭ -২০১৬ মাত্ৰ ৬ খন Medical College. AIIMS ৰ কথাটোলৈ তো মই অহাই নাই। এইটো প্ৰধানমন্ত্ৰী ডাঙৰীয়াই অসমবাসীক দিয়া এটা উপহাৰ। অধ্যক্ষ মহোদয়, চৰকাৰৰ সদিচ্ছা আছে। Chartard Accontant এজনে মোক যোৱাকালি ক'লে যে অকল বাজেটখনেই ভাল হোৱা নাই, ইয়াত push and pull policy এ কাম কৰি আছে। মই তেখেতক ক'লো কথাটো মোক বুজাই দিয়কচোন। তেওঁ ক'লে যে বহু কাম আপোনালোকে লেহেমীয়া কৰিলে কেন্দ্ৰীয় চৰকাৰৰ মোদী ডাঙৰীয়াই push কৰে। তেতিয়া আপোনালোকে টানিবলৈ বাধ্য হয় আৰু বহু কাম আপোনালোকে push কৰে আৰু তেওঁলোকে কৰিবলৈ বাধ্য হয়। এই যি push and pull policy চলি আছে , দুইফালে যেতিয়া অসমক ভালপোৱা চৰকাৰ আছে , দহবছৰত আগতে য'ত এটা Medical College আহিছিলে, এতিয়া আঢ়ৈ বছৰত ৭ টা Medical College ৰ আধাৰশিলা হ'ল। এইটো নিৰ্বাচনৰ কথা নহয় অধ্যক্ষ মহোদয়, যি সকল পিচপৰা অঞ্চলৰ পৰা আহে তেখেত সকলে জানে মেডিকেলৰ অৱস্থা। এটা কিবা বেমাৰ হ'লে ২০০ কিঃ মিঃ গাড়ী চলাই গুৱাহাটী মেডিকেল

কলেজলৈ আহিব লগীয়া হৈছিল। এতিয়া মোটা-মোটি ৫০, ৬০ কিঃ মিঃ দুৰে দুৰে এই ৭ খন মেডিকেল কলেজ হোৱাৰ পাছত যিদিনা অসমত ১৩,১৪ খন মেডিকেল কলেজ হ'ব, ৪০,৫০ কিঃ মিঃ দূৰে দূৰে, অসমে গৌৰৱ কৰিব পাৰিব, আৰু মই ভাবো Government Medical College এই ৭ খন মেডিকেল কলেজ হোৱাৰ পাছত অসমত আটাইতকৈ বেছি শতকৰা মেডিকেল কলেজ থাকিব। AIMS ৰ কথা মই নকওৱেই। AIMS টো আছেই। এতিয়া অধ্যক্ষ মহোদয় চৰকাৰেটো Zero Tax Budget এখন দিলে। ক'তো নতুন Tax লগোৱা নাই। বিত্ত মন্ত্ৰীয়ে নিজে কলে যে মই কোনো Tax লগোৱা নাই। Tax নলগাইও ৰেহাই কিন্তু দিছে, নতুন কাৰোৰ পৰা অনা নাই, ননাকৈ মই পইচাটো দিছো। তাৰ অৰ্থটো হ'ল, হয় এইটো যাদু হ'ব লাগিব, নহয় এইটো Financial prudency হ'ব লাগিব। তাৰ বাহিৰেটো বেলেগ হ'ব নোৱাৰে। বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেট যেতিয়া দাঙি ধৰিলে, এই বাজেট দাঙি ধৰোতে তেখেতে Small Tea Growers ক ৩ বছৰৰ কাৰণে Tea Tax ৰ পৰা ৰেহাই দিলে। এই ৰেহাই পোৱাৰ পাছত বহুত সকাহ ক্ষুদ্ৰ চাহ খেতিয়কে পাব। এতিয়া অধ্যক্ষ মহোদয় আপুনি প্ৰশ্ন কৰিব পাৰে, যে এই পইচা বিলাক ক'ৰ পৰা আহিছে? এই পইচাটো কেনেকৈ আহিছে? এই পইচাটো কোনে আনি দিছে? এই প্ৰশ্ন বিলাক মানুহৰ মনলৈ অহাটো স্বাভাৱিক। অধ্যক্ষ মহোদয় মই সৰু এটা খতিয়ান ইয়াত দাঙি ধৰিব খুজিছো, যে অধ্যক্ষ মহোদয়, ২০১৫-১৬ Total State Own Tax Revenue, এটা গুৰুত্বপূৰ্ণ কথা অধ্যক্ষ মহোদয়, ২০১৫-১৬ ত State Own Tax Revenue ১০ হাজাৰ কোটি টকা আছিল। আৰু এতিয়া যিটো বাজেট এষ্টিমেট কৰা হৈছে, ২০১৮-১৯ ৰ কাৰণে এইটো ১৭ হাজাৰ ৪শ ৫২ কোটি টকা কৰা হৈছে। তাৰ অৰ্থটো হ'ল আমাৰ internal accruals বিলাক বাঢ়িছে। Internal Accruals বিলাক এক দিনতে বঢ়া নাই অধ্যক্ষ মহোদয়, আৰু যদি ইয়াত Internal Accruals বিলাক বঢ়াটোকে যদি আমি উন্নয়নৰ লগত আমি জড়িত কৰি চাওঁ, তেতিয়া আপুনি চাব অধ্যক্ষ মহোদয় যে ১৫-১৬ ত MV Tax যিটো আছিল, ৪৪২ কোটি টকা আছিল। কিন্তু এই বছৰৰ যিটো বাজেট, তাত প্ৰায় ৭৩০ কাটি টকা সংগ্ৰহ হ'ব বুলি ধৰিছে, তাৰ অৰ্থটো হ'ল ৩০০ কোটি টকা Extra সংগ্ৰহ হ'ব ১৬ চনত যিমান সংগ্ৰহ হৈছিল তাতকৈ। তাৰ অৰ্থটো হ'ল ৭০% Extra সংগ্ৰহ হ'ব। হয়তো ৭০% গাড়ী ক্ৰয় কৰাৰ মানুহৰ সংখ্যা বৃদ্ধি পাব, ৭০% উন্নয়নৰ কাম বেছি হৈছে, তাৰ কাৰণে Motor Vehicle Tax টো বাঢ়িছে। আৰু তেনেকৈ বহুত বেলেগ বেলেগ tax বিলাক বাঢ়ি গ'ল। এটা নতুন কথা মই এই বাজেটত দেখিবলৈ পালো আৰু এই নতুন কথাটো হ'ল, যে বাজেটত GST ত যিটো দিছিল ৪০ হাজাৰ টকা । তেওঁলোকে registration কৰিব নালাগে, ১৫০ কোটি টকালৈকে Composite Scheme ত যাব পাৰিব। কিন্তু biggest benefit মই কওঁ ভাৰতৰ biggest Tax Reform GST যিটো হ'ল, বহুতো ডাঙৰ ডাঙৰ নেতাই গব্বৰ সিং Tax কৈছিল, কিন্তু এই GST হোৱাৰ কাৰণে অসমৰ নিচিনা State আটাইতকৈ বেছি লাভৱান হৈছে। কিয় আমি consuming State আছিলো। State share ত GST যিটো collection য'ত আমি আগত Excise ত যিটো পইচা collection হয়। পইচাটো আমি পোৱা নাছিলো। Service Tax যিটো Collection হৈছিল সেই পইচা আমি পোৱা নাছিলো। ইয়াতে ও আমি share পোৱা আৰম্ভ হ'ল অধ্যক্ষ মহোদয়। মই ধন্যবাদ জনাব খুজিছো প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক যে GST ৰ নিচিনা এটা Tax reformকৰি অসমৰ নিচিনা পিচপৰা এখন ৰাজ্যক আপুনি আগবঢ়াই ললে। আৰু যিটো বাজেট দিলে যে চৰকাৰ হৈ চৰকাৰে যিটো খৰছৰ হিচাব ললে, প্ৰতি বছৰে প্ৰায় ১০ হাজাৰ ১২

হাজাৰ কোটি টকা বাজেট expenses বাঢ়ি গৈছে, এইটো কোনো কাগজত লিখা কথা নহয়। বাস্তৱ অৰ্থত যিটো expenses হৈছে আমি, I am talking on the actual expenses that has already happened in the Budget আৰু প্ৰত্যেক বছৰ ১০ হাজাৰ কোটি টকা expenses বাঢ়ি গৈ আছে। যিটো Capital expenses ১৬ ত যেতিয়া চৰকাৰ হৈছিল, -৩.২% আছিলে, আজি Total Budget ৰ ১৯% Capital Expenditure হৈ আছে। That means, we are creating the Assets and we are taking the Assam forward. I feel this is a progressive Budget. This Budget is looking to a new generation. এই কথাটো কৈ মই শেষ কৰিব খুজিছো যে Forbes Magazine য়ে এটা কথা কৈছে অধ্যক্ষ মহোদয়, যে আজি যিবিলাক ব্যৱসায় বানিজ্য চলি আছে, আজি যিটো চিন্তাৰে মানুহে কাম কৰি আছে, আজি যি বিলাক চাকৰি আছে, অহা ২০ বছৰৰ ভিতৰত 75% of this services, 75% of this Job will vanished and it will be replaced by a new kind of a Job.উবেৰৰ যিটো কথা কলে, artificial Intelligence ৰ যিটো কথা কলে, চৰকাৰে নতুন নতুন চিন্তাৰ নতুন নতুন কামৰ যি ব্যৱস্থা হাতত লৈছে তাত অসম অগ্ৰণী হ'ব বুলি মই ভাবো।

সৰ্বে সন্তো সুখীনাহা, স্বৰ্বে সন্তো নিৰাময়া
সৰ্বে ভদ্ৰানি প্ৰস্যন্তু মা কদাচিৎ দুখ বাট ভৱেৎ।।

এই চিন্তাৰে চৰকাৰে যিটো কাম কৰিছে, সকলোৰে মংগল হওঁক সকলোৰে সুস্থ থাকক , সকলোৰে আগবঢ়াৰ সুযোগ পাওঁক, সকলোৰে জীৱনত অমৃতময় হৈ থাকক সকলোৰে ধৰ্মৰ মাৰ্গত চলি সৎগতি পাওঁক সকলোৰে মানুহৰ সমাজৰ মাজত মিলা প্ৰীতিৰে থাকক Equility থাকক, সমানে হৈ থাকক

দুখীয়াইয়ো এটা সুযোগ পাওঁক, পঢ়াশুনা কৰাৰ সুযোগ পাওঁক। এই চিন্তাৰে চৰকাৰে যিটো বাজেট আনিছে, চৰকাৰক মই ধন্যবাদ দি নিজৰ কথা শেষ কৰিব বিচাৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ**- ধন্যবাদ এতিয়া ভৰেন ভড়ালী। কালিলৈ ক'ব। মামুন ইমদাদুল হ'ক চৌধুৰী।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰীৰ বাজেট ভাষণৰ যি বিতৰ্কত, সেই বিতৰ্কত ভাগ লোৱাৰ সুযোগ দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছো, বিভিন্নজনৰ বিভিন্ন চিন্তাধাৰা। সেই কাৰণেইটো আমি মানুহ। One mans floor is another mans roof এজনৰ কাৰণে যদি floor বুলি ধৰা যায়, সেই একেটাই কাৰোবাৰ কাৰণে ছাল বুলি ধৰা হয়। এতিয়া অলপ আগতে আমাৰ শাসক পক্ষৰ মাননীয় বিধায়ক এগৰাকীয়ে খুব গভীৰ ভাবে তেওঁ বাজেটক defence কৰিছে। দৰকাৰো আছে কাৰণ তেওঁ শাসক পক্ষৰ বিধায়ক। তাৰ কাৰণে আমি বেয়া পোৱা নাই। তেখেতে কৈছে ছাৰ, চচমা লগাই বস্তু বিলাক চাবলৈ । চচমা লগোৱাৰ বয়স হোৱা নাই, তথাপিও ছাৰ চচমা লগাই চালো যে মাননীয় মুখ্যমন্ত্ৰী তথা আমাৰ বিধান সভাৰ leader of the House, তেখেতে প্ৰায়েই প্ৰদূষণমুক্ত অসমৰ কথা কয়। মই এই কথাটো কম বুলি ভৰা নাছিলো। কিন্তু যেতিয়া শাসক পক্ষৰ বিধায়কে চচমা লগাই বাজেটখন চাব কলে। মই চালো যে গুৱাহাটীত polution ৰ পৰিমান কিমান ? যিহেতুকে গুৱাহাটীৰ পৰা গোটেই অসমখন পৰিচালিত হয়, মাননীয় বিধায়ক, আমাক যি সকলে সমালোচনা কৰিছে, বিৰোধী পক্ষই চচমা লগাই চাব লাগে, তেখেতৰো ঘৰ গুৱাহাটীত। গতিকে গুৱাহাটীৰ recent polution Status টো কি ? মই চচমা লগাই চাই ছাৰক কৈ আছো। বিভিন্ন ধৰণৰ polution আছে ছাৰ,

Air polution ,water polution , Sound polution যদি আমি Air polution টো চাওঁ Air polution জোখা হয় Air quality Index. ইয়াৰে Minimum Air quality Index থাকিব লাগে, 234 AQI, Maximum হ'ব লাগে 437 AQI, Average হ'ব লাগে 303AQI, Average হ'ব লাগে 303AQI. যোৱা ২৯, তাৰিখে গুৱাহাটীত, AQI আছিলে 318 তাৰমানে আমাৰ যিটো average rate 303 AQI তকৈ 318,15 AQI বেছি। তাৰমানে আজিৰ তাৰিখত গুৱাহাটীত Poluted area record য়ে কয়। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক জড়িত কৰিব নিবিচাৰো, আপুনি নিৰপেক্ষ মানুহ। তথাপিও মই এটা যোৰহাটৰ দাতা দিওঁ। Water polution সম্পৰ্কত চাৰ, Democracy one of the finest art and best equipation of the word আমি যেতিয়া ইয়াত বহো, ইজনে সিজনক আমি সমালোচনা কৰাৰ অধিকাৰ আছে। এই চচ্‌মা শব্দটোৰ কাৰণে মই এই polution টো কৈ আছো, নহ'লে মই নক'লোহেঁতেন। আমি যি পানী খাওঁ, তাত Bereau of Indian Standards in 1991recommended as said limit of arsenic 0.01miligram per litre of drinking water.আমি যি পানী খাওঁ, বা পানী সেৱন কৰো, PHE Minister আছে, তেখেতে জানিব কথাটো যে 0.01miligram per litre ত Bereau of Indian Standards য়ে Recommend কৰিছে, এইটো আমি খাব পাৰো। আৰচেনিক থাকিলে অসুবিধা নাই। কিন্তু চাৰ, আপোনাৰ যোৰহাটত194 to 657 miligram per litre. অকল্পনীয়। মোৰ লক্ষীমপুৰত আৰচেনিকৰ পৰিমাণ কিমান, 52, 550 miligram per litre,আৰু নগাওঁত 112 to 601 miligram per litre, নলবাৰীত106 to 422 miligram per litre. গতিকে চৰকাৰৰ খনৰ এটাভাল শ্লো'গান আছিল, সেই শ্লো'গান criticise কৰা নাই। চৰকাৰ খনৰ এটা ভাল শ্লো'গান আছিল পলিউশ্যন মুক্ত, প্ৰদুষণ মুক্ত অসমৰ কথা কৈছিল আৰু প্ৰদুষণৰ অৱস্থা চাৰ এইটো। এটা ৰেকৰ্ড, মই দুটা লাইন পঢ়ি দিম, Survey conducted by Assam Remote Sensing Application Centre Guwahati, alongwith Space Reserch Centre Ahmadabad. তেওঁলোকে Survey কৰি পাইছিলে আমাৰ অসমত three thousand five hundred thirteen wait lands, wait lands মানে জলাহ, ঘৰুৱা ভাষাত। এই three thousand five hundred thirteen wait lands, ৰ ভিতৰত thirteen hundred sixty seven wait lands poluted. এইটো picture. গতিকে চচমা লগাই চায় দেখিলো যে চৰকাৰখন polution ত খুব ব্যৰ্থ হৈছে আৰু বাজেটত polution সম্পৰ্কে চৰকাৰে যি খুব এটা বিশেষ ধৰণৰ ঘোষণা পত্ৰও দিয়া নাই। Polution সম্পৰ্ক ত বাজেটত page 85 ত কিছু কথা লিখিছে কিন্তু Polution Control সম্পৰ্কে কোনো পলিচি কোৰা নাই। সন্ত্ৰাসমুক্তৰ কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কয় ভাল শ্লো'গান, কাৰণ সন্ত্ৰাসবাদ থাকিলে শান্তি নহব, প্ৰগতি নহব। কিন্তু এই সন্ত্ৰাসবাদৰ যিসকলে already আলোচনাত আছে তেখেতসকলৰ কাৰণে চৰকাৰখনে স্বাৱলম্বন বুলি এট আঁচনি ৰূপায়ণ কৰি আছে, good step. কিন্তু চাৰ, যদিএতিয়াও অসমত ১৩ টাকৈ উগ্ৰপন্থী সংগঠনে দপদপাই আছে আৰু ১৩ টা উগ্ৰপন্থী সংগঠন চৰকাৰৰ লগত আলোচনা প্ৰক্ৰিয়াত জড়িত হৈ আছে সেইকেইটাৰ কাৰণে স্বাৱলম্বন আঁচনি। বাকী যি ১৩ টা উগ্ৰপন্থী সংগঠন অসমত বৰ্তমান সক্ৰিয় হৈ আছে তেওঁলোকক আলোচনা প্ৰক্ৰিয়াত আনাৰ কাৰণে কিন্তু চৰকাৰ আজিলৈকে সফল হোৱা নাই, চৰকাৰৰ আধা কাৰ্য্যকাল পাৰ হৈ গুচি গ'ল। যি ১৩ টা উগ্ৰপন্থী সংগঠনৰ লগত চৰকাৰৰ আলোচনা চলি

আছে এই কেইটাৰ কাৰণে কিন্তু বৰ্তমানো চৰকাৰে কৃতিত্ব দাবী কৰিব নোৱাৰে। কাৰণ এই উগ্ৰপন্থী সংগঠন কেইটা আগৰ চৰকাৰৰ লগতেই আলোচনা প্ৰক্ৰিয়াৰ লগত জড়িত, আগৰপৰাই। যি ১৩ টা উগ্ৰপন্থী সংগঠন জড়িত হৈ আছে মই চচ্‌মা লগাই দেখিলো ৰাজ্যপালৰ ভাষণৰ page 24 ত লিখা আছে। No. 1 KPLT, NLFB, ADF, NSLA, UDLF, BRAU, TLA, UPLA , UGPO,UPRF, KLF ULFA (Independent) NDFB (S). এই ১৩ টা উগ্ৰপন্থী সংগঠন চৰকাৰৰ লগত আলোচনাত নাই, সক্ৰীয়। কিন্তু চৰকাৰখনে সন্ত্ৰাসমুক্ত অসমৰ কথা কৈছিলে তাত কিন্তু চাৰ, চৰকাৰখন ব্যৰ্থ হৈছে আৰু এই বাজেটখনতো কোনো এই সৰ্ম্পকত কোনো policy নাই। অসম চুক্তি অবিহনে Governor Speech এ কওঁক, বাজেটে কওক আমি কোনো কথাই কল্পনা কৰিব নোৱাৰো Since 1985. আৰু অসম চৰকাৰখন গঠন হোৱাৰ আগত এইটো এটা ডাঙৰ তেওঁলোকৰ শ্লো'গান আছিল অসম চুক্তিৰ সফল ৰূপায়ণ। আমি already Govrnor speech ত কিছু কথা কৈছো। আজি সেইবিলাক কথা দোহাৰিব বিচৰা নাই। চৰকাৰখনে অসম চুক্তিৰ সম্পৰ্কত কেইটামান কথা page 77 বাজেটত কৈছে। এতিয়া চাৰ, আমি যদি চাওঁ, একদম খুব কম সময়ত এতিয়ালৈকে সাতজন মাননীয় মন্ত্ৰীয়ে অসম চুক্তি ৰূপায়ণ দপ্তৰ চম্ভালিছে 1985 ৰ পৰা তাৰে শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, আকৌ প্ৰফুল্ল কুমাৰ মহন্ত, ড০ জয়নাথ শৰ্মা, ডাঃ ভুমিধৰ বৰ্মন, ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বৰ্তমান শ্ৰী সৰ্বানন্দ সোনোৱাল মাননীয় মুখ্যমন্ত্ৰী নিজেই। এই সাতজন ব্যক্তিয়ে অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী আছিল। এতিয়া ইয়াত কোৱা হৈছে, অসম চুক্তি ৰূপায়ণ দপ্তৰৰ এটা গৃহৰ কথা কোৱা হৈছে, বহুত কিবাকিবি কথা কোৱা হৈছে, এই সম্পৰ্কত মই চচ্‌মা লগাই গৈ দেখিলো, অসম চুক্তি দপ্তৰত কোটি টকাৰ শৰাধ। মই কোৱা নাই, অসমবাণীত ওলাইছে ফেব্ৰুৱাৰীৰ ১ তাৰিখত। খানাপাৰাৰ কাৰ্যালয় হ'ল গৈ ভূত বাংলো! সোনোৱালে খেদিলে ৯১ জন বিদেশী। ইয়াত ছাৰ, এই যে, অসম চুক্তি দপ্তৰৰ বিভাগটোৰ কথা কোৱা হৈছে ২০১৭-১৮ বিত্তীয় বৰ্ষত ১৬ কোটি ৭৬ লাখ টকা অসম চুক্তি ৰূপায়ণ দপ্তৰৰ বাজেটত ধাৰ্য্য কৰা হৈছে। ইয়াৰে ১ কোটি ৬৮ লাখ টকা অকল দৰমহাৰ বাবদ খৰছ কৰা হৈছিল। ২০১৭ চনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসম চুক্তি ৰূপায়ণ দপ্তৰৰ কাৰণে এটা বিৰাত ভৱন তেওঁ উন্মোচন কৰিছিল সেই অৱস্থাটোৰেই ইয়াত ওলাইছে। তাত যি কাৰ্যলয়ৰ যিটো setup আছিল, Principal এজন, Joint Secretary এজন, Under Secretary এজন, Superintandent এজন,UDA চাৰিজন, LDA দুইজন, Computer Assistance এজন, Gr.IV কেইবাজনো আছে। তাৰে মাত্ৰ এগৰাকী Computer Assistance আৰু এজন Gr.IV employee য়ে অসম চুক্তি দপ্তৰত বহে। Joint Secretary পৰ্যায়ৰ এজন বিষয়া মাহেকত মাত্ৰ এবাৰ দেখা কৰিবলৈ আহে। এই হ'ল চাৰ, অসম চুক্তি ৰূপায়ণ দপ্তৰৰ বিভাগৰ অৱস্থা আৰু বৰ্তমান অসম চুক্তিৰ বিৰুদ্ধে সকলোতকৈ বেচি কোৱা কথা মানুহজনে কিন্তু আগৰ চৰকাৰত অসম চুক্তিৰ ৰূপায়ণ দপ্তৰৰ মন্ত্ৰী আছিল আৰু বৰ্তমান মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াটো নিজেই, মই কৈ গ'লো। অসম চৰকাৰৰ মাননীয় এজন মন্ত্ৰী, আমি সকলোৱে জানো, যে অসম চুক্তিৰ মূল উদ্দেশ্যই আছিল অসমৰ পৰা বিদেশী বহিষ্কাৰ কৰা। যিহেতুকে চুপ্ৰিম কোৰ্টৰ প্ৰত্যক্ষ নিদেৰ্শনা এন আৰ চিৰ কাম চলি আছে আৰু প্ৰত্যেকজন অসমবাসীয়ে বিচাৰে once for all আজীৱনৰ কাৰণে এই বিদেশী সমস্যাটো শেষ হ'ব লাগে আৰু তাৰ কাৰণে চাৰ, এন আৰ চি প্ৰক্ৰিয়া অনা হৈছে। এন আৰ চি প্ৰক্ৰিয়া 2nd draft ওলোৱাৰ পিছত অসম চৰকাৰৰ মাননীয় এজন মন্ত্ৰী, যিজন মন্ত্ৰীয়ে বহুত বছৰ অসম চুক্তিৰ ৰূপায়ণ দপ্তৰৰ মন্ত্ৰী চম্ভালিছিল, তেখেত দিল্লীত তেওঁলোকৰ

দলীয় সভাত ভঙা ভঙা হিন্দীত কয়, যে ৪০ লাখ বোলে বিদেশী উলিয়াই দিলে। মই চাৰ হিচাপটো লৈ আহিছো। ১৯৮৫ চনত মাত্ৰ ১১ শ ৪২ জন, ১৯৮৬ চনত ১৬ শ ৫ জন, ১৯৮৭ চনত ২৩ শ ২ জন, ১৯৮৮ চনত ৩২ শ ২৮ জন, ক'লে চাৰ, বহুত দীঘলীয়া হৈ যাব। একদম ১৯৮৫ চনৰ পৰা আৰম্ভ কৰি ২০১৮ চনলৈকে আছে। Details কৈ মই কাকো আমনি দিব বিচৰা নাই। এইটো চাৰ, official record. এতিয়া কথাটো হ'ল কি, অসম চুক্তিৰ কথা কৈ চৰকাত আহি, অসম চুক্তি ভংগৰ কাৰণে কাম কৰি আছে চৰকাৰখনে, এন আৰ চি প্ৰক্ৰিয়া চুপ্ৰিম কোৰ্টৰ Supervision ত হৈ আছে। চবেই এন আৰ চি প্ৰক্ৰিয়াক স্বাগতম জনাইছে, চবেই মনে প্ৰাণে অন্তকৰণৰে বিচাৰে যে বিদশী সমস্যাটো সমাধান হওঁখ। কাৰণ সিদিনা আমাৰ মাননীয় দলপতি কাচিমী চাহাবে কৈ গৈছে যে, এই সমস্যাটোৰ কাৰণে অসম বহুত পিছুৱাই গৈছে। যিমান শক্তি, ধন এইটোত অপচয় হৈছে এইটো বেলেগ কামত খৰছ কৰা হ'লে অসম বহুত আগুৱাই গ'ল হয়। গতিকে তেওঁ কেনেকৈ জানিলে যে ৪০ লাখ মানুহক বাহিৰ কৰি দিয়া হ'ল আৰু গাটেই ভাৰবৰ্ষক এটা wrong message দিয়া হ'ল। নিৰ্দিষ্ট এটা জাতি-জনগোষ্ঠীক target কৰি। গতিকে মোৰ দৃষ্টিত অসম চুক্তি সম্পৰ্কিত কথা কবলৈ গ'লে মাননীয় মন্ত্ৰীজনে চুপ্ৰিম কৰ্টোকো violate কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ দায়িত্ব হ'ল সকলোকে লৈ সকলোকে সমানভাৱে চায় ৰাজ্য শাসন কৰা। চাৰ, চব কা চাথ চব কা বিকাচ যিটো কোৱা হয় সেইটো আচলতে brand হ'ব নালাগে। এইটো চৰকাৰৰ দায়িত্বও। মাননীয় বিত্ত মন্ত্ৰী মহোদয়, পাক্কা পলিটিছিয়ান, তাত কোনো সন্দেহ নাই। তেখেত যিমান নেতা তাতকৈ বহুত বেছি ভাল অভিনেতা। বৃদ্ধ পেঞ্চন দিয়াক লৈ অলপ আগতে শাসক দলৰ এজন মাননীয় বিধায়কে ১৫ মিনিট ভাষণ দিলে। আমি বেয়া পোৱা নাই। এতিয়া ভাৰতৰ আন আন ৰাজ্যত বৃদ্ধ পেঞ্চন কিমানকৈ দিছে মই এখন লিষ্ট লৈ আহিছো। মই এই কাৰণে এই কথাকিনি কৈছো অধ্যক্ষ মহোদয় মাননীয় বিত্ত মন্ত্ৰী যিমান নেতা তাতকৈ বহুগুনে বেছি এজন অভিনেতা। কেতিয়া ক'ত কি ক'লে হাত তালি বাজিব তেখেতে ভালকৈ জানে। যেতিয়া তেখেতে বৃদ্ধ পেঞ্চনৰ সংখ্যা-- ৭ লাখৰ পৰা ১৪ লাখলৈ কৰিছে বুলি জোৰকৈ ক'লে হাত তালিত গোটেইখন ৰজনজনাই গ'ল। কিন্তু টকা দিলে কিমান? মাত্ৰ ২৫০ টকা। অধ্যক্ষ মহোদয় - ২৫০ টকাত কি হ'ব? আন্দামান-নিকোবৰৰ দৰে এখন সৰু Union Teritory য়ে বৃদ্ধ পেনঞ্চন মাহে ২০০০ টকা দিছে। দিল্লীয়ে দিয়ে ২০০০ টকা , গোৱাই দিয়ে ২০০০ টকা, পুডুচেৰীয়ে দিয়ে ২০০০ টকা। আনকি আমাৰ অৰুণাচলৰ দৰে এখন দুখীয়া ৰাজ্যও ১৭০০ টকা দিয়ে। আমি ইয়াত দিওঁ ২৫০ টকা। ২৫০ টকাটো লাহেকৈ কয় - কিন্তু ৭ লাখৰ পৰা ১৪ লাখৰ বৃদ্ধি কৰাৰ সংখ্যাটো খুব জোৰকৈ কয়। তেওঁ কৈছে যে, বৃদ্ধ পেঞ্চন পাব, মেডিচিন কিনিব। এতিয়া কোনটো মেডিচিন ২৫০ টকাত পাব। মই কনডেম কৰিব খোজা নাই কিন্তু আচলতে এইটো বৃদ্ধ পেঞ্চনৰ নামত এটা অপমান। ২৫০ টকাত আজিৰ দিনত কোনো পৰিয়াল নচলে, এইটো অবান্তৰ কথা। আৰু এটা কথা কৈছে ছাৰ - Social Security. মই আগতে কৈছো ছাৰ, বিত্ত মন্ত্ৰী ডাঙৰীয়াই খুব ভাল ভাষণ দিব জানে। চোচিয়েল চিকিউৰিটি সম্পৰ্কত আগৰ বক্তা গৰাকী প্ৰায় ১ ঘন্টা ৪০ মিনিট ভাষণ দিছে। আমাৰ দলৰ পৰা আৰু দুইজনে ক'ব সেই কাৰণে মই বেছি সময় নলওঁ। Starred Question- 91 - Social Security. সম্পৰ্কত বাজেটত কিছু কথা কোৱা হৈছে। কিন্তু ভাৰত চৰকাৰৰ এখন আইন আছে- The unorganised Workers Social Security Act 2008. এইটো কিন্তু ছাৰ অসমত পুংখানুপুংখভাবে implement হোৱা নাই। Social Security কোনবিলাক মানুহক লাগে, একেবাৰে দুখীয়াতকৈও দুখীয়া মানুহক লাগে। Domestic Worker, Unskilled

Labour - শ্ৰমিক, ঠেলাৱালা, ৰিক্সাৱালা- কাৰোবাৰ ঘৰত কাম কৰা- বাচন ধোৱা , কাৰোবাৰ ঘৰত ৰান্ধনি কাম কৰি আছে এইবিলাক মানুহক Social Security লাগে। এইটো দৃষ্টিভঙ্গীত ২০০৮ত Central Govt.য়ে Social Security Act খন আনিছিল। এই Act খনৰ আধাৰত আমাৰ অসম চৰকাৰে Assam Domestic Workers, Social Security Scheme বুলি ২০০৮ত এখন আঁচনি লৈছিল। ইয়াত যিখিনি কথা কোৱা হৈছে অলপ দীঘলীয়া। কাগজত লিখিবলৈ ভাল আৰু ভাষণ দিবলৈও ভাল কিন্তু কাৰ্য্যক্ষেত্ৰত সম্পূৰ্ণ ওলোটা। এইকথাবিলাক মই এইখন বাজেটত প্ৰতিফলিত হোৱা দেখা নাই। এইখন চৰকাৰে চোচিয়েল চিকিউৰিটি আঁচনি ৰূপায়ণৰ বাবে এটা কমিটি বনাইছিল। এক্সিকিউটিভ বডিত কোন কোন থাকে মই মেম্বাৰখিনি কৈ দিছো। Senior most Secretary, Labour Welfare Department তেখেত Chairman Ex -officio Chairman, Labour Commissioner, Assam, Labour Welfare Dept, Member Secretary , Ex-officio Member Secretary Financial Adviser , Labour and Welfare Dept, Member Deputy Labour Commissioner, Assam, Member Director, Social Welfare Member, Director, Health and Family Welfare- Member, F A O_ Member, Representative of Employees / registered placement Agency - Member ৫ জন থাকে । Representative of Employees Union- ইয়াত ৫ জন থাকে। Member representative from Insurance Company- 3 জন থাকে। এতিয়া কথাটো হ'ল ছাৰ- আমাৰ বিধায়ক ডাঙৰীয়াই কৈ গ'ল- নাৰৰীয়াৰ কথাটো Reflect হৈছে। আমি ভাল পাইছো। সৰু মানুহৰ কথাও চিন্তা কৰা হৈছে- কিন্তু এখন চিঠি আছে - অসম সচিবালয়ৰ - Labour & Welfare Department ৰ পৰা। তেওঁলোকে এটা ফিক্সড ৰেট ঠিক কিৰিছে। Social Security Act ৰ আণ্ডাৰত যিসকলে মানুহে কাৰাবাৰ ঘৰচ হাউচ কিপিং কাম কৰে, ৰন্ধা বঢ়া কৰে। ধোৱাপখলা কৰে তেওঁলোকৰ বাবে Per Hour- 30 টকা। যিসকলে Cooking কৰে তেওঁলোকৰ ৩৫ টকা । এইটো চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিছে। এইটো যদি আমি মাহেকত হিচাপ উলিয়াও অধ্যক্ষ মহোদয়, Domestic Workerৰ বাবে 7200.00 পৰে। Body Care আৰু Old age care ৰ বাবে ৮৪০০ টকাকৈ পৰে। এইটো কাগজত পোৱাহে কথা। এইটো আজিলৈকে ক'তো ৰূপায়ণ হোৱা নাই। ৰূপায়ণ হ'ব লাগিব বুলি অসম চৰকাৰে কোনো ধৰণৰ আইন কানুন বনোৱা নাই। উক্ত নিৰিখত যিটো চৰকাৰে বান্ধি দিয়ে সেই হিচাপে দিলেও এই টকাৰে আজিৰ দিনত কোনো পৰিয়ালে চলিব নোৱাৰে অধ্যক্ষ মহোদয়। সেই কাৰণে আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো চৰকাৰক যে এই মানুহখিনিৰ এটা proper Survey হ'ব লাগে। বহু মানুহ আজি কাৰোবাৰ নহ'লে কাৰোবাৰ ঘৰত পৰিচাৰক-পৰিচাৰিকাৰ কাম কৰি আছে এই মানুহখিনিৰ কথা আজি কোনেও চিন্তা কৰা নাই। এই মানুহখিনিকতো জীৱনধৰাণৰ বাবে নিম্নতম মজুৰিখিনি লাগে মহোদয়, চোচিয়েল্ চিকিওৰিটি লাগে, তেওলোকৰ লৰা - ছোৱালীখিনিকতো পঢ়িবলৈ সুবিধা দিব লাগে। অসমত বিভিন্ন ক্ষেত্ৰত Survey হয়, এই ক্ষেত্ৰতো চাৰ্ভে হ'ব লাগে। কোনো Policy Govt. ৰ নাই। গতিকে ৫০ টকা যদি পাৰ আৱাৰ কৰা হয় তেন্তে অলপ বাঢ়ি ১২-১৪ হাজাৰকৈ মাহেকত পৰিব। গতিকে মিনিমাম ইউচেজৰ এই কথাটো চৰকাৰে ভাবিব লাগে। আৰু অধ্যক্ষ মহোদয় Budgetত এইটো Include কৰিব লাগে কাৰণ গৰীবতকৈও গৰীৱ এই মানুহখিনিৰ কোনো Shelter ৰ Provision নাই অথচ চোচিয়েল

চিকিউৰিটি এক্টে কৈছে এই মানুহখিনিক Shelter দিব লাগিব। Old age protection ৰ কোনো Govt Policy চৰকাৰৰ নাই । ক্ষেত্ৰত এই কথাটো চৰকাৰে আনিব লাগে। Maternity Benefit পোৱাৰ ক্ষেত্ৰতো এই মানুহখিনিক চৰকাৰে হেল্প কৰিব লাগে। এই মানুহখিনিৰ ল'ৰা-ছোৱালী যেতিয়া স্কুলত যায় তেওঁলোকৰ লৰা ছোৱালীক এডমিশ্যনৰ ক্ষেত্ৰত পৰ্য্যাপ্ত সা সুবিধা চৰকাৰে দিব লাগে। অকল এই খন চৰকাৰকেই মই দোষাৰোপ কৰা নাই ইয়াৰ আগৰ কোনো এখন চৰকাৰে তেওঁলোকৰ কথা ভবাৰ প্ৰয়োজন বোধ কৰা নাই। Accident হৈ ঢুকালে তেওঁলোকৰ কোনো Insurance provision নাই। এই মানুহখিনি ঢুকাই Funeral Prayer ৰ বাবে তেওঁলোকৰ খৰচ নাথাকে। এই ব্যৱস্থাটো চৰকাৰৰ ফালৰ পৰা হ'লে ভাল। Social Secutity Act এইবোৰ আছে কিন্তু এইবোৰ Implement হোৱা নাই কাৰণ অসমত তেনেকুৱা আইন বনোৱা হোৱা নাই। ১৯৯১ চনৰ পৰা globalisation আৰম্ভ হৈছে, তেতিয়াৰ পৰাই সাধাৰণ মানুহে বাজেটৰ কথাবিলাক বুজি পোৱা হৈছে, গুৰুত্ব সহকাৰে লৈছে। ১৯৯১ চনৰ পৰা আজি ২০১৯লৈকে যদি চৰকাৰৰ ৰেকৰ্ড চায় তেতিয়া এটা কথা পৰিস্কাৰ হয় ইলেকশ্যনৰ আগত খুব প্ৰলোভনমুখী বাজেট দিছে। সেই চৰকাৰবিলাক কিন্তু বৰ বেয়াকৈ Election ত হাৰি গৈছে। আৰু এক-ডেৰমাহ প্ৰতিক্ষা কৰক এই বাজেটৰ Reflection কি হয় চাব। গতিকে এইখন বাজেট নহয় এইখন শাসক পক্ষৰ Election Manifesto . গতিকে এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ - এতিয়া কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ:-** মাননীয় অধ্যক্ষ মহোদয়, আমাদের অর্থমন্ত্রী ২০১৯- ২০২০ সালের যে বাজেট পেশ করলেন, সেই বাজেট সম্বন্ধে আমি দু-চারটা কথা বলব। অধ্যক্ষ মহোদয়, ২০০১ সালে যখন অসমে আমাদের সরকার প্রতিষ্ঠিত হয়, তখন থেকে আজ অবধি যদি দেখা যায় তাহলে ২০০১ সালে আমাদের যে সমস্যা ছিল, বিভিন্ন সমস্যায় তখন জর্জরিত ছিল আমাদের এই রাজ্য। সেখান থেকে আমাদের সরকার ছিল ২০১৬ সাল পর্যন্ত এবং একটা নতুন পরিবেশ সৃষ্টি করা হয়েছিল রাজ্যে।

অধ্যক্ষ মহোদয়, এবারের বাজেটে আমরা কী দেখেছি? আমার কাছে গত তিনটি বাজেট আছে, ১৭-১৮, ১৮-১৯ এবং ১৯-২০সালের। আমি খুব ভালো করেই তিনটি বাজেট দেখেছি। একটি জিনিস দেখলাম, ২০১৮-১৯সালে যে কথাগুলো বলা হয়েছিল, তার অনেক কথা আবার ১৯-২০ সালে বলা হয়েছে। ১৯-২০ যেগুলো কথা বলা হয়েছিল, সেগুলো আবার ২০-২১ সালে বলা হয়েছে। এবারের বাজেটে ইনডিভিজুয়াল বেনিফিটের বিভিন্ন স্কিম অন্তর্ভুক্ত করা হয়েছে। আমার আগে বক্তা বলেছেন এটি নির্বাচনী ইস্তাহার। নির্বাচনের আগে নির্বাচনী বৈতরণী পার হওয়ার জন্য যে বাজেট পেশ করা হয়, সেরকম একটা বাজেট। এই বিধানসভায় আমাদের অর্থমন্ত্রী দাঁড়িয়ে বলেছিলেন যে 'এ ফর অসম', আমরা অসমকে দেশের পাঁচটি রাজ্যের মধ্যে শ্রেষ্ঠ রাজ্য হিসাবে গঠন করতে চাই। আমরা চাই নতুন দিগন্তের সূচনা হোক। আমরা চাই একটি বিকশিত অসম। যেগুলো ভালো-ভালো কথা বলা যায়, সুন্দর-সুন্দর কথা বলা যায়, যে কথাগুলি বললে মানুষের হৃদয় ছুঁয়ে যায়— সেই কথাগুলি বলেছিলেন। এবং বলেছিলেন যে তরুণ গগৈর সরকার গত ১৫ সাল ধরে ছিল। আমাদের সরকার থাকাকালীন বলা হয়েছিল যে ১০ হাজার টাকা, ১৫ হাজার টাকা, পাঁচ হাজার টাকা ইত্যাদি ইনডিভিজুয়াল বেনিফিটের যে প্রকল্প— সেগুলি প্রকল্প আমাদের বাজেটে দেখতে পারবেন না।

সেগুলো রেকর্ডে রয়েছে, আমার ব্যক্তিগত কথা নয়। বলা হয়েছিল, আমরা যে বাজেট দেব সেই বাজেটে থাকবে অসমকে যাতে ভারতবর্ষের মধ্যে একটা শ্রেষ্ঠ রাজ্যে পরিণত করা যায়, সেই দিশা।

কিন্তু আমরা এবারের বাজেটে কী দেখতে পেয়েছি, ইনডিভিজুয়াল বেনিফিট কাকে বলে ? এবারের বাজেটে নতুন কোনও কথাই নেই। করিমগঞ্জের মেডিক্যাল কলেজ, গতবার ছিল। সেটা এবার আবার লেখা হল যে মেডিক্যাল কলেজের কাজকর্ম শুরু করার জন্য প্রচেষ্টা চলছে। ২০১৭-১৮ বাজেটে বলা হয়েছিল প্ল্যানেটেরিয়ামের কথা, ২০১৮-১৯ সালে আবার বলা হচ্ছে সেই প্ল্যানেটেরিয়াম শিলচরে করা হবে। তার মানে কি ? অসমকে বিকশিত অসমে রূপান্তরিত করতে যেগুলো প্রজেক্ট হাতে নেওয়ার প্রয়োজন, সেই প্রজেক্টের কথা নেই বাজেটে। সম্পূর্ণ ইনডিভিজুয়াল বেনিফিট দিয়ে যাতে আমরা ভোট আদায় কৰতে পারি, সেটাই লক্ষ্য।

অধ্যক্ষ মহোদয়, দুঃখজনক ব্যাপার, লজ্জাজনক ব্যাপার। আমাদের কেন্দ্রীয় সরকারের পক্ষ থেকে বলা হয়েছিল যে বছরে ২ কোটি চাকরি দেওয়া হবে। একইভাবে অসম সরকারের ইলেকশন ম্যানিফেস্টতে বলা হয়েছিল যে ২৫ লক্ষ সরকারি চাকরি দেওয়া হবে। আমরা বর্তমানে কি দেখতে পেলাম ? সরকারি চাকরি তো দূরের কথা, প্রাইভেট কোম্পানিতে যদি অসমের ছেলেমেয়েদের নিযুক্তি দেওয়া হয় তাহলে সেই প্রাইভেট কোম্পানিকে টাকা দেওয়া হবে। তার মানেটা কি ? তার মানে হচ্ছে, আমাদের সরকারের হাতে কোন চাকরি নেই। আমরা ভাওতাবাজি রাজনীতি করেছিলাম। আমরা মিথ্যে কথা বলেছিলাম যে ২৫ লক্ষ চাকরি দেব। কিন্তু আমরা চাকরি দিতে পারব না, আমাদের হাতে কোনও চাকরি নেই, চাকরি দেওয়া সম্ভব হবে না। তাই তোমরা প্রাইভেট কোম্পানিতে চলে যাও। একদিকে প্রধানমন্ত্রী বলেন, তোমরা পকোড়ার দোকান খোল। অন্যদিকে বলা হয়, প্রাইভেট কোম্পানিতে যাও। তার মানে কি ? মুখে শুধু বড়-বড় কথা বললে হবে না। মুখে বড়-বড় কথা, আর কাজের সময় ইনডিভিজুয়াল বেনিফিট। কাজের বেলায় কিভাবে ভোট আদায় করা যায়, সেটা।

অধ্যক্ষ মহোদয়, একটা গুরুত্বপূর্ণ আজকের তথ্য। 'অ্যাডভানটেজ অসম'-এ ২০৭টি বোঝাবুঝি চুক্তি হয়েছিল। কিন্তু সরকারের কাছে তথ্য নেই যে কতটি কোম্পানি সেখানে বিনিয়োগ করবে। কোন কোন কোম্পানি সেখানে আসবে, টাকা বিনিয়োগ করবে, সেই তথ্য নেই। আচ্ছা বাদ দিন, আপনাদের সরকার নতুন, চাকরি দিতে পারছেন না, হয়তো বা অন্য কোন আর্থিক সমস্যা রয়েছে, সেটা আমরা মেনে নিলাম। কিন্তু আমাদের যেগুলি পুরনো প্রতিষ্ঠান, স্থানীয় শিল্প ছিল, বিশেষ করে নগাঁও পেপার মিল এবং কাছাড় পেপার মিল। ২০১৫ সালে বন্ধ হয় আমাদের কাছাড় পেপার মিল এবং ১০১৭ সালে বন্ধ হয় নগাঁও পেপার মিল। অধ্যক্ষ মহোদয়, ২৪ মাস থেকে কর্মচারীদের বেতন নেই। দুঃখ হয়। মুখ্যমন্ত্রীর কাছে তাদের ছেলেমেয়েরা এসে কেঁদে কেঁদে বলেছিল, আমরা পড়াশোনা করতে পারছি না। আমরা খেতে পারছি না। আপনি আমাদের টাকার ব্যবস্থা করে দিন, আমাদের সেলারি রিলিজ করে দিন। অধ্যক্ষ মহোদয়, সেই কাছাড় কাগজকল, নগাঁও কাগজকল সম্বন্ধে বাজেটে কোনও উল্লেখ নেই। আমরা বলেছিলাম স্টেট ফান্ড থেকে কিছু টাকা দিন, যাতে এই দুটো ইন্ডাস্ট্রিকে আমরা পুনরুজ্জীবিত করতে পারি।

অধ্যক্ষ মহোদয়, এখানে স্কিম দেওয়া হয় পাঁচ হাজার টাকা, আড়াই হাজার টাকার— মানে দিশাহীন একটা বাজেট। কোন দিশা নেই। কোনও নিয়ম-নীতি নেই। অসমকে কিভাবে একটা

সুন্দর অসমে গড়ে তুলতে পারব, সেদিকে কোন মনোনিবেশ নেই। অধ্যক্ষ মহোদয়, দুঃখ হয় যখন আমরা দেখি অসমের মানুষের সাথে রাজনীতি করা হয়। এখানে বলা হচ্ছে খিলঞ্জিয়া মুসলমানদের জন্য একটি করপোরেশন করা হবে এবং ১০০ কোটি টাকা দেওয়া হবে। অথচ দুদিন আগে বিধানসভায় আমরা জিজ্ঞেস করি যে খিলঞ্জিয়া কারা? মন্ত্রী মহোদয় বললেন, আমরা তো বলতে পারব না। সেটা তো নির্ধারণ করা হয়নি। তাহলে সেই টাকা আপনারা কাকে দেবেন? আর যদি এতই সংখ্যালঘুদের জন্য দরদ ছিল সংখ্যালঘু বোর্ডে আপনারা টাকা দিতে পারতেন। কিন্তু খিলঞ্জিয়া শব্দটি কেন? তার মানে হচ্ছে, পরে বলবেন যে না আমরা তো এখনও নির্ধারণ করতে পারিনি যে কারা খিলঞ্জিয়া, কারা অসমের ভূমিপুত্র। সে সব আমরা নির্ধারণ করতে পারিনি। তার জন্য আমরা সেই টাকাটা রিলিজ করতে পারলাম না।

একইভাবে অধ্যক্ষ মহোদয়, নাগরিকত্ব বিলে আমরা দেখতে পারলাম যে অসমের ৩০ শতাংশ মানুষকে ডিপ্রাইভ করা হচ্ছে। তাদের জন্য কোন কিছু নেই বাজেটে, বলা হচ্ছে শুধু নাগরিকত্ব বিলের কথা। আমি সকালবেলা দেখিয়েছি, সেই নাগরিকত্ব বিলের কোন জায়গায় লেখা নেই নাগরিকত্ব দেওয়া হবে বলে। সেই নাগরিকত্ব বিল দিয়ে আজ, বিশেষ করে বাঙালিদের কোন লাভ হবে না। শুধু রাজনীতির স্বার্থে আমরা কীভাবে ব্যবহার করতে পারি, সেটাই করা হচ্ছে। যদি সরকারের সদিচ্ছা ছিল তাহলে বলতে পারত, প্রথমে এন আর সি হতে দিন। এন আর সি হওয়ার পর ৫ লাখ, ৭ লাখ ১০ লাখ যে সংখ্যক মানুষ বেরোবে, তাদের জন্য কিছু একটা আইন প্রণয়ন করব। আমরা দেখেছি, এই নাগরিকত্ব বিল দিয়ে প্রায় ১৮৮ জন মানুষ উপকৃত হবে। তার থেকে বেশি মানুষ উপকৃত হবে না। আর সব চেয়ে বড় ব্যাপার হচ্ছে, এই নাগরিকত্ব বিল কার জন্য? যাদের ভোটার লিস্টে নাম নেই। আমার বিধানসভা কেন্দ্রে এক জনও লোক নেই। আমি তাদের জিজ্ঞেস করেছিলাম, ভোটার লিস্টে নাম নেই এরকম কত জন লোক রয়েছেন? ওরা বলেছে, আমাদের এখানে এরকম কোনও লোক নেই। অধ্যক্ষ মহোদয়, যাদের এন আর সি-তে নাম নেই, তারাও আমাদের কাছে আসে না। এসে বলে না যে আমাদের এন আর সি-তে নাম নেই, আমরা কী করব? ওরা বলছে, আমাদের নাম আসবে। আমাদের ভাই, কাকা সকলের নাম এসে গেছে, আমাদের নামও এমনিতেই আসবে। আমার পাঁচ ভাইয়ের নাম এলো এন আর সি-তে, আমার নাম এলো না। তাই পাঁচ ভাইয়ের নাম যখন এসেছে, আমার নাম কেন আসবে না, নিশ্চয়ই আসবে। তাই বিষয়টি হচ্ছে অধ্যক্ষ মহোদয়, যে কীভাবে আমরা রাজনীতি করতে পারি? রাজনীতি করে কীভাবে ভোট আদায় করতে পারি? আজ ইনডিভিজুয়াল স্কিম দিয়ে অসমকে কীভাবে পঙ্গু করা যায়, তার একটা পরিকল্পনা চলছে।

আমি ব্যক্তিগতভাবে খুশি অধ্যক্ষ মহোদয়। যেগুলি ভাল হয়েছে বলতে হবে, যেগুলি ভাল হয়নি সেটার সমালোচনা করতে হবে। আজ বরাকে ভাষা শহিদদের নামে স্মারক বানানো হবে। অধ্যক্ষ মহোদয়, সেটা খুশির বিষয়। কিন্তু একই সঙ্গে শিলচরে ভাষা শহিদ স্টেশন করার জন্য ২০১৬ সালের নয় নভেম্বর স্বরাষ্ট্র মন্ত্রক থেকে ক্লিয়ারেন্স এলো যে ভাষা শহিদ স্টেশন শিলচরে করা সম্ভব হবে। কিন্তু এখন অবধি মুখ্যমন্ত্রীর অফিসে ফাইল পড়ে রয়েছে, অথচ ভাষা শহিদ স্টেশনের জন্য যে নোটিফিকেশন বের করার কথা, আজ অবধি সেটা বের করা হয়নি। তাই অধ্যক্ষ মহোদয়, দুঃখ হয় যখন এই ধরনের রাজনীতি করা হয়। রাজনীতি করবেন, কিন্তু যে রাজনীতিতে মানুষের উপকার হয় না, সেই রাজনীতি আপনারা করবেন না। আমরা রাজনীতি করি মানুষের উপকারের জন্য, শুধু ভোটের জন্য রাজনীতি করি না। কিন্তু রাজনীতি করার জন্য কেউ যদি রাজনীতি করেন, তার চেয়ে

দুঃখজনক, লজ্জাজনক আর কিছু হতে পারে না।

মাননীয় অধ্যক্ষ মহোদয়, একটি পরিবেশ তৈরি করা হয়েছে। আমি একটু আগে বক্তব্য শুনতে পেয়েছি শাসক দলের আমার এক বন্ধুর, এই যে ব্রহ্মপুত্র নদী, সেটাও নাকি তৈরি হয়েছে বর্তমান সরকার ক্ষমতায় আসার পর। এর আগে কিছুই ছিল না অসমে, এই ব্রহ্মপুত্র নদীটাও হয়েছে সরকার আসার পর। অধ্যক্ষ মহোদয়, আমাদের সরকার যখন অসমে শাসনে এলো, তখন মাত্র ২০ হাজার স্কুল ছিল, আপনার জানা রয়েছে। গরুর গাড়ি ছিল, এমন এক পরিবেশ ছিল যে কয়েক জনের বাড়িতেই শুধু ফোনের কানেকশন ছিল। আজ কোন জায়গা থেকে কোথায় এসেছি আমরা? বিগত সরকারের আমলে কোন জায়গা থেকে রাজ্য কোন জায়গায় এলো, সেই কথাগুলি যদি অস্বীকার করি, তাহলে আমরা রাজনীতি করতে পারব না। এই ধরনের মানসিকতাকে ধিক্কার জানাই আমি।

অধ্যক্ষ মহোদয়, বাজেটে আমি দেখতে পেয়েছি, কলকাতায় থাকা ভূপেন হাজরিকার সম্পত্তি সংরক্ষণ করা হবে। এর জন্য সরকারকে ধন্যবাদ জানাই। সরকারের এই মানসিকতাকে আমি সাধুবাদ জানাই। ড. ভূপেন হাজরিকা, মানে ভূপেনদা যেভাবে মানুষের কথা বলে গিয়েছেন, মানুষকে এক করার কাজ করে গেছেন, বাঙালি, বিশেষ করে কলকাতার বাঙালি বলুন, অসমের বাঙালি বলুন— এই বৃহত্তর সমাজকে এক করার উনার যে প্রচেষ্টা ছিল, সত্যই সেটা প্রশংসনীয়। আমরা চাই, এই অসমকে একটি সুন্দর, বিকশিত অসমে পরিণত করতে। আমরা চাই 'বিবিধের মাঝে দেখ মিলন মহান'। আমাদের অসমে ৫২টি ভাষাগোষ্ঠীর লোক রয়েছে, সেই ৫২টি ভাষাগোষ্ঠীর লোককে একত্রে নিয়ে যাতে একটি বৃহত্তর অসম গড়া সম্ভব হয়।

অধ্যক্ষ মহোদয়, আমাদের করিমগঞ্জে মেডিক্যাল কলেজ স্থাপনের কথা ঘোষণা করা হয়েছে। কিন্তু মেডিক্যাল কলেজের জায়গার জন্য দুটো সমষ্টির মধ্যে প্রতিযোগিতা চলছে যে কে কার সমষ্টিতে মেডিক্যাল কলেজ নেবে? অধ্যক্ষ মহোদয়, সমষ্টি ভিত্তিত একটি মেডিক্যাল কলেজ যদি হয়, তাহলে সেটা কী করে সম্ভব হবে? মেডিক্যাল কলেজ এমন একটি স্থানে চাই, যেখানে হলে করিমগঞ্জের সঙ্গে ত্রিপুরার মানুষও উপকৃত হবেন। আমাদের এখানে বলা হচ্ছে, আগে মেডিক্যাল কলেজ ছয়টি ছিল, এখন দশটি হয়েছে, বারোটি হয়েছে ইত্যাদি। কিন্তু সেটা হচ্ছে কেন্দ্রীয় সরকারের পলিসি। আমি এখানে বলছি, যে সরকারই ক্ষমতায় আসুক, প্রতিটি জেলায় একটি করে মেডিক্যাল কলেজ করতে হবে। কারণ, এটা একটা পলিসি, যেখানে যদি বলা হয়, আমাদের সময় এতটা ছিল, আমরা আরও নতুন তিনটি করেছিলাম। এখন আর নতুন তিনটি হচ্ছে, সেটা ঠিক নয়। কারণ, প্রতিটি জেলায় একটি করে মেডিক্যাল কলেজ হবে।

অধ্যক্ষ মহোদয়, আমাদের যেগুলি অসম্পূর্ণ কাজ রয়েছে, প্রাদেশিকরণের ক্ষেত্রে, মাদ্রাসা টেটের ক্ষেত্রে— শিক্ষামন্ত্রী বলেছিলেন যে ১৫ আগস্টের মধ্যে সেগুলি সম্পূর্ণ করবেন এবং স্কুলগুলি প্রাদেশিকরণ করা হবে। বলা হয়েছিল এই বিধানসভাতেই। অধ্যক্ষ মহোদয়, আপনার সামনেই বলা হয়েছিল। কিন্তু বিষয় হচ্ছে, এই ঘোষণাগুলি বাস্তবায়িত হচ্ছে না কেন? আপনার সামনে যে কথাগুলি বলা হয়, সেই কথাগুলি যদি পরবর্তী সময় অস্বীকার করা হয়, তাহলে বিধানসভার যে গরিমা, বিধানসভার যে ঐতিহ্য, সেটা নষ্ট হবে। কারণ, জনগণের কোটি-কোটি টাকা দিয়ে বিধানসভার অধিবেশন আয়োজন করা হয়, বিধানসভা পরিচালনা করা হয়। সেখানে যদি মিথ্যে কথা বলা হয়, বা সেই কথাগুলি যদি বাস্তবায়ন করা হয় না, তার চেয়ে লজ্জাজনক আর কিছু হতে পারে না।

অধ্যক্ষ মহোদয়, বলতে গেলে আমার আরও অনেক কিছু বলার ছিল। কিন্তু যেহেতু আপনি সময়

বেঁধে দিয়েছেন এবং রূপজ্যোতিকেও বলতে হবে। রূপজ্যোতি যদি না বলে তাহলে আমার বলাটা অসম্পূর্ণ হয়ে যাবে অধ্যক্ষ মহোদয়। তাই ছোট একটি গল্প বলেই শেষ করছি।

একটি প্রতিযোগিতা শুরু হয়েছে— দুধ খিরানোর প্রতিযোগিতা। পাকিস্তান, বাংলাদেশ, নেপাল, ভুটান, চীন সবাই যোগ দিয়েছে। প্রথমে বাংলাদেশ পালা। যখন তাদের সময় এলো, তারা দু-লিটার দুধ খিরালো। বাংলাদেশের পর এলো পাকিস্তান। তারা তিন লিটার দুধ খিরালো। তারপর ভুটান এলো, তারা সাড়ে চার লিটার। চীন এলো, সাড়ে ছয় লিটার। নেপাল এলো, সাড়ে আট লিটার। সেভাবে প্রতিযোগিতা এগোচ্ছে। অবশেষে ভারতের পালা এলো। ভারতের পালা যখন এলো, আধা ঘণ্টা হয়ে গেল। দুধ খিরানো চলছে, কোনও ফল নেই। অবশেষে দেখা গেল যে মাত্র দুশ গ্রাম দুধ হয়েছে। উল্টোদিকে, নেপাল হচ্ছে সাড়ে আট লিটার। এখন পুরস্কার দেওয়া হবে। নিশ্চয়ই অধ্যক্ষ মহোদয়, আমাদের সমাজ ব্যবস্থায় যাদের দুধ বেশি হবে, তাদেরই পুরস্কার দেওয়া হবে। সেটাই প্রতিযোগিতার নিয়ম। কিন্তু দেখা গেল যে প্রথম পুরস্কার দেওয়া হলো ভারতকে। তখন সবাই আশ্চর্য হয়ে গেল যে দুশ গ্রাম দুধ খিরানোয় কীভাবে প্রথম পুরস্কার পেয়ে গেল ? কিন্তু দেখা গেল যে বলদ খিরিয়ে ভারত দুশ গ্রাম দুধ বের করেছে। অধ্যক্ষ মহোদয়, আমরা যেন সে দিকে না যাই। আমরা চাই সঠিকভাবে, সঠিক উপায়ে অসমকে আমরা যেন পরিচালিত করতে পারি। আমরা চাই না অসমকে ভাগ করতে। আমরা চাই না অসমকে ধর্মের নামে, আমরা চাই না জাতির নামে, ভাষার নামে অসমকে বিভক্ত করতে।

নমস্কার, জয়হিন্দ।

**মাননীয় অধ্যক্ষ ঃ** এইবাৰ মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী ।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (মাননীয় বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়া দেৱে অসম বাসী ৰাইজৰ কাৰণে যিখন বাজেট দাখিল কৰিছে সেই বাজেটতৰ ওপৰত আলোচনা কৰাৰ যি এটা প্ৰক্ৰিয়া আমাৰ সদনত চলি আছে সেই আলোচনাত অংশ গ্ৰহণ কৰি মোৰ কিছুমান দলীয় বক্তব্যৰ ইয়াত দাঙি ধৰিবৰ কাৰণে মই থিয় দিছো। বিভিন্ন দলৰ আমাৰ সদস্য বন্ধু সকলে নিজৰ নিজৰ মতামত প্ৰতিক্ৰিয়া আজি সদনত যিখন বাজেটক লৈ তেওঁলোকৰ মতামত দাঙি ধৰিছে, আমি সদনত শুনিছো। আমাৰ দেশৰ সংসদীয় গণন্ত্ৰাতিক ব্যৱস্থাৰ এইটো এটা বৈশিষ্ট যে Difference of opinion, বিভিন্ন ধৰণৰ যুক্তি এই বিলাক সদনত চলিবই । সপেক্ষে-বিপক্ষে বিভিন্ন ধৰণৰ যুক্তি সদনত বিভিন্ন দলৰ পৰা আহিব, আৰু সেইটো হৈছে আমাৰ গণন্ত্ৰাতিক ব্যৱস্থাৰ সৌন্দৰ্য্যতা । আৰু ইয়াত আমি সেই বৈশিষ্ঠটো বজাই ৰাখি আলোচনাত অংশ গ্ৰহণ কৰিছো। মই আজি ইয়াৰ কাৰণে মোৰ যিটো দৃষ্টি ভংগী, আমাৰ দলৰ যিটো দৃষ্টি ভংগী সেইটো ইয়াত উত্থাপন কৰিবৰ কাৰণে আগবাঢ়িছো। বিত্ত মন্ত্ৰী ডাঙৰীয়া দেৱে যিখন বাজেট এই সদনত উত্থাপন কৰিছে আৰু যিটো ভাষণ তেখেতে পাঠ কৰিলে, আৰম্ভণিৰে পৰা শেষলৈকে আৰু শেষৰ পৰা আৰম্ভণিলৈকে পুংখানুপুংখভাৱে অধ্যায়ন কৰি আজি ইয়াত মই অনুভৱ কৰিব পাৰিছো যে এই বাজেটখন সঁচা সচিকৈ সৰ্ব কালৰ ঐতিহাসিক আৰু শ্ৰেষ্ট এখন বাজেট অসম বাসীৰ বাবে।

বিত্তমন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট ইয়াত উত্থাপন কৰিলে আৰু পাঠ কৰিলে আৰম্ভণীৰ পৰা শেষলৈকে, মই যি অনুভৱ কৰিছো সেইটো সঁচাকৈ কবলৈ হ'লে এই বাজেটখন অসমবাসীৰ বাবে ঐতিহাসিক শ্ৰেষ্ঠ বাজেট । আমি কব লাগিব আমাৰ কৃষক সকলৰ পৰা আৰম্ভ কৰি মজদুৰ ভাই ককাই সকল, ছাত্ৰ-ছাত্ৰী ভাই -ভনী সকল, বৃদ্ধ-বৃদ্ধা, যুৱক-যুৱতী সকল, আমাৰ ঘৰতে থাকি জীৱিকা উপাৰ্জনৰ বাবে কাম কৰা , বাহিৰত গৈ বেলেগ বেলেগ কোম্পানীত কাম কৰি থকা আমাৰ

ভাই-বন্ধু যি সকল কৰ্মচাৰী আছে, যি সকল আমাৰ সমাজত দুৰ্বল শ্ৰেনীৰ লোক আছে, প্ৰতিটো শ্ৰেনীৰ জনগনৰ স্বাৰ্থ এই সকলোবোৰ লৈ, সকলোৰে বাবে উপযোগী হোৱাকৈ এই বাজেটখন প্ৰস্তুত কৰা হৈছে । কাকো বঞ্চিত কৰা হোৱা নাই । কাৰো প্ৰতি অন্যায় কৰা নাই । সকলোৰে বাবে সুযোগ সুবিধা অধিকাৰ আদি প্ৰদান কৰা বাবে ব্যৱস্থাখিনি ইয়াত ৰখা হৈছে । ইয়াৰ জৰিয়তে প্ৰতিটো শ্ৰেনীৰ অসমবাসী ৰাইজে বিপুলভাৱে উপকৃত হ'ব । যিহেতু সকলোবোৰ প্ৰতিশ্ৰুতি বাস্তৱত ৰূপায়ন কৰিবলৈ এই চৰকাৰে স্থিৰ কৰিছে, দৃঢ়ভাৱে আগবাঢ়িবলৈ গৈছে গতিকে এইখনক অকল বাজেট বুলি ক'লে নহ'ব । এই বাজেটখনক মই এটা 'শব্দত' আখ্যা দিব বিচাৰিছো যে এইখন বাজেট " অমৃতৰ ভাণ্ডাৰ " ।

আমাৰ চৰকাৰৰ এটা মূল মন্ত্ৰ আছে যে - " সব কা সাথ, সব কা বিকাশ " । আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া দেৱে পাহাৰ-ভৈয়ামত বসবাস কৰা সকলো জাতি জনগোষ্ঠীৰ কাৰণে যিটো কথা কৈ থাকে, সেইটো আজি এই বাজেটত বাস্তৱত দেখিবলৈ পাইছো বুলি সকলোৰে স্বীকৃতি দিয়াতো উচিত , এইটো মই অনুভৱ কৰো । আজি মোৰ অতি ভাল লাগিছে যে এই চৰকাৰখনে দুৰ্বল শ্ৰেনীৰ মানুহ বিলাকৰ লগত থিয় দিব বিছাৰিছে । যি সকল আজি সমাজত exploited, neglected, discriminated ৰ কাৰণে আজি আমাৰ লগত একেলগে আগবাঢ়ি আহিব পৰা নাই ; income generating machine হিচাপে যি সকলক ব্যৱহাৰ কৰি আহিছে আমাৰ এই চাহ-জনগোষ্ঠীৰ ভাই-বন্ধু সকলৰ কাৰণে এই চৰকাৰখনে কৈছে ; We are very much determined and committed to give you justice and right . You have to survive here as a developed community . এই চাহ-জনগোষ্ঠীৰ লোক সকলৰ কাৰণে মতদানৰ অধিকাৰ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে । এই চাহ-জনগোষ্ঠীৰ মানুহ বিলাকৰ কাৰণে বিনামূলীয়া চাউল দিয়াৰ ব্যৱস্থা কৰি এটা জনমুখী, লাইফ চেভিং , সঞ্জীৱনী প্ৰদান কৰি চৰকাৰে সহায় কৰিব আগবাঢ়িছে । এইটো কৰিব বুলি আমি কেতিয়াও ভবা নাছিলো । ইয়াৰ উপৰিও এই লোকসকলক বিনামূলীয়াকৈ ২ কেজি চেনী দিয়াৰ যি ব্যৱস্থা কৰিছে, এইটো এটা অতি প্ৰসংশনীয় পদক্ষেপ । এই বিলাক যদি আমি প্ৰসংশা নকৰো, চাপোৰ্ট নকৰো, তেনেহ'লে I think it will go against the interest of the downtrodden community চাহ-জন গোষ্ঠীৰ ভাই-বন্ধু সকলৰ হিতৰ against ত যোৱাৰ নিচিনাই হ'ব । আজি তেওঁলোকৰ অঞ্চলৰ উন্নতিৰ কাৰণে ৫০০ ট্ৰেইনিঙৰ ব্যৱস্থা, স্কীল ডেভ'লপমেণ্টৰ এ, এন, এম ট্ৰেইনিং লবৰ কাৰণে যুৱক সকলক লৈ যোৱাৰ ব্যৱস্থ, বিভিন্ন ধৰণৰ আৰ্থিক অনুদান আমি যোৱা দিন বিলাকত কেতিয়াও দেখা নাছিলো । It is a great step taken by the present Government under the leadership of our Chief Minister Mr. Sonowal and the dynamic leader our Finance Minister Mr. Himanta Biswa Sarma .গতিকে এইটো আমি প্ৰসংশা কৰিবই লাগিব। আমাৰ বৃদ্ধ-বৃদ্ধা, ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণেও বহুখিনি আঁচনি ইয়াত লৈছে । মই নিজে গৰীৱ পৰিয়ালৰ পৰা অহা মানুহ । ছাত্ৰ-জীৱনত আমি কি অসুবীধাৰ সন্মুখীন হৈছিলো মই ও অনুভৱ কৰো । হোষ্টেলত থকা ছাত্ৰ-ছাত্ৰী সকলে মেচ-ফিজ দিব নোৱাৰাৰ কাৰণে টোপোলা বান্ধি ঘৰলৈ ঘূৰি যাবলগীয়া হোৱা ছাত্ৰৰ কৰুণ দৃশ্য আমি নিজ চকুৰে দেখা পাইছিলো । মইও এনেকুৰা পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হৈছিল । যি সকল ছাত্ৰই ঘৰৰ পৰাও অহা-যোৱা কৰিব নোৱাৰে আৰু হোষ্টেলত থাকিও পঢ়িব নোৱাৰে, যিসকল ছাত্ৰৰ ছাত্ৰজীৱন আধাতে বৰ্বাদ কৰিবলগীয়া হৈছিল তেওঁলোকৰ গেৰাণ্টি কোনে দিব ? আজি অসম

চৰকাৰ আমাৰ অভিভাৱক, আৰু অভিভাৱকৰ ভূমিকা আজি সঠিকভাৱে এই চৰকাৰে পালন কৰিছে । নিজৰ দায়িত্ব, কৰ্তব্য আৰু ধৰ্ম পালন কৰিছে বুলি মই ক'ব বিচাৰো । এই ক্ষেত্ৰত চৰকাৰখনে নিৰপেক্ষ দৃষ্টিৰে নীতি লৈ পেলাই তেওঁলোকৰ যত্ন লব লাগিব আৰু ইয়াৰ স্পষ্ট ছবি এটা আমি বাজেটত দেখিবলৈ পাইছো ।

বিনামূলীয়া নামভৰ্তি , বিনামূলীয়া কিতাপ-পত্ৰ , ইউনিফৰ্ম, মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰিবৰ কাৰণে ই-মটৰ চাইকেলৰ ব্যৱস্থা আদি কৰি আমাৰ ল'ৰা-ছোৱালীবিলাকক আৰু এন-কাৰেজ কৰিবৰ কাৰণে যিটো ব্যৱস্থা হাতত লৈছে এইটো সঁচাকৈয়ে শলাগিবলগীয়া । ইয়াৰ বাবে চৰকাৰক ধন্যবাদ আমি দিবই লাগিব । ভেঞ্চাৰ স্কুলসমূহ প্ৰভিন্সিয়েলাইজ কৰাৰ ক্ষেত্ৰত শিক্ষা বিভাগৰ যিটো মূল সমস্যা আছিল, ইয়াৰো প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে । কমিনিকেশ্যন, ৰ'ড কমিনিকেশ্যন, ৱাটাৰ -ৱেজ এই তিনিটা চেক্টৰত আমাৰ চৰকাৰে সুস্থিৰভাৱে কাম কৰিবলৈ লৈছে । আমি ধন্যবাদ দিব লাগিব । গৰীব পৰিয়ালৰ এজনী ছোৱালীক বিয়া দিবৰ কাৰণে পৰিয়ালটোৰ কিমান অসুবিধা হয়, এই কষ্টতো যে আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই উপলব্ধি কৰিব পাৰিলে এইটো কোনো সাধাৰণ কথা নহয়। বিয়া দিবৰ কাৰণে এক তোলা সোন, ধন আদি চৰকাৰৰ পৰা চাপোৰ্ট দিয়াৰ ব্যৱস্থা আদি সাধাৰণ ঘটনা নহয়। মোৰ ছোৱালী, ভণ্টি আছে গতিকে মই বুজিব পাৰো। কাৰণ মইও এজন দুখীয়া পৰিয়ালৰ বাপেক আৰু মই বুজিব পাৰো সেই ল'ৰা-ছোৱালী বিলাকৰ বিয়া পাতি দিয়াটো কিমান কষ্টকৰ বিষয়। এইটো মই অনুভৱ কৰিব পাৰো। এইটো অনুভৱ কৰিব পৰা কথাটোৰ পৰাই. বুজিব পাৰি যে এই চৰকাৰ খন ৰাইজৰ অভাৱ অভিযোগৰ প্ৰতি কিমান অধ্যয়ণশীল। আজি আমাৰ এই চৰকাৰখনে যিসকলে আধৰুৱা সংসাৰ পাতিব লগা হ'ল ৪৫ বছৰৰ তলত যিসকলে আজি আধা জীৱনতে নিজৰ সংসাৰ হেৰুৱাব লগা হ'ল, সেই আধৰুৱা সংসাৰ পাতিব লগা হোৱা বিধবা জনীৰ দুখ-বেদনা কোনে বুজিব। এই চৰকাৰখনে বুজিছে এই বিধবা জনীক আজি ২৫ হাজাৰ টকা দি একেলগে সকলোৰে লগত থিয় দিবলৈ সক্ষম কৰাইছে। এইটো এটা কিমান প্ৰসংশনীয় পদক্ষেপ। আজি মই আমাৰ চৰকাৰক ধন্যবাদ দিব বিচাৰিছো যোৱাকালিৰ বাজেট ভাষণত আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই এটা historical declaration কৰিলে যে বি টি এ ডি অঞ্চলৰ বাহিৰত থকা গোটেই অসমৰ বড়ো, কছাৰী ভাই ককাই যিসকল আছে তেওঁলোকক ৰাজনৈতিক অধিকাৰ, ৰাজনৈতিক সুৰক্ষা, সামাজিক কলা-সংস্কৃতি, ভাষা গোটেইখিনি যাতে সুৰক্ষিত কৰিব পাৰে ইয়াৰ বাবে বড়ো কছাৰী অট'নমাচ কাউঞ্চিল গঠন কৰিবৰ কাৰণে এই চৰকাৰখনে সিদ্ধান্ত লোৱা বুলি যিটো ঘোষণা কৰিছে এইটো এটা historic, political, great initiative বুলি আমি ক'ব পাৰো। ইয়াৰ কাৰণে যিটো সিদ্ধান্ত আজি এই জটিল সন্ধিক্ষণতো এই অসম চৰকাৰখনে যে ল'লে ইয়াৰ কাৰণে মই আমাৰ বিত্তমন্ত্ৰী, মুখ্যমন্ত্ৰী ডাঙৰীয়াক হাজাৰ হাজাৰ, লাখ লাখ বড়ো কছাৰী ভাই বন্ধু সকলৰ হৈ এই পবিত্ৰ সদনত ধন্যবাদ জ্ঞাপন কৰিছো আৰু আমাৰ এই চৰকাৰৰ প্ৰতি যিটো নৈতিক দায়িত্ব, কৰ্তব্য সেইখিনি পালন কৰিবৰ কাৰণে নিশ্চয় আমাৰ বি টি এ ডি অঞ্চলৰ বাহিৰত থকা বড়ো কছাৰী ভাই বন্ধু সকলে সময়ত নিশ্চয় এই চৰকাৰখনৰ লগত যেনেকৈ বিচাৰিব তেনেকৈ থিয় দিব বুলি মই দৃঢ়তাৰে ক'ব পাৰো। ইয়াৰ বাহিৰেও এই চৰকাৰখনে আমাৰ বি টি চি অঞ্চলৰ কাৰণে যথেষ্ট সহায় কৰিছে। আজি মই ইয়াত ক'ব বিচাৰো only because of the liberal initiative taken by the Hon'ble Finance Minister, we have seen the all around development in our BTC area আৰু সেইটোকে বিচাৰি তেখেতে পুনৰ আজি আমাৰ কাৰণে কোকৰাঝাৰত sports college স্থাপনৰ

বাবে যিটো পদক্ষেপ ললে এই বাজেটখনত আমাক স্পষ্টভাৱে দি দিলে কাৰণ জানে যে কোকৰাঝাৰ sports ৰ ক্ষেত্ৰত বহুত আগবঢ়া। আমাৰ এই অঞ্চলৰ ল'ৰা-ছোৱালী বিলাকৰ sports ৰ কাৰণে বহুতো উৎসাহ উদ্দীপনা তেওঁলোকৰ মাজত আছে। ঠিক তেনেদৰে চিৰাঙত ফৰেষ্ট কলেজ আজি স্থাপন কৰিলে, ভূটানৰ সেই ফুড হিলচ্ত থকা খচুগাওঁ ডিভিজনৰ পৰা আৰম্ভ কৰি এণ্টায়াৰ বি টি ডি অঞ্চলত নৰ্ডাণ টেগত যিটো ফৰেষ্ট এৰিয়া আছে সেইটো ভালকৈ আমি সংৰক্ষণ কৰিব লাগিব। গোটেই অসমৰ যিবিলাক ফৰেষ্ট এৰিয়া আছে সেইবিলাক আমি ভালদৰে সংৰক্ষণ কৰিব লাগিব আৰু ইয়াৰ কাৰণে আমাৰ চিৰাঙত যিখন ফৰেষ্ট কলেজ দিলে বাক্সা, ওডালগুৰিত বি এড কলেজ, DIET যিটো দিলে এ্ই বিলাকৰ কাৰণে মই ধন্যবাদ দিছো আৰু ইয়াৰ লগে লগে CIDF ৰ যিটো ফাণ্ড, ডাঙৰ ডাঙৰ চহৰ, নগৰ, বন্দৰ বিলাকৰ ডেভেলপমেণ্টৰ নামত যিটো টকা অনুদান দিলে, আমাৰ কোকৰাঝাৰ টাউনৰ আন্তঃগাঁথনি নিৰ্মাণৰ কাৰণে যি ১০০ কোটি টকা আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়া দেৰে দিলে ইয়াৰ কাৰণে মই ধন্যবাদ দিছো। লগতে মই আৰু এটা অনুৰোধ কৰিব বিচাৰো যে বি টি চি অঞ্চলৰ ৰাইজৰ হৈ বা অসমৰ এজন সন্তান হৈ মই আকৌ অনুৰোধ কৰিম বি টি এ ডি অঞ্চল যিহেতু নতুনকৈ গঠিত হোৱা এটা অঞ্চল আৰু এই অঞ্চলত যিবিলাক টাউন, চহৰ আছে সেইবিলাকৰ উন্নতি কৰিবলৈ হ'লে we must have support the Central Government or the State Government. বি টি চি অঞ্চলৰ যিবিলাক টাউন, চহৰ আছে, এটলিষ্ট আমাৰ যিবিলাক District Head Quarter আছে কাজলগাওঁ, মুছলপুৰ, ওডালগুৰি এইবিলাক চহৰৰ উন্নয়নৰ কাৰণেও CIDF ৰ পৰা যিটো ফাণ্ড আজি কোকৰাঝাৰ, হাফলং, ডিফুৰ কাৰণে দিয়া হৈছে সেইখিনি আমি এইবোৰ অঞ্চলৰ কাৰণেও লৈ যাব পাৰো নেকি সেই বিষয়ে চৰকাৰৰ ফালৰ পৰা চিন্তা কৰিলে আমাৰ কাৰণে যথেষ্ট সহায়ক হ'ব কাৰণ বি টি চি য়ে অকলে এইবিলাক টাউন, চহৰৰ infrastructure develop কৰাটো অকলে সম্ভৱ নহ'ব। ইয়াৰ লগে লগে বি টি চি অঞ্চলৰ শৈক্ষিক দিশ উন্নত কৰিবৰ কাৰণে আজি কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ infrastructure development ৰ কাৰণে আজি দহ কোটি টকা দিছে, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কাৰণে দহ কোটি টকা দিয়া হৈছে, বি বি ইঞ্জিনিয়াৰিং কলেজৰ কাৰণে পাঁচ কোটি টকা দিয়া হৈছে। এইবিলাক আমাৰ চৰকাৰখনে বি টি চি অ্ঞ্চলৰ কাৰণে যে দিলে তাৰবাবে আমি সঁচাকৈয়ে কৃতজ্ঞতা স্বীকাৰ কৰিব লাগিব। আমাৰ এডুকেশ্যন ডেভেলপমেণ্টৰ কাৰণে বি টি চি অঞ্চলৰ বাহিৰত যিবিলাক জিলা আছে তাত ডিগ্ৰী কলেজৰ সংখ্যা আমি যদি হিচাব কৰি চাওঁ তুলনামূলক ভাৱে কৰ'বাত ২০-৩০ লৈকে ডিগ্ৰী কলেজ আছে। কিন্তু আমাৰ নতুনকৈ ফৰমেশ্যন হোৱা বি টি চি অঞ্চলত বাক্সা জিলাৰ ৪-৫ খন, ওডালগুৰিত ৫-৬ খনহে ডিগ্ৰী কলেজ আছে আৰু হায়াৰ চেকেণ্ডাৰী স্কুল বিলাকত পঢ়ি ল'ৰা-ছোৱালী বিলাকে ডিগ্ৰী কলেজৰ সংখ্যা কম হোৱাৰ কাৰণে ল'ৰা-ছোৱালীবিলাকে নিজৰ ঘৰতো থাকি পঢ়িব নোৱাৰে আৰু আমাৰ ল'ৰা-ছোৱালীবিলাকে বাহিৰত গৈ পঢ়িবলৈ যথেষ্ট অসুবিধা হৈছে। গতিকে আমি এই অঞ্চলৰ শৈক্ষিক দিশত উন্নতি আনিবৰ কাৰণে আমাৰ Higher Secondary শিক্ষা যিসকলে লৈছে, সেইটো সমাপ্ত কৰাৰ পিছত আকৌ ডিগ্ৰী পঢ়িবৰ কাৰণে যাতে নিজৰ অঞ্চলৰ কলেজতে সুবিধা পাই, তাৰ বাবে ব্যৱস্থা লয়, তাৰ কাৰণে মই আকৌ অনুৰোধ কৰিছো আৰু এটা কথা হ'ল যে Central Government Educational Institution আজি গোটেই অসমত নাই, আজিলৈকে সেইটো Fulfill হোৱা নাই। আমাৰ চৰকাৰৰ ফালৰ পৰা এটা প্ৰচেষ্টা হাতত ল'ব লাগে যে জৱাহৰ নৱোদয় বিদ্যালয় সমূহ Sub-Divisional-wise গোটেই জিলাতে স্থাপন কৰিব লাগে। কিন্তু

আমাৰ গোটেই অসমৰ জিলাসমূহত এই বিদ্যালয়সমূহ Sub-Divisional-wise স্থাপন কৰাৰ কাম সম্পূৰ্ণ হোৱা নাই। ইয়াৰ কাৰণে আমাৰ চৰকাৰৰ ফালৰ পৰা ভাৰত চৰকাৰৰ লগত লগ হৈ এটা প্ৰচেষ্টা হাতত ল'বলৈ মই অনুৰোধ জনাইছো। সদৌ শেষত মই পুনৰ ক'ব বিচাৰো যে অসম চৰকাৰে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনজাতিক ৰক্ষণা-বেক্ষণ দিয়াৰ বাবে, তেওঁলোকৰ কলা-সংস্কৃতি, ভাষা-সাহিত্য আৰু পৰম্পৰা ৰক্ষা কৰিবৰ বাবে যিবিলাক Development Council, Autonomus Council গঠন কৰি চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। সেইটো এটা ভাল Political Initiative. আমাৰ অসমত BTC Council ৰ বাহিৰত থকা বড়ো, কছাৰী আদি লোকসকলৰ বাবে Autonomus Council গঠন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ঠিক একেদৰে Same political rights and protection should be given to the Ryan Community living in Barak Valley also. কাৰণ বৰাক উপত্যকাত থকা এই লোকসকলক চৰকাৰৰ ফালৰ পৰা Ryan Community হিচাপে ঘোষণা কৰা হৈছে তেওঁলোক most supressed, deprive, neglected and discriminated community. তেখেতসকল বিলুপ্তিৰ ফালে গৈ আছে আৰু এই জনগোষ্ঠীৰ ৰক্ষণা-বেক্ষণৰ বাবে আমাৰ এই সন্মিলিত চৰকাৰে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিব। আমি এইবাৰ সদনত যিখন বাজেট পালো আগতে কেতিয়াওঁ এনেকুৱাধৰণৰ ভাল বাজেট পাম বুলি আশা বা কল্পনা কৰা নাছিলো। প্ৰত্যেক জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ লোকৰ ৰীতি-নীতি, ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা আৰু উন্নতিৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ অসমৰ যিটো গৌৰৱ আমাৰ ইতিহাস ৰক্ষা কৰিবৰ কাৰণে ব্যৱস্থা এই বাজেটত কৰা হৈছে। মই সচাঁকৈ ধন্যবাদ দিছো যে আমাৰ দেৱালয়, ঐতিহাসিক স্থল সমূহৰ ৰক্ষণা-বেক্ষণ উন্নতি কৰণ আৰু সৌন্দৰ্য্য বৰ্দ্ধন্‌ৰ বাবে যি আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ দ্বাৰা আমাৰ পূৰ্ব পুৰুষৰ দিনৰ পৰা চলি অহা ৰীতি-নীতি, আমাৰ ভাষা-সাহিত্য, সংস্কৃতি, ধৰ্ম আমাৰ যিটো জাতীয় পৰিচয়, সেইটো আমি উজ্জ্বলভাৱে ধৰি ৰাখিবৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু তাৰ বাবে অনুদান এই বাজেটত সন্নিবিষ্ট কৰিছে। এইটো এটা সাধাৰণ কথা নহয়। সেয়েহে এই বাজেট অসমবাসীৰ সকলো শ্ৰেণীৰ লোকে গ্ৰহণ কৰিব পৰা এখন বাজেট আৰু বাজেটৰ প্ৰতি প্ৰত্যেকটো দল-সংগঠনৰ সহায়-সহযোগিতা আৰু সহমত থাকিব। তেতিয়া মই ভাৱো এই বাজেটৰ যি উদ্দেশ্য জনগণক সেৱা আগবঢ়োৱো আৰু জনসাধাৰণ সম্পূৰ্ণ ৰূপে উপকৃত হ'ব। বাজেটৰ বিষয়ে ক'বলগীয়া বহুখিনি কথা আছে। বাজেটত বিভাগ হিচাপে আমাক বহুখিনি দিছে, সেই বিষয়ে সকলোৱে জ্ঞাত । এই বাজেটৰ সমৰ্থন মই এইবোৰ কথা মই ব্যক্ত কৰিছো। মই এইখিনি কথা কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰূপ জ্যোতি কুৰ্মী ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেটৰ সন্দৰ্ভত ক'বলৈ দিয়াৰ বাবে মই ধন্যবাদ জনালো। মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া যেতিয়া দেশৰ প্ৰধান মন্ত্ৰী হ'ল ২০১৪ চনত তেতিয়া তেওঁক ভাল পোৱা এজন ব্যক্তি ইমানেই আনন্দিত হ'ল যে তেওঁ হঠাৎ কমালৈ গুচি গ'ল। তেওঁক চিকিৎসালয়ত ভৰ্ত্তি কৰোৱা হ'ল। যোৱা চাৰি বছৰ দহ মাহ তেওঁ ICU তে আছে। দুদিনমান আগত তেখেতে সাৰ পালে আৰু সাৰ পাই ডাক্তৰক সুধিলে যে মোদী ডাঙৰীয়াই দেশত দুই কোটি লোকক যে চাকৰি দিম বুলি কৈছিল দিলে নেকি ? তেতিয়া ডাক্তৰে ক'লে যে কোনো চাকৰি দিয়া নাই। তেওঁ পুনৰ সুধিলে যে ২G আৰু 4G scam ত কংগ্ৰেছ দলৰ কিছুমান সদস্যৰ নাম ওলাইছিল। তেওঁলোক জেললৈ গ'ল নেকি ? তেতিয়া ডাক্তৰে

ক'লে যে মহামান্য চুপ্রিম কোৰ্টে তেওঁলোকক নিৰ্দোষী ঘোষণা কৰিলে। তাৰ পিছত তেওঁলোকে পুনৰ সুধিলে যে ক'লা ধন বিদেশৰ পৰা আনিম বুলি কৈছিল আৰু ভাৰতবৰ্ষৰ প্ৰত্যেক পৰিয়ালকে ১৫ লাখ, ২০ লাখকৈ দিম বুলি কৈছিল, সেইটো কৰিলে নেকি? তেতিয়া ডাক্তৰে ক'লে যে নাই কৰা। তেওঁ পুনৰ সুধিলে ডাক্তৰক যে বস্তুবোৰৰ দাম কমিল নেকি? তেতিয়া ডাক্তৰে ক'লে নাই কমা। বৰঞ্চ গেচৰ দাম ৩৫০.০০ টকাৰ পৰা ১১০০ হ'লগৈ। তেওঁ পুনৰ সুধিলে ৰাম মন্দিৰ-বাবৰি মছজিদৰ সমস্যাবোৰ সমাধান হ'ল নেকি? তেতিয়া ডাক্তৰে ক'লে নাই হোৱা। এইবোৰ শুনি মানুহজন পুনৰ মূৰ্চ্ছা গ'ল। কংগ্ৰেছ চৰকাৰে যোৱা কেই বছৰে কি কৰিলে এই কথাটো প্ৰায়ে ওলায়। কিন্তু কংগ্ৰেছে কি কৰিছে বা নাই কৰা সেইটো ৰাইজে দেখি আহিছে। কিন্তু এটা কথা ঠিক যে আহোম ৰজাৰ দিনত নিৰ্ম্মাণ হোৱা অসমৰ স্বাভিমান, অসমৰ গৌৰৱ, ৰংঘৰত কোনোবাই থিয় হৈ কোনো ৰাজনৈতিক দলৰ প্ৰতিবাদ কৰা, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য্যালয় ভঙা, সদৌ অসম ছাত্ৰ সন্থাৰ গণতান্ত্ৰিক ভাবে প্ৰতিবাদ কৰিববৈলে যোৱা যুৱকসকলক থানাত মাৰপিট কৰা, সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা গুৰিয়াই অপমান কৰাৰ নিচিনা ঘটনা আদি অন্ততঃ হোৱা নাছিল। আমি জগতগুৰু শ্ৰীমন্ত শংকৰগুৰুক - গুৰুজনা বুলি সম্বোধন কৰি আহিছো। কিন্তু ৭০ বছৰৰ শাসন কালত কোনোবা এটা ৰাজনৈতিক দলৰ ছত্ৰছায়াত থকা দল-সংগঠনৰ মুৰব্বী আহি শংকৰ বাবা বুলি কৈ শুৰুজনাক অপমান কৰা কৰাৰ নিচিনা কথা অন্ততঃ আমাৰ দিনত হোৱা নাছিল। হিন্দু-মুছলমানৰ ক্ষেত্ৰত ৩৫ শতাংশৰ কথা, আমি ৬৫ শতাংশই কিয় শুনিম বুলি বিধান সভাৰ মজিয়াত কোনোবাই কোৱা-ইত্যাদি ঘটনাবোৰ হোৱা নাছিল। মইনবড়ি সত্ৰখন বানপানীত উটি গৈছিল, কিন্তু, তাক উদ্ধাৰৰ বাবে মুছলমান সম্প্ৰদায়ৰ লোকসকলে মাটি দান দিববৈলে ওলাইছিল, এনে অৱস্থা দেখা পাই মুছলমান লোকসকলেও চকুপানী টুকিছিল, তাৰ পিছতো ইয়াত যদি এনে ধৰণৰ মন্তব্য দিয়া হয়, তেন্তে কি ভাৱিম? অধ্যক্ষ মহোদয়, এনে ধৰণৰ কথা অন্ততঃ কংগ্ৰেছৰ ৭০ বছৰৰ শাসন কালত হোৱা নাছিল। যেতিয়া কোনাবাই সোধে যে, ৰামমন্দিৰ হোৱা নাই ? দুইকোটি লোকে চাকৰি পোৱা নাই? কলাধন বিদেশৰ পৰা অহা নাই, পোন্ধৰ- বিশ লাখ টকা পোৱা নাই? আৰু যদি সোধে যে , দেশত আৰু কি কি হ'ল কওকচোন, তেতিয়া ক'ম যে - CBI ৰ Director এজন এজনকৈ পদত্যাগ কৰি আছে, RBI ৰ Governor এজন এজনকৈ পদত্যাগ কৰিববৈলে ধৰিছে, FDI ৰ মুৰব্বী এজন এজনকৈ পদত্যাগ কৰিববৈলে লৈছে। গণতন্ত্ৰ খৰ্ব কৰিব খোজা মোডী ডাঙৰীয়াৰ চৰকাৰখনৰ দিনত উচ্চতম ন্যায়ালয়ৰ ন্যায়ধীশে আন্দোলন কৰিব লগা পৰিবেশ হৈছে দেশত। যি কি নহওঁক - ২০১৪ চনৰ কথা, মোৰ এতিয়াও মনত পৰে। অধ্যক্ষ মহোদয়, মই টি.ভি তেনেকৈ নাচাওঁ - কিন্তু এদিন টি.ভি.টো লগাই দেখিলো - 'ভাইঅ' আৰু বেহনো, মিত্ৰো, মই দায়িত্ব লোৱাৰ লগে লগে ১৬ মে'ত অসমৰ পৰা সকলো বিদেশী যাব।' দেশৰ বৰ্তমানৰ প্ৰধান মন্ত্ৰীয়ে হাত দেখুৱাই কৈছিল যে-গগৈয়ে আপোনালোকক চাকৰি দিছে নে?

**মাননীয় অধ্যক্ষ ঃ** কুৰ্মী ডাঙৰীয়া, আলোচনাটো বাজেটৰ ওপৰত হৈ আছে। গতিকে বাজেটৰ ওপৰত কওঁক।

**মাননীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মই বাজেটৰ ওপৰতে কৈ আছো চাৰ। তেখেতে কৈছিল - 'মোৰ যুৱ বন্ধুসকল, তোমালোকে চাকৰি পাইছা? এইফালে? এইফালে?' তেতিয়া সকলোৱে নাই পোৱা বুলি উত্তৰ দিছিল। তেখেতে আকৌ সুধিছিল, 'কাণেৰে শুনা পোৱা নাই, কি?' তাৰ পিছত সভাত উপস্থিত সকলোৱে চিঞৰি কৈছিল, ' নাই'। তেতিয়া তেখেতে কৈছিল, 'মই দিম চাকৰি, প্ৰতিবছৰে দুইকোটিকৈ চাকৰি দিম ।'

এতিয়া বাজেটৰ ক্ষেত্ৰত, Zero Tax বুলি কোৱা হৈছে। এই সন্দৰ্ভত মই এজন জ্যেষ্ঠ সাংবাদিকৰ লগত কথা পাতোতে তেখেতে মোক ক'লে যে- 'ৰূপজ্যোতি, ক'ত Zero Tax ? মোৰ এতিয়া ৭৫ বছৰ বয়স হ'ল, সাংবাদিকতা কৰা ৪৫ বছৰ হ'ল, আজিলৈকে শুনা নাই।' মানুহে বেমাৰ-আজাৰে গৈ চাকৰি কৰিব, হাল বাব, বাগানত পাত তুলিব, তেওঁলোকৰ টকা বেঙ্কতেই ৰাখক বা আন ঠাইতে জমা কৰক সেইটো তেওঁলোকৰ কথা। কিন্তু, এই চৰকাৰে bound কৰি দিলে যে- বেঙ্কত নিম্নতম টকা ৰাখিবই লাগিব, কম টকা ৰাখিলেও টকা কাটে, বেছি টকা ৰাখিলেও টকা কাটে, A.T.M. ৰ পৰা চাৰি বাৰতকৈ বেছি টকা উলিয়ালেও টকা কাটে। এতিয়া এনেকুৱা পৰিস্থিতি আহিছে যে, আমাৰ টকা চৰকাৰে লৈ আকৌ আমাকেই দিব, অৰ্থাৎ মাছৰ তেলেৰে মাছ ভাজিব বিচাৰিছে। বিমুদ্ৰাকৰণত কি হ'ল ? জি.এছ.টি.ৰ নামত আওপকীয়াকৈ আমাৰ পৰা tax লৈ আছে । যি সকলে দুৰ্নীতি কৰিছে তেখেত সকলৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰক। CBI কে ধৰি আন যি বিভিন্ন ধৰণৰ সংস্থা আছে তেওঁলোকৰ দ্বাৰা raid কৰাওঁক। কিন্তু সৰ্বসাধাৰণ ৰাইজৰ ওপৰত আওপকীয়াকৈ এইটো কৰ জাপিয়েই দিছে। আজি সকলোৱেই জানে যে, ডিজেল-পেট্ৰলৰ দাম বৃদ্ধিৰ ক্ষেত্ৰৰ আন্তঃৰাষ্ট্ৰীয় বজাৰৰ কথা আছে, কিন্তু অন্যান্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ ক্ষেত্ৰত কি হৈছে? সকলো সামগ্ৰীৰ মূল্যবৃদ্ধি হৈ গৈ আছে। ঘোষণা আমি শুনিছো - এইবাৰো শুনিছো - ফুলজাৰি মৰা ঘোষণা বিত্তমন্ত্ৰী ডাঙৰীয়াই এইবাৰৰ বাজেটতো কৰিছে। এনেকুৱা ঘোষণা আগতেও শুনিছো। ২০১৬ চনত আমাক ক'লে যে আপোনালোকৰ কংগ্ৰেছ চৰকাৰ আৰু কেতিয়াও নাহে কিয়নো আমি ২৬,৭০০ গাঁৱত এক কোটি বিশ লাখকৈ টকা দিম । কিন্তু, কিমানখন গাঁৱত কিমানকৈ টকা দিলে এই বাজেটত তাৰ reflection নাই । ইয়াৰ অৰ্থ হ'ল যে - আমি বিশ বছৰ এই চৰকাৰক ভোট দি থাকিব লাগিব আৰু তেওঁলোকে আমাক অলপ অলপ কৈ দি থাকিব। কিমান দিলে আৰু কিমান শতাংশ দিব, তাৰ কোনো reflection এই বাজেটত নাই । প্ৰত্যেকখন থানাত দুই কোটি টকাকৈ দিয়া কথা আছিল, শুনোতে বৰ ভাল লাগিছিল। পিছে কেইখন থানাত দিলে ? কিমান টকা দিলে ? আজি বিধায়ক পুঁজি, আমাৰ সমষ্টি বাসী ৰাইজৰ অধিকাৰ, এই fund টোৰ ওপৰত চৰকাৰৰ চকু - এইটো হ'ব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি পুনৰ বাৰ বিষয়টো বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো। মই সিদিনাখন বিধেয়ক পুঁজিৰ ক্ষেত্ৰত কৈছো - চাহবাগিছা অঞ্চল সমূহত N.O.C নিদিয়াৰ বাবে পলম হয়। নামঘৰৰ প্ৰসংগত এতিয়াও ৰাজম্যাদি পট্টা হোৱা নাই। নামঘৰৰ নামটো নাই, গাওঁ বুঢ়াই জানে, চক্ৰ বিষয়াইও জানে, চিটা বহীতো আছে কিন্তু তেওঁলোকৰ নামত কাগজ নাই কাৰণে আমি বিধায়ক পুঁজি সময়মতে ব্যৱহাৰ কৰিব পৰা নাই। Non-lapsable fund টো আমাৰ পৰা লৈ ল'ব বিচৰা কথাটো কি ? চৰকাৰৰ হাতত টকা নাই নেকি ? আজি চাহ-বাগিছা অঞ্চলৰ ক্ষেত্ৰত চৰকাৰী পক্ষৰ পৰা এনে ধৰণে উপস্থাপন কৰিব বিচাৰিছে যে -বৃটিছে দিয়া নিমখ-পানীখিনিকে আমি ভোকাতুৰৰ নিচিনাকৈ খাওঁ। অধ্যক্ষ মহোদয়, সদনৰ পৰা এটা ভূলবাৰ্তা গৈ আছে । মোৰ মামা এতিয়াও বাগানত কাম কৰে, খৰিকটীয়া বাগানৰ ফেক্টৰীৰ চকীদাৰী কৰে।মোৰ মামাৰ ঘৰত মই গৈয়ে থাকো । নিমখ দিয়া চাহ আমিও খাওঁ । কোনোবা বিধায়কে কৈছে যে নিমখ দিয়াৰ বাবে চাহ মুখৰ পৰা পেলাই দিছে। এনেকুৱা চাহ কোনেও নাখায় । ইমান অবুজ-অজ্ঞানী আমাৰ চাহ বাগিছাৰ মানুহ নহয়। কিন্তু সদনত এনেকুৱাকৈ বাৰ্তা দিয়া হৈছে যে প্ৰথম বাৰৰ বাবে কিছুমান নতুন নতুন আঁচনি লোৱা হৈছে কিন্তু পূৰ্বৰ ঘোষণাবোৰ কি হ'ল? এশখন হাইস্কুল বনোৱা কথা আছিল ,সেই ঘোষণাবোৰ কি হ'ল ? চাহ বাগানৰ শ্ৰমিকক চাৰে তিনিশ টকাকৈ মজুৰী দিয়াটো নিৰ্বাচনী প্ৰতিশ্ৰুতি আছিল, সেই বোৰ কি হ'ল? ০১-০১-২০১৮ ৰ পৰা

আমাৰ দৰমহাৰ নিৰিখ বাঢ়িব লাগিছিল - সেইটো কি হ'ল? জুলাইৰ পৰা বাঢ়িছে হয়, কিন্তু মাৰ্চৰ পৰা দিয়া কথা আছিল, গতিকে মাৰ্চৰ আগৰ টকাৰ হিচাপটো কি হ'ব ? মাৰ্চৰ পৰা জুলাইলৈকে যিটো বকেয়া, সেই খিনি কি হ'ব? আমাকতো জানুৱাৰীৰ পৰা বকেয়া লাগিব- সেই খিনি কি হ'ব? এই টকা খিনি বহু কোটি টকাৰ পৰিমাণ। যোৱাকালি মই বিভিন্ন ছাত্ৰ সংগঠনৰ লগত কথা পাতিছো, তেওঁলোকে কৈছে যে আপুনি ধৰক। আমি ধৰা মানে ৰাইজেও ধৰিব - ৰাইজে অকণমান লাহে লাহে বুজিব। এই আমাৰ টকাৰেই আমাৰ ৰাস্তা বনাব বিচৰা হৈছে। প্ৰকৃততে যদি চাহ বাগিছাৰ শ্ৰমিকৰ প্ৰতি কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি চৰকাৰৰ সদ্ ইচ্ছা আছিল বা আছে , সদ্ ইচ্ছাটো নাইয়েই, কেন্দ্ৰীয় চৰকাৰৰ মাত্ৰ আৰু দুমাহ কাৰ্য্যকালহে আছে, দুজনকৈ সাংসদ পালে এতিয়ালৈকে কেন্দ্ৰীয় মন্ত্ৰী বাদ দিয়ক, ৰাজ্যিক মন্ত্ৰীও নিদিলে, কোনো বিভাগৰ অধ্যক্ষ পদো নিদিলে। গতিকে সদ্ ইচ্ছা ক'ত? শ্ৰী কামাখ্যা প্ৰসাদ তাছা ডাঙৰীয়া, শ্ৰী ৰামেশ্বৰ তেলী ডাঙৰীয়াই বিজেপি দলটোৰ বাবে বিগত ইমান বছৰে ইমান কষ্ট কৰিলে, কিন্তু কি দিলে? সদ্ ইচ্ছা আছে জানো? বৰ্তমান শাসকীয় দলত চাহজনগোষ্ঠীৰ তিনিজন বিধায়ক আছে, কিন্তু কেবিনেট মন্ত্ৰী কাক দিলে? শ্ৰী পল্লবলোচন দাস ডাঙৰীয়া ছাত্ৰনেতা হিচাপে যিমান ভাল দপ্তৰ পাব লাগিছিল, সিমান নাপালে, ভাল বিভাগ এটাও দিয়া নাই, কেবিনেট মন্ত্ৰী কিয় নিদিলে? শ্ৰী কমলাক্ষ দে'পুৰকায়স্থ ডাঙৰীয়া, বিৰোধী দলৰ দলপতি শ্ৰী শইকীয়া ডাঙৰীয়াই চাহ-জনগোষ্ঠীৰ কাৰণে লোৱা পদক্ষেপবোৰক নিৰ্বাচন কেন্দ্ৰিক বুলি কৈছে । তেওঁলোকৰ লক্ষ্য হ'ল যে ব্যক্তিগত হিতাধিকাৰীৰ পৰা ভোট ল'ব লাগে বাকী যি হয় হৈ থাকক। আজি যদি আমি চাওঁ - ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত বিশেষজ্ঞ সমিতিয়ে কৈছিলে যে আগতে ৩৬ টা জনগোষ্ঠীয়ে পাইছিল। এটা সময়ৰ ছোটানাগপুৰ আজিৰ তাৰিখত উৰিষ্যা, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, বিহাৰ, চট্টিশগড়, পশ্চিমবঙ্গ, তেলেংগানা, অন্ধ্ৰপ্ৰদেশ আদিত বিভক্ত হৈ গ'ল। তাৰ পৰা অহা লোকে ইতিমধ্যে জনজাতিৰ status পাই ছে। লগতে এছ.চি. বিশেষজ্ঞ সমিতিয়ে এখন প্ৰতিবেদন দিছিল যে বাকী কেইটা জনগোষ্ঠীক কিয় অন্তৰ্ভুক্তি কৰি নপঠিয়ালে। সদ্ ইচ্ছা থাকিলে নিশ্চয় দিলে হেঁতেন। মাননীয় অধ্যক্ষ আজি যদি আমি চাওঁ, current ৰ Bill বৃদ্ধি হোৱা, মাটিৰ খাজনা বৃদ্ধি হোৱা এই কথাবোৰ নিশ্চয় ৰাইজে পাহৰি যোৱা নাই। মই কৈছিলো যে দেশৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই নিৰ্ব্বাচনৰ আগত কৰা এইবিলাক মাত্ৰ ঘোষণা। নিৰ্ব্বাচনৰ আগত বিত্তমন্ত্ৰী ডাঙৰীয়াৰ ঘোষণা আমি শুনিয়েই আছো। তেওঁ কৈছিলে কংগ্ৰেছে কি দিছে ৰাইজ, চাইকেল, আমি স্কুটি দিম। আমি class 8th ,9th and 10th ক দিছিলো। কিন্তু তেওঁলোকে Higher Secondary pass কৰা ছাত্ৰ-ছাত্ৰীকহে স্কুটি দিছিল এই কথাটোতো তেওঁলোকে কোৱা নাছিল। তেওঁলোকে কৈছিল যে, চাইকেলৰ সলনি স্কুটি দিম। তেতিয়াহলে class 8th ,9th and 10th ৰ ছাত্ৰ-ছাত্ৰীক দিব লাগিছিল। মানুহে এই ঘোষণাবিলাক শুনি আহিছে। তেওঁলোকে কৈছিল যে প্ৰতি বছৰে আমি ২৫ লাখক চাকৰি দিম। এই তিনি বছৰত ৭৫ লাখে চাকৰি পাব লাগিছিল। কিন্তু এই তিনি বছৰত ১ লাখো ছাগে cross নকৰিলে। আজি সোনৰ politics চলিছে। ছোৱালীৰ ঘৰৰ পৰা সোন লৈ যোৱা কথাবোৰ ৰাজনীতি যেন লগা নাই জানো? চৰকাৰৰ প্ৰথম লক্ষ্য হ'ব লাগিছিল নাগৰিকত্ব সংশোধনী বিধেয়ক। আজি অসমীয়া দশম শ্ৰেণীলৈকে compulsory কৰিছে এইটো ভাল কথা। কিন্তু অসমীয়া ভাষা, অসমীয়া সংস্কৃতি, অসমীয়া মানুহ ৰক্ষা কেতিয়া পৰিব, যেতিয়া অসম বিদেশী মুক্ত হ'ব। কিন্তু এতিয়া বিদেশীক ৰঙা দলিছা পাৰি দিব বিচাৰিছে। 'নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬' মানে যেতিয়া ইচ্ছা তেতিয়া বিদেশীসকল আহি থাকিব পাৰিব। অসমীয়াৰ প্ৰতি যদি তেওঁলোকৰ দৰদ থাকিলেহেঁতেন যেনেদৰে

কাষৰীয়া ৰাজ্যসমূহে

'নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬' নালাগে বুলি কৈ দিলে, তেনেদৰে কিয় ক'ব নোৱাৰিলে? তেওঁলোকে সবকা সাথ সবকা বিকাশ, টিম অসমৰ কথা কয়। কিন্তু মই যিমান দুৰ জানো, অসমৰ প্ৰায় ৯০ শতাংশ মানুহৰ লগতে স্বহীদ পৰিয়ালৰ মানুহ, বুদ্ধিজীৱি, অসমৰ বিভিন্ন দল, সংগঠনকে লৈ সকলোৰে কৈ আছে আশ্বাস কিয় লোৱা নাই? অসম চুক্তিৰ ৫নং, ৬ নং দফা কেলেই উল্লেখ নকৰিলে? ২০১৯ চনৰ নিৰ্ব্বাচন জিকাৰ লক্ষ্যৰে এই বাজেট বনোৱা হৈছে যেন লাগিছে। ইয়াত APSC ৰ প্ৰসঙ্গ টানি আনি কোৱা হৈছে যে পোনপ্ৰথমবাৰৰ বাবে এই চৰকাৰে APSC ৰ জৰিয়তে বা অন্য প্ৰকাৰে দুখীয়া মানুহক চাকৰি দিবলৈ বিচাৰিছে। আমাৰ চৰকাৰৰ দিনত TET ৰ মাধ্যমেৰে ৩ লাখতকৈও অধিক যুৱক-যুৱতীক চাকৰি দিছিলো বিনা টকাৰে। মোৰ অঞ্চলত বেৰৰ চালিত থকা, এটাও চাকৰি নথকা বাগানৰ পৰিয়ালৰ লৰা-ছোৱালীয়ে তাত চাকৰি পাইছে। ইতিমধ্যে Sachar Committee Report অধীনত কংগ্ৰেছ চৰকাৰে সন্মান জনাই সংখ্যালঘু লোকসকলৰ বাবে 15 point ৰ Prime Minister programme বনাইছে। Block নিৰ্নয় কৰি দিছিলে যে ২৫ শতাংশতকৈ ওপৰত হ'ব লাগিব। কিন্তু এই চৰকাৰৰ দৰদ থাকিলে উজনী অসমত Minority Development Board ৰ যোগেদি আজি দুবছৰে সেই সংখ্যালঘু লোকসকলক অনুদান দিব পাৰিলেহেঁতেন। আজি এই কথাবোৰ নিৰ্ব্বাচন কেন্দ্ৰীক। এই কথাটো স্পষ্ট হৈ পৰিছে।

ব্ৰহ্মপুত্ৰৰ ওপৰত নতুনকৈ ৪ খন দলং, এই কথাটো শুনি মোৰ হাঁহি উঠিছে। মাজুলীৰ যিখন দলং, ২০১৬ চনত বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী ডাঙৰীয়াই আধাৰশিলা গঢ়ি থৈ গৈছিল সেইখন আধাৰশিলাতেই সীমিত হৈ ৰ'ল। বগীবিলৰ ৭৫ শতাংশ কাম আমি কৰিছিলো, ধলা শদিয়াৰ কাম আমি ৯৫ শতাংশ কৰিছিলো। এইবোৰ সকলোৰে জানে। তেওঁলোকে অলপ কাম কৰিয়ে credit লৈছিল। আজি এই বাজেটখন মই নিৰ্ব্বাচন কেন্দ্ৰিক বাজেট বুলি আখ্যা দিব বিচাৰিছো। এই চৰকাৰৰ দিনতে দিব্যাংগ সকলে চাকৰি বিচাৰি জনতাভৱনত ধৰ্ণা দিওঁতে তেওঁলোকক গৰু পিটন দিয়া হ'ল। ৭০ বছৰত কংগ্ৰেছত নোহোৱা কাম এই চৰকাৰে কৰি দেখুৱালে। কমলেক্ষ্য দে পুৰকায়স্থই কেইদিনমান আগতে এটা কথা কৈছিল যে এজন ডাঙৰ ৰজা আছিল। তেওঁ গম পালে যে এজন গায়ক আছে। ৰজাই তেওঁক গান গাবলৈ দিলে। প্ৰথমটো গান ভাল পাই ৰজাই ক'লে তোমাক মই ইমান ধন সম্পত্তি দিছো। আৰু এটা গান গাবলৈ দিয়াৰ পিছত ক'লে তোমাক মই ইমান মাটি দিলো। যেতিয়া গায়কজনে শুধিলে মহাৰাজ মই এইবিলাক কেতিয়া পাম, ৰজাই ক'লে তুমি এইবিলাক কেইদিনমান পাছত পাবা। গান গাই তুমি মোৰ কানটো ভাল লগালা মইও এই কথাবোৰ কৈ তোমাৰ কানটো ভাল লগালো। এই কথাবোৰো তেনেকুৱাই হৈছে। গতিকে মই বাজেটখনক নিৰ্ব্বাচন কেন্দ্ৰিক, ঝুমলা বাজেট বুলি অভিহিত কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি যিখন বাজেট দাখিল কৰা হ'ল এই বাজেট সংক্ৰান্তত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা আৰম্ভ কৰি বিত্ত মন্ত্ৰীৰ মন্তব্য, বিৰোধী দলৰ আৰু অসমৰ বিশিষ্ট যিসকল অৰ্থনীতিবিদ বা সমাজসেৱী সকলৰ মন্তব্যবিলাক চাই আছো। কোনোবাই এই বাজেটখনৰ সৰ্বকালৰ সৰ্ব্বশ্ৰেষ্ঠ বাজেট বুলি কৈছে, কোনোবাই অন্তঃসাৰ বুলি কৈছে, কোনোবাই কৈছে এই বাজেটখন আগন্তুক নিৰ্ব্বাচনৰ কাৰণে শাসকীয় দলৰ কাৰণে এটা ভাল বাৰ্তা কঢ়িয়াই আনিব, আৰু কোনোবাই কৈছে EVM ক আকৰ্ষণ কৰিব পৰা বাজেট, বিভিন্ন বেলেগ বেলেগ মন্তব্য শুনি আছো। কিন্তু বাজেটখন ফঁহিয়াই চাই আমাৰ ক্ষুদ্ৰ জ্ঞানেৰে অনুভৱ

হৈছে যে, এই বাজেটখন সচাঁ অৰ্থত বাজেটখন নিৰ্ব্বাচন কেন্দ্ৰিক। এই বাজেটখনত কোনোদিন কোনো চৰকাৰে বিগত দিনত অন্তৰ্ভুক্ত নকৰা কিছুমান আচঁনি অন্তৰ্ভুক্ত কৰিছে। ৫ লাখ টকাতকৈ কম আয়ৰ কোনোবা ছোৱালীৰ বিয়া দিবলৈ হ'লে ১তোলা সোন দিয়া হ'ব। ৰাইজে হয়তো এতিয়া আশা কৰিব যে অহা বছৰৰ বাজেটত আমাক  হীৰা দিব, তাৰ পিছৰ বছৰত হয়তো দৈ -চিৰাখিনিও দিব। তাৰ পিছত হয়তো যিখিনি পুৰি সব্জী লাগে সেইখিনিও দিব। এনেধৰণৰ কিবা নতুনত্ব চৰকাৰে আনিব বিচাৰিছে।

**মাননীয় অধ্যক্ষ ঃ আপুনি কাইলৈ continue কৰিব। মই এতিয়া সদন অহাকালি পুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰাখিলো।**